

গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা




একাদশ বছৰ ■ সংখ্যা ১৭২ ■ গুৱাহাটী ■ শুকুৰবাৰ, ২৯ জানুৱাৰী, ২০২১, ১৫ মাঘ, ১৯৪২ শক ■ RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মুঠ পৃষ্ঠা =১২ ■ মূল্য ঃ ৭.০০ টকা

VOL. 11 ISSUE NO. 172 Dainandin Barta ■ Guwahati, Friday ■ 29 January 2021 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 7.00 Only


## তথ্য আৰু জনসংযোগৰ এককালীন অনুদানপ্ৰাপক ২০ সাংবাদিকৰ নাম ঘোষণা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৮ জানুৱাৰী ঃ** ৰাজ্যৰ ২০ গৰাকী সাংবাদিকক ২০২০-২১ বৰ্ষৰ জনসংযোগ বিভাগৰ এককালীন অনুদান প্ৰদানৰ বাবে নিৰ্বাচিত কৰা হৈছে। ১৫ বছৰতকৈ অধিককাল সাংবাদিক হিচাপে সেৱা আগবঢ়োৱা সাংবাদিকসকলৰ বৃত্তিগত উৎকৰ্ষ সাধনৰ বাবে ৰাজ্য চৰকাৰে এই এককালীন অনুদানৰ ব্যৱস্থা কৰিছে। এই এককালীন অনুদান প্ৰাপ্ত সাংবাদিকসকলক চৰকাৰে ৫০ হাজাৰকৈ টকাকৈ আগবঢ়াব। এই বৰ্ষত এককালীন অনুদানৰ বাবে নিৰ্বাচিত সাংবাদিকসকল হৈছে ক্ৰমে— অনন্ত নাৰায়ণ বৰঠাকুৰ (দৈনিক জনমভূমি), অনুপ বিশ্বাস (দ্যা আছাম ট্ৰিবিউন), অৰূপ ৰঞ্জন বৰ্মন ■ ৮ পৃষ্ঠাত



ডিব্ৰুগড় বিশ্ববিদ্যালয়ত বৃহস্পতিবাৰে বিত্তীয় কেলেংকাৰিৰ তদন্তৰ দাবীত ছাত্ৰ সন্থাৰ প্ৰতিবাদ




গুৱাহাটীত বৃহস্পতিবাৰে পেট্ৰ'লজাত সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধৰ দাবীত ছাত্ৰ সন্থাৰ প্ৰতিবাদ



তেজপুৰত আছুৰ সদস্যৰ ওপৰত চিআৰপিএফৰ লাঠীচালনাৰ বিচাৰৰ দাবী তুলি অসম মানৱ অধিকাৰ আয়োগৰ অধ্যক্ষৰ হাতত স্মাৰক-পত্ৰ প্ৰদান আছুৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱা, সভাপতি দীপাংক কুমাৰ নাথকে ধৰি আন সদস্যৰ, গুৱাহাটীত বৃহস্পতিবাৰে

# শীৰ্ষ শিক্ষানুষ্ঠানত ভিন্ন কাৰণত শিক্ষাৰ্থীৰ প্ৰতিবাদ

## ডিব্ৰুগড় বিশ্ববিদ্যালয়ত উপাচাৰ্যৰ বিৰুদ্ধে প্ৰতিবাদী বিক্ষোভ ছাত্ৰ সন্থাৰ ঃ চৰকাৰক তদন্ত কৰিবলৈ বান্ধি দিলে ১৫ দিন সময় ঃ অন্যথা ব্যাপক আন্দোলন গঢ়ি তোলাৰ হুংকাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ২৮ জানুৱাৰী ঃ** বিভিন্ন বিত্তীয় কেলেংকাৰিত নাম সাঙোৰ খাই পৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ বিৰুদ্ধে পুনৰ প্ৰতিবাদী বিক্ষোভ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ 'আছু' গোটৰ। এই দিশত উচ্চ তদন্ত দাবী কৰি দোষীৰ উপযুক্ত শাস্তি বিচাৰি পুনৰ আজি প্ৰতিবাদত নামিল বিশ্ববিদ্যালয়ৰ আছু গোট। উল্লেখ্য যে, বিভিন্ন বিত্তীয় অনিয়ময়ত নাম সাঙোৰ খাই পৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° ৰঞ্জিত তামুলীৰ বিৰুদ্ধে বাতৰি সম্প্ৰচাৰিত হৈছিল সংবাদ মাধ্যমত। আৰু ইয়াৰ পাছতেই বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ বিৰুদ্ধে তদন্ত দাবী উত্থাপন কৰি ১১ জানুৱাৰীত প্ৰতিবাদ সাব্যস্ত কৰে বিশ্ববিদ্যালয়ৰ 'আছু' ■ ৮ পৃষ্ঠাত



লখিমপুৰৰ বগীনদীত বৃহস্পতিবাৰৰ পৰা আৰম্ভ হোৱা চুটীয়া ছাত্ৰ সন্থাৰ বাৰ্ষিক অধিৱেশনৰ ছবি

## ■ ভাৰতৰ দুৰ্নীতিৰ সূচাংক ৮৬ ■
## বিগত বৰ্ষতকৈ হ্ৰাস পালে ৬ পইণ্ট

**দৈনন্দিন বাৰ্তাৰ প্ৰতিবেদক, ২৮ জানুৱাৰী ঃ** ভাৰতৰ দুৰ্নীতিৰ সূচাংক ৮৬ স্থানলৈ উন্নীত হৈছে। বিগত বৰ্ষৰ তুলনাত ৬ পইণ্ট হ্ৰাস পাইছে দুৰ্নীতিৰ পৰিমাণ। বিশ্বৰ ১৮০খন দেশৰ মাজত চলোৱা এক সমীক্ষাত এই কথা প্ৰকাশ পাইছে। চিপিআই অৰ্থাৎ কৰাপশ্যন পাৰ্ছেপশ্যন ইনডেক্স-২০২০ অনুসৰি এই তথ্য প্ৰকাশ কৰা হৈছে। এই সমীক্ষাত '০' লাভ কৰিলে সৰ্বাধিক দুৰ্নীতিগ্ৰস্ত হিচাপে চিহ্নিত হয়। আনহাতে ১০০ লাভ কৰিলে দুৰ্নীতিমুক্ত স্বচ্ছ আৰু নিকা হিচাপে চিহ্নিত কৰা হয়। বিগত ২০১৯ বৰ্ষত ভাৰতৰ এই সূচাংক আছিল ৮০। এইবাৰ ৮৬ লাভ কৰিছে। অৰ্থাৎ কিছু পৰিমাণে দুৰ্নীতিমুক্ত হৈছে দেশৰ প্ৰশাসন। ■ ৮ পৃষ্ঠাত

## ফুলকাকাটাত যুৱকক হত্যা

### অঞ্চলজুৰি তীব্ৰ চাঞ্চল্য ঃ আৰক্ষীৰ হাতত গ্ৰেপ্তাৰ ২, পলাতক ৮

**দৈনিন্দন বাৰ্তাৰ সেৱা, জৰুৱা বন্দিহানা, ২৮ জানুৱাৰী ঃ** দক্ষিণ শালমাৰা থানা এলেকাধীন ফুলকাকাটা অঞ্চলত সংঘটিত এক লোমহৰ্ষক হত্যাকাণ্ডই অঞ্চলজুৰি চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰাপ্ত অভিযোগ মতে, ফুলকাকাটা গাঁৱৰ বাসিন্দা ফুলচান আলীৰ পুত্ৰ লালচান আলীক ২৫ জানুৱাৰীত নিশা দুষ্কৃতিকাৰীয়ে হত্যা কৰিছে বুলি অভিযোগ উত্থাপন কৰিছে পৰিয়ালৰ লোকে। পিছদিনাই জলকীয়া খেতিত তেজৰ চেকুৰা দেখা পাই সন্দেহৰ সৃষ্টি হয়। সেই তেজৰ চেকুৰা অনুসৰণ কৰি গৈ গৈ জাহাঙ্গীৰ আলম আৰু নুৰ মহম্মদৰ ঘৰ পায়লৈ অনুসন্ধানকাৰী। উক্ত ঘৰখনত তেজৰ চেকুৰা দেখা পাই তেতিয়াই ৰূপচান ■ ৮ পৃষ্ঠাত

## সংসদত আজি অৰ্থনৈতিক সমীক্ষা ২০২০-২১

**আৰম্ভ হ'ল সংসদৰ বাজেট অধিৱেশন**

**দৈনন্দিন বাৰ্তাৰ প্ৰতিবেদক, ২৮ জানুৱাৰী ঃ** কাইলৈৰ পৰা আৰম্ভ হ'ব দেশৰ সংসদৰ বাজেট অধিৱেশন। কাইলৈ পুৱা দুয়োখন সদনৰ যুটীয়া অধিৱেশন সম্বোধন কৰিব ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দে। ইয়াৰ পিছতে বিভিন্ন প্ৰতিবেদন, অৰ্থনৈতিক সমীক্ষা আদি দাখিল কৰা হ'ব। অহা এক ফেব্ৰুৱাৰীত আগন্তুক ২০২১-২২ বৰ্ষৰ বাজেট প্ৰাক্‌কলন দাখিল কৰা হ'ব। আনহাতে কাইলৈ সদনৰ মজিয়াত দাখিল কৰিব লগা অৰ্থনৈতিক সমীক্ষা ঃ ২০২০-২১ ৰ বাবে বিভিন্নজনে আগ্ৰহ প্ৰকাশ কৰা দেখা গৈছে। ২০২০-২১ বৰ্ষত জিডিপি অৰ্থাৎ মুঠ ঘৰুৱা উৎপাদন নিৰ্ধাৰণ কৰা হৈছিল ৭.৭ শতাংশ স্পৰ্শ কৰা। কিন্তু বিগত ফেব্ৰুৱাৰী মাহৰ পৰা বৰ্তমানলৈকে দেশত কৰ'না ভাইৰাছৰ সংক্ৰমণ আৰু লকডাউনৰ বাবে ■ ৮ পৃষ্ঠাত

## ■ অনীহা নে ভয় ■
## ১৩ দিনত ২৮ লাখে ল'লে ক'ভিড ভেকচিন

### প্ৰথম পৰ্যায়ত তিনি কোটি ভেকচিন সম্পূৰ্ণ কৰিবলৈ বহু দূৰ বাকী

**দৈনন্দিন বাৰ্তাৰ প্ৰতিবেদক, ২৮ জানুৱাৰী ঃ** ভাৰতত ন'ভেল কৰ'না ভাইৰাছৰ ভেকচিন প্ৰদান প্ৰক্ৰিয়া তেৰ দিন অতিক্ৰম কৰিলে। কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰা অনুসৰি প্ৰথম পৰ্যায়ত তিনি কোটি প্ৰথম শাৰীৰ কৰ'নাযোদ্ধাক সামৰি লোৱা হ'ব। দ্বিতীয় পৰ্যায়ত এই ভেকচিন পাব লগা লোকৰ সংখ্যা ত্ৰিশ কোটি বুলি কোৱা হৈছে। কিন্তু বিগত তেৰ দিনত ভেকচিন ■ ৮ পৃষ্ঠাত




গুৱাহাটীত বৃহস্পতিবাৰে প্ৰদেশ কংগ্ৰেছৰ সামাজিক মাধ্যম আৰু তথ্য প্ৰযুক্তি ৰাজ্যিক সমাৱেশৰ ছবি



### লাহৰীঘাটত জনসমুদ্ৰ, মধ্য অসম সংখ্যালঘু কংগ্ৰেছৰ বিশাল সন্মিলনেৰে শক্তি পৰীক্ষা, নিৰ্বাচনী ৰণডংকা
## কংগ্ৰেছৰ শাসন আহিলে পুনৰ মাটিৰ পট্টা সংশোধন কৰা হ'ব ঃ ৰিপুণ বৰা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২৮ জানুৱাৰী ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট সমষ্টিৰ অন্তৰ্গত তিনিচুকীয়া ৰাজীৱ গান্ধী খেলপথাৰত আজি দিনৰ ২ বজাত লাহৰীঘাট সমষ্টি কংগ্ৰেছৰ উদ্যোগত মধ্য অসম সংখ্যালঘু কংগ্ৰেছৰ বিশাল সন্মিলন অনুষ্ঠিত হয়। সন্মিলনৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকে নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক তথা অসম প্ৰদেশ ■ ৮ পৃষ্ঠাত

## ঐতিহাসিক পথৰুঘাটত কৃষক শ্বহীদ দিৱস পালন

### দেশী-বিদেশী পৰ্যটকক আকৰ্ষিত কৰিব পৰাকৈ ঐতিহাসিক পথৰুঘাটৰ ৰণত প্ৰাণ আহুতি দিয়া বীৰ কৃষক শ্বহীদসকলৰ স্মৃতিত ৰাজ্য চৰকাৰে স্থাপন কৰিব স্মৃতি ক্ষেত্ৰ ■ পথৰুঘাটত সংহত প্ৰশিক্ষণ আৰু দক্ষতা বিকাশ কেন্দ্ৰৰ শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰী সোণোৱালে

## অসমৰ শক্তিশালী ভৱিষ্যৎ কৃষিখণ্ডৰ ওপৰত নিৰ্ভৰশীল ঃ মুখ্যমন্ত্ৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৮ জানুৱাৰী ঃ** 'পথৰুঘাটৰ কৃষক বিদ্ৰোহ অকল অসমৰ বুকুতেই নহয়, ভাৰতবৰ্ষৰ বুকুৰ উল্লেখযোগ্য ঘটনা। ইংৰাজৰ খাজনা বৃদ্ধিৰ প্ৰতিবাদ কৰিবলৈ গৈ মৃত্যুক সাৱটি ল'বলগীয়া হোৱা কৃষকসকলৰ লগত পথৰুঘাটৰ স্মৃতি বিজড়িত হৈ আছে। কৃষকসকলৰ মহান ত্যাগৰ বাবে আজি আমি স্বাধীন ৰাষ্ট্ৰত মৰ্যাদাসহকাৰে বসবাস কৰিবলৈ সক্ষম হৈছো। এই শ্বহীদ কৃষকসকল আমাৰ সকলোৰে বাবে জীৱনৰ বাটত আদৰ্শ হৈ ৰ'ব। আমি আমাৰ ভৱিষ্যৎ ■ ৮ পৃষ্ঠাত



### অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ অষ্টম বৈঠক
## নৈক নেতিবাচক দৃষ্টিৰে চোৱাৰ সলনি ইতিবাচকভাৱে লোৱাৰ আহ্বান মুখ্যমন্ত্ৰীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৮ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ অষ্টম বৈঠকত অধ্যক্ষতা কৰি প্ৰাধিকৰণে বিগত সময়ছোৱাত গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ পৰ্যালোচনা কৰাৰ উপৰি ভৱিষ্যতে গ্ৰহণ কৰিবলগীয়া বিভিন্ন বিষয় পৰ্যালোচনা কৰাৰ লগতে বিভিন্ন প্ৰস্তাৱত অনুমোদন জনায়। আজিৰ বৈঠকত ২০২১ চনলৈ অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে লাভ কৰা পুঁজি আৰু ব্যয়ৰ খতিয়ান দাঙি ধৰা হয়। বৈঠকত ২০২০-২১ বৰ্ষত এছ ডি আৰ এফৰ অধীনৰ বিভিন্ন শিতানত মোকলাই দিয়া পুঁজি সন্দৰ্ভতো বিতং তথ্য দাঙি ধৰা হয়। তদুপৰি, এই বৈঠকতে ২০১০-১১ বিত্তীয় বৰ্ষৰ পৰা ২০২০-২১ বিত্তীয় বৰ্ষৰ ২৭ জানুৱাৰীলৈকে অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে ব্যয় কৰা বিভিন্ন শিতান সন্দৰ্ভতো খতিয়ান দাঙি ধৰা হয়। মুখ্যমন্ত্ৰীয়ে ■ ৮ পৃষ্ঠাত

### মিকিৰ বামুণী গ্ৰাণ্টৰ ৰায়তী খতিয়ানপ্ৰাপ্ত কৃষকৰ কাষত ৰাষ্ট্ৰীয় পৰ্যায়ৰ পৰিৱেশ কৰ্মী প্ৰফুল্ল চামান্ত্ৰা—
## চৰকাৰে বহুজাতিক কোম্পানীক অসমৰ শস্য ভূমি তথা গ্ৰামাঞ্চল ধ্বংস কৰাৰ বাবে মুকলি অনুজ্ঞা-পত্ৰ দিছে

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৮ জানুৱাৰী ঃ** নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত মিকিৰ বামুণী গ্ৰাণ্টৰ ৰায়তী ক্ষতিয়ানপ্ৰাপ্ত কৃষকক উচ্ছেদ কৰি 'আজু' নামৰ এটা বহুজাতিক প্ৰতিষ্ঠানে এটা সৌৰ প্ৰকল্প স্থাপন কৰিবলৈ লোৱা কাৰ্যৰ বিৰুদ্ধে বিগত কেইবামাহ ধৰি স্থানীয় কৃষকৰ লগতে বহুকেইটা দল-সংগঠন সৰৱ হৈ পৰে। ■ ৮ পৃষ্ঠাত

### মাজুলীৰ জ্যেষ্ঠ নাগৰিকৰে মুখ্যমন্ত্ৰীৰ সোণোৱালৰ মত-বিনিময়
## মাজুলীৰ সৌন্দৰ্য হৈছে প্ৰকৃতি



**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৮ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত মাজুলীৰ জ্যেষ্ঠ নাগৰিকসকলৰ সৈতে মত-বিনিময় কৰে। অনুষ্ঠানৰ আৰম্ভণিতে মাজুলীৰ জ্যেষ্ঠ নাগৰিকসকলে মুখ্যমন্ত্ৰীক উষ্ম সম্বৰ্দ্ধনা জ্ঞাপন কৰে। মত-বিনিময় অনুষ্ঠানত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে কৃষিখণ্ডত মাজুলীৰ যথেষ্ট সম্পদ আৰু সম্ভাৱনা আছে। মাজুলীৰ যুৱকে নিজৰ উৎপাদিত কৃষি সামগ্ৰী বিদেশলৈও ৰপ্তানি কৰিবলৈ সক্ষম হৈছে। মাজুলীৰ জ্যেষ্ঠ নাগৰিকসকল অভিভাৱক স্বৰূপ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে নৱ প্ৰজন্মক কৃষিখণ্ডত আত্মনিয়োগ কৰাৰ বাবে উৎসাহিত কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে মাজুলীত এতিয়া বহু নতুন আন্তঃগাঁথনি সৃষ্টি কৰা হৈছে। মাজুলীৰ সৌন্দৰ্য হৈছে প্ৰকৃতি। এই প্ৰাকৃতিক বাতাৱৰণ বিনষ্ট নকৰাকৈ মাজুলীৰ বিকাশ সাধন কৰিব লাগিব। পৰ্যটকসকলৰ ■ ৮ পৃষ্ঠাত

## ৰাজ্য চৰকাৰ-জলসম্পদ মন্ত্ৰীৰ চূড়ান্ত প্ৰৱঞ্চনাৰ জীৱন্ত সাক্ষী দিচাংমুখৰ অফলা

### ঢাল নাই-তৰোৱাল নাই, নিধিৰাম চৰ্দাৰৰ ৰূপত শিৱসাগৰ জলসম্পদ বিভাগ ■ শাসক চৰকাৰৰ প্ৰৱঞ্চনাৰ বলি হৈ এতিয়া নৈপৰীয়া ৰাইজে আশ্ৰয় ল'ব লগীয়াত পৰিছে মথাউৰিৰ কাষত ■ মুখ্যমন্ত্ৰী-জলসম্পদ মন্ত্ৰী-সাংসদ আৰু জলসম্পদ বিভাগক বাৰম্বাৰ গৰখহনীয়া ৰোধ কৰিবৰ বাবে আৱেদন-নিৱেদন কৰাৰ পিছতো গুৰুত্ব প্ৰদান নকৰিলে সংশ্লিষ্ট কোনো পক্ষই

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২৮ জানুৱাৰী ঃ** শাসনাধিষ্ঠ বিজেপিৰ মিত্ৰজোঁটৰ চৰকাৰখনৰ পাঁচ বছৰীয়া কাৰ্যকালত ক্ৰমাৎ ঢাল নাই-তৰুৱাল নাই, নিধিৰাম চৰ্দাৰৰ ৰূপত অৱত্তীৰ্ণ হ'ল শিৱসাগৰ জলসম্পদ বিভাগ। ইয়াৰ সমান্তৰালভাৱে অসম গণ পৰিষদ দলৰ হৈ মিত্ৰজোঁটৰ তৰফৰ পৰা বিভাগটোৰ মন্ত্ৰীৰ দায়িত্ব লাভ কৰা কেশৱ মহন্তও এক প্ৰকাৰ নিজৰ দায়িত্ব পালন কৰাৰ ক্ষেত্ৰত চূড়ান্তভাৱে ব্যৰ্থ হোৱাৰ ইতিমধ্যে ধাৰাবাহিক অভিযোগ উত্থাপন হৈ আহিছে। চৰকাৰ আৰু সংশ্লিষ্ট জলসম্পদ বিভাগ আৰু বিভাগটোৰ মন্ত্ৰী গৰাকীৰ চূড়ান্ত অকমন্যতাৰ এক জ্বলন্ত উদাহৰণ হ'ল শিৱসাগৰ জিলাৰ দিচাংমুখ আৰক্ষী চকীৰ অৰ্ন্তগত অফলা, গড়ভগা, মামল গড়ভগা, চৰাইপৰা, বাহিৰ লিগিৰীবাৰী আদি নৈ'পৰীয়া অঞ্চল সমূহ। এই অঞ্চলৰ নৈ'পৰীয়া ৰাইজ এতিয়া খহনীয়াত সৰ্বস্ব হেৰুৱাই ভৱিষ্যত হেৰুৱাৰ আশংকাত ভুগিছে। ইতিমধ্যে এই অঞ্চল সমূহৰ কৃষক-শ্ৰমিক সকলৰ শ শ বিঘা কৃষিভুমি ইতিমধ্যে ব্ৰহ্মপুত্ৰ নদীৰ ভয়াৱহ খহনীয়াত ■ ৮ পৃষ্ঠাত



# 'সাংবাদিক পৰিষদ অসম'ৰ কেন্দ্ৰীয় সমিতিৰ সহযোগত আৰু কামৰূপ মহানগৰ জিলা সমিতিৰ উদ্যোগত বিশেষ সভা আৰু সম্বৰ্ধনা অনুষ্ঠান সম্পন্ন

## ৰাজ্যৰ ২৭গৰাকী বিশিষ্ট ব্যক্তিলৈ বিশেষ সম্বৰ্ধনা

**গুৱাহাটী, ২৫ জানুৱাৰী ঃ** সাংবাদিক পৰিষদ অসমৰ কেন্দ্ৰীয় সমিতিৰ সহযোগত আৰু গুৱাহাটী মহানগৰ জিলা সমিতিৰ উদ্যোগত আজি গুৱাহাটী মহানগৰীৰ দিছপুৰ স্থিত গড়কাপ্তানী প্ৰশিক্ষণ কেন্দ্ৰত এক বিশেষ সভা আৰু সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। সাংবাদিক পৰিষদ অসমৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি চন্দ্ৰ কুমাৰ বৰুৱাৰ পৌৰহিত্যত অনুষ্ঠিত হোৱা সভাত বিশিষ্ট অতিথি হিচাপে দৈনিক অগ্ৰদূত কাকতৰ মুখ্য সম্পাদক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কনক সেন ডেকা উপস্থিত থাকি সভাৰ আৰম্ভণি কৰে। সভাৰ আৰম্ভণিতে দেশৰ বাবে জাতিৰ বাবে শ্বহীদ হোৱা সাংবাদিক সকলক বন্তিপ্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি জনোৱা হয়। বন্তি প্ৰজ্বলন কৰে কনক সেন ডেকা আৰু প্ৰাগ নিউজৰ সঞ্চালক সঞ্জীৱ নাৰায়ণে। বিশিষ্ট সাংবাদিক কনকসেন ডেকাই সভাৰ উদ্বোধনী ভাষন প্ৰদান কৰি কয় যে এতিয়া সমাজত কাম কৰিবলৈ ৰাজনীতিয়ে আটাইতকৈ উত্তম। আজিৰ সমাজত মানুহ কিয় ইমান ধনৰ পিছত দৌৰে বুলি ডেকাই উল্লেখ কৰে। তেওঁ লগতে সাংবাদিক পৰিষদ অসমৰ কেন্দ্ৰীয় সমিতি আৰু গুৱাহাটী মহানগৰ জিলা সমিতিয়ে এনেকুৱা সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰাৰ বাবে সমিতিক ধন্যবাদ জ্ঞাপন কৰে। লগতে সাংবাদিক পৰিষদ অসমক এখন অভিবৰ্তন পাতিবলৈ অনুৰোধ জনায়। অভিবৰ্তনৰ সামগ্ৰীক খৰচ দৈনিক অগ্ৰদূত তৰফৰ পৰা আগবঢ়াব বুলি তেওঁ উল্লেখ কৰে। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থকা প্ৰাগ নিউজ চেনেলৰ সঞ্চালক সঞ্জীৱ নাৰায়ণ। সম্বৰ্ধনা অনুষ্ঠানত বিশিষ্ট ব্যক্তি হিচাপে অসম



চৰকাৰৰ প্ৰাক্তন মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, নিউজ লাইভ চেনেলৰ জ্যেষ্ঠ সাংবাদিক ধ্ৰুৱ মহন্ত, বিশিষ্ট সাংবাদিক তথা প্ৰকৃতি প্ৰেমী অপূৰ্ব বল্লভ গোস্বামী, ৰাজ্য সভাৰ সাংসদ তথা বিশিষ্ট সাংবাদিক অজিত কুমাৰ ভূঞা। সভাত উপস্থিত থাকি অজিত কুমাৰ ভূঞাই সাংবাদিক সকলৰ নিৰাপত্তা আৰু বিভিন্ন সমস্যাৰ ওপৰত চমু ভাষন প্ৰদান কৰে। ইপিনে বিশিষ্ট অতিথি হিচাপে নিমন্ত্ৰিত আছিল যদিও সম্পাদক নৱেশ কলিতাই উপস্থিত থাকি নিজৰ ভাষণ প্ৰদান কৰিব নোৱাৰিলে এটি সুস্থ সবল জাতি গঢ় দিব নোৱাৰে বুলি তেওঁ কয়। উল্লেখ্য যে সংবাদ সেৱা, সমাজ সেৱা, উদ্যোগ-বাণিজ্য, সাহিত্য, সংস্কৃতি চিকিৎসা সেৱাৰ লগতে বিভিন্ন ক্ষেত্ৰত বিশেষ অৰিহনা আগবঢ়াই অহা অসমৰ প্ৰায় ২৭ গৰাকী বিশিষ্ট ব্যক্তিক বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা হয়। বিশিষ্ট সাংবাদিক বৈকুণ্ঠ নাথ গোস্বামী, বিশিষ্ট চিকিৎসক ডাঃ গোপাল কলিতা, বিশিষ্ট অভিনেতা চম্পাক শৰ্মা, জ্যেষ্ঠ সাংবাদিক জীতেন্দ্ৰ কুমাৰ চৌধুৰী, বিশিষ্ট চিকিৎসক ডাঃ ভবানন্দ দাস, Dy 365 ৰ সম্পাদক, বিশিষ্ট সমাজ কৰ্মী তথা যুৱ ব্যৱসায়ী ৰাজীৱ দাস, ৰাষ্ট্ৰীয় ধাৰাবাহিক অভিনেতা জীতিতেশ মজুমদাৰ সহ প্ৰায় ২১ গৰাকী ব্যক্তিক ফুলাম গামোছা, মানপত্ৰ, ফুলাম জাপি আৰু এটি কিতাপৰ তোপোলাৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সাংবাদিক পৰিষদ অসমৰ গুৱাহাটী মহানগৰ জিলাৰ সাধাৰণ সম্পাদক মনোজ ডেকা আতধৰা সভাত এটি সমাবেত সংগীত পৰিৱেশনৰে সভা আৰম্ভ কৰা হয়। সম্বৰ্ধনা অনুষ্ঠানত বিশেষ কাৰন বসত কেইগৰাকীমান বিশিষ্ট ব্যক্তি উপস্থিত থকিব নোৱাৰিলে। Dy 365 ৰ পৰিচালন সঞ্চালিকা দিপান্বিতা জয়চোৱালে ব্যক্তিগত বিশেষ অসুবিধাৰ বাবে এই সভাত উপস্থিত থাকিব নোৱাৰাত সঞ্চালিকা গৰাকীৰ হৈ DY365 ৰ সাংবাদিক তথা বাতৰি পৰিৱেশক স্নিগ্ধা শিখা বৰুৱাই এই বটা গ্ৰহণ কৰে। বিশেষকৈ মুখ্যমন্ত্ৰী আইন উপদেষ্টা শান্তনু ভৰালী, মহানগৰ আৰক্ষী আয়ুক্ত মুন্না প্ৰসাদ গুপ্তা। এই সকল ব্যক্তিক সম্বৰ্ধনা প্ৰাপকক নিজ কাৰ্যালয়ত শীঘ্ৰে প্ৰদান কৰা হ'ব বুলি সাংবাদিক পৰিষদ অসমৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি চন্দ্ৰ কুমাৰ বৰুৱা, কৰ্য্যকৰি সভাপতি যোগেশ মজুমদাৰ সাধাৰণ সম্পাদক ৰবিন দাস আৰু মহানগৰ জিলা সমিতিৰ সভাপতি ঈশ্বৰ মহন্ত আৰু সাধাৰণ সম্পাদক মনোজ ডেকাই উল্লেখ কৰে। এই সভাত বিশিষ্ঠ ব্যক্তি, বিশিষ্ঠ অতিথি সকলৰ লগতে সাংবাদিক পৰিষদ অসমৰ কেন্দ্ৰীয় সমিতিৰ সকলো বিষয়ববীয়া,সদস্যৰ লগতে উপাধক্ষ চন্দ্ৰ কুমাৰ শইকীয়া উপদেষ্টা মণ্টু শইকীয়া, গোলোক চন্দ্ৰ কলিতা উপস্থিত থাকে। ঠিক সেই দৰে গুৱাহাটী মহানগৰ জিলা সমিতি সকলোৱে উপস্থিত থকা দেখা যায়। ইয়াৰ উপৰিও অসমৰ ৩১ খন জিলা সমিতিৰ প্ৰতিনিধিৰ সভাপতি, সম্পাদক, স্থানীয় সাংবাদিক সকল উপস্থিত থাকে। উল্লেখ্য যে জাতীয় সংগীতৰে সভা সমাপ্ত সমাপ্ত হয়।

# শান্তি বৰ্তি নাথাকিলে প্ৰগতি উন্নতি সম্ভৱ নহয় ঃ মুকুট ৰাভা

## গুৰুফেলাত শান্তি-সম্প্ৰীতি অটুট ৰখাৰ বাবে আৰক্ষীৰ উদ্যোগত শান্তি সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ২৮ জানুৱাৰী ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ গুৰুফেলা আৰক্ষী চকীৰ অন্তৰ্গত গুৰুফেলা বজাৰৰ ব্যৱসায়ী সকলৰ লগত স্হানীয় যুৱক তথা আত্মসমৰ্পনকাৰী বাঙালী জনমুক্তি বাহিনীৰ প্ৰাক্তন সেনাধ্যক্ষ কমল পালৰ সৈতে হোৱা সামান্য কাজিয়া ক্ৰমান্বয়ে জটিল দিশত গতি কৰিছে।উক্ত ঘটনাক লৈ অঞ্চলটোত এক সাম্প্ৰদায়িক সম্প্ৰিতি বিনষ্ট হোৱাৰ পৰিস্হিতি সৃষ্টি হৈছে।উক্ত ঘটনাৰ গুৰুত্ব অনুধাৱন কৰি গুৰুফেলাবাসী বিভিন্ন জাতি জনগোষ্ঠীৰ মাজত শান্তি সম্প্ৰীতি আৰু ভাতৃত্ববোধ অক্ষুন্ন ৰখাৰ বাৰ্তা দিবলৈ আজি কোকৰাঝাৰ জিলা আৰক্ষীৰ উদ্যোগত বজাৰ প্ৰাংগনত এখন শান্তি সভা অনুষ্ঠিত হয়।হাতীগড় গাঁৱৰ চৰকাৰী গাঁওবুঢ়া বৃন্দাবন ৰায়ৰ সভাপতিত্বত অনুষ্ঠিত সভাত কমল পালৰ দুৰ্ব্যৱহাৰ কেন্দ্ৰ কৰি সৃষ্টি হোৱা পৰিস্হিতিৰ ওপৰত সভাত উপস্হিত থকা আক্ৰাছু,সদৌ অসম আৰু বিটিআৰ বাঙালী যুৱ ছাত্ৰ ফেডাৰেছন,অখিল ভাৰত হিন্দিভাষী উন্নয়ন পৰিষদ, আদি দল সংগঠনৰ স্হানীয় নেতা-কৰ্মী,গাঁও বুঢ়া,জ্যেষ্ঠ তথা সচেতন নাগৰিক আৰু গুৰুফেলা বজাৰৰ ব্যৱসায়ী সকলে বক্তব্য ৰাখে।গুৰুফেলা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া অংগৰাজ ছেত্ৰীয়ে ঘটনাৰ সবিশেষ আৰু বৰ্তমানৰ পৰিস্হিতিৰ ওপৰত বক্তব্য ৰখাৰ পাছত কোকৰাঝাৰ জিলা অতিৰিক্ত আৰক্ষী অধীক্ষক মুকুট ৰাভাই নিজৰ বক্তব্যত কয় নিজৰ পৰিবাৰকে ধৰি সমাজ এখনত শান্তি সম্প্ৰীতিৰ পৰিৱেশ অটুট নাথাকিলে নিজৰ তথা সমাজ আৰু অঞ্চলৰ প্ৰগতি উন্নয়ন বাধাগ্ৰস্হ হয়।মৰম চেনেহেৰে মানুহ জীয়াই থাকিলে শান্তিৰ পৰিৱেশ অটুট থাকে আৰু সকলো জাতি জনগোষ্ঠীৰ মাজতো এক মিলাপ্ৰীতিৰ বন্ধন দৃঢ় হয়।এজনৰ ভুলক লৈ জাতি বা গোষ্ঠীক জগৰীয়া কৰাটো উচিত নহয়। নিজৰ ঠাই তথা সমাজখনক সুন্দৰ কৰি ৰাখিব পৰাটোকে দেশ সেৱা বুলি কোৱা হয়।গতিকে নৱপ্ৰজন্মকে ধৰি সমাজৰ সকলো শ্ৰেনীৰ ৰাইজক ইতিবাচক ভাৱধাৰাৰে উদ্বুদ্ধ হ'বলৈ আহ্বান জনাই তেওঁ গুৰুফেলাত সংঘটিত ঘটনাৰ উচিত তদন্ত কৰি আইনগতভাৱে ব্যৱস্হা গ্ৰহণ কৰাৰ আশ্বাস প্ৰদান কৰে।আৰক্ষীৰ লগত জনসাধাৰণ কো শান্তি সম্প্ৰীতি আৰু অঞ্চলৰ আইন শৃঙ্খলা ৰক্ষাৰ ক্ষেত্ৰত সদা সচেতন থকাৰ বাবে আৰক্ষী অধীক্ষক গৰাকীয়ে উপস্হিত ৰাইজৰ লগতে গুৰুফেলাবাসী ৰাইজলৈ আহ্বান জনায়।উক্ত শান্তি সভাত গুৰুফেলা বজাৰত উন্নয়ন সমিতি সভাপতি তুলসী ৰায় ,বাঙালী ছাত্ৰ সংগঠনৰ গুৰুফেলা আঞ্চলিকৰ সভাপতি দুলাল সৰকাৰ,কোচ ৰাজবংশী সন্মিলনীৰ নেতা তৰনীকান্ত ৰায়, আক্ৰাছুৰ জিলা সমিতিৰ সম্পাদক লক্ষীকান্ত ৰায় প্ৰমুখ্য বিশিষ্ট ব্যক্তিবৰ্গ উপস্হিত থাকে আৰু প্ৰত্যেকে শান্তি সম্প্ৰীতিৰ হকে ভাষন প্ৰদান কৰে।

# দৰং জিলা কংগ্ৰেছৰ সম্পাদক জয়ন্ত জান শইকীয়াৰ কংগ্ৰেছ দল ত্যাগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ২৮ জানুৱাৰী ঃ** দৰং জিলা কংগ্ৰেছৰ সম্পাদক জয়ন্ত জান শইকীয়াই সামাজিক মাধ্যমযোগে ঘোষণা কৰিলে কংগ্ৰেছ দল ত্যাগ কৰাৰ কথা। দৰং জিলা কংগ্ৰেছৰ সম্পাদক হিচাপে কাৰ্য্যনিৰ্বাহ কৰি থকা জয়ন্ত জান শইকীয়াই সম্পাদকৰ দায়িত্ব লোৱাৰ পূৰ্বে চ'চিয়েল মাধ্যম বিভাগৰো বিষয়বাবৰ দায়িত্ব বহন কৰি দৰংত কংগ্ৰেছ দলটো শক্তিশালী কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। কিন্তু কংগ্ৰেছৰ ভিতৰ চৰাত চলা লবী ৰাজনীতিৰ বাবেই নিষ্ঠাবান কৰ্মী গৰাকীয়ে এনেদৰে চ'চিয়েল মাধ্যম যোগে ঘোষনা কৰি কংগ্ৰেছ দল ত্যাগ কৰে বুলি আমি বিশেষ সূত্ৰে জানিব পাৰিছো। অকল জয়ন্ত জান শইকীয়াই নহয় দৰং জিলা কংগ্ৰেছৰ একাংশই লবী ৰাজনীতিৰে দলটো নিজৰ পৈত্তিক সম্পতিৰ দৰে ব্যৱহাৰ কৰি অহাৰ বাবে দৰং কংগ্ৰেছৰ নিষ্ঠাবান বহু নেতা কৰ্মীয়ে



শোভিত হৈ নিৰ্বাচনৰ আগে আগে দল ত্যাগ কৰিব বুলি আমাৰ হাতত তথ্য আহি পৰিছে। কংগ্ৰেছ দল ত্যাগ কৰি দৰং কংগ্ৰেছৰ সম্পাদক জয়ন্ত জান শইকীয়াই এতিয়ালৈ কোনো দলত যোগদান কৰা নাই যদিও অচিৰেই অন্য ৰাজনৈতিক দলত যোগদান কৰিব বুলি জানিব পৰা গৈছে। বিশেষকৈ নতুন আঞ্চলিক দল অসম জাতীয় পৰিষদ আৰু ৰাইজৰ দলে নিজৰ নিজৰ দলত যোগদান কৰোৱাৰ বাবে যোগাযোগ অব্যাহত ৰখাৰ লগতে ৰাষ্ট্ৰীয় দল বিজেপিৰ দৰং জিলাৰ যুৱ মৰ্চাৰ নেতা কৰ্মী সকলে এগৰাকী বিজেপি বিধায়কৰ জৰিয়তে জয়ন্ত জান শইকীয়াক বিজেপিত যোগদান কৰোৱাৰ বাবে যোগাযোগ কৰি আছে বুলি আমি জানিব পৰা গৈছে।

# সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থাৰ সপ্তাহযোৰা পুথিভঁৰাল সপ্তাহ উদ্‌যাপন

## ২৪গৰাকী বিশিষ্ট লোকক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৮ জানুৱাৰী ঃ** গ্ৰন্থাগাৰ বিশ্বদৰ্শনৰ মূলদ্বাৰ এই লক্ষ্য শিৰোগত কৰি ১৯৮৫ চনৰ ২৭ জানুৱাৰীত গঠন হোৱা সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থাই ইতিমধ্যে ৩৬ বছৰত ভৰি দিছে। ৩৬ বছৰ পুৰ্তি উপলক্ষে কালিৰ পৰা ২ ফেব্ৰুৱাৰী লৈকে ৩৬ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু পুথিভঁৰাল সপ্তাহ উদযাপন কৰা হৈছে। ৭ দিনীয়াকৈ আয়োজন কৰা এই কাৰ্যসূচী কালি পুৱা পতাকা উত্তোলনৰে সন্থাৰ উপ-সভাপতি হিমাদ্ৰীজ্যোতি দত্তই শুভাৰম্ভ কৰে। ইয়াৰ পিছতে স্মৃতি তৰ্পণ, শোভাযাত্ৰা, বাটৰ নাট পৰিৱেশন আৰু ড° ভূপেন হাজৰিকা আদৰ্শ পুথিভঁৰাল মুকলি কৰা হয়। দিনৰ ১২ বজাত প্ৰাচীৰ পত্ৰিকা মুকলি কৰে প্ৰাক্তন বিধায়ক হৰেন বৰাই। গ্ৰন্থ আৰু প্ৰদৰ্শনী দ্বাৰ মুকলি কৰাৰ পাছত নৱ-নিৰ্মিত সুধাকন্ঠ ড° ভূপেন হাজৰিকাঞ্জ মুকলি মঞ্চ মুকলি কৰে নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই। মুকলি মঞ্চ মুকলি কৰি দিয়া ভাষণত বিধায়ক শৰ্মাই কয়- সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থাই গ্ৰামাঞ্চলত পুথিভঁৰাল আন্দোলন গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। আধুনিক প্ৰযুক্তিবিদ্যাৰ উত্তৰণৰ সময়তো গ্ৰন্থৰ চাহিদা কমা নাই। গ্ৰন্থই জ্ঞান প্ৰসাৰত উল্লেখনীয় ভূমিকা গ্ৰহণ কৰি আহিছে। তেওঁ নৱ-প্ৰজন্মকঞ্জ গ্ৰন্থ অধ্যয়নৰ প্ৰতি গুৰুত্ব দিবলৈ আহ্বান জনায়। বিয়লি দুই বজাৰ পৰা ভূপেন হাজৰিকা মুকলি মঞ্চত পুথিভঁৰাল সপ্তাহৰ উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত কৰা হয়। কলংপাৰ কাকতৰ মুখ্য সম্পাদক ড° আবু হানিফাই উদ্বোধন কৰা সভাত অৱসৰপ্ৰাপ্ত অধ্যাপক ড° জ্যোতিৰ্ময় জানা আৰু সত্ৰাধিকাৰ যুগল গোস্বামীয়ে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি পুথিভঁৰাল আন্দোলনৰ প্ৰয়োজনীয়তাৰ বিষয়ে উল্লেখ কৰে। সভাত ৰাজনীতি বিদ তথা প্ৰাক্তন বিধায়ক বানেশ্বৰ শইকীয়া, সাহিত্যিক উপেন্দ্ৰ বৰকটকি, শিক্ষাবিদ ড° খগেশ্বৰ ভূঞা সমাজকৰ্মী কাৰ্তিক সাহাকে ধৰি বহু কেইজন বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। হিমাদ্ৰী জ্যোতি দত্তই সভাপতিত্ব কৰা আৰু সন্থাৰ প্ৰধান সম্পাদক বল্লদেৱ শৰ্মাই আতধৰা সভাখনত নগাঁও জিলাৰ সমাজ জীৱনলৈ বিভিন্ন ক্ষেত্ৰত সেৱা আগবঢ়োৱা ২৪ গৰাকী লোকক সম্বৰ্দ্ধনা জনোৱা হয়। সন্ধিয়া সাংস্কৃতিক সম্পাদিকা অনিমা বৰুৱা শৰ্মাৰ পৰিচালনাত সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। উদ্বোধনী অনুষ্ঠানৰ বিভিন্ন কাৰ্যসূচী পৰিচালনা কৰে সন্থাৰ সহকাৰী সম্পাদক দ্বয় খগেন চন্দ্ৰ নাথ আৰু দিলীপ বৰাই। সন্থাৰ প্ৰতিষ্ঠা দিৱসৰ আন কাৰ্যসূচী ক্ৰমে আজি হোজাই জিলা গ্ৰাম্য পুথিভঁৰাল সন্থাৰ উদ্যোগত শিশু সুৰক্ষা আৰু মহিলা সবলীকৰণৰ আলোচনা চক্ৰ অনুষ্ঠিত হয়। কাইলৈ গোলাঘাট জিলা গ্ৰাম্য পুথিভঁৰাল সন্থাৰ উদ্যোগত বদন শৰ্মা স্মাৰকবক্তৃতা অনুষ্ঠান, ৩০ জানুৱাৰীত তিনিচুকীয়া জিলা গ্ৰাম্য পুথিভঁৰাল সন্থাৰ উদ্যোগত জেষ্ঠ নাগৰিক কল্যাণ সম্পৰ্কীয় সজাগতা সভা, ৩১ জানুৱাৰীত মৰিগাঁও জিলা গ্ৰাম্য পুথিভঁৰাল সন্থাৰ উদ্যোগত যুৱ সমাৰোহ, ১ ফেব্ৰুৱাৰীত শোণিতপুৰ আৰু দৰং জিলা গ্ৰাম্য পুথিভঁৰাল সন্থাৰ উদ্যোগত মহিলা সবলীকৰণৰ আৰু শিশুৰ বিকাশত গ্ৰন্থৰ ভূমিকা শীৰ্ষক আলোচনা চক্ৰ আৰু ২ ফেব্ৰুৱাৰীত নগাঁৱস্থ কেন্দ্ৰীয় কাৰ্যালয়ত সামৰণি অনুষ্ঠান অনুষ্ঠিত হ'ব।

# ঘৰ গণনা গাঁও পঞ্চায়ত ক্ৰমিক সংখ্যা আঁচনিৰ কাম দ্ৰুতগতিত চলিছে

মোৰাঝাৰ ২৮ :জানুৱাৰী ঘৰ গণনা গাওঁ পঞ্চায়ত ক্ৰমিক সংখ্যা আচঁনিৰ বিৰুদ্ধে ভূৱা অপপ্ৰচাৰ কৰাৰ অভিযোগ উত্থাপন হৈছে। কোনোবাই নিজ স্বাৰ্থ সিদ্ধিৰ বাবে উঠি পৰি লাগিছে এই ভূৱা অপ প্ৰচাৰত। এনে ধৰণৰ কিছু ভূৱা কথাত মন নিদিয়াৰ আহবান সচেতন লোকক। কিয়নো কেন্দ্ৰ তথা অসম চৰকাৰৰ পৰা অনুমোদিত প্ৰ-পত্ৰ গু শুদ্ধ তথ্য তেওঁলোকৰ লগত মজুত আছে।আজি এক সংবাদ মেল যোগে এই কথা সদৰি কৰে অসমৰ জিলা supervisor আব্দুল হুছেইনে। অনাগত দিনবোৰত এনে অপপ্ৰচাৰ কৰা সকলৰ বিৰুদ্ধে আইনৰ কাষ চাপিব বুলি তেওঁ উল্লেখ কৰে।উলেখ্য যে S.B House Numbering Works Pvt. Ltd নামৰ কোম্পানিৰ পৰিচালক সঞ্চালক শ্ৰী শংকৰ বেনাৰজীৰ নেতৃত্বত অসমৰ কেইবাটাও জিলাত কাম চলি আছে। এই সন্থাই বিগত ২০০৪ চনৰ পৰা অসমত কাম কৰি আছে বুলি তেওঁলোকে জানিবলৈ দিয়ে।

# মাহমৰাত ভেটি উছন হ'ব নেকি যোগেন মহনৰ? জাকে জাকে ডেকা আহিছে অজাপলৈ

**দৈনন্দিন বাৰ্তাৰ সেৱা, সোণাৰি, ২৮ জানুৱাৰী ঃ** অবিভক্ত শিৱসাগৰ জিলাৰ অন্তৰ্গত অন্যতম এটা বৃহৎ বিধানসভা সমষ্টি হ'ল মাহমৰা। দীৰ্ঘদিন কংগ্ৰেছৰ দখলত থকা মাহমৰা সমষ্টিক ২০১৬ চনত বিজেপি দলৰ হাতলৈ নিবলৈ সক্ষম হৈছিল যদিও এতিয়া সমষ্টিটোৰ ভোটাৰসকলৰ মোহভংগ ঘটিছে বিজেপি দলৰ প্ৰতি। উন্নয়নৰ দিশত অতিকৈ পিছপৰা কৃষি প্ৰধান মাহমৰা সমষ্টিৰ ৰাইজ এতিয়া বিটুষ্ট হৈছে শাসনাধিষ্ঠ দলৰ বিধায়ক তথা অসম চৰকাৰৰ মন্ত্ৰী যোগেন মহনৰ প্ৰতি। যাৰ ফলত জাতীয়তাবাদী শিবিৰৰ সমষ্টি বুলি বিবেচিত মাহমৰা সমষ্টিত পুনৰ জাতীয়তাবাদৰ ধ্বজ্জা উৰুৱালৈ এতিয়া ৰাইজ ওলাই অহা পৰিলক্ষিত হৈছে। মন কৰিবলগীয়া যে ঐতিহাসিক অসম আন্দোলনৰ পাছত গঠন হোৱা অগপ দলে কেইবাছৰো নিজৰ দখলত ৰাখিবলৈ সক্ষম হৈছিল মাহমৰা সমষ্টি। পৰৱৰ্তী সময়ত কংগ্ৰেছ দলে সমষ্টি দখল কৰিছিল যদিও ২০১৬ চনত বিজেপিয়ে দখল কৰিবলৈ সক্ষম হয়। কিন্তু পাঁচটা বছৰ অতিক্ৰম নৌহওঁতেই মোহভংগ ঘটিল মাহমৰা সমষ্টিবাসীৰ। সমষ্টিটোৰ বাটপথৰ বিধ্বস্ত অৱস্থা, গৰাখহনীয়াকে ধৰি বহু সমস্যাৰে জৰ্জৰিত যদিও চৰকাৰে গুৰুত্ব প্ৰদান নকৰাত এতিয়া অসম জাতীয় পৰিষদলৈ ঢাপলি মেলিছে। চৰাইদেউ জিলাৰ ১০৫ নং বিধানসভা সমষ্টিত পুনৰ জাতীয়তাবাদৰ ধ্বজ্জা উৰুৱাবলৈ উঠি পৰি লাগিছে জাতীয়তাবাদী শিবিৰৰ লোকসকল। শাসনাধিষ্ঠ বিজেপি দলক মাহমৰাৰ পৰা উৎখাত কৰিবলৈ নৱগঠিত অসম জাতীয় পৰিষদ, ৰাইজৰ দলে প্ৰতিদিনে অনুষ্ঠিত কৰিছে সভা। শেহতীয়াকৈ আজি অসম জাতীয় পৰিষদৰ ভাতৃ সংগঠন জাতীয় যুৱ শক্তিৰ ১০৫ নং বিধানসভা সমষ্টি গঠন কৰি বিজেপিক উৎখাতৰ সংকল্প গ্ৰহণ কৰে সমষ্টিটোৰ যুৱকসকলে। মাহমৰা সমষ্টিৰ পানীবিল গোমোঠাৰ নৱজ্যোতি যুৱ সমাজৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এখন প্ৰতিনিধিত্ব মূলক সভাৰ জৰিয়তে ১০৫ নং মাহমৰা সমষ্টিৰ জাতীয় যুৱ শক্তি গঠন কৰা হয়। মাহমৰা সমষ্টিৰ ১৯ খন গাওঁ পঞ্চায়তৰ পাঁচ শতাধিক যুৱকৰ অংশগ্ৰহণেৰ অনুষ্ঠিত হোৱা সভাখনত অসম জাতীয় পৰিষদৰ কেন্দ্ৰীয় সম্পাদক বিশ্বজিৎ টিপমীয়া, ৰঞ্জন কোঁৱৰৰ লগতে বহু কেইগৰাকী নেতাৰ উপস্থিতিত সুনীল গগৈক সভাপতি, নিতুল মেচক সম্পাদক হিচাপে লৈ অসম জাতীয় পৰিষদৰ ভাতৃ সংগঠন জাতীয় যুৱ শক্তি গঠন কৰা হয়।

# ৰামধেনু যুগৰ গল্পকাৰ ড° মহেন্দ্ৰ বৰপূজাৰী দেহাৱসান, আপকুৰ গভীৰ শোক প্ৰকাশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰডুবি ২৮ জানুৱাৰী ঃ** নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, ইতিহাসবিদ, শিশু সাহিত্যিক তথা ৰামধেনু যুগৰ গল্পকাৰ ড°মহেন্দ্ৰ বৰপূজাৰীৰ(৭৮) দেহাৰসানত গভীৰ শোক প্ৰকাশ কৰিছে আসাম প্ৰেছ ক'ৰেছপণ্ডেন্টছ ইউনিয়নৰ পৰিয়ালবৰ্গই । কালি নিশা ৮ বজাত বাৰ্ধক্যজনিত কাৰণত চিৰবিদায় লোৱা চিৰকুমাৰ ডঃ মহেন্দ্ৰ বৰপূজাৰীৰ মৃত্যু সমাজখনৰ বাবে এক অপূৰণীয় ক্ষতি বুলি উল্লেখ কৰিছে



আপকুৱে । এইক্ষেত্ৰত আপকুৰ কেন্দ্ৰীয় মুখ্য উপদেষ্টা মনোজ সিং, সভাপতি আব্দুল খালেক, কাৰ্যকৰী সভাপতি মৌচমজ্যোতি বৈশ্য, সম্পাদক প্ৰধান শৰৎ শেনছোৱাৰ লগতে ডিব্ৰুগড় জিলা সমিতি আপকুৰ সভাপতি ধৰণী গগৈ, কাৰ্যকৰী সভাপতি উৎপল চলিহা আৰু সাধাৰণ সম্পাদক কৃষ্ণ গগৈয়ে মহানুভৱ ব্যক্তিত্বৰ প্ৰতি শ্ৰদ্ধা নিবেদি তেখেতৰ আত্মাৰ সদ্গতি কামনা কৰা লগতে শোকসন্তপ্ত পৰিয়াল বৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে ।

# ৰঙাপৰা সমষ্টিত অসম জাতীয় পৰিষদৰ প্ৰথমটো খোজ

## সমষ্টি সমিতি গঠনেৰে নীলা পতাকা উৰুৱালে আঞ্চলিক দলে

**দৈনন্দিন বাৰ্তা সেৱা, ৰঙাপৰা, ২৮ জানুৱাৰী ঃ** অসমৰ বুকুত 'অসম প্ৰথম, সদায় আৰু চিৰদিন' এই লক্ষ্যৰে গঠন হোৱা অসম জাতীয় পৰিষদে আজি শোণিতপুৰ জিলাৰ ৰঙাপৰা বিধান সভা সমষ্টিত প্ৰথমটো খোজ পেলাই। ৰঙাপৰাত আজি উৰিল আঞ্চলিক দলৰ নীলা পতাকা। দিনৰ ১ বজাত ইয়াৰে কমলা ভৱন প্ৰেক্ষাগৃহত ৰঙাপৰা নগৰ সমিতিৰ প্ৰাক্তন সভাপতি মেঘেন্দ্ৰ কুমাৰ ডেকাৰ সভাপতিত্বত সমষ্টি সমিতি গঠন ও যোগদান কাৰ্যসুচী অনুষ্ঠিত হয়। উক্ত কাৰ্যসূচীত উদ্দেশ্য ব্যাখা কৰে জাতীয় পৰিষদৰ জিলা আহ্বায়ক চহিদুৰ ৰহমানে। উদ্দেশ্য ব্যাখ্যাত ৰহমানে উল্লেখ কৰে যে আগন্তুক সময়ত জাতীয় পৰিষদৰ সাংগঠনিক ভেটি মজবুত কৰাৰ লক্ষ্যৰে ১৯ টা আঞ্চলিক সমিতি, বুথ সমিতি আৰু আজি সমষ্টি সমিতি গঠনৰ লক্ষ্য স্থিৰৰে এই সভাৰ আয়োজন কৰা হৈছে। ইপিনে জিলাৰ আহ্বায়ক ক্ৰমে কুশল বৰা, নৃপেন মহন্ত, মিঠু মালাকাৰ, ৰূপক মেধীৰ লগতে জাতীয় পৰিষদৰ ভগ্নী সংগঠন মহিলা শক্তিৰ আহ্বায়িকা জয়া দাস শইকীয়া, জাতীয় পৰিষদৰ ৰাজ্যিক সদস্যা নিশা বৰা উপস্থিতিত জাতীয় পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ যুটীয়া সম্পাদক জান বৰাই উল্লেখ কৰে যে বহু চিন্তা-চৰ্চাৰ অন্তত জাতীয় সংগঠন আৰু অসমৰ ৰাইজৰ চিন্তাৰে জন্ম লাভ কৰা অসম জাতীয় পৰিষদ সকলো জাতি-জনগোষ্ঠীক লগত লৈ অসম জাতীয় পৰিষদ দলে আগবাঢ়ি যাব। ধৰ্মৰ নামত ৰাজনীতি কৰাৰ।বিপৰীতে এক সুস্থ জাতীয়তাবাদী চিন্তা লৈ অসম জাতীয় পৰিষদ ৰাজনীতি কৰি আহিছে।জাতীয় পৰিষদে আগন্তক দিনত হিতাধিকাৰী সৃষ্টি কৰাৰ বিপৰীতে ঘৰে ঘৰে নিয়োগ সৃষ্টি কৰাৰ লক্ষ্যৰে পৰিয়াল সম্বয়ক নিয়োগ গঠন কৰিব বুলি সদৰী কৰে। ইফালে সভাখনত বহুকেইজন বক্তাই নিজৰ বক্তব্য আগবঢ়োৱাৰ পাছত কেইবা গৰাকী ব্যক্তিয়ে একাংশ ৰাজনৈতিক দলৰ সদস্যই উক্ত অনুষ্ঠানত অসম জাতীয় পৰিষদৰ দলত যোগদান কৰাৰ লগতে ৰঙাপৰা সমষ্টিৰ সমষ্টি সমিতিখন গঠন কৰে। সভাপতি ৰূপে হেমেন চন্দ্ৰ শইকীয়া, উপ সভাপতি ৰূপে ক্ৰমে ৰূপক মেধী, হৰেন বৰুৱা, দীপালী ওৱাং, চৌকত আহমেদ, ৰমেন্দ্ৰ দাস, সম্পাদক হিচাপে অচিত তাতী আৰু পাৰ্থ প্ৰতিম ডেকাক দায়িত্ব অৰ্পণ কৰে। আনহাতে সমষ্টিৰ মহিলা সমষ্টি সমিতিৰ সভানেত্ৰী হিচাপে দীপালী গোহাইক দায়িত্ব দি আন এখন মহিলা সমষ্টি সমিতি গঠন কৰে। সভা আৰম্ভ হোৱাৰ প্ৰাকক্ষণত জাতিধ্বংসী 'কা' আন্দোলনত শ্বহীদ হোৱা সকলৰ প্ৰতি সন্মান জনাই শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰে।

# পশ্চিম গুৱাহাটীৰ কটাহবাৰীত কংগ্ৰেছ নেতা-কৰ্মীসহ পাঁচ শতাধিক সংখ্যালঘু লোকৰ অগপত যোগদান



**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ২৮ জানুৱাৰী ঃ** পশ্চিম গুৱাহাটীৰ নগৰাঞ্চলৰ ৬ নং ৱাৰ্ডৰ সংখ্যালঘু বসতি প্ৰধান অঞ্চল আৰু কংগ্ৰেছ দলৰ ঘাঁটি হিচাপে পৰিচিত ২ নং কটাহবাৰীত ২৭ জানুৱাৰীৰ সন্ধিয়া আব্দুল আজিজ, মইনুল হক, আব্দুৰ ৰচিদ, মান্নান মিশ্ৰি, নীলিমা খাতুন, মাৰ্জিনা খাতুনৰ নেতৃত্বত পাঁচ শতাধিক কংগ্ৰেছ কৰ্মী-সমৰ্থকে অগপ দলৰ নীতি-আদৰ্শৰ প্ৰতি আকৰ্ষিত হৈ দলটোত যোগদান কৰে। আনহাতে এই উপলক্ষে মৌলানা কৰিব আব্দুছ চালাম কাঁচিমিৰ সভাপতিত্বত অনুষ্ঠিত যোগদান কাৰ্যসূচীত অগপ দলত যোগদান কৰা সকলক আদৰণি জনাই পশ্চিম গুৱাহাটীৰ বিধায়ক আৰু অগপৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই। ভাষণ প্ৰসংগত বিধায়ক কলিতাই অগপ দলেহে ৰাজনীতিৰ উৰ্ধত ৰাজ্যৰ সংখ্যালঘু লোক সকলৰ কল্যাণৰ বাবে জন্মলগ্নৰে পৰা কাম কৰি অহা বুলি ব্যক্ত কৰি কংগ্ৰেছ আৰু এ আই ইউ ডি এফ দলে কেৱল সংখ্যালঘু লোকক ভোটবেংক হিচাপে ব্যৱহাৰ কৰি আহিছে বুলি আক্ষেপ প্ৰকাশ কৰে। অনুষ্ঠানত আচগৰ আলী, ফজল আলী, বৰষা নাথ কলিতা, অজয়া ৰাভা, নকুল কলিতা, বলেন দাসকে ধৰি কেবাজনো অগপ নেতা উপস্থিত থাকে। আনহাতে দলত যোগদান কৰা কেইবাজনেও আগন্তক দিনত অগপৰ সাংগঠনীক দিশ শক্তিশালী কৰি দলৰ প্ৰাৰ্থী হিচাপে ৰমেন্দ্ৰ নাৰায়ণ কলিতা যাতে মিত্ৰজোঁটৰ হৈ পুনৰ বিজয়ী হ'ব পাৰে তাৰ বাবে হাতে কামে নামি পৰিব বুলি সদৰি কৰে।

# অৱসৰী শিক্ষক-সাংবাদিক কণ্ঠি শইকীয়াৰ মৃত্যু ঃ বিভিন্ন দল-সংগঠনৰ শোক প্ৰকাশ

**দৈনন্দিন বাৰ্তাৰ, গোৰেশ্বৰ, ২৮ জানুৱাৰী ঃ** কামৰূপ জিলাৰ পূৱ পাৰলোক্ৰা গাঁৱৰ বাসিন্দা ,অৱসৰী শিক্ষক তথা দ্যা আসাম ট্ৰিবিউন কাকতৰ গোৰেশ্বৰৰ সাংবাদিক কণ্ঠি শইকীয়াৰ আজি দুপৰীয়া নিজা বাসভৱনত মৃত্যু হয় ।জানিব পৰামতে তেওঁ দীৰ্ঘদিনধৰি জটিল ৰোগত আক্ৰান্ত হৈ আছিল। উল্লেখ্য যে মৃত্যুৰ সময়ত ৭৩ বছৰ হোৱা কণ্ঠি শইকীয়াই স্থানীয় বৃন্দাবন উঃমাঃ বিদ্যালয়ত প্ৰতিষ্ঠাপক শিক্ষক হিচাপে কৰ্মজীৱন আৰম্ভ কৰি বিদেশী বহিষ্কাৰ আন্দোলনতো বিশেষভাৱে জড়িত আছিল। ইংৰাজী বিষয়ত বিশেষ দখল থকা শইকীয়াই ছাত্ৰ -ছাত্ৰীক শিক্ষাদানৰ সমান্তৰালভাৱে দৈনিক আসাম ট্ৰিবিউন আৰু অধুনালুপ্ত দ্যা নৰ্থ ইষ্ট অৱজাৰ কাকতত গোৰেশ্বৰৰ সাংবাদিক হিচাপে নিযুক্ত হৈ সংবাদসেৱা কৰি আহিছিল । তেওঁ গোৰেশ্বৰ প্ৰেছ ক্লাবৰ দুটা কাৰ্যকালৰ বাবে সভাপতিৰ আখন অংলকৃত কৰিছিল । ২০০৩ চনত চৰকাৰী শিক্ষক পদৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল যদিও স্থানীয় গাছবাৰী আদৰ্শ জাতীয় বিদ্যালয়ত কেইবছৰমান অধ্যক্ষ হিচাপে দায়িত্ব লৈছিল ।এই খিনি সময়ৰ ভিতৰত তেওঁ স্থানীয় পাতিদৰং কনিষ্ঠ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল ।পৰৱৰ্তীকালত তেওঁ বসবাস কৰা এলেকাটোৰ শিক্ষাৰ মান উন্নত কৰাৰ প্ৰতি লক্ষ্য কৰি গাছবাৰী বিদ্যাজ্যোতি একাডেমি নামৰ এখন অসমীয়া মাধ্যমৰ শিক্ষানুষ্ঠান স্থাপনতো আগভাগ লৈছিল ।বৃহত্তৰ গাছবাৰী অঞ্চলৰ পৰা বিভিন্ন অনুষ্ঠান -প্ৰতিষ্ঠানে প্ৰকাশ কৰা স্মৃতিগ্ৰন্থত বিভিন্ন প্ৰবন্ধ -কবিতা লিখি অহা কণ্ঠি শইকীয়াই কিছুদিনপূৰ্বে 'তোমাৰ কথাবোৰ সাধু হ'ল' নামৰ এখন কাব্যগ্ৰন্থ প্ৰকাশ কৰি পাঠকৰ হাতত তুলি দিছিল ।গোৰেশ্বৰ -গাছবাৰী অঞ্চলৰ বিভিন্ন সামাজিক কামত জড়িত হৈ থকা অৱসৰী শিক্ষক -সাংবাদিক কণ্ঠি শইকীয়াৰ মৃত্যুত অসম জাতীয় পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ যুটীয়া সম্পাদক কমলেশ ডেকা ,গোৰেশ্বৰ প্ৰেছ ক্লাবৰ সভাপতি যসম্পাদক ক্ৰমে বাপু বড়ো আৰু দীপাংকৰ দাস ,উপ সভাপতি লতিফ চৌধুৰী ,গাছবাৰী কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনী ,গাছবাৰী চ'ক ব্যৱসায়ী সমিতি ,গোৰেশ্বৰ ব্যৱসায়ী সমিতি ,পাতিদৰং সাহিত্য সভা ,গোৰেশ্বৰ সাহিত্য সভা ,আক্ৰাছুৰ বা'পা জিলা সমিতিৰ প্ৰচাৰ সম্পাদক শংকৰ ৰাজবংশী ,গৰিয়া মৰিয়া জাতীয় পৰিষদৰ বিত্ত সম্পাদক জালালুদ্দিন আহমেদ ,অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ বা'পা সমিতিৰ সভাপতি ৰাহেদুৰ ৰহমানকে ধৰি বিভিন্ন দল -সংগঠন আৰু ব্যক্তিয়ে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে ।মৃত্যুৰ সময়ত সাংবাদিক পুত্ৰ ৰাজীৱ শইকীয়কে ধৰি দুজন পুত্ৰ ,দুজনী বোৱাৰী ,তিনিজনী কন্যা আৰু কেইবাজনো নাতি -নাতিনীক ইহসংসাৰত এৰি থৈ যায় ।কাইলৈ ৰাতিপুৱা তেওঁৰ শৰদেহ অন্তোষ্টিক্ৰিয়া সম্পন্ন কৰা হ'ব বুলি জানিব পৰা গৈছে ।

**LOST**

I have lost my original documents, certificates (registration card & admit card) & marksheets, H. S. L. C. Roll No. - 0135, H. S. Roll - 0487 No.- 10166, U.G. (B. A. Anthropology) Dibrugarh University, Registration No. - S1535076, Roll numbers -1st semester - 10310345, 2nd semester - 12510339, 3rd semester - 14910284, 4th semester - 11910271, 5th semester - 16610246 and provisional pass certificate, marksheets of visharad of Bhatkhande sangeet vidyapeeth. And also the cheque book of SBI, Goalpara Bazar Branch, along with the death certificate of my mother LATE URMILA SAIKIA RABHA.

**SWANIMAMUNDI RABHA.**
Borjhora, Jurigaon, Pin - 783120.
P.S.-Lakhipur,
District - Goalpara, Assam

## ৰাশিফলত আজিৰ দিনটো

**১৫ মাঘ, শুকুৰবাৰ, ২৯ জানুৱাৰী, ১৪২৭ ভাস্কৰাব্দ**
**তিথি ঃ কৃষ্ণা প্ৰতিপদ, নক্ষত্ৰ ঃ অশ্লেষা, জন্ম ৰাশি ঃ কৰ্কট**
**সূৰ্যোদয়- ৬-৯-২০, সূৰ্যাস্ত- ৫-২-৫৫**



■ **মেষ** ঃ সন্মান **বৃষ** ঃ সফলতা ■ **মিথুন** ঃ চেষ্টাৰ সুফল ■ **কৰ্কট** ঃ আনৰ অবিশ্বাসী ■ **সিংহ** ঃ আনন্দ ■ **কন্যা** ঃ সুখ বৃদ্ধি ■ **তুলা** ঃ আদৰ-সাদৰ ■ **বৃশ্চিক** ঃ আনৰ পৰা সহায় ■ **ধনু** ঃ কষ্ট ■ **মকৰ** ঃ সঞ্চয় বৃদ্ধি ■ **কুম্ভ** ঃ উত্তম ভোজন ■ **মীন** ঃ অশান্তি।



*স্নেহাস্পৰ্শ স্বাস্থ্য আঁচনিৰ কাৰণে গুৱাহাটীত অভিভাৱকৰ লানি*


# দৈনন্দিন বাৰ্তা

জাতি, মাটি আৰু দেশৰ সেৱাত

২৯ জানুৱাৰী, ২০২১ শুকুৰবাৰ গুৱাহাটী ১৫ মাঘ ১৯৪২ শক




## কলিয়াবৰত একশৰণ ভাগৱতী সমাজৰ কেন্দ্ৰীয় পালনাম থানৰ আধাৰশিলা স্থাপন

### আধাৰশিলাৰ পূৰ্বেই বুধবাৰে নিশাই কলিয়াবৰত মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা

### মুঠ ৪ কোটি ৭৮ লাখ টকা ব্যয়ৰে নিৰ্মাণ কৰিব লগা পালনাম থানৰ আধাৰশিলা স্থাপন মন্ত্ৰী কেশৱ মহন্তৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ২৮ জানুৱাৰী ঃ** কলিয়াবৰত তিনিদিনীয়া কাৰ্যসূচীৰে বুধবাৰৰ পৰা অনুষ্ঠিত হোৱা একশৰণ ভাগৱতী সমাজৰ বৃহস্পতিবাৰে নিৰ্মাণ কৰিবলগীয়া কেন্দ্ৰীয় পালনাম থানৰ আধাৰশিলা স্থাপন কৰে ৰাজ্যৰ জলসম্পদ মন্ত্ৰী তথা স্থানীয় বিধায়ক কেশৱ মহন্তই। খোল-তাল দেৱবাদ্য আৰু ঘোষা-পদৰ অমিয়া ধ্বনিৰ মাজত শত-সহস্ৰ ভক্তপ্ৰাণ বৈষ্ণৱৰ উপস্থিতিত বৃহস্পতিবাৰে কলিয়াবৰৰ মৌচন্দা পথাৰত চাৰি কোটি টকাৰো অধিক ধন ব্যয় কৰিবলগীয়া অত্যাধুনিক সা-সুবিধা তথা সুদৃশ্য পালনাম থানৰ নিৰ্মাণৰ পৰিকল্পনা বাস্তৱ হোৱাৰ দিশে আগবাঢ়িল। উল্লেখ্য যে আধাৰশিলা স্থাপনৰ মূল অনুষ্ঠানত মুখ্য অতিথি ৰূপে বিত্ত মন্ত্ৰী উপস্থিত থাকি পালনাম থানৰ আধাৰশিলা স্থাপনৰ কথা আছিল যদিও যোৱা নিশাই মন্ত্ৰীগৰাকী পালনাম থানত উপস্থিত হৈ সমাজৰ বিষয়-ববীয়া তথা কৰ্ম-কৰ্তাসকলক সম্বোধন কৰে। ৫০ লাখ টকাৰ অনুষ্ঠানটোলৈ প্ৰাৰম্ভিক অনুদানৰ লগতে অনাগত সময়ছোৱাতো চৰকাৰে সহায়-সহযোগ আগবঢ়াব বুলি প্ৰতিশ্ৰুতি দিয়ে। এই উপলক্ষে বৃহস্পতিবাৰে হোৱা মুকলি সভাত অংশগ্ৰহণ কৰি অসমীয়া সমজ গঠনত গুৰুজনাৰ অৱদানক সাৱোগত কৰি বৈষ্ণৱ পণ্ডিত ইলাৰাম দাসৰ নেতৃত্বত গঠন হোৱা একশৰণ ভাগৱতী সমাজৰ কৰ্ম-নিষ্ঠাৰ শলাগ লয় মন্ত্ৰী কেশৱ মহন্তই। আনহাতে, পূৰ্ব নিৰ্দ্ধাৰিত কাৰ্যসূচীৰ পৰিৱৰ্তে আধাৰশিলাৰ পূৰ্বেই বুধবাৰে নিশাই কলিয়াবৰত অনুষ্ঠিত একশৰণ ভাগৱতী সমাজৰ পালনামস্থলীত উপস্থিত হয় মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। মন্ত্ৰী শৰ্মাৰ লগত উপস্থিত থাকে মন্ত্ৰী কেশৱ মহন্ত সাংসদ কামাখ্যা প্ৰসাদ তাছা। স্বৰ্তব্য যে আজি পুৱাই এৰাব নোৱাৰা কাৰণত দিল্লীলৈ উৰা মাৰিবলগীয়া হোৱাত আধাৰশিলা অনুষ্ঠানত বিশিষ্ট অতিথি ৰূপে ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকিব নোৱাৰিলে। অসমৰ বিধান সভাৰ নিৰ্বাচনৰ দিন চাপি অহাৰ লগে-লগে ৰাজনৈতিক নেতাৰ ব্যস্ততা বাঢ়িছে। চৰকাৰী বা কোনো ৰাজহুৱা কাম এৰি কোন কেতিয়া দিল্লীলৈ উৰা মাৰিব লগা হয়, তাৰ কোনো নিশ্চয়তা নাই। তেনে ঘটনাক্ৰমত পৰি পূৰ্ব নিৰ্দ্ধাৰিত কাৰ্যসূচীৰ পৰিৱৰ্তে আগতীয়াকৈয়ে মাজনিশাই কলিয়াবৰত পদাৰ্পন কৰে মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। উল্লেখযোগ্য যে চাৰি কোটি ৭৮ লাখ টকাৰে নিৰ্মাণ হ'ব একশৰণ ভাগৱতী সমাজৰ কেন্দ্ৰীয় পালনাম থান।

### অসমৰ পৰা গৈ দিল্লীত কৃষক আন্দোলনত অংশগ্ৰহণ কৰা ১২গৰাকীৰ বিৰুদ্ধে আজাৰা থানাত জামিনবিহীন গোচৰ

## কৃষক নেতা দীনেশ দাসক আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ২৮ জানুৱাৰী ঃ** অসমৰ পৰা দিল্লীলৈ সোমবাৰে গৈ কৃষক আন্দোলনত যোগ দিছিল অসমৰ বাৰ জনীয়া এটা দলে। পিছত বুধবাৰে সন্ধিয়া উভতি আহি বৰঝাৰ বিমান বন্দৰ ক'ভিড পৰীক্ষা নকৰাৰ অভিযোগত বাৰ গৰাকীৰ বিৰুদ্ধে আজাৰা থানাত জামিনবিহীন গোচৰ ৰুজু হোৱা লগতে ৰাণীৰ কৃষক নেতা দিনেশ দাসক আজি পুৱাই আটক কৰা ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। অসমৰ পৰা গৈ দিল্লীত কৃষক আন্দোলনত অংশগ্ৰহণ কৰিছিল অসমৰ বিভিন্ন প্ৰান্তৰ পৰা যোৱা বাৰজনীয়া দলটোৱে। পিছত তাৰ পৰা উভতি আহি বুধবাৰে সন্ধিয়া বৰঝাৰ বিমান বন্দৰত উপস্থিত হৈ ক'ভিড পৰীক্ষা নকৰাৰ গুৰুতৰ অভিযোগত আটক হব লগা হ'ল ৰাণীৰ কৃষক নেতা দিনেশ দাস। আজি পুৱাই আজাৰা আৰক্ষীয়ে ৰাণী আৰক্ষীৰ সহযোগত দীনেশ দাসক ঘৰৰ পৰাই আটক কৰি লৈ আহে। অসমৰ পৰা যোৱা বাৰজনীয়া দলটোৰ দীনেশ দাস আৰু অনুৰূপা ডেকা বৰুৱাসহ আটাইকেইগৰাকীৰ বিৰুদ্ধে বৰঝাৰ বিমান বন্দৰৰ ক'ভিড টীমৰ তত্ত্বাৱধায়কে ক'ভিড নিয়ম ভংগ কৰাৰ বাবে এজাহাৰ দাখিল কৰিছিল আজাৰা থানাত। আনহাতে আজাৰা আৰক্ষীয়ে দাসৰ পৰিয়ালক আটক কৰাৰ কাৰণ জনোৱা নাই বুলিও তেওঁৰ পত্নীয়ে অভিযোগ তুলিছে। এই বাৰজনীয়া দলটোৰ বিৰুদ্ধে ৫৬/২১ নম্বৰত জামিনবিহীন গোচৰ ৰুজু হোৱা বুলি এক সূত্ৰৰ পৰা জানিব পৰা গৈছে। আজাৰা আৰক্ষীয়ে আজি পুৱাই দীনেশ দাসক আটক কৰি আজাৰা থানালৈ লৈ অহাৰ কিছু সময় পিছতেই তেওঁক পুনৰ মহানগৰীৰ ফালে লৈ যায় বাকী সতীৰ্থসকলৰ সন্ধানত। বাতৰি পঠোৱা সময়লৈকে আজাৰা আৰক্ষীয়ে কত ৰাখিছে অথবা কি অভিযোগত আটক কৰিলে সবিশেষ জানিবলৈ দিয়া নাই যদিও প্ৰকৃততে কভিড পৰীক্ষা নকৰাৰ অপৰাধতেই এতিয়া চৰম শাস্তি ভোগ কৰিব লাগিব নেকি এইসকলে। নে ইয়াৰ আৰত ৰজাঘৰীয়াৰ অন্য উদ্দেশ্যে নিহিত হৈ আছে তাক লৈ সচেতন মহলৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

### নাহৰতলীত কাকৰনীত শিশুৰ চাইকেলৰ খুন্দাত শিশুৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ২৮ জানুৱাৰী ঃ** চৰাইদেউ জিলাৰ মৰাণহাট আৰক্ষী থানাৰ অন্তৰ্গত তথা চেপন আৰক্ষী চকী অধীনস্থ নাহৰতলি কাকৰনীত ৯ বছৰীয়া শিশুৰ বাইচাইকেল খুন্দাত এগৰাকীৰ বিশেষ ভাৱে সক্ষম কন্যা শিশু মৃত্যুৰ হোৱাৰ ঘটনাই অঞ্চলটোত শোকৰ ছাঁ পৰিছে। জানিব পৰা মতে নাহৰতলি কাকৰনী প্ৰাথমিক বিদ্যালয়ৰ চতুৰ্থ শ্ৰেণী এজন ছাত্ৰই কালি বিয়লি ৪-৩০ বজাত বাইচাইকেল চলাওঁতে একে বিদ্যালয়তে অধ্যয়নত কাকৰনী মিথুন খাৰিয়াৰ বিশেষ ভাৱে সক্ষম আবিদা খাৰিয়া(১১)ক খুন্দা মাৰে। দুয়োজন শিশু এটা সৰু নলাত পৰি যায়। দুৰ্ভাগ্যক্ৰমে আবিদা খাৰিয়া মৃত্যু হয়। আজি আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষা কৰোৱাই পৰিয়ালক চমজাই দিয়ে।

### বৰক্ষেত্ৰীৰ ৰামপুৰ জনতা হাইস্কুলত বঁটা বিতৰণী সভা

## 'বৰ্ণিল বিভৱ' আৰু 'মাজনীলৈ চিঠি' দুখনকৈ গ্ৰন্থ উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুকালমুৱা, ২৮ জানুৱাৰী ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ ৰামপুৰস্থিত জনতা হাইস্কুলত আজি এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বিশিষ্ট লেখিকা মণিদীপা বৰঠাকুৰ শৰ্মাৰ দুখনকৈ গ্ৰন্থ ক্ৰমে 'বৰ্ণিল বিভৱ' আৰু 'মাজনীলৈ চিঠি' উন্মোচন কৰা হয়। 'বৰ্ণিল বিভৱ' গ্ৰন্থখন উন্মোচন কৰে শিক্ষাবিদ ড° অৰুনী কুমাৰ ভাগবতীয়ে। গ্ৰন্থখন উন্মোচন কৰি ড° ভাগবতীয়ে গ্ৰন্থখন লিখি উলিওৱা প্ৰখ্যাত লেখিকা মণিদীপা বৰঠাকুৰ শৰ্মাক প্ৰশংসাৰে ধন্যবাদ আৰু শলাগ লোৱাৰ সমান্তৰালভাৱে তেখেতৰ কলম আগবঢ়াই নিবলৈ আহ্বান জনায় শুভেচ্ছা জ্ঞাপন কৰে। ড° ভাগবতীয়ে বিশিষ্ট লেখিকা মণিদীপা বৰঠাকুৰ শৰ্মাক 'মানুহ আৰু প্ৰকৃতি'ৰ উন্নয়নৰ সপক্ষে মাত মাতি সকলোকে উদ্বুদ্ধ কৰিব বুলিও আশা প্ৰকাশ কৰে। অন্যহাতে 'মাজনীলৈ চিঠি' পুথিখন এক ব্যতিক্ৰমী চিন্তাৰে জনতা হাইস্কুলৰ নৱম শ্ৰেণীৰ ছাত্ৰী চৈয়দা মৰিয়ম বেগম আৰু দশম শ্ৰেণীৰ ছাত্ৰী লাজমি হাচিনা মেহমুদাৰ দ্বাৰা উন্মোচন কৰে। ইপিনে লেখিকা মণিদীপা বৰঠাকুৰ শৰ্মাই গ্ৰন্থ উন্মোচনৰ পিছত দিয়া ভাষণত তেওঁ যাৰ বাবে গ্ৰন্থ দুখন লিখি উলিয়াইছে তেওঁলোকৰ দ্বাৰাই তেওঁলোকৰ উপস্থিতিত উন্মোচন কৰিব পাৰি নিজকে সৌভাগ্যৱতী আৰু নথৈ আনন্দিত হোৱা বুলি উল্লেখ কৰে। মণিদীপা বৰঠাকুৰ শৰ্মাই লিখি উলিওৱা গ্ৰন্থ দুখন নতুন প্ৰজন্মই পঢ়ি উৎসাহিত হ'ব বুলিও আশা প্ৰকাশ কৰে। জনতা হাইস্কুলৰ প্ৰধান শিক্ষক পদ্মধৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত বঁটা বিতৰণী আৰু গ্ৰন্থ উন্মোচনী সভাৰ উদ্দেশ্য বাখ্যা কৰে বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰী তথা ছাত্ৰ একতা সভাৰ সম্পাদিকা চৈয়দা মৰিয়ম বেগমে। বঁটা বিতৰণী সভাত 'আদৰ্শ শিক্ষক স্বৰ্গীয় অম্বিৰাম তালুকদাৰ সোঁৱৰণি বঁটা' লাভ কৰে ২০২০ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত বিদ্যালয়ৰ সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ ক্ৰমে দিপম বৰ্মন (৯১%) আৰু জ্যোতিস্মিতা নাথে (৮৯.৩৩%)। দুয়োগৰাকী শিক্ষাৰ্থীয়ে ক্ৰমে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি প্ৰশান্ত কুমাৰ গোস্বামী আৰু শিক্ষাবিদ ড° অৰুনী কুমাৰ ভাগৱতীৰ হাতৰ পৰা গ্ৰহণ কৰে এই বঁটা। 'আদৰ্শ শিক্ষক স্বৰ্গীয় অম্বিৰাম তালুকদাৰ সোঁৱৰণি বঁটা' আগবঢ়ায় চেঙাৰ শুভাস্থিত মধ্য কামৰূপ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° হৰেন্দ্ৰ নাথ তালুকদাৰে। এই বঁটাত নগদ ধন, গ্ৰন্থৰ টোপোলা আৰু প্ৰশস্তি পত্ৰ থকা বুলি জানিবলৈ দিয়ে দাতা পৰিয়ালৰ ড° হৰেন্দ্ৰনাথ তালুকদাৰে। বিগত বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত বিদ্যালয়ৰ ভিতৰতে অসমীয়া বিষয়ত সৰ্বোচ্চ নম্বৰ লাভ কৰা দিপম বৰ্মনে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিৰ পৰা বঁটা লাভ কৰে। এই অনুষ্ঠানতেই মধ্য কামৰূপ মহাবিদ্যালয়ৰ অধ্যাপিকা ড° জোনালী পাটোৱাৰী বৰাই ছাত্ৰ-ছাত্ৰীক উদ্বুদ্ধ কৰিব পৰাকৈ উৎসাহ আৰু অনুপ্ৰেৰণামূলক বক্তব্য প্ৰদান কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোৰ লগত সংগতি ৰাখি বিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা 'জনতা দৰ্পন' উন্মোচন কৰে শিক্ষাবিদ ড° অৰুনী কুমাৰ ভাগবতীয়ে। সভাৰ লগত সংগতি ৰাখি বিদ্যালয়ৰ দুগৰাকী ছাত্ৰীৰ মনোমহা নৃত্যই আপুত কৰি তোলে ছাত্ৰী-ছাত্ৰীকে ধৰি সভাত উপস্থিত থকা বিশিষ্ট ব্যক্তিসকলক।



## চাবুৱাৰ আছুৰ উপ-সভাপতি গুণীন বৰুৱাৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাবুৱা, ২৮ জানুৱাৰী ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ চাবুৱা আঞ্চলিক সমিতিৰ এজন নিষ্ঠাৱান কৰ্মী তথা বৰ্তমানৰ উপ-সভাপতি গুনীন বৰুৱাৰ (২৯) আজি মৃত্যু হয়। চাবুৱাৰ নিকটৱৰ্তী হাতীআলিৰ নিবাসী অজামিল বৰুৱাৰ জ্যেষ্ঠ পুত্ৰ আছিল গুনীন বৰুৱা। জানিব পৰা মতে কালি নিশা আকস্মিকভাৱে উচ্চ ৰক্তচাপ জনিত কাৰণত গুৰুত্বৰ ভাৱে অসুস্থ হৈপৰে। পৰিয়ালৰ লোকে নিশাই ডিব্ৰুগড়স্থিত অসম চিকিৎসা মহাবিদ্যালয়ত ভৰ্ত্তি কৰে যদিও আজি দিনৰ প্ৰায় ১১ বজাত অকাল মৃত্যুক আকোঁৱালি লয়। স্বাভাৱিকতে সৰবৰহী যুৱ নেতাজনৰ মৃত্যু খবৰে চাবুৱাত শোকৰ ছাঁ পেলায়। চাবুৱা ছাত্ৰ সন্থাই সতীৰ্থৰ মৃতদেহ আঞ্চলিক কাৰ্যালয়লৈ আনি সমিতিৰ সভাপতি মৃদুপৱন গগৈ আৰু সম্পাদক প্ৰণৱ জ্যোতি দত্তকে ধৰি অগনন সতীৰ্থই আনুষ্ঠানিকভাৱে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ছাত্ৰ নেতাজনৰ মৃত্যুত চাবুৱা আঞ্চলিক ছাত্ৰ সন্থাকে ধৰি চাবুৱা জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, সদৌ অসম মটক ছাত্ৰ সন্থা, মটক যুৱ ছাত্ৰ পৰিষদ, মটক যুৱ-ছাত্ৰ সন্মিলন, চাবুৱা সাহিত্য সভাই গভীৰ সমবেদনা জ্ঞাপন কৰিছে।


**CANOPY FINANCE LIMITED**

**Reg Office:** M/s Prezens, Maniram Dewan Road, Bamunimaidan, Opp. Anuradha Cinema, Guwahati-781021

**Corp Office:** Shop No. 10, Shiv Dham CHS Ltd, Satya Nagar, Malpani Complex, Borivali (West), Mumbai- 400092

**Email:** info@canopyfinance.org, **Website:**canopyfinance.org

CIN No. L65910AS1981PLC017921

**NOTICE**

Notice is hereby given that pursuant to Regulation 29 of the Securities and Exchange Board of India Listing Regulations, 2015 a meeting of the Board of Directors of **CANOPY FINANCE LIMITED** will be held at the Corporate Office of the Company on **Friday, 5th February, 2021 at 2.00 p.m.** to approve the Unaudited Financial Results for the 3rd quarter and nine months ended as on 31st December, 2020.The said information is also available on Company's website at www.canopyfinance.org and on the website of stock exchange www.bseindia.com and www.cse-india.com.

By Order of the Board
**Sd/-**
**Lalit Kumar Tapadia**
**(Managing Director)**
**DIN: 08117881**

Place: Guwahati
Dated- 28.01.2021


## বিশিষ্ট সাংবাদিক বিনয় ভূষণ সেনৰ মৃত্যু



**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৮ জানুৱাৰী ঃ** বিশিষ্ট সাংবাদিক বিনয় ভূষণ সেন ২৬ জানুৱাৰীত নতুন দিল্লীৰ তেওঁৰ পুত্ৰৰ বাসগৃহত ইহলীলা সম্বৰণ কৰে। মৃত্যুৰ সময়ত তেওঁৰ ৯৬ বছৰ হৈছিল।তেওঁ ৰাজ্যৰ এগৰাকী বিশিষ্ট ক্ৰীড়া সাংবাদিক হিচাপে দিৰ্ঘদিনৰ পৰা অসমৰ বিভিন্ন বাতৰি কাকত যুগশংখ, নিউজ ষ্টাৰৰ সৈতে জৰিত আছিল। তেওঁ উত্তৰ বংগ সংবাদৰ হৈ কৰেছপণ্ডেন্ট হিচাপে জৰিত আছিল। ২০০৯ চনত তেওঁৰ নেতৃত্বত গুৱাহাটী মহানগৰীৰ ১৫০ বছৰ উদ্‌যাপন কৰা হৈছিল। অসমৰ চাহৰ ওপৰত তেওঁ অধ্যয়ন কৰি কেইবাখনো গ্ৰন্থ ৰচনা কৰিছিল। তেওঁৰ নেতৃত্বত ইষ্টাৰ্ন মিডিয়া কমিউনিকেশ্বন নামৰ স্থানীয় নিউজ এজেন্সী এটা পৰিচালিত হৈছিল। তেওঁৰ মৃত্যুত এসময়ৰ তেওঁৰ সহকৰ্মী সকলে গভীৰ শোকপ্ৰকাশ কৰিছে।


**GNRC**

*Quality • Value • Trust*

GNRC, the largest Tertiary care Superspeciality Hospital Group located in Guwahati, is pleased to announce admissions for the following Paramedical Diploma Courses under **Srimanta Sankardeva University of Health Sciences, Guwahati.**

1. 2 years Diploma in Medical Laboratory Technology (DMLT).
2. 2 years Diploma in Medical Radiographic Technology & MRI & CT Scan Technology.
3. 2 years Diploma in Cardiac Care Technology (DCCT).
4. 2 years Diploma in Physiotherapy (DPT).
5. 2 years Diploma in ICU Technology.
6. 2 years Diploma in Physician Assistant Course.
7. 2 years Diploma in Emergency and First Aid.
8. 2 years Diploma in Anacsthesia and O.T. Technician Course.

- Minimum Education/Qualification : **HS (Science) Passed.**
- Successful candidates would be absorbed in GNRC subject to availability of posts.
- Interested candidates may apply on or before 31st January, 2021.
- After completion of the Diploma, the candidates would be eligible to be employed in respective disciplines in any Organisation/Government.

**Interested candidates may apply to GNRC Hospitals, Dispur, Guwahati-781006**
**Ph. : 7002343063**
**E-mail : imahs@gnrchospitals.com**
**website : www.gnrchospitals.com**


## ২৯ জানুৱাৰীত অসম চৰকাৰে প্ৰকাশ কৰিবলগীয়া তালিকাৰ পৰা বঞ্চিত ধেমাজিৰ বহু শিক্ষক

### ন্যায়ৰ আশ্ৰয় বিচাৰি হুংকাৰ প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, চিলাপথাৰ, ২৮ জানুৱাৰী ঃ** অসম চৰকাৰৰ প্ৰাথমিক শিক্ষা সঞ্চালকৰ অবৈধ অনিয়মীয়া বেতন বঞ্চিত শিক্ষকসকলক ২৯ জানুৱাৰীত অসমৰ কেইখনমান জিলাৰ প্ৰাথমিক শিক্ষা বিষয়াৰ লগতে ধেমাজি জিলা শিক্ষা বিষয়াৰ যোগেদি গুৱাহাটী খানাপাৰাত নিযুক্তি পত্ৰ বিতৰণ কৰিবলগীয়া তালিকা নং এক আৰু দুইক লৈ দৰমহা পোৱা আৰু প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ অভিযোগ উত্থাপিত হৈছে। উক্ত তালিকাত জোনাই লাইমেকুৰীৰ টাক গিটুং এম বি স্কুলৰ বেতন বঞ্চিত আৰু প্ৰশিক্ষণত অনুত্তীৰ্ণ শিক্ষক (অবৈধ/অনিয়মিয়া) ক্ৰমে নোমল পেগু, কমলেশ্বৰ পেগু, গিৰিন নৰহ, সুভৰাম টাৰৰ নাম সন্নিবিষ্ট হোৱা পৰিলক্ষিত হৈছে। অসম চৰকাৰৰ বিধি মতে অকল বেতন পোৱা আৰু জেবিটি পাছ কৰা শিক্ষকসকলক এক নং তালিকাত আৰু বেতন পোৱা শিক্ষকসকলক টিউটৰ শিক্ষক হিচাপে বিধি প্ৰস্তুত কৰা হৈছিল। কিন্তু অতি পৰিতাপৰ বিষয় যে উক্ত তালিকাত বহুতো দৰমহা নোপোৱা আৰু প্ৰশিক্ষণপ্ৰাপ্ত নোহোৱা প্ৰাথমিক আৰু উচ্চ প্ৰাথমিকৰ শিক্ষকৰ নাম তালিকাভুক্ত কৰা দেখা গৈছে। উক্ত তালিকাত সহঃ শিক্ষক সুভৰাম টাৰ SL. No 415 আৰু শ্ৰীৰামপুৰীয়া পুঞ্চাং এম ই স্কুলৰ অৰুনা নৰহৰ নাম SL.No 385ত চৰকাৰী বিধি উলংঘা কৰি সন্নিবিস্ত কৰা হৈছে। ইয়াৰ উপৰিও তেওঁলোকে ১৯৯১ চনৰ বিজ্ঞাপনৰ পিচতহে উচ্চতৰ মাধ্যমিক পৰীক্ষা উৰ্ত্তীণ হৈছে বুলি অভিযোগ উত্তাপন কৰিছে। উক্ত তালিকাভুক্ত হোৱা শিক্ষক সকলৰ নাম বাতিল কৰা নাইবা উপযুক্ত শিক্ষকসকলকো তালিকাখনত অন্তৰ্ভূক্ত কৰাৰ দাবী জনাইছে। অন্যথা আইনৰ আশ্ৰয় লবলৈ বাধ্য হ'ব বুলি চৰকাৰ আৰু বিভাগীয় উৰ্ধতম কৰ্তৃপক্ষক দাবী জনাইছে।

## ৰাষ্ট্ৰপতিৰ বিশেষ পদক লাভ কৰা দীপক বৰাক গোলাঘাট সাংবাদিক সংস্থাৰ অভিনন্দন

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোলাঘাট, ২৮ জানুৱাৰী ঃ** দেশৰ ৭২ সংখ্যক গণৰাজ্য দিৱস উপলক্ষে দেশৰ মহামহিম ৰাষ্ট্ৰপতিৰ বিশেষ পদক লাভ কৰা গোলাঘাট সদৰ আৰক্ষী থানাৰ আৰক্ষী বিষয়া দীপক বৰাক কালি গোলাঘাট জিলা সাংবাদিক সংস্থাৰ কাৰ্যালয়ত অভিনন্দন জ্ঞাপনৰ এক অনুষ্ঠান অনুস্থিত হয়। জিলা সাংবাদিক সংস্থাৰ সভাপতি বিকাশ শৰ্মাৰ সভাপতিত্বত অনুস্থিত হোৱা অনুষ্ঠানত অভিনন্দন আৰু সম্বৰ্ধনা গ্ৰহণ কৰি আৰক্ষী বিষয়াগৰাকীয়ে নিজৰ অভিজ্ঞতা বৰ্ণনা কৰি কয় যে দেশৰ মহামহিম ৰাষ্ট্ৰপতিৰ বিশেষ সন্মান গ্ৰহণ কৰি যথেষ্ট সুখী আৰু ইয়াৰ লগে লগে সমাজৰ প্ৰতি দায়বদ্ধতা বৃদ্ধি কৰিলে। বঁটা প্ৰাপক বৰাৰ নেতৃত্বত ডিমা হাচাও আৰু সোণাৰীত উগ্ৰপন্থীৰ বিৰুদ্ধে অভিযান চলাই নিজেও উগ্ৰপন্থীৰ হাতত গুলীবিদ্ধ হোৱাৰ ভয়ংকৰ ঘটনাৰ বিষয়ে সাংবাদিক সকলক জানিবলৈ দিয়ে। সাংবাদিক সংস্থাৰ বিষয়ববীয়া সমীৰণ দিগন্ত বৰা, গিৰীন বৰা, প্ৰবীণ কুমাৰ দাস, সিদ্ধাৰ্থ সন্দিকৈয়ে আৰক্ষী বিষয়া গৰাকীৰ নিষ্ঠা, সততা সম্পৰ্কত বক্তব্য ৰখাৰ লগতে বিষয়াগৰাকীৰ কৰ্ম জীৱনত আৰু উন্নতিৰ শিখৰলৈ আৰোহণ কৰাৰ কামনা কৰে। সাংবাদিক সংস্থাৰ সম্পাদক দীপমনী খাটনীয়াৰে পৰিচালনা কৰা অনুষ্ঠানত সংস্থাৰ বিষয়ববীয়া সকলৰ লগতে সদস্যসকল উপস্থিত থাকে।



*চকুৰাখনাত পালনাম মহোৎসৱত ভক্তৰ নাম পৰিৱেশন*


**CORRIGENDUM**

Vide NIT NO. 04 Date 19.01.2021 under Barpeta Soil Conservation Division, Barpeta, the Sl. No. 3, Scheme Name as "Protective Afforestation at Village Bhelopara (Noonmati) during 2020-21" the mentioned district of the scheme in the NIT is Dhubri instead of Barpeta

Sd/-
Divisional Officer
Barpeta Soil Conservation Division
Barpeta

*Janasanyog/C/10830/20*

**Notice**

Applications are invited from eligible candidates for Four (4) positions under the Project entitled **"NMHS Him-Nature Learning Centre (NLC)-Assam"**- Program Coordinator-1 (Awareness Generation), Program Coordinator-2 (Biodiversity Conservation), Support Staff (Accounts) and Support Staff (Admin/Hr) purely on contractual basis till September 2021. The details may be accessed at www.asbb.gov.in.

Applications in the prescribed format must reach through email (to asbb.nlc@Rmail.com) by 4.00 PM of 6th February 2021.

**Sd/-**
**Project-in-Charge, NLC, Assam**

*Janasanyog/D/10226/20*

No: DSY/S/DSG/10/2020/311

**RE-TENDER NOTICE**

Director, Sports & Youth Welfare, Assam, Rudra Singha Sports Complex, Super Market, Dlspuf Guwahaii-6-781006 invites **Re-Tender** affixing non- refundable court fee stamp of Rs 8,25 (rupees eight and twenty five paisa) only from reputed and experienced Sports Goods Firn/ Manufacturer/Dealer/Company for "DISTRIBUTION OF SPORTS GOODS TO 1513 NOS SPORTS CLUBS IN 126 LACS" as the adequate numbers of bidder is not found in the earlier Tender Notice published vide letter No. DSY/S/DSG/iOi'2020/302 Dtd. 11lh January, 2021 **(Tender ID 2021 SYWA 20182 1)**

The intending Bidders must have the valid Digital Signature Certificate (DSC) of Class-ll (Minimum) for processing this e-Tender through e-procurement portal and have to register in the portal www.assamtenders.gov.in by themselves Tender schedules containing the tender details, terms & conditions can be downloaded from the website www.assamtenders.gov.in. The intending bidder will have to submit their tender online on the website www.assamtenders.oov.in as per schedule. The bidders have to deposit Tender Processing Cost and EMD through online www.assamtenders.gov.in portal as follows:

I. Tender Processing Cost- As per portal
II. Earnest Money Deposit (EMD) - Rs. 2.82 lakh (Rupees Two lakh eighty two thousand) only

**Critical Dates:**

| SI, No | Schedule | Start Date | Start time | End date | End Time |
|---|---|---|---|---|---|
| 1 | Publication of Tender | 25-01-2021 | 12 00 Noon | - | - |
| 2 | Tender Downloading | 29-01-2021 | 01.00 PM | - | - |
| 3 | Bid Submission | 25-01-2021 | 02,00 Pm | 02-02-2021 | 02.00 PM |
| 4 | Technical Bid Opening | 02-02-2021 | 03.00 PM | - | - |
| 5 | Financial Bid Opening (Technically Qualified Bidders only) | Intimated in due course of time | | | |

The authority reserves the right to change the opening time and date of the tender because of administrative reason by notifying the same on the website. The Department will not be liable for any delay in submission of 'fenders and System Errors (if any).

Sd/-
Director, Sports & Youth Welfare,
Assam, Dispur, Guwahati-6

*Janasanyog/C/10836/20*

দৈনন্দিন বাৰ্তা
সম্পাদকীয়
২৯ জানুৱাৰী ■ ২০২১ ■ ১৫ মাঘ ■ গুৱাহাটী

# বিজেপিৰ বঞ্চনা আৰু আঞ্চলিক দল

অসমৰ ৰাজনীতিত আঞ্চলিক দলৰ প্ৰাসংগিকতা সম্পৰ্কত ইতিমধ্যে বিস্তৃতভাৱে আলোচনা হৈছে। আমাৰ কাকতত এই সম্পৰ্কে এই সন্দৰ্ভত কেইবালানিও আলোচনা দাঙি ধৰা হৈছে। কিন্তু পৰিতাপৰ কথা এয়ে যে আঞ্চলিকতাৰ দোহাই দি নতুন-পুৰণি যিবোৰ দল আছে তেওঁলোকৰ স্পষ্ট নীতি জনসাধাৰণে বুজিব নোৱাৰে বাবে ভোটাৰ ৰাইজে তেওঁলোকৰ প্ৰত্যাহ্বান জনোৱা বুলি ক'লেও ভুল নহ'ব। প্ৰায় ২০১৬ চনত আঞ্চলিকতাবাদী অসম গণ পৰিষদৰ কান্ধত হাত থৈ অসমৰ ৰাজনৈতিক পথাৰখনত বিজেপিয়ে গোঁজেই গছ হৈ দক্ষ আৰু ক্ষিপ্ৰতাৰে ৰাজ্যখনৰ জনগোষ্ঠীয় সকলোকে নিজৰফলীয়া কৰি লোৱাৰ বাবে সকলো কাৰ্যব্যৱস্থা হাতত লৈছে। ক্ষমতা হাতত লৈ দলটোৱে অগপক গুৰুত্বহীন কৰি দলটোক ভাগ্য নিয়ন্ত্ৰণ ৰূপত বিজেপিয়ে ৰাজ্যৰ ৰাজনীতিত আগ্ৰাসী ভূমিকাত অৱতীৰ্ণ হৈছে। দলটোৱে কেন্দ্ৰত শাসনৰ জৰী হাতত লোৱাৰ পিছতেই অগপৰ আঞ্চলিকতাবাদ লাহে লাহে বিজেপিৰ ৰাষ্ট্ৰীয়তাবাদৰ লগত মিলি গৈছে। এতিয়া আঞ্চলিক দল অগপই জাতিৰ বাবে কি কৰিব তাৰ ৰাষ্ট্ৰীয় নেতৃত্বৰ শ্ৰুতলিপি শুনিহে কাৰ্যব্যৱস্থা নিৰ্ধাৰণ কৰিবলগীয়া হৈছে। ভাষা-সংস্কৃতিৰ সুৰক্ষা আৰু জাতীয় অস্তিত্বৰ ক্ষেত্ৰতো অগপই নিজাকৈ মতামত দাঙি ধৰিব নোৱাৰে। আনকি ২০২১ চনত হ'ব লগা নিৰ্বাচনতো দলটোৱে প্ৰাৰ্থিত্ব সম্পৰ্কেও ৰাষ্ট্ৰীয় দলৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছে যেন একালৰ আঞ্চলিক দলটোৰ শক্তি নাইকিয়া হৈ পৰিছে। অগপ আজি বিজেপিৰ গ্ৰাসত। দলটোৱে দিল্লীৰ ওপৰত নিৰ্ভৰশীল হ'ব লগা হোৱা বাবেই অসমৰ জনগোষ্ঠীয় সমাজৰ ৰাজনৈতিক প্ৰতিনিধিসকলে বোড়া, তিৱা, মিছিং, দেউৰী আদিয়ে পোনে পোনে দিল্লীৰ ওপৰত আশাহিক। বড়ো বিটিআৰৰ পৰিষদীয় নিৰ্বাচন আৰু ফলাফলৰ পিছত গঠিত চৰকাৰখনত বিজেপিৰ নিয়ন্ত্ৰণত প্ৰতিষ্ঠিত হৈছে। অসমৰ সকলো সমস্যা শাসক দলটোৰ ওপৰতে নিৰ্ভৰশীল। আঞ্চলিকতাবাদৰ কথা চৰ্চিলে আছে। এইক্ষেত্ৰত বিজেপি কিম্বা শাসক দলৰ কৌশলগত ক্ষমতাকেন্দ্ৰিক ৰাজনীতিৰ চতুৰালি একাকাৰ হৈ আছে। অসমৰ জনসাধাৰণৰ কথাটোৱে শেহতীয়াভাৱে বাতৰিৰ শিৰোনাম দখল কৰিছে যদিও বিজেপি চৰকাৰ দুখনৰ হোঁহকা-পিছলা কাৰ্যই গাপ খাইছে। কাৰণ যোৱা বছৰৰ শেষৰ ফালে ৰাজ্য চৰকাৰখনে জনজাতিকৰণৰ কেবিনেট উপ-সমিতিৰ প্ৰতিবেদন দাখিল কৰিব বুলি আশ্বাস দিছিল যদিও সেয়া কাৰ্যকৰী নকৰিলে। সমস্যাটো একৰকম গুৰুত্বপূৰ্ণ হৈ পৰিছে। দুয়োখন চৰকাৰৰ সদিচ্ছা নথকা কাৰণত নিৰ্বাচনী আশ্বাসৰ নতুন কৌশল পাতিছে। মুঠতে অসমৰ মূল সমস্যাবোৰক আওকাণ কৰি গুৰুত্বহীন কৰিছে। আঞ্চলিক দল অগপ আৰু নতুন দলবোৰে এইবোৰ উপলব্ধি কৰিব নোৱাৰিলে অসম আৰু অসমীয়া কেন্দ্ৰৰ বঞ্চনা আৰু বৈষম্যৰ বলি সদায়ে হৈ থাকিব।

## সম্পাদকলৈ চিঠি

মতামতৰ বাবে সম্পাদক দায়ী নহয়

### বিজেপি মুক্ত অসম সম্ভৱনে?

একৈশৰ নিৰ্বাচনক লৈ অসমৰ প্ৰতিটো সৰু-বৰ ৰাজনৈতিক দলৰ জল্পনা-কল্পনাৰ অন্ত নাই। বৰ্তমানৰ ৰাজনৈতিক পৰিস্থিতিলৈ চাই বিজেপি মিত্ৰজোঁট, কংগ্ৰেছ মহাজোঁট, আঞ্চলিক মৰ্চাৰ উপৰি অঞ্চলভেদে স্বতন্ত্ৰ আঞ্চলিক দলৰ মাজত চাৰিভাগত ভোট বিভাজন হ'ব যেন লাগে। যদি নিৰ্বাচনলৈকে পৰিস্থিতিৰ কোনো পৰিৱৰ্তন নহয়, তেতিয়াহ'লে শাসনত থকা দল হিচাপে বিজেপি এই দৌৰত আগত থকাৰ সম্ভাৱনাই প্ৰবল। 'কা'বিৰোধী ভোটৰ বিভাজন বিজেপিৰ মূল লক্ষ্য। এই লক্ষ্যত উপনীত হ'ব পাৰিলে বিজেপি মিত্ৰজোঁটক বাধা দিয়াটো আন দলবোৰৰ বাবে হৈ পৰিব অতি কঠিন প্ৰত্যাহ্বান। আজিৰ তাৰিখত ধনবল বহুবল সকলোতে আগবাঢ়ি আছে বিজেপি। এই কথা একাংশ বিৰোধী শিবিৰে বুজি উঠিছে যদিও আন একাংশই বুজিবলৈ এতিয়াও বাকী যেন লাগে। ২০১৬ চনত জাতি মাটি ভেটিৰ কথা কৈ শাসনলৈ অহা বিজেপি মিত্ৰজোঁটৰ চৰকাৰৰ জাতিধ্বংসী কাৰ্য-কলাপ, অসমীয়াৰ মাটি বিদেশী পুঁজিপতি আৰু শৰণাৰ্থীক গতোৱাৰ ব্যৱস্থা কৰা আৰু নিজৰ ভেটিত ঘৰ সাজি দুবেলা দুসাজ খাই সম্মানেৰে জীয়াই থাকিব নোৱাৰাকৈ বণিয়াৰ স্বাৰ্থত মূল্যবৃদ্ধি যি চূড়ান্ত শিখৰলৈ লৈ গ'ল এইবোৰে কথাই জনসাধাৰণক অতিষ্ঠ কৰি তুলিলে। তদুপৰি যোৱা পাঁচ বছৰত বিজেপি নেতৃত্বাধীন কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ কেইবাটাও কাৰ্যই দেশ আৰু ৰাজ্যৰ জনগণৰ বাবে ভয়ংকৰ ভৱিষ্যতৰ ইংগিত দিলে। তেনে পৰিপ্ৰেক্ষিতত বিজেপি মিত্ৰজোঁটে আসন পূৰ্বতকৈ যে কমিব ই খাতাং। কিন্তু বিৰোধী ঐক্য শক্তিশালী নহ'লে বিধায়ক ক্ৰয়ৰ জৰিয়তে হ'লেও তেওঁলোকে চৰকাৰ গঠন কৰিব, যিটো বহু ৰাজ্যত কৰি থৈছে।

অসমৰ গৰিষ্ঠসংখ্যক লোক ৰাজনৈতিকভাৱে সচেতন নহয়। সেই বাবে বিভিন্ন হিতাধিকাৰী সৃষ্টিৰ আঁচনিৰে ভোট লাভৰ চেষ্টা অব্যাহত ৰাখিছে ৰাজ্যৰ বিজেপি চৰকাৰে। একাংশৰ মুখত মাখমাৰ মাৰি সেই ধনেৰে আন একাংশৰ পৰা ভোট ক্ৰয়ৰ নিৰ্লজ্জ ৰাজনীতি। এনেবোৰ কাৰণতে বিজেপিক পৰাস্ত কৰাটো অতি জৰুৰী হৈ পৰিছে। এনে লাগে যেন কংগ্ৰেছ মহাজোঁটৰ লগত ৰাইজৰ দল আৰু অসম জাতীয় পৰিষদ এগেলগ হ'লে বিজেপি মিত্ৰজোঁটক পৰাস্ত কৰাৰ সম্ভাৱনা আশী শতাংশলৈ বৃদ্ধি পাব। এনে হ'লে পৰৱৰ্তী সময়ত বি পি এফৰ দৰে দলবোৰ লগ লাগি আগন্তুক নিৰ্বাচনত এখন বিজেপি-অগপমুক্ত চৰকাৰ গঠন হোৱাৰ সম্ভাৱনা এশ শতাংশলৈ বৃদ্ধি কৰিব। অসমৰ ৰাজনীতিত তিনিজন উচ্চশিক্ষিত 'গগৈ' একে লগ হ'লে অনাগত দিনত ৰাজ্যখনত এক সুস্থ ৰাজনৈতিক বাতাবৰণ গঢ়ি উঠিব বুলিও আমাৰ দৰে বহুজনে আশা কৰে। এইক্ষেত্ৰত নতুন দলকেইটাৰ ভৱিষ্যৎ কৰ্মপন্থালৈ তীক্ষ্ণ নজৰ ৰাখিছে ৰাজ্যৰ সচেতন মহলে।

■ পুলিন শইকীয়া
ফোন ঃ ৮৬৩৮২-৯১৩৫০

## লেখক-লেখিকাৰ প্ৰতি

আপোনালোকক সন্মান সহকাৰে জনাওঁ যে 'দৈনন্দিন বাৰ্তা'ৰ 'সম্পাদকীয় পৃষ্ঠা'ৰ শিতানলৈ চিঠি-পত্ৰ আৰু সম্পাদকীয় পৃষ্ঠাৰ লগত জড়িত লেখা প্ৰেৰণ কৰিব পাৰে। এইখিনিতে এটা বিশেষ অনুৰোধ, লেখাবোৰ যথাসম্ভৱ চুটি হ'লে সম্পাদনা কৰাৰ বাবে সুবিধা হয়। লেখা পঠিওৱা প্ৰতিগৰাকী লেখক-লেখিকাকে জনোৱা হ'ল যে লেখাবোৰ নিৰ্দিষ্ট সময় অনুসৰি প্ৰকাশ পাব। লেখাবোৰ তলৰ ঠিকনাত বা 'দৈনন্দিন বাৰ্তা'ৰ e-mail : editordbarta@gmail.comতো পঠিয়াব পাৰিব।

**লেখা পঠিওৱাৰ ঠিকনা ঃ**
'দৈনন্দিন বাৰ্তা'
জি এন বি ৰোড, চানমাৰি কলনি
গুৱাহাটী, পিন ঃ ৭৮১০০৩

# অসমীয়া জাতিৰ জটিল সন্ধিক্ষণ ঃ কিছু চিন্তা



■ হিমাংশু ৰঞ্জন ভূঞা

এটা জাতিৰ প্ৰতিজন ব্যক্তিয়েই নিজৰ দেশখনক আৰু জাতিটোক অকৃত্ৰিমভাৱে ভাল পাব পাৰিলে, নিজৰ ন্যস্ত স্বাৰ্থক বিসৰ্জন দি মহান স্বাৰ্থৰ হকে কাম কৰাৰ মানসিকতা গঢ়ি তুলিব পাৰিলেই জাতিটোক উচ্চ আসনত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হ'ব পৰা যায়। প্ৰকৃতাৰ্থত ঐক্য সম্প্ৰীতি আৰু সমন্বয়ৰ মাজেদি নিজস্ব সামাজিক আৰু সাংস্কৃতিক মান বজাই ৰাখি এটা নিৰ্দিষ্ট ভৌগোলিক পৰিসীমাৰ ভিতৰত বাস কৰা লোকসকলক লৈয়ে একোটা জাতি গঢ় লৈ উঠে আৰু সেই লোকসকলৰ জাতীয় চেতনাবোধৰ মাধ্যমেদিয়েই জাতিটোৰ পৰিচয় উজ্জীৱিত হৈ উঠে। বিশ্বৰ ভিতৰতে বৃহত্তম গণতান্ত্ৰিক ৰাষ্ট্ৰ ভাৰতবৰ্ষৰ এখন অংগৰাজ্য হিচাপে আমাৰ ৰাজ্য অসমৰ লোকসকলে প্ৰকৃতপক্ষে নিজস্ব ভাষা-সংস্কৃতি, নিজস্ব সামাজিক ব্যৱস্থা আদি দিশসমূহ সামৰি সুস্থ-সৱল অসমীয়া জাতি হিচাপে পৰিচয় দাঙি ধৰিব পাৰিছোনে? সাম্প্ৰতিক সময়ত এইটো এটা ডাঙৰ প্ৰশ্ন। দেখা গৈছে— বিশ্বৰ উন্নত জাতিসমূহৰ লোকসকল সদা-সৰ্বদা জাতিটোৰ সন্মান আৰু মৰ্যাদাৰ প্ৰতি সদা সচেতন আৰু তেওঁলোকে জাতীয় চেতনাৰ আদৰ্শক আন্তৰিকতাৰে গ্ৰহণ কৰি বিশ্ব দৰবাৰত নিজকে প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হৈছে। আজি আমাৰ অসমীয়া জাতিটো জটিল সন্ধিক্ষণত। সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, শৈক্ষিক, সাংস্কৃতিক আদি সকলো দিশতে সংকটত পৰিছে অসম আৰু অসমীয়া জাতি। এই সংকটত পৰা আমাৰ জাতিটোক মুকলি বতাহৰ মাজলৈ আনিবলৈ যেন কাৰোৰে সময় নাই। ৰাজ্যখনত ৰাইজৰ দ্বাৰা গঠিত এখন চৰকাৰ আছে - কিন্তু প্ৰৱঞ্চনা, প্ৰতাৰণা, বোকা ছটিওৱাৰ খেলত ব্যস্ত হৈ থকা চৰকাৰখনে ৰাইজৰ সুখ-সুবিধাৰ প্ৰতি দৃষ্টি দিবলৈ সময় নাপায়। পদে পদে বিপদত পৰা সাধাৰণ শ্ৰেণীৰ অসমীয়াই একো নোপোৱাত পৰিছে। অতি-আৱেগিক অসমীয়া জাতিয়ে মাথোঁ ৰাজপথত প্ৰতিবাদ কৰি, অসম বন্ধ দি, অনশন-সত্যাগ্ৰহ কৰি সমস্যা সমাধান কৰাৰ চেষ্টা কৰিছে যদিও নিতৌ নন সমস্যা বাঢ়ি গৈহে আছে। এটা চামে পাছে আৱেগপ্ৰৱণ অসমীয়াৰ এই খন্তেকীয়া অতি-আৱেগৰ সুযোগ লৈ মুনাফা আদায়ৰ বাবে তৎপৰ হৈ থকাও দেখা গৈছে।

দেখা গৈছে, অসমৰ আপুৰুগীয়া সম্পদ ভাষাটোও সংকটৰ গ্ৰাসত পৰাৰ উপক্ৰম হৈছে। ভাষা হৈছে এটা জাতিৰ প্ৰথম আৰু প্ৰধান পৰিচয়। অসমীয়া ভাষা অসমীয়া জাতিৰ মূল উপাদান। মাতৃভাষাৰ কথিত আৰু লিখিত এই দুয়োটা ৰূপৰ লগতেই প্ৰতিজন ব্যক্তি, প্ৰতিজন সন্তান গভীৰভাৱে পৰিচিত হ'লেহে প্ৰকৃতাৰ্থত আমাৰ ৰাজ্যখন আৰু আমাৰ জাতিটোৱে শিৰ উচ্চ কৰাৰ শকতি লাভ কৰিব। প্ৰকৃতাৰ্থত ভাষাৰ অধ্যয়ন আৰু চৰ্চাই শব্দৰ ভাণ্ডাৰ চহকী কৰে। কিন্তু আমাৰ ভাষাটোক লৈ আমি কিমান সচেতন? আমাৰ ভাষাটোৰ সংৰক্ষণৰ বাবে আমাৰ কৰণীয় যেন একোৱেই নাই। নিজৰ সন্তানক ইংৰাজী বিদ্যালয়ত পঢ়োৱাৰ নামত অসমীয়া ভাষা শিক্ষাৰ পৰা বঞ্চিত কৰি ইংৰাজী ভাষাকে প্ৰধান ভাষা হিচাপে গ্ৰহণ কৰিবলৈ প্ৰেৰণা যোগাই আমি নিজৰ ভাষা-সাহিত্যৰ ক্ষতি কৰিবলৈ চেষ্টা চলোৱা নাইনে? আমাৰ ভাষা-সাহিত্য এনে এটা অৱস্থাত উপনীত হৈছেগৈ যে ১৯৭২ চনত শিক্ষাৰ মাধ্যম অসমীয়া কৰাৰ দাবীত ৰাজ্যখনত হৈ যোৱা ব্যাপক আন্দোলনৰ পিছতো শেহতীয়াকৈ অসমীয়া ভাষা প্ৰচলন কৰিবলৈ 'অসম সাহিত্য সভা'ই পদক্ষেপ গ্ৰহণ কৰিবলগীয়া হৈছে। বিষয়টো ইতিবাচক। কিন্তু মাতৃভূমিতে মাতৃভাষা ৰক্ষাৰ বাবে আন্দোলন কৰিবলগীয়া অৱস্থা কিমান সন্তোষজনক বা দুৰ্ভাগ্যজনক সেয়া বুজাই কোৱাৰ প্ৰয়োজন নিশ্চয় নাই। আমাৰ ৰাজ্যিক ভাষা প্ৰচলনত চৰকাৰী পক্ষই যেনেভাৱে অনিহা প্ৰকাশ কৰি আহিছে, ঠিক তেনেকৈয়ে শিক্ষাৰ ক্ষেত্ৰতো যথেষ্ট ত্ৰুটি আছে। শৈক্ষিক দিশত বিশেষকৈ চৰকাৰী প্ৰাথমিক বিদ্যালয়সমূহ ত্ৰুটিমুক্ত নোহোৱাৰ বাবেই ৰাজ্যখনৰ সিংহভাগ অভিভাৱকেই নিজ নিজ সন্তানক ব্যক্তিগত পৰ্যায়ৰ বিদ্যালয়ত নামভৰ্তি কৰোৱাৰ প্ৰৱণতা গঢ় লৈ উঠিছে। ইংৰাজী মাধ্যমত শিক্ষা দিয়াব পাৰিলেহে উপযুক্ত মানুহ হৈ উঠিব বুলি গঢ়ি উঠা ধাৰণাই সম্প্ৰতি আমাৰ ভাষাটোৰ প্ৰতিয়েই চৰম সংকট কঢ়িয়াই আনিছে। গাঁৱে-ভূঞে, নগৰে-চহৰে এই ইংৰাজী প্ৰীতিয়ে এতিয়া এনেভাৱে আৱৰি ধৰিছে যে কাৰোবাৰ ঘৰলৈ গ'লে ঘৰৰ শিশুটিক তোমাৰ নাম কি বুলি যদি প্ৰশ্ন কৰা হয়, তেতিয়া উত্তৰ পোৱা যায় - 'মাই নেম ইজ...'। 'মা', 'দেউতা'ৰ ঠাইত সিঁহতক ক'বলৈ শিকোৱা হৈছে 'মাম্মী', 'পাপা'। পেহা-পেহী, জেঠাই-জেঠো, মামা-মামী, খুৰা-খুৰী, বৰদেউতা-বৰমাৰ স্থান ল'লে 'আংকল-আণ্টী'য়ে। টিভিৰ কাৰ্টুন চাই শিকা কিছুমান আচহুৱা হিন্দী-ইংৰাজী মিশ্ৰিত খিচিৰি ভাষাৰে সৰুৰ পৰা ককায়েক-ভায়েক, বায়েক-ভনীয়েকৰ লগত কথা-বতৰা পতা দেখিও শুধৰাই দিয়াৰ পৰিৱৰ্তে দহজনৰ আগত 'আমাৰ ইহঁতকেইটাই অসমীয়াত কথা নাপাতেই, হিন্দী-ইংৰাজীতহে পাতে' বুলি জহাই ফুৰি সিঁহতৰ কণমানি মন-মগজুত অসমীয়া ভাষা-সংস্কৃতিৰ প্ৰতি অনিহাৰ ভাব সৃষ্টিত নিতৌ অৰিহণা যোগাই আহিছে পিতৃ-মাতৃ, অভিভাৱকসকলে। নিচেই সৰুৰ পৰা সন্তানটিৰ সন্মুখতে এইদৰে নিজৰ জাতীয়তাবোধ জলাঞ্জলি দিবলৈও কুণ্ঠাবোধ নকৰা এনে বহু পিতৃ-মাতৃয়ে নিজেই যে নিজৰ সন্তানটিৰ ভৱিষ্যৎ ক্ৰমাৎ অন্ধকাৰলৈ ঠেলি দি আছে, সেই কথা কিন্তু তিলমানো অনুধাৱন কৰা নাই। ইংৰাজী মাধ্যমত পঢ়ালে বুলিয়েই চাহাবী ঢঙৰে শিশুটিক ইংৰাজীতহে যে কথা ক'বলৈ শিকাব, 'তোমাৰ নামটো কি' বুলি অসমীয়াত সুধিলে উত্তৰত 'মাই নেম ইজ...' বুলি ইংৰাজীত হে উত্তৰ দিবলৈ শিকাব, সেইটো কিমান যুক্তিসংগত এবাৰ ভাবি চাবৰ হ'ল। অসমীয়াত কথা-বতৰা পাতিবলৈ শিকালে 'জাত যোৱা' বুলি ভাবিবলৈ লৈছে আজিৰ এইচাম তথাকথিত অভিভাৱকে। এটা কথা খাটাং যে নিজৰ আপোন মাতৃভাষাক আওকাণ কৰি ইংৰাজীক মুখ্যস্থান দি অসমীয়া ক'ব বা লিখিব নজনা বিষয়টো কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে। প্ৰণিধানযোগ্য যে ড° সৰ্বপল্লী ৰাধাকৃষ্ণণনে বিদেশী ভাষা এটাক জ্ঞান আহৰণৰ মাধ্যম কৰি লোৱাটো শিক্ষা বিজ্ঞানৰ দৃষ্টিতেই অযুক্তিকৰ বুলি মাতৃভাষাৰ সপক্ষে থিয় দিয়াৰ লগতে ১৯৫৩ চনৰ মাধ্যমিক শিক্ষা আয়োগৰ প্ৰতিবেদনত মাতৃভাষা শিক্ষাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি কোৱা হৈছে যে 'মাতৃভাষা শিকা মানে কেৱল লিখা-পঢ়া বা শব্দভাণ্ডাৰ বৃদ্ধিৰ কথাটোৱে নুবুজাই, ই হৈছে ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক ব্যক্তিত্বৰ বিকাশ সাধন কৰাৰ উৎকৃষ্ট আৰু মণনশীল মাধ্যম'। ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ নে গ্ৰহণ কৰা এই স্থিতিৰ বহুকেইটা দশক পাৰ হৈ যোৱাৰ পিছত সম্প্ৰতি আমি আমাৰ মাতৃভাষাৰ উচিত মূল্যায়ন কৰিছোনে?

গতিকে এনে বাসনা ত্যাগ কৰি জাতিটো আৰু ভাষাটোৰ প্ৰতি থকা দায়বদ্ধতা স্বীকাৰ কৰি আমি উঠি অহা প্ৰজন্মৰ প্ৰতিগৰাকীকে একো একোজন ভাল অসমীয়া কৰি গঢ়ি তুলিবলৈ সংকল্প গ্ৰহণ কৰাটোহে উচিত। আমাৰ আপোন মাতৃভাষা, আমাৰ অসমৰ চিৰপ্ৰৱহমান ঐতিহ্য, অসমীয়া সাহিত্য-সংস্কৃতিৰ ভৱিষ্যৎ সুৰক্ষাৰ বাবে আজিৰ প্ৰতিগৰাকী পিতৃ-মাতৃৰ প্ৰধান দায়িত্ব আৰু কৰ্তব্য হ'ল নিজৰ সন্তানটিক যি মাধ্যমৰ বিদ্যালয়তে নপঢ়ুৱাওক, অন্ততঃ ঘৰত থকা সময়খিনিত নিচেই সৰুৰ পৰা মাতৃভাষাত কথা পাতিবলৈ শিকোৱা, সমন্ধীয় মানুহখিনিক 'আংকল' 'আণ্টী' জাতীয় ইংৰাজী শব্দৰ ঠাইত আমাৰ নিভাজ, আপোন শব্দবোৰেৰে সম্বোধন কৰিবলৈ শিকোৱা আৰু সৰ্বোপৰি অসমীয়া সাহিত্য-সংস্কৃতি, গীত-মাত আদিৰ চৰ্চা কৰিবলৈ ঘৰখনত এক সুস্থ-সবল পৰিৱেশ গঢ়াত মনোনিৱেশ কৰা। সৰুৰে পৰা অসমীয়া কেঁচা মাটিৰ সুবাস থকা থলুৱা গীত-মাতসমূহ চৰ্চা কৰিবলৈ, অসমৰ মহান মনীষীসকলৰ জীৱনী অধ্যয়ন কৰিবলৈ, তেওঁলোকৰ চিন্তা, কৰ্ম আৰু আদৰ্শৰ জ্ঞান দিবলৈ, শিশু উপযোগী বিভিন্ন অসমীয়া গ্ৰন্থ, সাধু কিতাপ, কাকত-আলোচনী আদি অধ্যয়ন কৰিবলৈ, নিজৰ ওপজা ঠাইখনৰ বিষয়ে জানিবলৈ যদি প্ৰতিগৰাকী শিশুক নিজৰ পিতৃ-মাতৃ বা পৰিয়ালৰ অন্যান্য জ্যেষ্ঠসকলে অনুপ্ৰাণিত কৰে, এক সুস্থ পৰিৱেশ দিয়ে, তেতিয়াহ'লে নিশ্চিতভাৱে শিশুটিৰ মন আৰু মগজুত অসম আৰু অসমীয়া জাতি-মাটি, শিল্প-সাহিত্য, ঐতিহ্য-সংস্কৃতিৰ প্ৰতি ভালপোৱা আৰু দায়বদ্ধতাৰ ভাব জাগৃত হ'ব। সি যি ধৰণৰ ইংৰাজী মাধ্যমৰ বিদ্যালয়তে নপঢ়ক কিয়, পৰৱৰ্তী কালত নিজৰ আপোন ভাষা-সাহিত্য, কলা-সংস্কৃতিৰ চৰ্চা কৰিবলৈ আগ্ৰহী হ'ব। গতিকে নিজৰ সন্তানৰ ভৱিষ্যৎ জীৱন সুন্দৰ কৰাৰ স্বাৰ্থত ইংৰাজী মাধ্যমত সন্তানক নামভৰ্তি কৰোৱা প্ৰতিগৰাকী পিতৃ-মাতৃয়ে যদি ঘৰত শিশুটিক শুদ্ধভাৱে অসমীয়াত কথা-বতৰা পতা আৰু সাহিত্য-সংস্কৃতিৰ চৰ্চা কৰাৰ পৰিৱেশ সুদৃঢ় কৰি গঢ়ি তুলিব পাৰে, তেন্তে অসমীয়া সাহিত্য-সংস্কৃতি সুস্থ-সবল ৰূপত জগত সভাত জিলিকি থাকিব।

ভাষাৰ উপৰি আজিৰ অসমীয়াই নিজৰ সন্তানসকলক নীতি শিক্ষা, শিষ্টাচাৰ, সৌজন্যতাবোধ আদিকে ধৰি সজ আচৰণবোৰৰ জ্ঞান দান কৰাটোত লাজ লগাকৈ ব্যৰ্থ হৈছোঁ। আমি সকলোৱেই দেখি আহিছোঁ ঘৰলৈ আলহি গ'লে আজিৰ অধিকাংশ শিশুৱে ওলাই আহি কিদৰে মাতবোল কৰিব লাগে, বহিবলৈ অনুৰোধ জনাব লাগে, জ্যেষ্ঠজনৰ প্ৰতি কেনেভাৱে সন্মান প্ৰদৰ্শন কৰিব লাগে এই কথা একেবাৰে নাজানে। অৰ্থাৎ অভিভাৱকসকলে শিশুসকলক এই সাধাৰণ শিষ্টাচাৰ-ভদ্ৰতাখিনিও শিকোৱা দেখা নাযায়। একমাত্ৰ পৰীক্ষাত কিমান নম্বৰ পাইছে তাৰ ওপৰতহে অধিক গুৰুত্ব দিয়া দেখা যায়। আজিকালি তেনে ইংৰাজী মাধ্যমত পঢ়া শিশুৰ ঘৰলৈ গ'লে বহু মাক-দেউতাকে নিজৰ সন্তানৰ পৰীক্ষাৰ ফলাফল আৰু ইংৰাজী ভাষা দখলৰ কথা কৈ নিজৰ ফোঁপোলা স্বৰূপ প্ৰদৰ্শনৰে শুনোতাৰ কাণ ঘোলা কৰাৰ উদাহৰণ নতুনকৈ দিয়াৰ প্ৰয়োজন নিশ্চয় নাই। এইদৰেই ইংৰাজী ভাষাত ব্যুৎপত্তি দখল কৰাবলৈ গৈ নিজৰ সন্তানক নিজৰ মাতৃভাষা, ওপজা ভূমিৰ জাতি-মাটি, ঐতিহ্য-সংস্কৃতি, কলা সাহিত্যৰ পৰা বিচ্ছিন্ন কৰাৰ বিকৃত মানসিকতাৰ বাবেই আমাৰ সমাজখন আৰু ভৱিষ্যৎ কৰ্ণধাৰস্বৰূপ তেওঁ লোকৰ সন্তানসকলক পংগু কৰি পেলাইছে। এই মানসিকতাৰ পৰিৱৰ্তন তেতিয়ালৈকে অসম্ভৱ, যেতিয়ালৈকে প্ৰতিগৰাকী অসমীয়াৰ মন-মগজু আৰু অন্তৰৰ আঁহে কোঁহে তীব্ৰ জাতীয়তাবোধ আৰু স্বাভিমানৰ বীজবোৰ গজি নুঠিব।

ভাষা-সাহিত্য যদিও এটা জাতিৰ মূল চালিকা শক্তি তথাপি জাতিটোৰ সুস্থ ভৱিষ্যৎ আৰু সামাজিক, অৰ্থনৈতিক বিকাশ নিৰ্ভৰ কৰে প্ৰতিগৰাকী লোকৰ কৰ্মনিপুনতা, স্বাৱলম্বিতা আৰু দায়বদ্ধতাৰ ওপৰত। আজি আমি বজাৰৰ পৰা শাক-পাচলি, মাছ-মাংসলৈকে সকলোখিনি কিনিছো সন্দেহজনক বুলি আখ্যা দিয়া লোকসকলৰ পৰা, নিত্য-ব্যৱহাৰ্য দাইল, পিঁয়াজ, আটা-ময়দা আদি খাদ্য-সামগ্ৰী, গৰু বিহুৰ বাবে পঘাডাল, মাখিয়তী গছৰ ঠালটো, বিহুৰ বিহুৱানখন, কাপোৰকেইযোৰ কিনিছো তেনে ধৰণৰ অনা-অসমীয়া ব্যৱসায়ীৰ পৰা, নিতৌ চুলি-দাড়ি খুৱাবলৈ বিহাৰী চেলুনলৈ গৈছো, ঘৰত সাধাৰণ ঘৰুৱা কাম-বন কৰাবলৈও হাজিৰা দি নিয়োগ কৰিছো কোনো সন্দেহজনক বিদেশীপুৰুষ-মহিলাক। আঘোণমহীয়া ধান দাবলৈ, শাওণৰ পথাৰত ধান ৰুবলৈ সেইসকল নহ'লেই নোহোৱাৰ নিচিনা। ৰিক্সা, ঠেলা আদি চলোৱা কেইজন অসমীয়া যুৱক আছে? মুঠতে তেওঁলোক নহ'লে যেন আজি অসমীয়া অচল। অসমীয়া ডেকাই কাম কৰিবলৈ লাজ কৰে। যাৰ বাবে দিনকদিনে আমিয়েই এই সন্দেহজনক বিদেশী অথবা অনা-অসমীয়া লোকসকলক বৰপীৰা পাৰি বহুৱাইছো। অসমীয়া ডেকাই আজি তিনিআলি-চাৰিআলিৰ দোকানৰ সন্মুখত চাধা-চিগাৰেট সেৱন কৰি, আড্ডা মাৰি ঘণ্টাৰ পাছত ঘণ্টা অপব্যয় কৰে, অথচ ঘৰত নিজে হালখন বাই মাটি কেইডৰাত খেতি কৰিবলৈ, ঘৰৰ সন্মুখত চেলুন এখন খুলিবলৈ লাজ কৰে। দোকান এখন দি নিজৰ উপাৰ্জনৰ পথ মোকলাবলৈ মুঠেও আগ্ৰহী নহয়। মাত্ৰ নিজকে 'বেকাৰ' বুলি ভাগ্যক ধিয়াই পুৰা-গধূলি চাৰিআলিৰ মূৰৰ দোকানত আড্ডা দি, পৰৰ সমালোচনা কৰি, দিনৰ দিনটো মোবাইল পিটিকি থাকি নিজৰ জীৱনৰ বহুমূলীয়া সময়খিনি অপব্যয় কৰে। আজিৰ নিবনুৱা বুলি ভাগ্যক ধিয়াই এনেদৰে দোকানৰ সন্মুখত আড্ডা মাৰি সময় নষ্ট কৰা ডেকাহঁতে যদি প্ৰত্যেকেই কাম কৰিম বুলি ওলাই আহি বিভিন্ন ব্যৱসায়, খেতি-বাতি আদি কৰি, চেলুন খুলি নিজৰ ভৰিত নিজে থিয় দিয়ে, তেন্তে এইসকলে অসমত এনেদৰে দপ্-দপাবলৈ সাহ পাবনে? আজি অসমীয়া ডেকাই পথাৰত হাল বাই, ধান ৰুই-কাটি, ঘৰৰ মাটিকেইডৰাত নিজে কৰা কবি, আলু, গাজৰ আদি শাক-পাচলি বজাৰলৈ নি বিক্ৰী কৰি, বিভিন্ন দোকান-ব্যৱসায় আৰম্ভ কৰি, চেলুন খুলি, ৰিক্সা, ঠেলা আদি চলাই, লাখ লাখ বিঘা গ্ৰেজিং বা চৰণীয়াভূমি সন্দেহজনক বিদেশীৰ কবলৰ পৰা মুকলি কৰাৰ ব্যৱস্থা ল'বলৈ চৰকাৰক বাধ্য কৰিব পাৰিলে নিশ্চয় কৰ্মঠ আৰু স্বাৱলম্বী অসমীয়া জাতি হিচাপে আমি আগুৱাই গৈ এদিন বিশ্বদৰবাৰত মূৰ থিয় কৰি চিনাকি দিব পাৰিম।

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই 'অসম সংগীত'ত লিখিছিল— 'আমি অসমীয়া নহওঁ দুখীয়া কিহৰ দুখীয়া হ'ম? .... সকলো আছিল, সকলো আছে, নুবুজো নলওঁ গম।' সঁচা, আমাৰ মাতৃভূমি অসমত নাই কি? অতীতৰে পৰা অসম নিজস্ব মহিমাৰে উজ্জীৱিত এখন ৰাজ্য। শংকৰদেৱ-মাধৱদেৱৰ দৰে ধৰ্মসংস্কাৰক, সমাজ-সংস্কাৰক, জ্যোতি-বিষ্ণু, লক্ষ্মীনাথ বেজবৰুৱাৰ দৰে মহান মনীষী, জয়মতী, কনকলতা, মুলাগাভৰুৰ দৰে ত্যাগী মহিলাৰ জন্মভূমি অসম। অসমত নাই কি? প্ৰকৃতিৰ মন জুৰুৱা পৰিৱেশ, চৰাই-চিৰিকটিৰ সুললিত সুমধুৰ মাত, বিশ্বৰ বিৰল এশিঙীয়া গঁড়, মহাবাহু ব্ৰহ্মপুত্ৰৰ পৰশৰে জীপাল সাৰুৱা ভূমিখণ্ড, ঐতিহাসিক সম্পদৰে পূৰ্ণ অসমৰ শৌৰ্য-বীৰ্যৰ কাহিনী তাহানি দিনৰে পৰা পৃথিৱীৰ চৌদিশে প্ৰসাৰিত-প্ৰচাৰিত। কিন্তু আজি আমাৰ সন্তানসকলে নিজৰ জাতিটোৰ এনে বৰ্ণাঢ্য ইতিহাসৰ বিষয়ে জানেনে? শংকৰদেৱ-মাধৱদেৱ, লাচিত-চিলাৰায়, জয়মতী-মূলাগাভৰু-কনকলতা, জ্যোতিপ্ৰসাদ-বিষ্ণু ৰাভাক প্ৰকৃতভাৱে চিনি পাইনে? আমি কেতিয়াবা আমাৰ সন্তানক কৈ পাইছোনে এইসকল পুৰোধাৰ অৱদান, কৰ্মৰাজি, চিন্তা-আদৰ্শ, ত্যাগ আৰু বীৰত্বৰ কথা? আমি আমাৰ উত্তৰপুৰুষসকলক নিজৰ পৰিয়ালৰ পূৰ্বপুৰুষসকলৰ কৰ্মৰাজি, গাঁওখনৰ অতীত ইতিহাসৰ বিষয়ে কিবা জনাৰ সুবিধা দিছোনে? তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ, গেছ-ক্ৰেকাৰ প্ৰকল্প, এন আৰ চি প্ৰস্তুত আদি কিহৰ ফলত হৈছে আমাৰ সন্তানসকলক জানিবলৈ দিছোনে? আমি আমাৰ সন্তানসকলক অসম আৰু অসমীয়া জাতিৰ প্ৰতি ভৱিষ্যৎ দিনত কিবা এটা কৰাৰ মানসিকতা গঢ় ল'বলৈ উদ্বুদ্ধ কৰিছোনে? গাঁৱৰ ভাওনা ভাগত ভাও এটা ল'বলৈ, বছৰৰ বিহুটিত গাঁৱৰ চেমনীয়া-ডেকাহঁতৰ সৈতে হুঁচৰি জুৰিবলৈ, বিহু মাৰিবলৈ আমাৰ সন্তানসকলক উলিয়াই পঠাওঁনে? অথচ তেওঁলোকে অধ্যয়ন কৰা ইংৰাজী মাধ্যমৰ বা মিছনেৰী বিদ্যালয়সমূহত পালিত খ্ৰীষ্টমাছ বা অন্যান্য তেনেধৰণৰ অনা-অসমীয়া উৎসৱ পালন কৰিবলৈ আগ্ৰহেৰে, স-গৌৰৱে উলিয়াই নিওঁ। আজি আমি অসমীয়া লোক-সংস্কৃতিৰ সোণসেৰীয়া সম্পদসমূহ— বৰগীত, বনগীত, বিয়ানাম, আইনাম, ওজাপালি, ভাওনাৰ বচন, বিলাপ, পয়াৰ, মধ্যাৱলী, মুক্তাৱলী, জিকিৰ-জাৰি আদিৰ কিমান চৰ্চা কৰিছো? আমি জাতীয় উৎসৱ বিহু উদ্‌যাপনৰ নামত দুই-তিনিমাহ পৰ্যন্ত যি কৰ্ম-কাণ্ড কৰি আহিছো, সেয়া কিহৰ পৰিচায়ক? এইবোৰ নেতিবাচক কাম-কাজ, চিন্তা-চেতনা আৰু মানসিকতাই নিশ্চিতভাৱে জাতিটোৰ সামগ্ৰিক উত্তৰণত বাধাৰ প্ৰাচীৰ হৈ থিয় দিছে। এই প্ৰাচীৰ ভাঙিবৰ সময় সমাগত।

আজি আমাৰ জাতিটো যি জটিল সন্ধিক্ষণত উপনীত হৈছে, সেই সন্ধিক্ষণ প্ৰত্যেকজন অসমীয়াই সৎ চিন্তা আৰু সৎ উদ্দেশ্যৰে সমূহীয়া পদক্ষেপ গ্ৰহণ কৰিলে নিশ্চয় আঁতৰ কৰিব পৰা যাব বুলি আশা কৰিব পাৰি। অসমৰ প্ৰতিগৰাকী উঠি অহা ল'ৰা-ছোৱালীৰ মাজত অসমীয়াৰ তেজে তেজে প্ৰবাহিত অতীত গৌৰৱৰ সমলবোৰ বিলাই দি অসমীয়াৰ স্বাভিমান আৰু জাতীয়তাবোধৰ বীজ সিঁচি নিজৰ জাতিটোক ভাল পাব পৰা, নিজৰ মাটি আৰু মানুহক ভাল পাব পৰাকৈ সৰুৰে পৰাই শিক্ষিত কৰি গঢ়ি তুলিব পাৰিলেই আমি জাতিটোক প্ৰকৃতভাৱে আগুৱাই নিবলৈ সক্ষম হ'ব পাৰিম।

# মহানুভৱতাৰ অসামান্য বৰঙণি

■ জুলহাছ আলী আহমেদ

আজি সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমৰ বিভিন্ন প্ৰান্তত পালিত হয় দেশৰ ৭২সংখ্যক গণৰাজ্য দিৱস। ৰাষ্ট্ৰজুৰি গণতন্ত্ৰ দিৱস পালন কৰি থকাৰ সময়তে মহানুভৱতাৰ এক উৎকৃষ্ট নিদৰ্শন পোহৰলৈ আহিছে। কৰিমগঞ্জ জিলাৰ নিহাৰ ৰঞ্জন দেৱনাথে দেখুৱাইছে মানৱতাৰ এক অনবদ্য নিদৰ্শন। বৰাক উপত্যকাৰ কৰিমগঞ্জ জিলাৰ অন্তৰ্গত আছিমগঞ্জ মহামায়া হোটেলৰ সত্ৰাধিকাৰ তথা বিশিষ্ট কবি নিহাৰ ৰঞ্জন দেৱনাথৰ মহানুভৱতাই এতিয়া সৰ্বত্ৰ চৰ্চাৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। উদাৰতাবাদী তথা সহিষ্ণুতা পৰায়ণ ব্যক্তিত্বৰ গৰাকী নিহাৰ ৰঞ্জন দেৱনাথে টংগৰ হানিফিয়া নামৰ এখন ইছলাম ধৰ্মীয় প্ৰতিষ্ঠান 'হাফিজিয়া মাদ্ৰাছা'ত ৪০,০০০ (চল্লিছ হাজাৰ) টকাৰ বৰঙনি আগবঢ়াইছে। যিটো সময়ত একাংশ বিভেদকামী শক্তিয়ে হিন্দু-মুছলমানৰ মাজত বিভাজন আনিবলৈ নানা ধৰণৰ কুটিল ষড়যন্ত্ৰ অব্যাহত ৰাখিছে, তেনে সময়তে সাম্প্ৰদায়িক সম্প্ৰীতিৰ ৰাজ্য অসমৰ কৰিমগঞ্জ জিলাৰ নিহাৰ ৰঞ্জন দেৱনাথে মাদ্ৰাছাৰ বৃহৎ পৰিমাণৰ অৰ্থ দান কৰি যেন আজান ফকীৰৰ সেই কালজয়ী জিকিৰকে আকৌ এবাৰ আওৰালে— 'মোৰ মনত ভেদ ভাব নাই অ' আল্লাহ, মোৰ মনত হীন-পৰ নাই অ' আল্লাহ, হিন্দু কি মুছলমান একে আল্লাৰ ফৰমান, মোৰ মনত একেটি ভাব'। মানৱতাৰ বাৰ্তাবাহক তথা জনপ্ৰিয় কবি নিহাৰ ৰঞ্জন দেৱনাথৰ লক্ষ্য আৰু উদ্দেশ্য হৈছে হিন্দু-মুছলমানৰ মাজত একতা আৰু ভাতৃত্ববোধ প্ৰতিষ্ঠা কৰা। যিসকলে হিন্দু-মুছলমানৰ মাজত দুৰত্ব বৃদ্ধি কৰিব বিচাৰে তেওঁলোকৰ মুখত এক প্ৰচণ্ড ঘাম টাঙোন শোধাই ভাতৃত্ববোধৰ অনন্য নিদৰ্শন দাঙি ধৰা কাৰ্যক মই চেলুট জনাইছোঁ। নিহাৰ ৰঞ্জন দেৱনাথ, সঁচাকৈয়ে তুমি অনন্য, অতুলনীয়। তুমি আগুৱাই যোৱা, লক্ষ্যত উপনীত হোৱা। তোমাৰ দৰে নিৰ্ভীক-নিৰপেক্ষ তথা একতাৰ বাৰ্তাবাহকৰ আজি খুবেই প্ৰয়োজন হৈছে। তুমি কৰি যোৱা প্ৰতিটো কৰ্মৰ ফল অৱশ্যেই পাবা। তুমি নৱ-প্ৰজন্মৰ আদৰ্শ হোৱা, প্ৰেৰণাৰ উৎস হোৱা। মই ঈশ্বৰ-আল্লাহৰ ওচৰত দোৱা-প্ৰাৰ্থনা কৰোঁ, তোমাৰ ব্যৱসায়-বাণিজ্যত দ্ৰুত উন্নতি হওক, তোমাৰ জীৱন সুন্দৰ স্বাস্থ্যময় হওক আৰু তুমি দীৰ্ঘজীৱী হোৱা। প্ৰসংগত, কিছুদিন আগলৈকে আমাৰ ফুলকুমলীয়া শিশুসকলৰ মুখত হিন্দু-মুছলমানৰ কথা শুনা নগৈছিল কিন্তু আজি সেই কণ কণ কিশোৰ-কিশোৰীৰ মুখত ফুটি উঠা পৰিলক্ষিত হৈছে হিন্দু-মুছলমানৰ কথা। একেলগে স্কুলত লিখা-পঢ়া কৰা বা একেখন খেলপথাৰত খেলা-ধূলা কৰা আমাৰ উঠি অহা ভৱিষ্যৎ প্ৰজন্মৰ মন-মস্তিষ্কত যদি এই জাতিভেদৰ ভাইৰাছবিধ সুমুৱাই দিয়া হয় তেন্তে...। অনিচ্ছা সত্বেও উল্লেখ কৰিব লাগিব যে, সৌসিদিনা মই এখন হিন্দু পাণ দোকানত তামোল খাবলৈ যাওঁ, পাণ দোকানী দাদাৰ ফুলকুমলীয়া ছোৱালী এজনীক দেখা পাওঁ আৰু প্ৰতিদিনাৰ দৰেই মই উক্ত মৰম লগা ছোৱালীজনীক মাহী বুলি ধেমালি কৰোঁ, কিন্তু ধৰ্ম-জাত-পাতৰ জ্ঞান নথকা সেই ৫-৬ বছৰীয়া কিশোৰীয়ে মোক মিঞা বুলি তাচ্ছিল্য কৰে (যদিও সি তাচ্ছিল্য বুজি নাপায়) তেতিয়া মোৰ অজানিতে চকুলো বৈ আহিব ধৰিছিল, যেন হৃদয়খন দুফাল হৈ গৈছে, পাহাৰ আহি মূৰত পৰিছে। মই মোক বুজাব পৰা নাছিলোঁ, খন্তেকৰ বাবে মই হিতাহিত জ্ঞান হেৰুৱাই পেলাইছিলোঁ, ভাষা নোহোৱা হৈছিল মোৰ মুখত। এয়া কি হৈ গ'ল? কিয় হ'ল? ইত্যাদি প্ৰশ্নই মোক ব্যতিব্যস্ত কৰি আহিছিল সেই সময়ত। অৱশ্যে লগত থকা কণমানিজনীৰ মাকে ছোৱালীজনীক ধমক দিয়ে। কথাষাৰ প্ৰকাশ কৰিব নালাগিছিল যদিওঁ ভৱিষ্যতে আহিব পৰা ভীষণ পৰিস্থিতিৰ বিষয়ে সৰ্বসাধাৰণক সজাগ-সচেতন কৰিবলৈহে এইষাৰ কথা প্ৰকাশ কৰা হৈছে। গতিকে এনেকুৱা পৰিৱেশ-পৰিস্থিতিৰ মুখামুখি হোৱাৰ আগতেই আমি প্ৰত্যেকেই সজাগ-সচেতন হ'ব লাগিব। নহ'লে পিছলৈ পৰিস্থিতিৰ মোকাবিলা কৰা অসম্ভৱ হৈ পৰিব।—

ফোন ঃ ৯৭০৬৬-৬৬১৯২

# সাম্প্ৰতিক অসমত আঞ্চলিক ৰাজনীতি কিমান গ্ৰহণযোগ্য?

■ প্ৰৱাল চাংমাই

সমগ্ৰ অসমবাসীয়ে বৰ্তমান সময়ত এনে এজন নেতাক বিচাৰিছে যিয়ে সন্মুখৰ পৰা জাতিটোক নেতৃত্ব দিব পাৰে, অসম আৰু অসমীয়াৰ সংকটৰ সময়ত ৮০-৮৫ বছৰীয়া কঁকাল পৰি যোৱা ককাজনৰ দৰে নহয় মেৰুদণ্ড পোন কৰি অসমীয়া আৰু অসমবাসীক অসহায় অৱস্থালৈ ঠেলি দিব বিচৰাসকলক হুংকাৰ দিব পৰা নেতাৰ বৰ্তমান সময়ত অসমত প্ৰয়োজন আছে। কিন্তু আমি অভিনয় কৰাসকলক চিনি থোৱাটোও উচিত কিয়নো আই এম ডি টি আইন আইনী যুঁজৰ জৰিয়তে বাতিল কৰি অসমীয়াৰ হৃদয় জয় কৰা সেই 'জাতীয় নায়ক'জনে 'কা' সংশোধন কৰি বিদেশী সংস্থাপন দিব বিচৰা কেন্দ্ৰৰ আহ্বানক ধৃতৰাষ্ট্ৰৰ দৰে ভূমিকা গ্ৰহণ কৰি অসমীয়াৰ বিশ্বাসক আঘাত হানিছে। আমি মনত ৰখা উচিত, অসমৰ ৰাজনীতিত এনেকুৱা মুখ্যমন্ত্ৰীৰো উদাহৰণ আছে যাক কেন্দ্ৰৰ আঙুলিৰ ঠাঁৰত ননচাৰ বাবে কেন্দ্ৰই অপসাৰিত কৰিব বিচাৰিছিল কিন্তু সেই সময়ৰ অসমৰ মুখ্যমন্ত্ৰী গোলাপ বৰবৰাই কৈছিল 'এয়া মোৰ পৈতৃক সম্পত্তি নহয়, প্ৰয়োজনত মই মন্ত্ৰিত্বয়ে বাদ দি দিম কিন্তু অনীতিগত কামত লিপ্ত নহ'ও' এই বাক্য কৈ মুখ্যমন্ত্ৰী পদ ত্যাগ কৰিছিল। আমাক এনেকুৱা নেতা লাগে, যিয়ে ক্ষমতাৰ কথা নাভাবি অসম আৰু অসমীয়াৰ কথা চিন্তা কৰে।

নাগৰিকত্ব সংশোধনী আইনৰ জৰিয়তে হিন্দু-বাংলাদেশীসকলক ৰঙা দলিছা পাৰি নাগৰিকত্ব প্ৰদান কৰি অসমত অসমীয়াকে সংখ্যালঘুত পৰিণত কৰিব বিচৰা আইনৰ বিৰোধিতা অসমৰ অসমীয়া ক্ষমতালোভী চৰকাৰী পক্ষৰ এজনকো গাদী ৰক্ষাৰ স্বাৰ্থত এই আইনৰ বিৰোধিতা কৰা দেখা পোৱা নগ'ল। ইয়াৰ বিপৰীতে কেৰালা, পঞ্জাব, ৰাজস্থান, পশ্চিমবংগ, দিল্লীৰ আঞ্চলিক ৰাজনৈতিক শক্তিসমূহে এই আইনৰ মুকলিকৈ বিৰোধিতা কৰিছিল, গতিকে ৰাজ্যসমূহৰ বিপৰীতে যদি কেন্দ্ৰই ক্ষতি হোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে ইয়াক মুকলিকৈ প্ৰত্যাহ্বান জনাই অসমীয়াৰ কথা চিন্তা কৰাৰ চৰকাৰ আমাক লাগে।

জন্মলাভ কৰাৰ পৰা এক শ্ৰেণীক সূতা, কম্বলৰ ৰাজনীতি কৰা দেখিলোঁ আৰু এতিয়া উন্নয়ন আৰু প্ৰগতি শ্ল'গান দিয়া চৰকাৰখনে নিবনুৱাসকলক সংস্থাপন দিয়াৰ পৰিৱৰ্তে ছাত্ৰীসকলক স্কুটী প্ৰদান কৰি ঘৰৰ অভাৱ আৰু নিবনুৱা হোৱাৰ দিশত ঠেলি দিছে। নিৰ্বাচনৰ সময়ত কৰা এই ৰণ-কৌশলৰ পাকত পৰি কোনেও যাতে ৬গৰাকী তেজাল শ্বহীদক পাহৰি নাযায়। লগতে এটা কথা মনত ৰাখিবলৈ অনুৰোধ থাকিল— বৰশীৰ টোপৰ লালসাত পৰি জীৱন্ত মাছ এটাৰ যেনেদৰে মৃত্যু হয় তেনেদৰে যাতে নৱ-প্ৰজন্মৰ কোনেও বিচাৰ-বিবেক নোহোৱাকৈ মৃত্যুৰ দিশত আগুৱাই নাযায় তাৰ বাবে অনুৰোধ থাকিল।

নিৰ্বাচনৰ সময়ত ছাত্ৰ-ছাত্ৰীৰ কথা মনত পৰা চৰকাৰৰ পৰিৱৰ্তে আমাক এনেকুৱা চৰকাৰ লাগে যিয়ে ক'ব পাৰে আমি ৫টা বছৰে ৰাইজৰ কাষত নিঃস্বাৰ্থভাৱে কাম কৰিলোঁ গতিকে এইবাৰ নিৰ্বাচনত আমাৰ চৰকাৰক ভোটটো দিয়ক। আমাক এনেকুৱা চৰকাৰৰ প্ৰয়োজন নাই যিয়ে ধৰ্মৰ নামত বিভাজন সৃষ্টি কৰি আমাক ভোট নিদিলে 'আজমাল' ডাঙৰীয়া মুখ্যমন্ত্ৰী হ'ব বুলি টুলুঙা মন্তব্য কৰা চৰকাৰৰ প্ৰয়োজন আমাৰ নাই।

সাম্প্ৰদায়িক ৰাজনীতিৰ অসমত স্থান নাই, এইখন শংকৰ-আজানৰ দেশ। বিভিন্ন ধৰ্মাৱলম্বী লোক এক হৈ বৰ অসম গঢ় লৈ উঠিছে, গতিকে ইয়াক ধ্বংস কৰিব বিচৰা প্ৰতিটো শক্তিক এই নিৰ্বাচনত প্ৰত্যাহ্বান দি নতুন দলক কেন্দ্ৰৰে আদৰি ল'ব অসমীয়া ৰাইজে।

# চেঙাৰ বালাট্টাৰীত খহনীয়া প্ৰতিৰোধ আঁচনিৰ শুভাৰম্ভ মন্ত্ৰী ফণীভূষণ চৌধুৰীৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, মুকালমুৱা, ২৮ জানুৱাৰী ঃ** নলবাৰী জিলাৰ সীমান্তৱৰ্তী চেঙাৰ বালাট্টাৰীত আজি অসম চৰকাৰৰ জলসম্পদ বিভাগৰ অধীনত নাবাৰ্ডৰ অৰ্থসাহায্যৰে খহনীয়া প্ৰতিৰোধ আঁচনিৰ শুভাৰম্ভ কৰে ৰাজ্য চৰকাৰৰ খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী ফণীভূষণ চৌধুৰীয়ে। এক কোটি টকা ব্যয় সাপেক্ষে পাৰ্কুপাইন ব্যৱহাৰ কৰি বালাট্টাৰীত ব্ৰহ্মপুত্ৰৰ খহনীয়া প্ৰতিৰোধৰ কামৰ শুভাৰম্ভ কৰে মন্ত্ৰীগৰাকীয়ে। আঁচনিৰ কাম শুভাৰম্ভ কৰাৰ উদ্দেশ্যে বালাট্টাৰীৰ খহনীয়াস্থলীত বিশিষ্ট সাহিত্যিক তথা সাংবাদিক ধ্ৰুৱজ্যোতি শৰ্মাৰ সঞ্চালনাত অনুষ্ঠিত সভাখনত অসম চৰকাৰৰ খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী ফণীভূষণ চৌধুৰীয়ে কেৱল বিজেপি মিত্ৰজোঁট চৰকাৰৰ কাৰ্যকালত ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ কাম খৰালি কালত আৰম্ভ হৈ বাৰিষা অহাৰ পূৰ্বেই সমাপন হয় বুলি কয়। বালাট্টাৰীৰ এক কোটি টকীয়া পাৰ্কুপাইনৰ কামো বাৰিষা অহাৰ পূৰ্বেই সম্পূৰ্ণ কৰি অঞ্চলবাসীক খহনীয়াৰ কৱলৰ পৰা ৰক্ষা কৰিব লাগিব বুলি নিবিদা লাভ ঠিকাদাৰক উদ্দেশ্যি কয়। মন্ত্ৰীগৰাকীয়ে সমাজ তথা অঞ্চলৰ উন্নতি আৰু সমস্যা সমাধান হ'বলৈ হ'লে সমাজৰ পৰা ৰাজনৈতিক মতাদৰ্শ পৰিহাৰ কৰি সকলোৱে ঐক্যবদ্ধভাৱে ৰাইজৰ হকে কাম কৰিব লাগিব বুলিও মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। সাংবাদিকৰে হোৱা বাৰ্তালাপত মন্ত্ৰী ফণীভূষণ চৌধুৰীয়ে অহা বিধানসভাৰ নিৰ্বাচনত মিত্ৰজোটৰ প্ৰাৰ্থী হিচাপে অগপ দলে চেঙা সমষ্টিত প্ৰাৰ্থিত্ব দাবী কৰিব বুলি উল্লেখ কৰে। খহনীয়া প্ৰতিৰোধ আঁচনিৰ শুভাৰম্ভ অনুষ্ঠানত চেঙা সমষ্টিৰ স্থানীয় বিধায়ক শুকুৰ আলী আহমেদ, মুকালমুৱাস্থিত জলসম্পদ বিভাগৰ অধীক্ষক অভিযন্তা মুকুট ডেকা, নলবাৰীৰ জলসম্পদ বিভাগৰ কাৰ্যবাহী অভিযন্তা প্ৰতুল পাটোৱাৰী, মুকালমুৱা উপ-সংমণ্ডল বিষয়া মুছলেমউদ্দিন আহমেদ, বৰপেটা জিলা অগপৰ উপ-সভাপতি ৰবিউল হুছেইন, চেঙা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া নিতুল খাটনিয়াৰসহ ভালেকেইজন ব্যক্তি উপস্থিত থাকে।



## মাজুলী এক'লেণ্ড একাডেমী ইংলিছ স্কুলত উলহ-মালহেৰে গণৰাজ্য দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, উজনি মাজুলী, ২৮ জানুৱাৰী ঃ** সমগ্ৰ ভাৰতৰ লগতে মাজুলীতো উলহ-মালহেৰে ৭২সংখ্যক গণৰাজ্য দিৱস পালন কৰে। স্বাধীন ভাৰতৰ সংবিধান গৃহীত হোৱা ২৬ জানুৱাৰী দিনটোত সমগ্ৰ দেশবাসীয়ে ৰাষ্ট্ৰীয় পতাকাৰ তলত একত্ৰিত হৈ দেশ মাতৃৰ প্ৰতি ভক্তি ভৰা শ্ৰদ্ধা নিবেদন কৰাৰ সমান্তৰালভাৱে দ্বীপ জিলা মাজুলী এক'লেণ্ড একাডেমী ইংলিছ স্কুলতো উলহ মালহেৰে ৭২ সংখ্যক গণৰাজ্য দিৱস পালন কৰে। এক'লেণ্ড একাডেমী ইংলিছ স্কুলত অনুষ্ঠিত হোৱা ৭২সংখ্যক গণৰাজ্য দিৱসৰ ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি তথা ফুলনি মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক সোণাধৰ মিলিয়ে। ৰাষ্ট্ৰীয় পতাকা তলত ঠিয় হৈ বিদ্যালয়ৰ অধ্যক্ষ তথা সঞ্চালক যতীন পায়েঙে গণৰাজ্য দিৱসৰ তাৎপৰ্য বহুলভাৱে ব্যাখ্যা আগবঢ়ায় কয় আমি ভাৰতীয় নাগৰিক হিচাপে ভাৰত বৰ্ষক সন্মান কৰিব লাগে আৰু সকলোকে সন্মান কৰিবলৈ আহ্বান জনায়। পতাকা উত্তোলনৰ পিছতেই বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতা, ৰচনা প্ৰতিযোগিতাকে ধৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। এক'লেণ্ড একাডেমী ইংলিছ স্কুলত অনুষ্ঠিত হোৱা ৭২ সংখ্যক গণৰাজ্য দিৱসত ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লগতে অভিভাৱকসকলে অংশগ্ৰহণ কৰে। বিদ্যালয়খনত অনুষ্ঠিত গণৰাজ্য দিৱসৰ সমূহ কাৰ্যসূচীৰ আঁত ধৰে আৰু শলাগৰ শৰাই আগবঢ়ায় বিদ্যালয়খনৰ শিক্ষক জয় চন্দ্ৰ বৰাই।

## মায়ং ৰাজহ চক্ৰৰ অন্তৰ্গত হিতাধিকাৰীৰ মাজত ভূমি পট্টা প্ৰদান কাৰ্যসূচী সম্পন্ন



**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২৮ জানুৱাৰী ঃ** মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ আৰু মায়ং ৰাজহ চক্ৰৰ সৌজন্যত ২৭ জানুৱাৰীত জাগী দঙ্গীয়াল গাঁৱত বিষ্ণু ৰাভা বিহুতলী সভাগৃহত ভূমিহীন খিলঞ্জীয়া পৰিয়ালক ভূমি পট্টা আৰু মাটিৰ আৱণ্টন-পত্ৰ বিতৰণ অনুষ্ঠান অনুষ্ঠিত হৈ যায়। এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি নগৰ উন্নয়ন আৰু স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ (স্বতন্ত্ৰ) ৰাজ্যিক মন্ত্ৰী পীযুষ হাজৰিকা। ভাষণ প্ৰসঙ্গত মন্ত্ৰীগৰাকীয়ে কয় যে বৰ্তমানৰ চৰকাৰখনে খিলঞ্জীয়া ভূমিপুত্ৰৰ নিৰাপত্তাৰ বাবে বহুত কাম কৰি আহিছে। ইয়াৰে ফলাফল ৰাইজে ইতিমধ্যে উপভোগ কৰিব পাৰিছে। পূৰ্বৰ চৰকাৰৰ দিনত ভূমিহীন পৰিয়ালে ভূমি পট্টা বিচাৰি হাবাথুৰি খাব লগা হৈছিল, বৰ্তমানৰ চৰকাৰে ভূমি পট্টা দিবলৈ ৰাইজৰ মাজলৈ আহে বুলি মন্ত্ৰী গৰাকীয়ে কয়। চৰকাৰৰ বিভিন্ন আঁচনিৰ বিষয়ে উল্লেখ কৰি ৰাইজৰ আশীৰ্বাদ পালে আৰু অধিক উন্নয়নৰ কাম কৰি যাব বুলি মন্ত্ৰী গৰাকীয়ে মত প্ৰকাশ কৰে। আজিৰ এই অনুষ্ঠানত অকন বড়ো, ৰীতা বৰদলৈ, ৰাতিৰাম বড়ো, গোবিন দাসকে আদি কৰি কেবাজনো হিতাধিকাৰীক মন্ত্ৰী পীযুষ হাজৰিকাই আনুষ্ঠানিক ভাৱে ভূমি আৱণ্টন-পত্ৰ বিতৰণ কৰে। আজিৰ অনুষ্ঠানত জিলা খনৰ অতিৰিক্ত উপায়ুক্ত অজিত কুমাৰ শৰ্মা, মায়ং ৰাজহ চক্ৰৰ চক্ৰ বিষয়া দীপ্তি মৰাণ প্ৰমুখ্যে বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু হিতাধিকাৰী ৰাইজ উপস্থিত থাকে।

## দিকৰাই চাহ বাগিচাৰ ৰিচালক সীমান্ত বৰদলৈক সম্বৰ্ধনা



**দৈনন্দিন বাৰ্তাৰ সেৱা, ইটাখোলা, ২৮ জানুৱাৰী ঃ** বিশ্বনাথ জিলাৰ ইটাখোলাস্থিত মেকলিন-মেগৰৰ দিকৰাই চাহ বাগিচাত ২০১৬ চনৰ নৱেম্বৰ মাহত পৰিচালক হিচাপে যোগদান কৰি সীমান্ত বৰদলৈয়ে সুদীৰ্ঘ চাৰিটা বছৰ কাল বাগিচাখনৰ উন্নয়নৰ লগতে পিছপৰা অঞ্চলটোৰ সামসজিক ক্ষেত্ৰখনত বিশেষ বৰঙনি আগবঢ়ায়। বাগিচাখনত বৰদলৈয়ে যোগদান কৰাৰ পিছত সেই সময়ত বাগিচাখনৰ অৱস্থা সূচনীয় আছিল। বাগিচাখনত পৰিচালক গৰাকী নিপুন আৰু কৰ্মদক্ষ সহ-পৰিচালক কুলদীপ বৰাৰ সহযোগত বাগিচাখন সু-পৰিচালনাৰে পুনৰ পূৰ্বৰ অৱস্থালৈ ঘূৰাই আনিবলৈ সক্ষম হয়। এই দুইগৰাকী পৰিচালক আৰু সহঃ পৰিচালকৰ প্ৰচেষ্টাত কোম্পানীটোৱে ২০১৯ বৰ্ষৰ পৰাই উৎপাদিত উন্নত মানৰ চাহ পাতে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰ দখল কৰি অধিক দৰত নিলাম কৰিবলৈ সক্ষম হয়। কোম্পানীটোৰ উৰ্ধতন কৰ্তৃপক্ষই দুয়োগৰাকী পৰিচালকৰ কৰ্মদক্ষতাত সন্তুষ্ট হৈ বাগিচাখনৰ সহঃ পৰিচালক কুলদীপ বৰাক কোম্পানীটোৰ বিহালীস্থিত চাহ বাগিচাৰ পৰিচালক হিচাপে পদোন্নতি কৰি বদলি কৰে যদিও পুনৰ তেওঁক দিকৰাই চাহ বাগিচাৰ পৰিচালক হিচাপে দ্বায়িত্বভাৰ অৰ্পণ কৰে আৰু বৰ্তমানৰ মুখ্য পৰিচালক সীমান্ত বৰদলৈক কোম্পানীটোৰ উপদেষ্টা হিচাপে পদোন্নতি কৰি বিশ্বনাথ জিলাখনৰ অন্তৰ্গত আটাইকেইটা চাহ বাগিচাৰ মুখ্য কাৰ্যালয়লৈ প্ৰেৰণ কৰে। দিকৰাই চাহ বাগিচাত পৰিচালক বৰদলৈয়ে তেখেতৰ কাৰ্যকালত বাগিচাখনৰ প্ৰশাসনিক দিশত তৎপৰতাৰে দায়িত্ব পালন কৰাৰ লগতে বাগিচাঞ্চলৰ ছাত্ৰ-ছত্ৰীৰ শৈক্ষিক উন্নয়নৰ ক্ষেত্ৰত কোম্পানীটোৰ সহযোগত দুখীয়া ছাত্ৰ-ছাত্ৰীক প্ৰতিবছৰে কিতাপ-পত্ৰ প্ৰদান কৰাৰ উপৰিও আৰ্থিক ভাৱে সহায় কৰি আহিছে। ইয়াৰ উপৰি পৰিচালক গৰাকীয়ে দিকৰাই অঞ্চলৰ এক মাত্ৰ উচ্চ শিক্ষানুষ্ঠান দিকৰাই উচ্চতৰ মাধ্যমিক বিদ্যালয় খনত কোম্পানীটোৰ জৰিয়তে আৰ্থিক পুজি আগবঢ়োৱাৰ লগতে সাম্প্ৰতিক কভিড-১৯ ৰ মহামাৰী কালত অঞ্চলটোৰ শিক্ষানুষ্ঠানসমূহত নিজাববীয়াকৈ সহায়ৰ হাত আগবঢ়ায়। পৰিচালকগৰাকী পদোন্নতি হৈ স্থানান্তৰ হ'বলৈ ওলোৱা পৰিচালকগৰাকীক দিকৰাই চাহ বাগিচাৰ শ্ৰমিক বিনোদন ভৱন প্ৰাংগণত অনুষ্ঠিত বিদায় সম্বৰ্ধনা অনুষ্ঠানত স্থানীয় চাহ শ্ৰমিক ৰাইজে গামোচা, শৰাই আৰু সম্বৰ্ধনা-পত্ৰ প্ৰদান কৰে। বিদায় সম্বৰ্ধনা সভাত উপস্থিত বাগিচাখনৰ কৰ্মচাৰীসকলে পৰিচালক বৰদলৈৰ চাৰি বছৰীয়া কাৰ্যকালৰ স্মৃতি ৰোমন্থন কৰে। এক গাম্ভীৰ্যপূৰ্ণ সভাত চতিয়া আঞ্চলিক পঞ্চায়ত সভাপতি তথা যুৱ নেতা লক্ষীকান্ত বৰাই সভাৰ সভাপতি আসন অলংকৃত কৰি ভাষণ প্ৰসংগত পৰিচালকগৰাকীৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰাৰ লগতে বাগিচাখনত পৰিচালকগৰাকীৰ কৰ্মৰাজিৰ স্মৃতি ৰোমন্থন কৰে। একেদৰে পৰিচালকগৰাকীৰ বিদায় সম্বৰ্ধনা সভাত বিশেষভাৱে উপস্থিত থাকি নদুৱাৰ শাখা আটছাৰ সভাপতি আনন্দ তাছাই অসমৰ বৃহত্ত্বৰ চাহ উদ্যোগৰ চাহ বাগিচাসমূহত নিয়োজিত পৰিচালকসকলৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ বুলি কোৱাৰ লগতে সদ্য বিদায়ী পৰিচালকগৰাকীৰ দীৰ্ঘায়ু আৰু সুস্বাস্থ্য কামনা কৰে। সভাত বাগিচাখনৰ পৰিচালক কশ্যলৰ বৰা, ৰিকি থামৰ লগতে বিশ্বনাথ জিলা আটছাৰ সহকাৰী সম্পাদক বিনোদ তাছা, নদুৱাৰ শাখা আটছাৰ সহকাৰী সম্পাদক ৰাধেশ্যাম তাঁতী আৰু যতীন তাছাসহ বহু কেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## গণৰাজ্য দিৱসত ১৬গৰাকী অৱসৰপ্ৰাপ্ত শ্ৰমিক-কৰ্মচাৰীক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাহমৰা, ২৮ জানুৱাৰী ঃ** দেশৰ ৭২সংখ্যক গণৰাজ্য দিৱস ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে মৰাণ চাহ বাগিচাৰ সুধাকণ্ঠ সমন্বয় ক্ষেত্ৰত উদ্‌যাপন কৰা হয়। অঞ্চলটোৰ অন্যতম সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠান 'আৱিষ্কাৰ'ৰ সৌজন্যত আয়োজিত এই অনুষ্ঠানত মৰাণ চাহ বাগিচাৰ পৰা ডিচেম্বৰ মাহত অৱসৰ গ্ৰহণ কৰা ১৬গৰাকী শ্ৰমিক-কৰ্মচাৰীক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা জনোৱা শ্ৰমিক কৰ্মচাৰীসকল হ'ল ক্ৰমে মতিউৰ ৰহমান, মংগল চাউৰা, সদাগৰ গোঁছাই, ৰেৱতী তাঁতী, চখিলা তাঁতী, আনন্দ তাঁতী, লক্ষণ ভূমিজ, কমলা গোৱালা, ৰমনী কৰ্মকাৰ, ভাৰতী তাঁতী, কমিলা তাঁতী, মহেন্দ্ৰ তাঁতী, দীপক তাঁতী, মনো ভূএঞা, মায়া বেদিয়া আৰু বীণা ভূমিজ। ইয়াৰ পূৰ্বে জাতিৰ পিতা মহাত্মা গান্ধীৰ প্ৰতিচ্ছবিত বন্তিপ্ৰজ্বলন আৰু মাল্যাৰ্পন কৰে অঞ্চলটোৰ স্থানীয় সমাজকৰ্মী মঃ জাৰছা হুছেইনে। সুধাকণ্ঠৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে বাগিচাখনৰ মুখ্য চিকিৎসক জৰ্জ বাস্কো ধানে। 'আৱিষ্কাৰ'ৰ মুখ্য উদ্যোক্তা তথা গণৰাজ্য দিৱসৰ আয়োজক সমিতিৰ অন্যতম আহ্বায়ক শ্ৰমিক নেতা লক্ষেশ্বৰ তাঁতীয়ে আঁত ধৰা অনুষ্ঠানটোত পতাকা উত্তোলন কৰে মৰাণ চাহ বাগিচাৰ মুখ্য পৰিচালক সুব্ৰত শিকদাৰে। ইয়াৰ পিছতে স্থানীয় নুৰ আদৰ্শ শিশু নিকেতনৰ ছাত্ৰ-ছাত্ৰীসকলে ৰাষ্ট্ৰীয় সংগীত আৰু দেশভক্তিমূলক গীত পৰিৱেশন কৰে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে মৰাণ চাহ বাগিচাৰ মুখ্য পৰিচালক সুব্ৰত শিকদাৰ, জাৰছা হুছেইন, জৰ্জ বাস্কো ধান, মঃ কমৰুদ্দিম আহমেদ, ৰামৰাজ শৰ্মা, মোহিনী মোহন লিগিৰা, লক্ষেশ্বৰ তাঁতী, মণ্টু বাঢ়ে, বিমান দাস আৰু কৈলাস কৰ্মকাৰ।

## আক্ৰাম হুছেইন শিকদাৰলৈ এইচআৰডি ছেৰিটেবল ট্ৰাষ্টৰ 'বিশেষ বঁটা-২০২১'

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰামপুৰ, ২৮ জানুৱাৰী ঃ** বিশিষ্ট কবি, সাংবাদিক, সমালোচক তথা প্ৰতিপল সংবাদৰ মুখ্য সম্পাদক আক্ৰাম হুছেইন শিকদাৰলৈ এইচ আৰ ডি ছেৰিটেবল ট্ৰাষ্টে 'বিশেষ বঁটা-২০২১' প্ৰদান কৰিছে। বহৰিস্থিত বৰলুইত কনিষ্ঠ মহাবিদ্যালয়ত গণতন্ত্ৰ দিবসৰ দিনা এইচ আৰ ডি ছেৰিটেবল ট্ৰাষ্টৰ উদ্যোগত ২য় বৰ্ষপূৰ্তি উপলক্ষে বঁটা প্ৰদান অনুষ্ঠান-২০২১ আৰু কবি সন্মিলন অনুষ্ঠিত হৈ যায়। উক্ত অনুষ্ঠানতে কবিগৰাকীক এই বঁটা প্ৰদান কৰে এইচ আৰ ডি ছেৰিটেবল ট্ৰাষ্টে। অধ্যাপক আবুল কালাম তালুকদাৰৰ সভাপতিত্বত অনুষ্ঠিত উক্ত সভাতেই বিশিষ্ট সমাজ সেৱিকা তথা বিশিষ্ট লেখিকা শিখা শৰ্মালৈ 'বৰ্ষ শ্ৰেষ্ঠ লেখিকা বঁটা-২০২১', বৰপেটা জিলাৰ প্ৰাক্তন উপায়ুক্ত থানেশ্বৰ মালাকাৰলৈ 'বৰ্ষ শ্ৰেষ্ঠ সাহিত্যিক বঁটা-২০২১', মাইনুল হক চৌধুৰীলৈ 'আদৰ্শ শিক্ষক বঁটা-২০২১', বিশিষ্ট লেখক তথা অৱসৰী শিক্ষক ফায়েজুৰ ৰহমানলৈ 'আদৰ্শ শিক্ষক বঁটা-২০২১', কবি-লেখক-প্ৰবন্ধকাৰ আলাউদ্দিন আল আমিনলৈ 'বিশেষ বঁটা-২০২১', কবি এন হক জানলৈ 'বিশেষ বঁটা-২০২১'কে আদি কৰি প্ৰায় ৫০ গৰাকীকৈ কবি, সাহিত্যিক, সমাজ সেৱকক বিভিন্ন বঁটাৰে ভূষিত কৰে। নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ লাৰকুছি গাঁও নিবাসী কবি আক্ৰাম হুছেইন শিকদাৰে ইতিপূৰ্বে তেওঁৰ কাব্য সংকলন 'কঁহুৱা বনৰ আজলী গাভৰু'ৰ বাবে অসম কবি সন্মিলনে দিয়া 'দ্বিতীয় শ্ৰেষ্ঠ কবিতা পুথিৰ বঁটা' আৰু দুৰ্নীতিৰ দৰ্পণ সংবাদ গোষ্ঠীয়ে দিয়া 'দিলীপ কুমাৰ চক্ৰৱৰ্তী সোঁৱৰণী বঁটা' লাভ কৰিবলৈও সক্ষম হৈছে। এইচ আৰ ডি ছেৰিটেবল ট্ৰাষ্টৰ এনে প্ৰশংসনীয় তথা সৃষ্টিশীল পদক্ষেপৰ বাবে ট্ৰাষ্টৰ প্ৰতি আন্তৰিকতাৰে শলাগ লৈছে কবিগৰাকীয়ে।



## ঘাচিলাল ভিলৱাৰীয়াৰ মৃত্যুত শোক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধনশিৰি, ২৮ জানুৱাৰী ঃ** ধনশিৰি মহকুমাৰ সৰুপথাৰৰ বিশিষ্ট ব্যৱসায়ী তথা বিজেপি নেতা দীনেশ ভিলৱাৰীয়াৰ পিতৃ ঘাচিলাল ভিলৱাৰীয়াৰ (৮৩) বাৰ্ধক্যজনিত কাৰণত ২৬ জানুৱাৰীৰ নিশা প্ৰায় ১১.৩০ বজাত নিজা বাসগৃহত পৰলোকপ্ৰাপ্তি ঘটে। অঞ্চলটোৰ বিভিন্ন সামাজিক আৰু ধৰ্মীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত ব্যৱসায়ী ঘাচিলাল ভিলৱাৰীয়াৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে। প্ৰতিষ্ঠিত ব্যৱসায়ীজনৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে অঞ্চলটোৰ ভিন্ন প্ৰান্তৰ লোকে ভৰি পৰিছেহি প্ৰয়াত ভিলৱাৰীয়াৰ সৰুপথাৰৰ নগৰৰ ৪ নং বাৰ্ডস্থিত তেওঁৰ বাসগৃহত। প্ৰয়াত ব্যৱসায়ী ভিলৱাৰীয়াই সৰুপথাৰত ব্যৱসায় কৰাৰ লগতে অঞ্চলটোৰ বিভিন্ন শৈক্ষিক, সামাজিক, ধৰ্মীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতো ওতপ্ৰোতভাৱে জড়িত হৈ অঞ্চলটোৰ বাবে অৱদান দি গৈছে। সৰুপথাৰ ছেম্বৰ অৱ কমাৰ্চৰ সম্পাদকৰ দায়িত্ব পালন কৰা ব্যৱসায়ী ঘাচিলাল ভিলৱাৰীয়াই প্ৰায় ২০ বছৰ দিন একেৰাহে সৰুপথাৰৰ হনুমান মন্দিৰ পৰিচালনা সমিতিৰ সম্পাদক দায়িত্বও নিষ্ঠাৰে পালন কৰিছিল। সামাজিক দায়বদ্ধতাৰ পৰিচয় দাঙি ধৰা প্ৰয়াত ভিলৱাৰীয়াই ধনশিৰি মহকুমাৰ উচ্চ শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান সৰুপথাৰ মহাবিদ্যালয়ৰ কমাৰ্চ শাখাৰ বাবে এটি কোঠা নিৰ্মাণ কৰি দি মহানুভৱতাৰ পৰিচয়ৰ দাঙি ধৰি গৈছে। সৰুপথাৰ টাউন নিম্ন বুনিয়াদী বিদ্যালয়ৰ পৰিচালনা সমিতিৰ লগতো ওতপ্ৰোতভাৱে জড়িত ব্যৱসায়ী ভিলৱাৰীয়াই মৃত্যুৰ সময়ত পত্নী শকুন্তলা দেৱীসহ ৫ পুত্ৰ, বোৱাৰী, ৩ গৰাকী কন্যাসহ অগণন গুণমুগ্ধক ইহ সংসাৰত এৰি থৈ যায়। তেখেতৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰাৰ লগতে বিশিষ্ট বিজেপি নেতা তথা অসম কোঅপাৰেটিভ এপেক্স বেংকৰ অধ্যক্ষ বিশ্বজিৎ ফুকন, বোকাজানৰ বিধায়ক ডাঃ নোমল মুমিন, গোলাঘাট জিলা সাংবাদিক সংস্থাৰ সাধাৰণ সম্পাদক দ্বিপেন কুমাৰ বৰা, ধনশিৰি মহকুমা সাংবাদিক সংস্থাৰ সভাপতি মাখমুদ আলীসহ বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিয়ে গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে। আনহাতে, অখিল ভাৰতীয় মাৰোৱাৰী মহিলা সন্মিলন সৰুপথাৰ শাখা সমিতিৰ লগতে সৰুপথাৰ হনুমান মন্দিৰ পৰিচালনা সমিতিয়েও ব্যৱসায়ীজনৰ মৃত্যুত শোক প্ৰকাশ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

## দেৰগাঁৱত ভয়ংকৰ ঘটনা

## আৰক্ষীৰ গুলীত গুৰুতৰভাৱে আহত বৃদ্ধা মহিলা

**দৈনন্দিন বাৰ্তাৰ সেৱা, দেৰগাঁও, ২৮ জানুৱাৰী ঃ** দেৰগাঁৱৰ কাকডোঙ্গৰ মাজিউকুছি কৈৱৰ্ত গাঁৱত আৰক্ষীৰ গুলীত বৃদ্ধা আহত হোৱাৰ দৰে এক ভয়াৱহ ঘটনা সংঘটিত হৈছে। আৰক্ষীৰ অতৰ্কিত গুলী চালনাত গুলীবৃদ্ধ হয় বিবি দাস নামৰ এগৰাকী বৃদ্ধা। জানিব পৰা মতে নিশা বিবি দাসৰ ঘৰলৈ আৰক্ষীৰ দলটোৱে আছমী বিছাৰি গৈছিল। তাৰ পিছতেই সংঘটিত হয় গুলীচালনাৰ ঘটনা। দেৰগাঁৱৰ চোমনি আৰক্ষী চকীৰ নেতৃত্বত চলা এই অভিযানত কিয় আৰক্ষীয়ে গুলীচালনা কৰিব লগা হ'ল সেয়া এই বাতৰি লিখাৰ সময়লৈকে পোহৰলৈ অহা নাই। বৃদ্ধাগৰাকী গুলীবৃদ্ধ হোৱাৰ পিছত আৰক্ষীৰ দলে সমান্যতম চিকিৎসা কৰি পুৰা ঘৰত থৈ যায় বুলি জানিব পৰা গৈছে। আৰক্ষীৰ এই অভিযানৰ সময়ত আন কেইবাগৰাকী মহিলাকো আৰক্ষীয়ে প্ৰহাৰ কৰাৰ লগতে ঘৰৰ ফ্ৰিজ, চকী, আলনা আদি ভঙ্গাৰো অভিযোগ উঠিছে। আটাইতকৈ ভয়ানক কথা এয়ে যে মহিলা আৰক্ষী উপস্থিত নথকাকৈয়ে পুৰুষ আৰক্ষীয়ে এইবৰ্বৰতা চলোৱাৰ অভিযোগ উঠিছে। গুলীবৃদ্ধ বৃদ্ধা গৰাকীৰ অৱস্থা সংকটজনক বুলি জানিব পৰা গৈছে।

## ভূপেন হাজৰিকা ক্ষেত্ৰক নতুন ৰূপ দিয়াৰ প্ৰয়াস বিহালীত



**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ২৮ জানুৱাৰী ঃ** যিটো সময়ত ৰাজ্যখনত দুষ্কৃতিকাৰীৰ কবলত পৰি গছ-গছনি কাটি বিভিন্ন ঠাইৰ লগতে বিহালী বনাঞ্চলো ধ্বংসৰ গৰাহত পৰা দেখা গৈছে সেই একেটা সময়তে ৭২সংখ্যক গণৰাজ্য দিৱসৰ দিনাই বিহালীৰ একাংশ যুৱক সংকল্পবদ্ধ হ'ল বিহালীক চিৰ সেউজীয়া কৰাৰ এক নতুন প্ৰয়াস। বিহালী ৰাংছালী গাঁৱৰ এগৰাকী দূৰদৰ্শী যুৱকৰ চিন্তাৰে পূব বিহালী অঞ্চলৰ বাবে এটা ঐতিহাসিক পদক্ষেপ গ্ৰহণ কৰা হ'ল সেই দিনটোতে। বেদেতী চেণ্টাৰৰ পৰা বৰালিমৰা, বেঙাবাৰী, জামুৰনী, ৰাংছালী হৈ মহাবাহু ব্ৰহ্মপুত্ৰলৈকে নিৰ্মীয়মাণ হৈ থকা পথত পথৰ দুয়োকাষে গছপুলি ৰোপণ কৰাৰ নিমিত্তে আলোচনা কৰিবলৈ দিগন্ত দাসে ফেচবুক আৰু হোৱাট্‌ছএপ গ্ৰুপযোগে জনোৱা আহ্বান অনুসৰি বৰালিমৰাৰ ড° ভূপেন হাজৰিকা ক্ষেত্ৰত অনুষ্ঠিত হোৱা সভাত পৰিকল্পনা ৰচনা কৰিবৰ বাবে গঠন কৰা হ'ল ১১জনীয়া এখন আহ্বায়ক সমিতি। এই মহান উদ্দেশ্যৰ আলোচনা সভাত অংশ লয় শিক্ষক তথা বিশিষ্ট চাহ খেতিয়ক গজেন শৰ্মা, কবি তথা ৰেচম বিভাগৰ বিষয়া সঞ্জীৱ বৰুৱা, নৃপেন বৰা, বৰালিমৰা গাঁও পঞ্চায়তৰ সভাপতি লাচিত বৰা, বিহালী ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ সভাপতি ৰাতুল দাস, শিক্ষক ভৰেন বৰা, সচেতক যুৱক পৱন বৰা, দীপজ্যোতি বৰা, প্ৰদীপ খনাল আদিয়ে। এই সভাত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বেদেতী-ৰাংছালী পথৰ দুয়োকাষে নাহৰ তথা অন্যান্য মূল্যৱান গছপুলি ৰোপণ কৰি সৌন্দৰ্য বৃদ্ধি কৰাৰ লগতে প্ৰকৃতিক প্ৰদূষণমুক্ত কৰাৰ প্ৰয়াস কৰিব। লগতে আহ্বায়ক সমিতিৰ উদ্যোগত কমদিনৰ ভিতৰতে এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। অনুষ্ঠিত হ'ব লগা ৰাজহুৱা সভাত বিহালীৰ কেইবাটাও অঞ্চলক সামৰি সচেতন তথা প্ৰকৃতিপ্ৰেমী ৰাইজৰ লগতে প্ৰকৃতিপ্ৰেমী অনুষ্ঠান আৰু জাতীয় সংগঠনক আমন্ত্ৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

## যোৰহাটৰ সাৰথি বৃদ্ধাশ্ৰমত লখিমী কবিৰ ওপজা দিন পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, দক্ষিণ যোৰহাট, ২৮ জানুৱাৰী ঃ** মাতৃস্বৰূপাৰ আশীৰ্বাদ শিৰত লৈ লখিমী কবি থানেশ্বৰ বৰাই ২৩ জানুৱাৰীত যোৰহাটৰ লিচুবাৰী সাৰথি বৃদ্ধাশ্ৰমত ৭১তম্ ওপজা দিন পালনেৰে ধন্য হয়। ষ্টুডেণ্ট হেল্পলাইনৰ উদ্যোগত আয়োজিত অনুষ্ঠানত বহু গুণমুগ্ধই অসমীয়াৰ মান চেলেং, গামোচা আৰু লেখকৰ সন্মান ৰাখি গ্ৰন্থৰে শুভেচ্ছা জনায়। উল্লেখ্য, লখিমী কবিয়ে কোনো উপহাৰ গ্ৰহণ নকৰে। ওপজা দিন উপলক্ষে শিশুৰ চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। বৃদ্ধাশ্ৰমত মল্লিকা ৰহমানে এখন চিত্ৰাংকন বিদ্যালয় প্ৰতিষ্ঠা কৰিবলৈ আগবঢ়োৱা প্ৰস্তাৱক সমৰ্থন জনাই কেইবাগৰাকীও ব্যক্তিয়ে সাধ্য অনুসৰি আৰ্থিক অনুদান দিয়ে। কবিতা, গীত পৰিৱেশনৰ উপৰি লখিমী কবিৰ অনুগামী লক্ষ্য চাং গগৈৰ 'আকাশত নিৰলে এটি তৰাফুল ফুলে' উপন্যাস উন্মোচন কৰে। কবিগৰাকীয়ে জন্ম দিয়া প্ৰাকৃতিক সংস্থা 'নিমপুলি' আৰু আত্মপ্ৰকাশ দৰ্শন, উজনি অসম মুছলিম কল্যাণ পৰিষদ, মালৌপথাৰ জাতীয় বিদ্যালয়ৰ লগতে বিভিন্ন অনুষ্ঠানৰ বিষয়ববীয়া উপস্থিত থাকে। সাৰথিৰ বৃদ্ধাসকলৰ জীৱনকেন্দ্ৰিক গীতে সকলোৰে অন্তৰ দহি যায়। মাজুলী দক্ষিণপাট সত্ৰ আৰু যোৰহাট অনাতাঁৰ কেন্দ্ৰলৈ ঔষধি গুণসম্পন্ন 'নিমপুলি' আগবঢ়ায়।



## মাজুলীৰ ভূমিহীনক ভূমিৰ অধিকাৰ প্ৰদানত অগ্ৰাধিকাৰ ৰাজ্য চৰকাৰৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ২৮ জানুৱাৰী ঃ** ৰাজ্যৰ খিলঞ্জীয়া ভূমিহীন পৰিয়ালসমূহক ভূমিৰ অধিকাৰ প্ৰদানৰ বাবে অসম চৰকাৰে নতুন ভূমি নীতিৰ জৰিয়তে গ্ৰহণ কৰা বিশেষ পদক্ষেপৰ অংশ হিচাপে মাজুলী জিলাতো ভূমিপট্টা আৰু ভূমি আৱণ্টন-পত্ৰ প্ৰদানৰ ব্যৱস্থা খৰতকীয়া কৰা হৈছে। জিলাখনৰ ভূমিহীন পৰিয়ালসমূহক তেওঁলোকে বছৰ বছৰ ধৰি ঘৰ-বাৰী সাজি, খেতি-বাতি কৰি ভোগ-দখল কৰি অহা মাটিৰ আৱণ্টন প্ৰদানৰ বাবে মাজুলী জিলা প্ৰশাসনৰ তত্ত্বাৱধানত জিলাখনৰ ৰাজহ বিভাগে ২০১৮-১৯, ২০১৯-২০ আৰু ২০২০-২১ বৰ্ষত ফলপ্ৰসূ কাৰ্যব্যৱস্থা গ্ৰহণ কৰিছে। জিলাখনত ভূমিৰ অধিকাৰৰ পৰা বঞ্চিত হৈ দশক দশক ধৰি অসুবিধাৰ সন্মুখীন হৈ অহা পৰিয়ালসমূহক উপকৃত কৰাকৈ মুখ্যমন্ত্ৰী তথা মাজুলীৰ বিধায়ক সৰ্বানন্দ সোণোৱালৰ নিৰ্দেশত জিলা প্ৰশাসনে বিগত তিনিটা বৰ্ষত মাজুলীত এনে ভূমিহীন পৰিয়ালৰ মাজত ভূমিপট্টা তথা আৱণ্টন পত্ৰ বিতৰণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। ৰাজহ বিভাগে ইতিমধ্যে ২০১৮-১৯ বৰ্ষৰ পৰা এইপৰ্যন্ত তিনি বছৰতে জিলাখনৰ মুঠ ৮১২৪ টা ভূমিহীন পৰিয়ালক ভূমিৰ অধিকাৰ প্ৰদান কৰিবলৈ সক্ষম হৈছে। ইয়াৰে ১,৫২৭ টা পৰিয়ালক ভূমি পট্টা আৰু ৬,৫৯৭টা পৰিয়ালক ভূমি আৱণ্টন পত্ৰ প্ৰদান কৰা হৈছে। জিলাখনৰ ৰাজহ বিভাগে ২০১৮-১৯ বৰ্ষত ১,৩২৭ টা ভূমিহীন পৰিয়ালক মুঠ ৯৮৬ বিঘা দুকঠা ১১ লেচা ভূমিৰ আৱণ্টন পত্ৰ বিতৰণ কৰাৰ পাছত অসম চৰকাৰৰ নতুন ভূমিনীতিৰ আধাৰত ২০১৯-২০ আৰু ২০২০-২১ বৰ্ষত মুঠ ৫,২৭০ টা ভূমিহীন পৰিয়ালক সৰ্বমুঠ ৫,৬৩৪ বিঘা ৩ কঠা ৮ লেচা মাটিৰ আৱণ্টন পত্ৰ আৰু ১,৫২৭ টা পৰিয়ালক ৩,৬৫২ বিঘা ১৯ লেচা মাটিৰ পট্টা প্ৰদান কৰিছে। ইয়াৰে ১,৬৯২টা ভূমিহীন পৰিয়ালক ২০১৯-২০ বৰ্ষত আৰু ৩,৫৭৮ টা ভূমিহীন পৰিয়ালক চলিত ২০২০-২১ বৰ্ষত এতিয়ালৈকে ভূমি আৱণ্টন পত্ৰ বিতৰণ কৰি জিলাখনৰ ৰাজহ বিভাগে মাজুলী জিলাক অসম চৰকাৰৰ নতুন ভূমি-নীতিৰ আধাৰত খিলঞ্জীয়া ভূমিহীন পৰিয়ালক ভূমিৰ অধিকাৰ প্ৰদানত ৰাজ্যৰ অন্যতম সফল জিলা হিচাপে ইতিমধ্যে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। তদুপৰি, অহা ১৫ ফেব্ৰুৱাৰীৰ ভিতৰতে জিলাখনৰ আন ৭,০০০টা ভূমিহীন পৰিয়ালৰ মাজতো ভূমি পট্টা আৰু আৱণ্টন পত্ৰ বিতৰণ কৰিবলৈ ইতিমধ্যে মাজুলী আৰু উজনি মাজুলী ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। এই পৰিসংখ্যাৰ সৈতে ২০১৮-১৯ বৰ্ষত মাজুলী ৰাজহ চক্ৰই ভূমি আৱণ্টন পত্ৰ প্ৰদান কৰা ১,৩২৭টা পৰিয়ালকো ধৰিলে বিগত তিনিটা বৰ্ষত নদীদ্বীপ জিলাখনত ভূমিৰ অধিকাৰ লাভ কৰা মুঠ পৰিয়ালৰ সংখ্যা ১৫,১২৪টা হ'ব। দশক দশক ধৰি নিজৰ ভোগ-দখলত থকা ভূমিৰ কোনো চৰকাৰী নথি লাভ নকৰাৰ বাবে নদীদ্বীপটোৰ গৰিষ্ঠসংখ্যক জনসাধাৰণে যথেষ্ট সমস্যাৰ সন্মুখীন হৈ আহিব লগা হোৱাৰ দিশটো অনুধাৱন কৰি মাজুলীৰ বিধায়ক তথা ৰাজ্যৰ মুখ্যমন্ত্ৰী সোণোৱালে মাজুলীবাসীৰ এই সমস্যা সমাধানৰ বাবে ক্ষিপ্ৰতাৰে কাৰ্যব্যৱস্থা গ্ৰহণৰ বাবে ২০১৭ বৰ্ষতে জিলা প্ৰশাসনৰ লগতে ৰাজহ বিভাগক নিৰ্দেশ দিছিল। মুখ্যমন্ত্ৰী গৰাকীৰ এনে উদ্যোগৰ বাবেই ২০১৮-১৯ বৰ্ষৰ পৰা মাজুলীত ভূমিহীন পৰিয়ালসমূহে ক্ষিপ্ৰতাৰে ভূমিৰ অধিকাৰ লাভ কৰাৰ পথ প্ৰশস্ত হয়। আনহাতে, আঁহতগুৰি আৰু দক্ষিণ আঁহতগুৰিকে ধৰি মাজুলীৰ ইতিপূৰ্বে ভূমি জৰীপ নোহোৱাকৈ থকা এলেকাসমূহত কেইবা দশকৰ মূৰত শেহতীয়াকৈ ভূমি জৰীপৰ ব্যৱস্থা কৰা হৈছে। মুখ্যমন্ত্ৰীৰ বিশেষ আগ্ৰহতে ২০১৯ চনৰ মাজভাগৰ পৰা ৰাজ্যৰ ৰাজহ আৰু দুৰ্যোগ প্ৰশমন বিভাগে মাজুলী জিলা প্ৰশাসনৰ সহযোগত এই ভূমি জৰীপৰ বাবে প্ৰয়োজনীয় কাৰ্যব্যৱস্থা গ্ৰহণ কৰিছে। ইতিমধ্যে মাজুলী জিলা প্ৰশাসনৰ সহযোগত অসম চৰকাৰৰ ভূমিলেক্ষ্য আৰু জৰীপ সঞ্চালকালয়ে জিলাখনৰ ২৩খন ন'ন-কেডেষ্ট্ৰেল (এনচি) গাঁৱৰ ২১খনতে ভূমি-জৰীপৰ মূল পক্ৰিয়া বহিঃ জৰীপ (এ'টাৰ্নেল ছাৰ্ভে) সম্পূৰ্ণ কৰি বৰ্তমান চূড়ান্ত পৰ্যায়ৰ আন্তঃ জৰীপ (ইণ্টাৰ্নেল ছাৰ্ভে) কাৰ্য অব্যাহত ৰাখিছে। ইতিমধ্যে ইয়াৰে ছখন গাঁও (ভকতচাপৰি, কুলামুৱা, বেদাং চাপৰি, পুনিয়া, ধনাই চাপৰি আৰু বনৰীয়া চাপৰি)ত এই আন্তঃ জৰীপকাৰ্য সম্পূৰ্ণ কৰিছে গুৱাহাটীৰ পৰা আহি মাজুলীত বাহৰ পাতি থকা ভূমিলেক্ষ আৰু জৰীপ সঞ্চালকালয়ৰ জৰীপকাৰ্য চলাইছে। এই ভূমি জৰীপৰ পাছতে মাজুলীৰ আঁহতগুৰি আৰু দক্ষিণ আঁহতগুৰিসহ ন'ন-কেডেষ্ট্ৰেল গাঁওসমূহ চৰকাৰীভাৱে ৰাজহ গাঁও হিচাপে স্বীকৃত হোৱাৰ লগতে এই এলেকাসমূহত বাস কৰা জনসাধাৰণকো নিজৰ ভোগ-দখলত থকা ভূমিৰ অধিকাৰ প্ৰদানৰ পথো প্ৰশস্ত হৈ উঠিব।

# বন বিভাগৰ ছত্ৰছায়াত নগৰবেৰাৰ বদলা পথাৰ কলহী নদীত চলিছে অবৈধ বালি খনন

## বালি মাফিয়াৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ২৮ জানুৱাৰী ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ নগৰবেৰা নদী সংৰক্ষিত বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত বদলা টিয়াপাৰাত অহৰ্নিশে বালি খনন কাৰ্য চলাত ৰাইজ বালি মাফিয়াৰ ওপৰত ক্ষুণ্ণ হৈ পৰিছে। অভিযোগ মতে, কলহী নদীৰ পৰা দিনে-নিশাই বালি মাফিয়াই বালি খনন চলোৱাত গাঁওবাসী আতংকিত হৈ পৰিছে। কলহী নদীত বাংলাদেশী মেচিন বহুৱাই অবৈধভাৱে একাংশ বালি মাফিয়াই খনন কাৰ্য চলোৱাৰ পিছতো নগৰবেৰা নদী সংৰক্ষিত বনাঞ্চলিক বিষয়াই ৰহস্যজনকভাৱে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰাত ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এটা-দুটা নহয়, কলহী নদীত প্ৰায় ৮/১০টা মেচিন বহুৱাই অহৰ্নিশে বালি খননকাৰ্য চলাই গৈছে বালি মাফিয়াই। অভিযোগ মতে, দুই-তিনি বছৰ ধৰি ডেকাচাং, জাওকাটাত বালি উঠোৱাৰ পিছত শেহতীয়াকৈ বদলা টিয়াপাৰাত নতুনকৈ বহুওৱা হৈছে এনে অবৈধ মেচিন। গাঁওখনৰ একাংশ পৰিয়ালে এনে অবৈধ বালি খনন বন্ধ কৰিবলৈ বালি মাফিয়াক অনুৰোধ কৰা সত্ত্বেও ন্যূনতম গুৰুত্ব নিদিয়াৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। কলহী নদীৰ ভূ-গৰ্ভৰ পৰা অহৰ্নিশে বালি উঠোৱাত নদীৰ পাৰ এফালৰ পৰা খহি পৰাৰ পিছতো বন বিভাগে বিষয়টো গুৰুত্বসহকাৰে নোলোৱাত ঘৰ-দুৱাৰৰ প্ৰতি ভাবুকি অহাত ৰাইজ আতংকিত হৈ পৰিছে। এনে খনন কাৰ্য চলোৱাৰ ফলত ইতিমধ্যে ঈদগাহৰ ভূমি খহি পৰাৰ লগতে বৃহৎ কৃষি ভূমি নষ্ট হোৱাত ৰাইজ জাবুৰ খাই উঠিছে। ইপিনে কলহী নদীৰ জীৱ কুলৰ প্ৰতিও ভাবুকি নামি অহা পৰিলক্ষিত হৈছে। কলহী নদীত অবৈধ বালি খনন কাৰ্যত ছামাদ আলী, আকবৰ আলী আৰু মনোৱাৰ হুছেইন নামৰ ব্যক্তিকেইজন জড়িত হৈ থকাৰ গুৰুতৰ অভিযোগ উঠিছে। কলহী নদীৰ পৰা উঠোৱা প্ৰতি ট্ৰেক্টৰ বালি ৫০০ টকাকৈ বিক্ৰী কৰিছে বালি মাফিয়াই। এনে অবৈধ বালি খননৰ বিৰুদ্ধে নগৰবেৰাৰ বন বিষয়াক লিখিত অভিযোগ দিয়াৰ পিছতো ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে। বন বিভাগৰ ছত্ৰছায়াতে দীৰ্ঘদিন ধৰি কলহী নদীত অবৈধ বালি খনন কাৰ্য চলি থকাত স্থানীয় লোকৰ মাচত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অবৈধ বালি খনন বন্ধ কৰিবলৈ বন বিভাগৰ উৰ্দ্ধতন কৰ্তৃপক্ষক ৰাইজে দাবী জনাইছে।

## গোলাঘাটত ১০ সহস্ৰাধিকৰ শ্ৰমিক গৰ্জন

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, গোলাঘাট, ২৮ জানুৱাৰী ঃ** চাহ শ্ৰমিকৰ নিৰ্ধাৰিত মজুৰি ৩৫১ টকা কৰা, ক্ষুদ্ৰ চাহ বাগিচাৰ শ্ৰমিকৰ ন্যূনতম মজুৰি নিৰ্ধাৰণ, চাহ শ্ৰমিক সংঘৰ ১১ দফীয়া দাবীত পুনৰ উত্তাল হ'ল গোলাঘাট। অসম চাহ সংঘৰ উদ্যোগত গোলাঘাটৰ সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত হোৱা এই বিশাল সভাত উল্লিখিত দাবীৰ প্ৰতিবাদ কৰিলে প্ৰায় দহ সহস্ৰাধিক শ্ৰমিকে। প্ৰাক্তন মন্ত্ৰী তথা চাহ মজদুৰ সংঘৰ সভাপতি পৱন সিং ঘাটোৱাৰৰ উপস্থিতিত হোৱা প্ৰতিবাদথলীত অসম চৰকাৰৰ প্ৰতিজন মন্ত্ৰী-বিধায়কলৈ হুংকাৰ দিলে সমূহ শ্ৰমিকে। যদিহে চাহ শ্ৰমিকে ন্যায্য প্ৰাপ্তি লাভ নকৰে তেনে প্ৰতিজন বিধায়ক, মন্ত্ৰী দোষী সাব্যস্ত হ'ব। নিৰ্বাচনৰ পূৰ্বে সকলো দাবী মানি ল'বলৈ আহ্বান জনায়। অন্যথা সমগ্ৰ ৰাজ্যৰ চাহ বাগিচাসমূহত ৰাজনৈতিক দল সোমোৱা নিষেধ কৰাৰ ভাবুকি দিছে।



## আলকাবা ফাউণ্ডেশ্বনৰ প্ৰশংসনীয় পদক্ষেপ

**দৈনন্দিন বাৰ্তাৰ সেৱা, দেৰগাঁও, ২৯ জানুৱাৰী ঃ** আলকাবা ফাউণ্ডেশ্বনে সমাজৰ বিভিন্ন স্তৰত বিভিন্ন ধৰণে কাম কৰি সমাজৰ বিভিন্নজনক সহায় কৰি অহা নতুন কথা নহয়। আলকাবা ফাউণ্ডেশ্বন বিপদৰ সময়ত সদায় দুখীয়া-দৰিদ্ৰৰ ওচৰত। বহু দিন ধৰি দেৰগাঁৱৰ শীতলপথাৰ অঞ্চলৰ ৰাইজে খেতি পথাৰলৈ যাবলৈ বা অন্য বিভিন্ন কামত বাৰিষা অহা-যোৱা কৰিবলৈ বহু কষ্ট ভুগি আহিছে। শীতলপথাৰ কৃষি বান্ধ এক প্ৰকাৰ শীতলপথাৰৰ পৰা নেঘেৰিটিং শিৱদৌল সংযোগী ১৩ কিলোমিটাৰ এই বান্ধ তথা পথ বাৰিষা পানীৰ তলত ডুবি থকাৰ লগতে বোকাময় হৈ থাকে। স্থানীয় ৰাইজে চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষক আৱেদন-নিৱেদন কৰাৰ পাছতো একো সু-ফল নাপালে। শেষত এই কথা গম পাই আলকাবা ফাউণ্ডেশ্বনৰ সভাপতি আলহাজ ৰাজুমণি হুছেইনে তেওঁলোকৰ কাষত থিয় দিয়ে। আলকাবা ফাউণ্ডেশ্বনে নিজাববীয়াকৈ প্ৰায় ২ লাখ টকাৰে উক্ত বান্ধ তথা পথটো জেচিবি, ডাম্পাৰ লগাই মাটিৰে ওখ কৰি বান্ধ মেৰামতিৰ কাম আৰম্ভ কৰিছে। এনে ধৰণৰ সামাজিক কামবোৰ অনাগত সময়তো ৰাইজৰ বাবে কৰি যাব বুলি আলকাবা ফাউণ্ডেশ্বনৰ সভাপতি ৰাজুমণি হুছেইনে সাংবাদিকক জানিবলৈ দিয়ে।

## কালুগাঁৱৰ বিভিন্ন অঞ্চলত গণৰাজ্য দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, কালুগাঁও, ২৮ জানুৱাৰী ঃ** সমগ্ৰ ভাৰতবৰ্ষৰ লগতে শিৱসাগৰ জিলাৰ কালুগাঁৱতো ৭২সংখ্যক গণৰাজ্য দিৱস পালন কৰা হয়। কালুগাঁও অঞ্চলৰ খৰাগড়ৰ বৰেণ্য কিড্‌ছ ৱৰ্ল্ড, বৰপাত্ৰ দ'ল মজলীয়া বিদ্যালয়স্থিত ভাৰত স্কাউটছ এণ্ড গাইডছ প্ৰশিক্ষণ কেন্দ্ৰ, শলগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়, কালুগাঁও হাইস্কুল আৰু বৰপাত্ৰ দ'ল উচ্চ বিদ্যালয়কে আদি কৰি সকলোবোৰ শিক্ষানুষ্ঠান, অনুষ্ঠান-প্ৰতিষ্ঠানে গণৰাজ্য দিৱস পালন কৰে। বৰেণ্য কিডছ ৱৰ্ল্ডত পালন কৰা গণৰাজ্য দিৱসত পতাকা উত্তোলন কৰে আটাছুৰ শিৱসাগৰ জিলা সমিতিৰ উপ-সভাপতি অখিল আহোমে। চুতীয়া যুৱ সন্মিলন শিৱসাগৰ জিলা সমিতিৰ সাধাৰণ সম্পাদক অৰ্পূব কুমাৰ শইকীয়া আৰু অধ্যক্ষ ৰেখা ভূএগ্ৰাই আঁত ধৰা গণৰাজ্য দিৱসৰ লগত সংগতি ৰাখি এক অনুষ্ঠানত অৱসৰপ্ৰাপ্ত শিক্ষক নিত্যানন্দ বৰা, কালুগাঁও প্ৰেছ ক্লাবৰ সভাপতি ৰাজকুমাৰ শ্ৰীকনচেং, বিশিষ্ট ব্যৱসায়ী-সমাজকৰ্মী নৃপেন গগৈ, সংগীত শিল্পী মৌচুমী সন্দিকৈক বৰেণ্য কিডছ ৱৰ্ল্ডৰ তৰফৰ পৰা সৰ্ম্বধনা জ্ঞাপন কৰে। সৰ্ম্বধনা-পত্ৰ গ্ৰহণ কৰি নিত্যানন্দ বৰা, ৰাজকুমাৰ শ্ৰীকনচেং, নৃপেন গগৈ আৰু মৌচুমী সন্দিকৈয়ে ছাত্ৰ-ছাত্ৰীসকলক গণৰাজ্য দিৱসৰ তাৎপৰ্যৰ বিষয়ে অৱগত কৰি বিদ্যালয় কৰ্তৃপক্ষৰ এনে পদক্ষেপক আদৰণি জনায়। বৰেণ্য কিডছ ৱৰ্ল্ডৰ ছাত্ৰ-ছাত্ৰীসকলে কবিতা আৰু সংগীতৰে জীপাল কৰা উক্ত অনুষ্ঠানত অঞ্চলটোৰ বিশিষ্ট সমাজকৰ্মী বিমল ভৰালী, কালুগাঁও প্ৰেছ ক্লাবৰ ভাৰপ্ৰাপ্ত সম্পাদক অচিন্ত্য বৰঠাকুৰ, পলাশ প্ৰতিম বৰদলৈ, অভিভাৱক-অভিভাৱিকাসকলকে আদি কৰি ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে। আনহাতে, কালুগাঁওস্থিত স্কাউট এণ্ড গাইড্‌ছৰ শিৱসাগৰ জিলা প্ৰশিক্ষণ কেন্দ্ৰত গণৰাজ্য দিৱসৰ লগত সংগতি ৰাখি শলগুৰি গাঁও পঞ্চায়তৰ সভাপতি মিণ্টু দত্ত, পুলক দত্ত, ৰাজকুমাৰ শ্ৰীকনচেং, প্ৰবীণ দত্ত, লিলি গগৈক জিলা সংস্থাৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়।

## জকাইত মে-ডাম-মে-ফী উদ্‌যাপনৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ২৮ জানুৱাৰী ঃ** অহা ৩১ জানুৱাৰীত ডিব্ৰুগড় জিলাৰ বৰবৰুৱা উন্নয়ন খণ্ডৰ অন্তৰ্গত জকাই অঞ্চলৰ তাই আহোমসকলৰ সৌজন্যত 'জকাই চামগুৰি গাঁৱৰ সহযোগত জকাই চামগুৰি নামঘৰৰ সমীপত মে-ডাম-মে-ফী উদ্‌যাপনৰ আয়োজন কৰিছে। এই উপলক্ষে সমূহীয়া চাফাই কৰিব উপস্থিত ৰাইজে। আনহাতে, আয়োজক সমিতিৰ কাৰ্যকৰী সভাপতি মোলেন গগৈয়ে পতাকা উত্তোলন কৰিব। মৈদাম তৰ্পণ কৰিব জকাই চামগুৰি নামঘৰ পৰিচালনা সমিতিৰ পৰিচালক বিদ্যাধৰ গগৈয়ে। বন্তি প্ৰজ্বলন কৰিব অৱসৰপ্ৰাপ্ত শিক্ষক সুখীধৰ গগৈয়ে। মে-ডাম-মে-ফীৰ মাংগলিক কাৰ্য সম্পাদন কৰিব পৱিত্ৰ গগৈ, অনুপ গগৈ আৰু নিতুল গগৈয়ে। মুখ্য আলোচক বলীন চন্দ্ৰ গগৈ আৰু ধনেশ্বৰ কোঁৱৰে মে-ডাম-মে-ফীৰ ওপৰত অনুষ্ঠিত আলোচনা-চক্ৰখন সঞ্চালনা কৰিব। মে-ডাম-মে-ফীৰ সৈতে সংগতি ৰাখি তাই সাংস্কৃতিক অনুষ্ঠান আৰু সম্বৰ্ধনা অনুষ্ঠানৰো আয়োজন কৰা হৈছে। প্ৰীতিভোজৰ পিছতে আবেলি পতাকা অৱনমিত কৰা হ'ব। আয়োজক সমিতিৰ হৈ সভাপতি লেখন গগৈ আৰু সম্পাদক ৰাজু গগৈয়ে সমূহ ৰাইজৰ উপস্থিতি আৰু দিহা-পৰামৰ্শ আন্তৰিকতাৰে কামনা কৰিছে।

## ধেমাজিত পঞ্চম বাৰ্ষিক কেন্দ্ৰীয় মে-ডাম-মে-ফী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধেমাজি, ২৮ জানুৱাৰী ঃ** ধেমাজি জিলা তাই আহোম ছাত্ৰ সন্থাৰ ধেমাজি সদৰ আঞ্চলিক সমিতিৰ উদ্যোগত ২৮-৩১ জানুৱাৰীলৈকে চাৰিদিনীয়া বৰ্ণিল কাৰ্যসূচীৰে ধেমাজি ডি আৰ ডি এ খেলপথাৰত পঞ্চম বাৰ্ষিক কেন্দ্ৰীয় মে-ডাম মে-ফি উদ্‌যাপন কৰা হৈছে। কাৰ্যসূচী অনুসৰি আজি পুৱা সামূহিক চাফাই অভিযানেৰে প্ৰথম দিনাৰ কাৰ্যসূচীৰ পাতনি মেলা হয়। ইয়াৰ পাছতে আটাছুৰ উপ-সভাপতি দুলাল বৰুৱাৰ দ্বাৰা মুখ্যদ্বাৰ উদ্বোধন কৰা হয়। মৈদাম তপৰ্ণ কৰে আটাছুৰ কাৰ্যকৰী সভাপতি খগেন কোঁৱৰে । চ্যুকাফাৰ প্ৰতিমূৰ্তিত মল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে ধেমাজি বালিকা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দীপক বৰগোহাঁয়ে । লাচিত বৰফুকনৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে ধেমাজি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দীপক কুমাৰ নেওগে । ইয়াৰ পাছতে ঠাইতে লিখা ৰচনা প্ৰতিযোগিতা, আই চিং লাউ প্ৰতিযোগিতাৰ অনুষ্ঠিত হয়। ইফালে সন্ধিয়া সাংস্কৃতিক প্ৰতিযোগিতা অনুষ্ঠিত হোৱাৰ লগতে কুসুম কৈলাসৰ সংগীতানুষ্ঠান অনুষ্ঠিত হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে।

## জালুগুটিত একেদিনাই মৃত্যু দুজনকৈ শিক্ষকৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভুৰবন্ধা, ২৮ জানুৱাৰী ঃ** বৃহস্পতিবাৰে পুৱাই মৰিগাঁও জিলাৰ জালুগুটিবাসী ৰাইজৰ লগতে শিক্ষক সমাজলৈ আহিল এক দুঃখবৰ। মাছখোৱা কাঁহিবাৰীৰ বিজ্ঞান শিক্ষক ধৰ্মেন্দ্ৰ নাথ আৰু নাই। এই খবৰে জালুগুটিৰ শিক্ষক সমাজৰ লগতে ৰাইজৰ মাজত এক শোক বাৰ্তা লৈ আহি শোকৰ ছাঁ পেলোৱাৰ সময়তে দুপৰীয়াৰ ভাগত আহিল আন এক দুঃখবৰ। প্ৰকৃতিপ্ৰেমী শিক্ষক, গছপুলি ৰোপণৰ ক্ষেত্ৰত এক দৃঢ় আগ্ৰহ থকা শিক্ষক, সকলোকে গছপুলি ৰোপণ কৰিবলৈ দিহা-পৰামৰ্শ আগবঢ়াই অহা শিক্ষক আলহাজ মমতাজ আলী আৰু নাই। আৰু ইয়াৰ পাছতে গভীৰ শোকত ভাগি পৰে বহু লোক তথা শিক্ষক। উল্লেখ্য যে যোৱা বুধবাৰে উচ্চ ৰক্তচাপত আক্ৰান্ত হৈ নগাঁৱৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন হৈ ঘৰলৈ উভতি আহিছিল শিক্ষক আলহাজ মমতাজ আলী। কিন্তু অৱশেষত জীৱন নাটৰ যুদ্ধখনত হাৰ মানি অজান দেশলৈ গুচি গ'ল বিশিষ্ট শিক্ষকগৰাকী। আৰু ইয়াৰ পাছতে একেদিনাই দুজনকৈ শিক্ষকক হেৰুওৱাৰ বেদনাত গভীৰ শোকত সমগ্ৰ জালুগুটিবাসী। দুই শিক্ষকৰ এই মৃত্যুত শোক প্ৰকাশ অঞ্চলটোৰ বিভিন্ন দল-সংগঠনৰ লগতে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ জালুগুটি আঞ্চলিক সমিতিৰো। সকলোৱে কামনা কৰিছে দুই শিক্ষক স্বৰ্গত বাস কৰি সকলোকে উজ্জ্বল নক্ষত্ৰ হৈ আকাশৰ পৰা সকলোকে চাই ৰওক; অমৰ হওক দুই শিক্ষক।

## বাঘবৰৰ বালাজান আব্দুল হাকিম ছোৱালী এম ই মাদ্ৰাছাৰ প্ৰধান শিক্ষকৰ বিৰুদ্ধে গোচৰ ৰুজু

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ২৮ জানুৱাৰী ঃ** বৰপেটা জিলাৰ বাঘবৰ সমষ্টিৰ মন্দিয়া খণ্ড প্ৰাথমিক শিক্ষা বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত বালাজান আব্দুল হাকিম ছোৱালী এম ই মাদ্ৰাছাৰ প্ৰধান শিক্ষক ছাজাহান আলীয়ে জালিয়াতিৰে প্ৰধান শিক্ষকৰ পদত কাৰ্যনিৰ্বাহ কৰি থকা বুলি প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক আমিৰ হুছেইনে দাবী কৰি ছাজাহান আলীৰ বিৰুদ্ধে গোচৰ ৰুজু কৰাত অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। প্ৰাপ্ত তথ্য মতে আমিৰ হুছেইনক উক্ত বিদ্যালয়ৰ পৰিচালনা সমিতিয়ে ১-১-১৯৯৫ তাৰিখে প্ৰধান শিক্ষক হিচাপে নিযুক্তি দিয়ে আৰু ৩-১-১৯৯৫ তাৰিখে যোগদান কৰে। উক্ত বিদ্যালয়ৰ সহকাৰী শিক্ষক ছাজাহান আলীক বিগত ১০-৯-২০১৪ তাৰিখৰ পৰা ১০-১০-২০১৪ তাৰিখলৈ এমাহৰ বাবে তত্ত্বাৱধায়ক প্ৰধান শিক্ষক হিচাপে নিযুক্তি দিছিল যদিও প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক আমিৰ হুছেইন বিদ্যালয়ত উপস্থিত নথকাৰ সুযোগ লৈ ছাজাহান আলীয়ে জালিয়াতিৰে নিজকে প্ৰধান শিক্ষক বুলি দাবী কৰি আহিছে। উল্লেখ্য যে মাৰপিটত লিপ্ত থকাৰ অভিযোগত যোৱা ১২-৭-২০১৬ তাৰিখে বৰপেটা সদৰ থানাত ছাজাহান আলীৰ বিৰুদ্ধে ১৪১৫/১৬ জি আৰ ৩৬০০/১৬ নম্বৰৰ এটি গোচৰ ৰুজু হোৱাৰ বিষয়ে অৱগত হৈ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক আমিৰ হুছেইনে পৰিচালনা সমিতিক অৱগত কৰে। একাধিক অসামাজিক কাৰ্যত লিপ্ত ছাজাহান আলীক সহকাৰী শিক্ষক পদৰ পৰাও যোৱা ৩০-৭-২০১৬ তাৰিখে বৰ্খাস্ত কৰা হয় যদিও বলপূৰ্বকভাৱে বিদ্যালয়লৈ অহা-যোৱা কৰি আছে । আনকি আমিৰ হুছেইনক বিদ্যালয়লৈ নাযাবলৈ ছাজাহান আলীয়ে ভয়-ভাবুকি প্ৰদান কৰা বুলি আমিৰ হুছেইনে ইতিমধ্যে ২-১-২০২১ তাৰিখে মন্দিয়া খণ্ড প্ৰাথমিক শিক্ষা বিষয়াক লিখিতভাৱে জনাই ইয়াৰ প্ৰতিলিপি স্থানীয় বিধায়ক শ্বেৰমান আলী আহমেদক প্ৰেৰণ কৰিছে। প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক আমিৰ হুছেইনে যোৱা ২৫-১-২০২১ তাৰিখে বাঘবৰ থানাত ভাৰতীয় দণ্ডবিধিৰ ১২০(বি)/৪২০/৪৬৮ ধাৰাৰ এটি গোচৰ ভুৱা প্ৰধান শিক্ষক ছাজাহান আলীৰ বিৰুদ্ধে ৰুজু কৰিছে।

## প্ৰেম গগৈলৈ 'জোনাকী বৈভৱ বঁটা'

**দৈনন্দিন বাৰ্তাৰ সেৱা, কালুগাঁও, ২৮ জানুৱাৰী ঃ** আৰ্থ-সামাজিক, শিক্ষা, সাহিত্য আৰু সাংস্কৃতিক বিকাশ মঞ্চ 'জোনাকী সমাজে' বিগত বৰ্ষৰ দৰে এইবাৰো নিজৰ সৃষ্টিৰাজি আৰু কৰ্মৰ যোগেদি অসমীয়া ভাষা-সাহিত্যলৈ বিশেষ বৰঙণি আগবঢ়োৱা ব্যক্তিক বঁটা প্ৰদানৰ জৰিয়তে শ্ৰদ্ধা-মৰম, সন্মান জনোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। জোনাকী সমাজৰ সম্পাদিকা দেৱযানী দীক্ষিতা গগৈয়ে জনোৱা মতে বৰুৱা পুখুৰী আঞ্চলিক তাই আহোম ছাত্ৰ সন্থাৰ উদ্যোগত আয়োজন কৰা ষষ্ঠ বাৰ্ষিক কেন্দ্ৰীয় মে-ডাম-মে-ফিৰ লগত সংগতি ৰাখি 'কবিতাৰ আবেলি' শীৰ্ষক এক মনোজ্ঞ অনুষ্ঠানৰ আয়োজন কৰিবলৈ লোৱা হৈছে। উক্ত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বিশিষ্ট কবি, সাহিত্যিক পেন্সনাৰ, সদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন সভাপতি প্ৰেম গগৈক জোনাকী বৈভৱ বঁটা-২০২১ৰে সন্মানিত কৰা হ'ব। ৩১ জানুৱাৰী দেওবাৰে নামতি চাৰিআলিৰ খেজুৰিতলত দিনৰ ১ বজাৰ পৰা হ'ব লগা 'কবিতাৰ আবেলি' শীৰ্ষক মনোজ্ঞ অনুষ্ঠানটিত গীত-কবিতা আৰু বঁটা প্ৰদান অনুষ্ঠানৰ উপৰি জোনাকী সমাজৰ সৌজন্যত অনুষ্ঠিত অন্‌লাইন পত্ৰলেখা প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহো প্ৰদান কৰা হ'ব।

## অসমীয়া সাহিত্য সন্মিলনীৰ শিৱসাগৰ জিলা সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, কালুগাঁও, ২৮ জানুৱাৰী ঃ** যোৱা ১৭ জানুৱাৰী তাৰিখে শিৱসাগৰৰ ষ্টেচন চাৰিআলিস্থিত ৰংপুৰজ্যোতি ক্লাবত অসমীয়া সাহিত্য সন্মিলনীৰ শিৱসাগৰ জিলা সমিতি গঠনৰ উদ্দেশ্যে এখনি সাধাৰণ সভা অনুষ্ঠিত কৰা হয়। আতিকুৰ ৰহমানৰ সভাপতিত্বত অনুষ্ঠিত সাধাৰণ সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে ইন্দ্ৰ শেখৰ শৰ্মাই। সভাৰ আৰম্ভণীতে মাধৱজ্যোতি দেউৰীয়ে পৰিৱেশন কৰা এটি জ্যোতি সংগীতেৰে ৰূপকোঁৱৰ প্ৰতি সভাই শ্ৰদ্ধা নিৱেদন কৰে। প্ৰায় শতাধিক ব্যক্তিৰ উপস্থিতিত অনুষ্ঠিত সাধাৰণ সভাই আগন্তুক কাৰ্যকালৰ বাবে বিশিষ্ট নিবন্ধকাৰ ছামচুল বাৰিক আৰু মাধৱজ্যোতি দেউৰীক উপদেষ্টা, আতিকুৰ ৰহমানক সভাপতি, ব্ৰজেন বড়া আৰু ফুলবৰ দিহিঙীয়াক উপ-সভাপতি, ছাইৰা ইছলাম বড়াক কাৰ্যকৰী সভাপতি, ইন্দ্ৰশেখৰ শৰ্মাক সম্পাদক আৰু জয়ন্ত চুতীয়াক সহকাৰী সম্পাদক হিচাপে লৈ প্ৰায় ত্ৰিশজনীয়া এখন শক্তিশালী সমিতি গঠন কৰা হয়। উক্ত সভাত অসমীয়া সাহিত্য সন্মিলনীৰ কেন্দ্ৰীয় সমিতিৰ পৰ্যবেক্ষকৰূপে উপস্থিত থাকে কেন্দ্ৰীয় উপ-সভাপতি ৰাজেন পুজাৰী আৰু কেন্দ্ৰীয় প্ৰচাৰ সম্পাদক অভিজিৎ ভূএগ্ৰা। সভাৰ শেষত ছাইৰা ইছলাম বড়াৰ দ্বাৰা পৰিৱেশিত জ্যোতি সংগীত আৰু অসম সংগীতেৰে সভাৰ অন্ত পৰে।

## বোকাখাতত অসামৰিক পৰীক্ষাৰ সজাগতা অনুষ্ঠান



**দৈনন্দিন বাৰ্তাৰ সেৱা, বোকাখাত, ২৮ জানুৱাৰী ঃ** বোকাখাত পুৰতি সাহিত্য সভা ভৱনত যোৱা ২৭ জানুৱাৰীত অনুষ্ঠিত হৈ যায় অসম অসামৰিক সেৱা পৰীক্ষাৰ প্ৰস্তুতি সম্পৰ্কে এক সজাগতা অনুষ্ঠান। সজাগতা অনুষ্ঠানত বোকাখাতৰ দুই মহাবিদ্যালয় জে ডি এছ জি মহাবিদ্যালয়, চি এন বি মহাবিদ্যালয়ৰ লগতে কমাৰগাঁও মহাবিদ্যালয়ৰ মুঠ ১৫০গৰাকী স্নাতক চূড়ান্তবৰ্ষৰ মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। বোকাখাত প্ৰেছ ক্লাবৰ সভাপতি ভৱানন্দ কলিতাৰ সঞ্চালনাত হোৱা কৰ্মশালাত সমল ব্যক্তি হিচাপে ভাগ লয় বোকাখাত মহকুমা প্ৰশাসনৰ সহকাৰী আয়ুক্ত ৰণন্ময় ভৰদ্বাজ আৰু বোকাখাতৰ পৰা সদ্য নিৰ্বাচিত এ চি এছ বেদব্ৰত পেগুৱে। এই কৰ্মশালা অনুষ্ঠিত হৈছিল বিজয় কুটুম, ড° বাবুলাল মোৰেৰ তত্ত্বাৱধানত।

## কথাশিল্পী ইমৰান শ্বাহলৈ পদ্মশ্ৰী সন্মান

**দৈনন্দিন বাৰ্তাৰ সেৱা, কালুগাঁও, ২৮ জানুৱাৰী ঃ** গণতন্ত্ৰ দিৱসৰ প্ৰাক্-সন্ধ্যা ভাৰত চৰকাৰে ঘোষণা কৰা 'পদ্মশ্ৰী' সন্মান অসমৰ কেইবাগৰাকী বৰেণ্য ব্যক্তিৰ লগতে শিৱসাগৰীয়া সু-সন্তান, প্ৰথিতযশা কথাশিল্পী, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ইমৰান শ্বাহলৈ আগবঢ়োৱাৰ খবৰ বিয়পি পৰাৰ পিছতে জিলাখনৰ বৌদ্ধিক মহলত আনন্দৰ ঢৌ বিয়পি পৰে। অজস্ৰজন গুণমুগ্ধৰ শ্ৰদ্ধা, মৰম আৰু শুভকামনাৰ অমৃত শক্তিৰ কৃপাত আজিৰ তাৰিখতো সক্ৰিয়ভাৱে লিখা-মেলা কৰি থকা নিৰলস সাহিত্য সাধকজনলৈ ভাৰত চৰকাৰে এই সন্মান আগবঢ়োৱাত শিৱসাগৰৰ বৌদ্ধিক পৰিমণ্ডলটোৰে জড়িত বিভিন্নজনে আনন্দ প্ৰকাশ কৰাৰ লগতে অভিনন্দন জনাইছে। ১৯৩৩ চনৰ ২৩ নৱেম্বৰ তাৰিখে শিৱসাগৰৰ ধাইআলিত জন্মগ্ৰহণ কৰা কথাশিল্পী ইমৰান শ্বাহৰ পিতৃৰ নাম আছিল মহম্মদ শ্বাহ আৰু মাতৃৰ নাম আছিল মৰিয়ম নিছা। পাঁচ বছৰ বয়সত শিৱসাগৰৰ ধাইআলিৰ ২নং প্ৰাথমিক বিদ্যালয়ত শিক্ষা জীৱনৰ পাতনি মেলা শ্বাহে শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা ১৯৫২ চনত প্ৰথম বিভাগত প্ৰৱেশিকা, ১৯৫৪ চনত কটন মহাবিদ্যালয়ৰ পৰা আই এছ চি পৰীক্ষাত উত্তীৰ্ণ হৈছিল। সেই সময়তে তেওঁ কোঁৱৰপুৰ উচ্চ মাধ্যমিক বিদ্যালয়ত অংক বিষয়ৰ অস্থায়ী শিক্ষকতা আৰু শিৱসাগৰ হাইমাদ্ৰাছাত শিক্ষকতাৰ লগতো জড়িত হৈছিল। পুনৰ শিৱসাগৰ মহাবিদ্যালয়ত স্নাতক শ্ৰেণীত নামভৰ্তি কৰে আৰু ১৯৫৮ চনত স্নাতক ডিগ্ৰী অৰ্জন কৰে। গড়গাঁও কলেজতো কিছুদিন শিক্ষকতা কৰাৰ পিছত ১৯৫৯ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ স্নাতকোত্তৰ শ্ৰেণীত নামভৰ্তি কৰে আৰু ১৯৬৩ চনত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাৰ পিছত শিৱসাগৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগত প্ৰবক্তা হিচাপে স্থায়ী পদত যোগদান আৰু দীৰ্ঘকাল অধ্যাপনাৰ অন্তত ১৯৯৩ চনত বিভাগীয় প্ৰধান হিচাপে অৱসৰ গ্ৰহণ কৰে। অসমীয়া ভাষা-সাহিত্যৰ সোণালী সৌধ নিৰ্মাণৰ এগৰাকী নিপুণ খনিকৰৰূপে নিজকে সুপ্ৰতিষ্ঠিত কৰা শ্বাহৰ কলমেৰে নিগৰি ওলাইছিল অসংখ্য সুখপাঠ্য চুটিগল্প, কেইবাখনো উপন্যাস, ঈশান দত্ত ছদ্মনামত লিখা বহুসংখ্যক মানসম্পন্ন কবিতা আৰু প্ৰবন্ধ-পাতিৰ মেটমৰা সম্ভাৰ। তেওঁৰ বিভিন্ন ৰচনাসম্ভাৰ— উপন্যাস- সংগীতৰ সিপাৰে, প্ৰিয়াৰ নাম অনামিকা, ক্ৰান্তিৰেখা, প্ৰিয়াৰ নাম সাগৰিকা, বৰ্ণালী, কবি পুলিচ আৰু এটি কবৰেই যথেষ্ট, জবানবন্দী, বনজ্যোস্না, তথাপি সাগৰ, তানসেন, ৰজনীগন্ধা। কাব্য সংকলন- বনবাসী, ঈশান দত্তৰ নিৰ্বাচিত কবিতা, নিঃসংগ ধূসৰ, ঢৌ ভাঙি ঢৌ। গল্প সংকলন- বন্দী বিহংগমে কান্দে, পিয়ামুখ ছন্দা, ইত্যাদি, শিখাৰ নাম মিনতি, পথিক, পোৰা মাটিৰ মালিতা, স্পৰ্শৰেখা, ইমান শ্বাহৰ নিৰ্বাচিত গল্প, কুকুহা ইত্যাদি। প্ৰবন্ধ সংকলন- দৃষ্টি-সৃষ্টি, হিয়াৰ ফুলনিবোৰ, অসমীয়া লোক-সংস্কৃতিলৈ মুছলমানৰ অৱদান, জীৱনী-বিশ্ববন্ধু আৰু অনুবাদ গ্ৰন্থ- জোনাকৰ ছবি, ইনকিলাব, ক্ৰীতদাসৰ হাঁহি আৰু শেহতীয়া অনুবাদ গ্ৰন্থ কৰ্ট ক্লাউন। ভাৰত চৰকাৰৰ পদ্মশ্ৰী ঘোষণাৰ পিছতে তেওঁৰ ধাইআলিস্থিত বাসভৱনত বিভিন্নজন গুণমুগ্ধৰ ভিৰ পৰিলক্ষিত হয়। শিৱসাগৰ জিলা সাহিত্য সভাৰ সভাপতি যোগ গগৈয়ে কয় যে, বহু আগতেই তেখেতে এই সন্মান পাব লাগিছিল। শেহতীয়াকৈ হ'লেও তেওঁৰ কৃতিত্বক চৰকাৰীভাৱে স্বীকৃতি দিয়াত অতিশয় আনন্দ লাভ কৰা বুলি সাংবাদিকক জানিবলৈ দিয়ে। শিৱসাগৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক তথা বিশিষ্ট লেখক ড° জীৱন কলিতা, নিবন্ধকাৰ তথা জিলা সাহিত্য সভা বাৰ্তাৰ সম্পাদক হৰেন চন্দ্ৰ নাথ, কালুগাঁও প্ৰেছ ক্লাবৰ সভাপতি ৰাজকুমাৰ কনচেং, শলগুৰি মুকুল সাহিত্য সভা, কালুগাঁও ৰাইটাৰ্ছ গীল্ড, ৰংপুৰীয়া গল্পকাৰৰ মঞ্চ-শিপা, নাজিৰা কবি সন্মিলনৰ সম্পাদক সুৰেশ ভূএগ্ৰাকে ধৰি জিলাখনৰ বিভিন্ন সাহিত্য সংগঠন, সাহিত্যানুৰাগী ব্যক্তিয়ে সাহিত্যিকগৰাকীক পদ্মশ্ৰী সন্মানেৰে বিভূষিত কৰাত আনন্দ প্ৰকাশ কৰাৰ লগতে অভিনন্দন জনাইছে।

## বিলাসীপাৰাত এম জি এনৰেগ আঁচনিৰ ৰাস্তা নিৰ্মাণৰ কাম উদ্বোধন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিলাসীপাৰা, ২৮ জানুৱাৰী ঃ** নামনি অসমৰ ধুবুৰী জিলাৰ বিলাসীপাৰা পশ্চিম সমষ্টিৰ নায়েৰ আলগা উন্নয়ন খণ্ডৰ অন্তৰ্গত মছলাপাৰা গাঁও পঞ্চায়তৰ গুটিপাৰা ৬ষ্ঠ খণ্ডৰ চৌধুৰীৰ চৰ গাঁৱত আজি পঞ্চায়ত সভাপতি বাহাদুৰ ইছলামৰ নেতৃত্বত NREGA আঁচনিৰ ২০২০-২০২১ বিত্তীয় বৰ্ষৰ দুটা ৰাস্তা নিৰ্মাণৰ কাম শুভ উদ্বোধন হয়। মুঠৰ ওপৰত ৰাইজৰ প্ৰশ্ন হয় যে পঞ্চায়ত সভাপতি বাহাদুৰ ইছলামে গুটিপাৰা ষষ্ঠ খণ্ড চৌধুৰীৰ চৰ গাঁৱত আজিৰ দিনত দুটা ৰাস্তা নিৰ্মাণৰ কাম উদ্বোধন কৰাত, চৌধুৰীৰ চৰ গাঁওবাসীৰ বাবে সভাপতিগৰাকীয়ে ২৫ বছৰৰ ইতিহাসিক ৰচনা কৰিলে বুলি সদৰী কৰে ৰাইজে। উল্লেখ্য যে উক্ত উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে অভিযন্তা ফৰিদুল হক, সদস্য জয়নাল আবেদিন, ৰাস্তা নিৰ্মাণ কমিটীৰ সভাপতি আব্দুল ৰছিদ মেম্বাৰ, হাছেম আলী, লগতে স্থানীয় গণ্য-মান্য ব্যক্তিৰ উপৰি শতাধিক লোক উপস্থিত থাকে।



## মাজুলীত অসম বিজেপিৰ সহঃ প্ৰভাৰী পৱন শৰ্মা ঃ দুই-এখন আসনতে সীমাবদ্ধ থাকিব অসমৰ নৱ-গঠিত আঞ্চলিক দল

**দৈনন্দিন বাৰ্তাৰ সেৱা, নামনি মাজুলী,২৮ জানুৱাৰী** কৰ'না মহামাৰীৰ সময়ত ক'তো দেখিবলৈ নোপোৱা অসমৰ একাংশই হঠাৎ নিৰ্বাচনৰ আগেয়ে আঞ্চলিক দল খুলি নিজৰ অস্তিত্ব ৰক্ষাৰ বাবে উঠি পৰি লাগিছে।মহাজোঁট গঠন কৰি যিমান উঠি-পৰি লাগিয়েও চৰকাৰ গঠন দূৰৰে কথা এইসকল মাত্ৰ এখন বা দুখন আসনতেই তেওঁলোক সীমাবদ্ধ হৈ থাকিব ইয়াৰ বিপৰীতে ভাৰতীয় জনতা পাৰ্টী নেতৃত্বাধীন অসম চৰকাৰে উন্নয়নৰ ধাৰাবাহিকতা ৰক্ষা কৰি জনতাৰ আস্থা বুটলিবলৈ সক্ষম হৈছে-আজি মাধৱদেৱ কৃষ্টি কেন্দ্ৰ খোনাচুকত অনুষ্ঠিত ভাৰতীয় জনতা পাৰ্টিৰ মাজুলী জিলাৰ এখন বিশেষ সাংগঠনিক সভাত অংশগ্ৰহণ কৰি সাংবাদিকক সম্বোধন কৰাৰ সময়ত বিজেপি অসম প্ৰদেশৰ সহঃ প্ৰভাৰী শ্ৰদ্ধাৰ পৱন শৰ্মাই ৰাইজৰ দল, অসম জাতীয় পৰিষদ আৰু আঞ্চলিক গন মৰ্চাক আওপকীয়াকৈ আক্ৰমণ কৰি এনেদৰে কয় শৰ্মাই আৰু কয় যে যোৱা পাঁচটা বছৰত বিজেপি নেতৃত্বাধীন অসম চৰকাৰেৰ্ব্ৰহ্মপুত্ৰৰ ওপৰত ৬ খনকৈ দলং নিৰ্মাণ কৰাৰ লগতে ১৫ খনকৈ মেডিকেল কলেজ,৩১ হাজাৰ কিলোমিটাৰ পথ পকীকৰণ,দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালক বেংক একাউণ্টৰ জড়িয়তে পোনপটীয়াকৈ চৰকাৰী আচনি লাভৰ সুবিধা কৰি জনতাৰ হৃদয় জিনিবলৈ সক্ষম হৈছে বুলি সহ প্ৰভাৰী গৰাকীয়ে উল্লেখ কৰি ইয়াৰ উপৰিও আগন্তুক বিধান সভা নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টীৰ ৪২ লাখ সদস্যৰ পৰিশ্ৰম আৰু মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱালৰ সু শাসনৰ বাবে অসমৰ ৰাইজৰ আশীৰ্বাদত পুনৰ অসমত বিজেপিৰ চৰকাৰ হ্ব বুলি তেওঁ দাবী কৰে। মাজুলীৰ পৰা মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱালে ৰাজ্যৰ ভিতৰতে বিপুল ভোটত জয়লাভ কৰিব বুলিও বিজেপি অসম প্ৰদেশৰ সহঃ প্ৰভাৰী শ্ৰদ্ধাৰ পৱন শৰ্মাইলগতে উল্লেখ কৰে।ইফালে পুৱাৰ ভাগতে সাংগঠনিক সভাত অংশ গ্ৰহণৰ বাবে মাজুলীত উপস্থিত হোৱা বিজেপিৰ উত্তৰ পূৰ্বাঞ্চলৰ সাংগঠনিক সাধাৰণ সম্পাদক অজয় জামোৱাল আৰু বিজেপি অসম প্ৰদেশৰ সহঃ প্ৰভাৰী পৱন শৰ্মাক কমলাবাৰী ঘাটৰ পৰা বিজেপিৰ যুৱ মৰ্চাৰ সদস্য সকলে বিশাল বাইক ৰেলীৰে আদৰি আনে।পিছত দলীয় সাংগঠনিক সভাত অংশগ্ৰহণ কৰি দুয়োগৰাকী নেতাই বিজেপিৰ বুথ পৰ্যায়ৰ নেতা কৰ্মী সকলক আগন্তুক নিৰ্বাচনৰ বাবে সাজু হবলৈ কৈ তেওঁলোকক উৎসাহিত কৰি বক্তব্য প্ৰদান কৰে। ১০০০ বুথ পৰ্যায়ৰ নেতা কৰ্মী উপস্থিত থকা সভা খনত টিংখং সমষ্টিৰ বিধায়ক বিমল বৰা,মাজুলী জিলা বিজেপিৰ সভাপতি লোকনাথ কুটুম,বিজেপি নেতা মনোজ বৰা, মাজুলী জিলা পৰিষদৰ সভানেত্ৰী পাপু দত্ত হাজৰিকা,জিলা বিজেপিৰ সম্পাদক দেৱব্ৰত দত্ত, মুখ্যমন্ত্ৰীৰ প্ৰতিনিধি ৰমেন দত্ত আদিকে ধৰি জিলা বিজেপিৰ নেতা কৰ্মী সকল উপস্থিত থাকে।নিৰ্বাচনৰ আগেয়ে বিজেপিৰ শীৰ্ষ পৰ্যায়ৰ নেতাৰ এই নিৰ্বাচনী পৰ্যালোচনাই বিশেষ তাৎপৰ্য বহন কৰিছে।

# সাংবাদিক চাইজুৰ ৰহমানলৈ এইচ আৰ ডি ছেৰিটেবল ট্ৰাষ্টৰ 'আদৰ্শ সংবাদকৰ্মী-২০২১' বঁটা




**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেল্লা, ২৮ জানুৱাৰী ঃ** গণৰাজ্য দিৱসৰ শুভক্ষণত বুধবাৰে বৰপেটাৰ বহৰিস্থ এইচ আৰ ডি ছেৰিটেবল ট্ৰাষ্টে বহৰিত অনুষ্ঠিত কৰা এক আড়ম্বৰপূৰ্ণ অনুষ্ঠানত প্ৰতিভাৱান যুৱ সাংবাদিক চাইজুৰ ৰহমানক 'আদৰ্শ সংবাদকৰ্মী ২০২১' শীৰ্ষক বঁটা প্ৰদান কৰে। এইচ আৰ ডি ছেৰিটেবল ট্ৰাষ্টৰ দ্বিতীয় বৰ্ষপূৰ্তি উপলক্ষে বহৰিৰ বৰলুইত কনিষ্ঠ মহাবিদ্যালয়ত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত সাংবাদিকগৰাকীক উক্ত বঁটা প্ৰদান কৰা হয়। তাৰাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক আবুল কালাম তালুকদাৰৰ সভাপতিত্বত অনুষ্ঠিত হোৱা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত উপস্থিত থাকে বৰপেটাৰ প্ৰাক্তন উপায়ুক্ত থানেশ্বৰ মালাকাৰ, ফেচবুকত যুক্তিপূৰ্ণ লেখাৰে অসমজুৰি চৰ্চিত হোৱা শিখা শৰ্মা, অসম ঔদ্যোগিক উন্নয়ন নিগমৰ উপাধ্যক্ষ জিতু তালুকদাৰ, শিক্ষক-সাংবাদিক মাইনুল হক চৌধুৰী প্ৰমুখ্যে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি। অনুষ্ঠানটোত উদ্যোক্তাৰ হৈ সাংবাদিক চাইজুৰ ৰহমানক বঁটাটি প্ৰদান কৰে যুক্তিপূৰ্ণ লেখনিৰে চৰ্চিত হোৱা লেখিকা শিখা শৰ্মা আৰু তাৰাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক আবুল কালাম তালুকদাৰে। উল্লেখযোগ্য যে বিগত দহ বছৰোধিক অসমৰ সংবাদ ক্ষেত্ৰখনত সক্ৰিয়তাৰে জড়িত হৈ থকা প্ৰতিভাৱান যুৱ সাংবাদিক চাইজুৰ ৰহমানে দৈনিক গণ অধিকাৰ, আমি অসমৰ জনগণ, নিউজ-৩০ আদি দৈনিক কাকতৰ গুৱাহাটীস্থিত মুখ্য কাৰ্য্যালয়ত ষ্টাফ ৰিপ'ৰ্টাৰ হিচাপে কাৰ্যনিবাহ কৰিছে। নিউজ টাইম অসম তথা বৰ্তমানৰ প্ৰতিদিন টাইমতো তেওঁ সংবাদ সেৱা আগবঢ়াইছে। তদুপৰি বহুকেইখন সাপ্তাহিক কাকত, ৱেব নিউজ প'ৰ্টেলৰ স'তেও জড়িত হৈ আহিছে সাংবাদিক চাইজুৰ ৰহমান। অসম বিধান সভাৰ অধিৱেশনৰ সময়ত আৰু দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণৰ সময়ত বাতৰি সংগ্ৰহৰ বাবে বিশেষ পৰিচয় পত্ৰ লাভ কৰা সাংবাদিক চাইজুৰ ৰহমানে একাগ্ৰতা, সততা আৰু নিষ্ঠাৰে সংবাদ সেৱা আগবঢ়াই অহাৰ বাবে তেওঁ ইতিমধ্যে অসম চৰকাৰৰ মন্ত্ৰী প্ৰমীলাৰাণী ব্ৰহ্মৰ দ্বাৰা সাংবাদিক হিচাপে সম্বৰ্ধিত হোৱাৰ লগতে সামাজিক, সাংস্কৃতিক অনুষ্ঠান কৃষ্টিৰ সংবাদ প্ৰেৰণা বঁটা-২০১৯ লাভ কৰিবলৈ সক্ষম হৈছে। সাংবাদিক চাইজুৰ ৰহমান বৰ্তমান ৰাষ্ট্ৰীয় চেটেলাইট নিউজ চেনেল ফ'ৰ টিভি নিউজত কৰ্মৰত হৈ থকাৰ লগতে ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ কেইবাটাও সংবাদ প্ৰতিষ্ঠানৰ লগতে অসমীয়া দৈনিক কাকততো সংবাদ সেৱা আগবঢ়াই আছে। সাংবাদিক গৰাকীয়ে লাভ কৰা উক্ত সন্মানৰ বাবে তেওঁক বৰপেটা জিলা সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক নিতুমনি দাস, ইণ্ডিয়ান ৰিপ'ৰ্টাৰ্ছ এচোচিয়েছন অসম সমিতিকে ধৰি বহুকেইটা অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিয়ে আন্তৰিক শুভেচ্ছা জনাইছে।

# ডিব্ৰুগড়ত ৭২সংখ্যক গণৰাজ্য দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ২৮ জানুৱাৰী ঃ** সমগ্ৰ দেশৰ লগতে ডিব্ৰুগড় জিলাতো ৭২ সংখ্যক গণৰাজ্য দিৱস অতি উলহ মালহৰে উদযাপন কৰা হয়। ডিব্ৰুগড় চৌকিডিঙ্গী খেলপথাৰত অনুষ্ঠিত গণৰাজ্য দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীত ৰাজ্য চৰকাৰৰ উদ্যোগ আৰু বাণিজ্য, পৰিবহণ আদি বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে মুখ্য অতিথিৰূপে উপস্থিত থাকি ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। ৰাষ্ট্ৰীয় পতাকা উত্তোলনৰ পিছতে মুখ্য অতিথিৰূপে উপস্থিত থকা মন্ত্ৰী পাটোৱাৰীয়ে ডিব্ৰুগড় জিলাবাসীক উদ্দেশ্যি গণৰাজ্য দিৱসৰ বক্তব্য ৰাখে। পিছত তেওঁ কুচকাৱাজত অংশগ্ৰহণকাৰী ১৩টা আৰক্ষী, অৰ্ধসামৰিক বাহিনীৰ দল আৰু স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ দলৰ অভিবাদন গ্ৰহণ কৰে। আজিৰ অনুষ্ঠানত ১১ টা চৰকাৰী বিভাগ ক্ৰমে স্বাস্থ্য, জনস্বাস্থ্য কাৰিকৰী, ডিব্ৰুগড় পৌৰসভা, শিক্ষা, নিৰ্বাচনী শাখা, কৃষি, সমাজ কল্যাণ, জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ, বন বিভাগ, পৰিবহণ, মীন বিভাগে প্ৰতীকপটৰ জৰিয়তে তেওঁলোকৰ বিভাগত চলি থকা কাম-কাজৰ এক আভাসো দাঙি ধৰাৰ লগতে ইণ্ডিগ' এয়াৰৱেজে তেওঁলোকৰ সামাজিক দায়বদ্ধতা আঁচনিৰ অধীনত হাতত লোৱা কামৰ ব্যাখ্যা আগবঢ়ায়। উল্লেখ্য যে শ্বহীদ তৰ্পণৰে আৰম্ভ হোৱা কাৰ্যসূচীত বিভিন্ন খণ্ডত উল্লেখনীয় বৰঙণি আগবঢ়াই অহা মুঠ ৪৪ জন লোকক ডিব্ৰুগড় জিলা প্ৰশাসনৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱাৰ লগতে প্ৰশংসা পত্ৰ প্ৰদান কৰা হয়। যাৰ ভিতৰত সামাজিক ক্ষেত্ৰলৈ থকা বৰঙণিৰ বাবে নিৰঞ্জন বাগাৰীয়া, শৰত জ্যোতি চাৰিঙীয়া ফুকন, আৰু সাহসিকতাৰে এগৰাকী কিশোৰীৰ প্ৰাণ ৰক্ষা কৰাৰ বাবে শিৱ কন্দক জিলা প্ৰশাসনৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। এই অনুষ্ঠানত বিগত সময়চোৱাত সংবাদ ক্ষেত্ৰৰ সৈতে জড়িত হৈ সমাজলৈ আগবঢ়োৱা বৰঙণিৰ বাবে অসমীয়া প্ৰতিদিন কাকতৰ ডিব্ৰুগড়ৰ জ্যেষ্ঠ সাংবাদিক প্ৰবীৰ চক্ৰৱৰ্তী, ডি ওৱাই ৩৬৫ৰ ডিব্ৰুগড়ৰ সাংবাদিক ৰাতুল বুঢ়াগোহাঁই আৰু অসমীয়া প্ৰতিদিন কাকতৰ নাহৰকটীয়াৰ সাংবাদিক বুলন শইকীয়াক ডিব্ৰুগড় জিলা প্ৰশাসনৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত ১ জন কৃতী শিক্ষক, ৪ গৰাকী শিশু বিজ্ঞানী, ৮ খন স্বচ্ছ বিদ্যালয়, এচ বি আইৰ মৰাণ শাখা, ৩ জন গাঁও ৰক্ষী বাহিনীৰ সদস্য, ১ জন মৌজাদাৰ, ১ গৰাকী মহিলা উদ্যোগী, ৭ গৰাকী আশা কৰ্মী, ৪ গৰাকী ক্ৰীড়াবিদ, দুটা ক্ৰীড়া দলক তেওঁলোকৰ নিজ নিজ ক্ষেত্ৰত আগবঢ়োৱা উৎকৃষ্ট সেৱা, প্ৰদৰ্শনৰ বাবে সন্মানিত কৰা হয়। এই অনুষ্ঠানত ২ জন মুগা-এৰীপালক, ৩ জন কৃষক আৰু ১ জন পশুপালকক তেওঁলোকে নিজ কষ্টৰে অৰ্জন কৰা সফলতাৰ বাবে প্ৰশংসা পত্ৰ আগবঢ়োৱা হয়। আজিৰ অনুষ্ঠানত ছটা সাংস্কৃতিক দলেও গণৰাজ্য দিৱসৰ সৈতে সংগতি ৰাখি দেশপ্ৰেমমূলক নৃত্য গীত পৰিবেশন কৰে। অনুষ্ঠানত গণৰাজ্য দিৱসৰ সৈতে সংগতি ৰাখি অনুষ্ঠিত কুইজ আৰু চিত্ৰাংকণ প্ৰতিযোগিতাৰ বিজয়ীসকলক বঁটা প্ৰদান কৰা হয়। আজিৰ অনুষ্ঠানত ডিব্ৰুগড় আৰু টিংখণ্ড সমষ্টিৰ বিধায়ক দ্বয় ক্ৰমে প্ৰশান্ত ফুকন আৰু বিমল বৰা,ডিব্ৰুগড় জিলাৰ উপায়ুক্ত পল্লৱ গোপাল ঝা, আৰক্ষী অধীক্ষক প্ৰতীক থুবেৰ লগতে আন কেইবাগৰাকীও গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

# মাহমৰাত অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীক বিদায় সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাহমৰা, ২৮ জানুৱাৰী ঃ** চৰাইদেউ জিলাৰ সোণাৰি প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত ভড়ালীপুখুৰী (খ) মণ্ডলৰ অধীনস্থ বিভিন্ন প্ৰাথমিক আৰু মজলীয়া বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰা তেৰ গৰাকী শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰীক যোৱা ২৩ জানুৱাৰীত আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্ধনা জনায়। এই উপলক্ষে মাহমৰা মধ্য অসমীয়া বিদ্যালয়ত অনুষ্ঠিত বিদায় সম্বৰ্ধনা সভা খনত পৌৰোহিত্য কৰে কাকতীবাৰী মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক নৱ বৰগোঁহায়ে। শতাধিক শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থকা সভাখনত আদৰণি ভাষণ প্ৰদান কৰে মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক লোহিত ফুকনে। বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশন কৰা এটি সমবেত সংগীতেৰে শুভাৰম্ভ কৰা সভাখনৰ উদ্দেশ্য ব্যাখ্যা আগবঢ়াই শিক্ষক ঘনকান্ত বৰাই। সভাত প্ৰধান শিক্ষক দুৰ্গা প্ৰসাদ বৰুৱা, ধীৰেণ বৰগোঁহাই, বিনীতা চেতিয়া, নৰেন ৰাজকোঁৱৰ, শিক্ষয়িত্ৰী আৰতি গোস্বামী, অনিল গগৈৰ উপৰি বহু কেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। দুই নং বৰবিল মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰদীপ বৰুৱাই আঁতধৰা অনুষ্ঠানত টাওকাকমুখ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰদীপ চেতিয়া ফুকন, চেতিয়া পথাৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰ!াদ কাকতী, যোগদা কোঁৱৰ, মাহমৰা মধ্য অসমীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক ভূপেন দেওঘৰীয়া, কোঁৱৰ গাঁও বালিকা বিদ্যালয়ৰ ৰূপেন বড়া, মাহমৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ হৰেন্দ্ৰ নাথ ফুকন, চেত্ৰীকৰ্ণা প্ৰাথমিক বিদ্যালয়ৰ সুচিত্ৰা চুতীয়া, মইনামতী প্ৰাথমিক বিদ্যালয়ৰ গোলাপী বৰুৱা, চিলনীটিং প্ৰাথমিক বিদ্যালয়ৰ ৰঞ্জু কোঁৱৰ, বৰবিল মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰবীণ গগৈ, উজনি কোঁৱৰ গাঁও প্ৰাথমিক বিদ্যালয়ৰ পূৰ্ণিমা কোঁৱৰ আৰু অনিমা বৰগোঁহাই আৰু দুই নং বৰবিল মধ্য ইংৰাজী বিদ্যালয়ৰ চতুৰ্থবৰ্গৰ কৰ্মচাৰী নোমল চেতিয়াক শৰাই, ফুলাম গামোচা, কিতাপৰ টোপোলা, সম্বৰ্ধনা পত্ৰৰে আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্ধনা জনায়। সম্বৰ্ধনা সমিতিৰ সম্পাদক নৃপেন দিহিঙীয়াই শলাগৰ শৰাই আগবঢ়োৱা সভাত কবি নোমল চেতিয়াই এটি স্বৰচিত কবিতা পাঠ কৰে।

প্ৰসংগ ঃ মুকালমুৱা আৰক্ষীক গৰু চোৰৰ দলবদ্ধ আক্ৰমণৰ ঘটনা

## আৰক্ষীয়ে পুনৰ গ্ৰেপ্তাৰ কৰিছে তিনিজনক

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুকালমুৱা, ২৮ জানুৱাৰী ঃ** নলবাৰী জিলাৰ মুকালমুৱা আৰক্ষীয়ে গৰু চোৰৰ বিৰুদ্ধে অভিযান চলাবলৈ গৈ গৰু চোৰসহ পৰিয়ালৰ ভয়াবহ দলবদ্ধ আক্ৰমণৰ সন্মুখীন হোৱা দুমাহ পিছত মুকালমুৱা আৰক্ষীৰ পুণৰ জালত পৰিছে ঘটনাত জড়িত তিনি অভিযুক্ত। উল্লেখ্য যে যোৱা ৩০ নবেম্বৰত মুকালমুৱাৰ গলদিঘলা গাঁৱত মুকালমুৱা আৰক্ষীয়ে দুৰ্ধৰ্ষ গৰু চোৰ আবু বক্কৰ আলীক কৰায়ত্ত কৰিবলৈ গৈ গৰু চোৰ আবু বক্কৰসহ পৰিয়ালৰ দলবদ্ধ আক্ৰমণৰ সন্মুখীন হৈছিল মুকালমুৱা আৰক্ষীৰ দল এটি। গৰু চোৰৰ পৰিয়ালৰ দলবদ্ধ আক্ৰমণত আহত হৈছিল মুকালমুৱা আৰক্ষী থানাৰ সহকাৰী উপ পৰিদৰ্শক মোকছেদ আলীসহ পাঁচজনকৈ আৰক্ষী। আৰক্ষীয়ে ঘটনা সংক্ৰান্তত ৫২৫/২০২০ নম্বৰত ভাৰতীয় দণ্ডবিধিৰ ৩৪১,১৪৭,১৪৯, ৩৫৩, ৪২৭, ৩২৫, ৩২৬, ৩০৭ ধাৰাত গোচৰ ৰজু কৰিছিল যদিও মুল অভিযুক্ত আবু বক্কৰসহ পৰিয়ালৰ কেইবাজনো সদস্য পলাতক হৈ আছিল। নিশা মুকালমুৱা আৰক্ষীয়ে জালুকবাৰী আৰক্ষীৰ সহযোগত আক্ৰমণৰ ঘটনাত জড়িত দুৰ্ধৰ্ষ গৰু চোৰৰ পিতৃ চান্দ মহম্মদ আলী, ভাতৃ ৰিংকু আলী আৰু আন এজন অভিযুক্ত আব্দুল বাৰিক জালুকবাৰীত গ্ৰেপ্তাৰ কৰে। ইতিমধ্যে মুকালমুৱা আৰক্ষীয়ে তিনিওজন অভিযুক্তক আজি নলবাৰী আদালতত হাজিৰ কৰোৱাত আদালতে তিনিওকে জেল হাজোতলৈ প্ৰেৰণ কৰে। ইপিনে এই পৰ্য্যন্ত পলাতক অৱস্থাত আছে মুল অভিযুক্ত দুৰ্ধৰ্ষ গৰু চোৰ আবু বক্কৰ আলী। উল্লেখ্য যে আৰক্ষীক দলবদ্ধ আক্ৰমণ কৰা ঘটনাত জড়িত কেইবাজনক মুকালমুৱা আৰক্ষীয়ে পূৰ্বতে গ্ৰেপ্তাৰ কৰি আদালতত হাজিৰ কৰোৱাত আদালতে জেল হাজোতলৈ প্ৰেৰণ কৰিছে।

## তেজপুৰত চাইকেল ৰেলীৰে মূল্যবৃদ্ধি আৰু কৃষকবিৰোধী ক'লা আইনৰ বিৰুদ্ধে কংগ্ৰেছৰ প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২৮ জানুৱাৰী ঃ** ৰাজ্যত অস্বাভাৱিকভাৱে পেট্ৰ'ল-ডিজেল আৰু ৰন্ধন গেছৰ মূল্যবৃদ্ধি হোৱাৰ প্ৰতিবাদত আৰু কৃষক বিৰোধী ক'লা আইন বাতিলৰ দাবীত তেজপুৰত কংগ্ৰেছে এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। তেজপুৰৰ গাভৰু ব্লক কংগ্ৰেছ আৰু পৌৰ ব্লক কংগ্ৰেছ কমিটিৰ উদ্যোগত তথা শোণিতপুৰ জিলা কমিটিৰ সহযোগত আজি জিলা কংগ্ৰেছৰ কাৰ্যালয়ৰ সন্মুখত বিভিন্ন ধৰ্ণাৰে পৰিৱেশ উত্তাল কৰাৰ পিছত চহৰখনৰ ৰাজপথেৰে চাইকেল ৰেলী কাৰ্যসূচী ৰূপায়ণেৰে প্ৰতিবাদ সাব্যস্ত কৰা হয়। জিলা কংগ্ৰেছৰ নৱ নিযুক্ত সভাপতি পৰমানন্দ কাকতি আৰু কাৰ্যকৰী সভাপতি ডাঃ অনুজ মেছৰ লগতে অসম প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক তথা জ্যেষ্ঠ মুখপাত্ৰ অপূৰ্ব কুমাৰ ভট্টাচাৰ্য, জিলা সাধাৰণ সম্পাদক জিতেন শইকীয়া, ব্লক সভাপতিদ্বয় ফিৰোজোৰ ৰহমান আৰু প্ৰশান্ত দাসৰ লগতে ভালে সংখ্যক দলীয় নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰে। মূল্যবৃদ্ধি আৰু কৃষক বিৰোধী ক'লা আইনৰ প্ৰতিবাদী কাৰ্যসূচীৰ আৰম্ভণিতে বিধায়ক জামালুদ্দিন আহমেদ আৰু প্ৰাক্তন বিধায়িকা আৰতী কছাৰী হাজৰিকাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি জিলা কংগ্ৰেছ কমিটিৰ তৰফৰ পৰা বিদেহী আত্মাৰ সদ্‌গতি কামনা কৰি এক মিনিট সময় মৌন প্ৰাৰ্থনা জনোৱা হয়।

# ৫ ফেব্ৰুৱাৰীত ১৯ হাজাৰ বিদ্যালয় প্ৰাদেশিকীকৰণ, ১৫ হাজাৰলৈ নিযুক্তি-পত্ৰ

## ৭ ফেব্ৰুৱাৰীত চৰাইদেউ মেডিকেল কলেজৰ আধাৰশিলা স্থাপন কৰা হ'ব ঃ শিৱসাগৰত মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ স্বয়ম আঁচনিৰ শুভাৰম্ভ কৰি ঘোষণা

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি শিৱসাগৰ, ২৮ জানুৱাৰী ঃ** শিৱসাগৰ বৰ্ড়িং খেলপথাৰত বুধবাৰে অনুষ্ঠিত হোৱা 'নৱৰূপত স্বয়ম' স্বামী বিৱেকানন্দ যুৱ সৱলীকৰণ যোজনা আঁচনিখন শুভ উদ্বোধন কৰে অসমৰ বিত্ত-স্বাস্থ্য আৰু শিক্ষা মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। ড° শৰ্মাই সভাত উপস্থিত থকা ৰাইজক সম্বোধিত কৰি কয় যে সুদীৰ্ঘ দিনধৰি দৰমহাৰ পৰা বঞ্চিত হৈ থকা শিক্ষক সকলৰ চাকৰি অহা ৩০ জানুৱাৰীৰ দিনা নিয়মীয়াকৰণেৰে গুৱাহাটীত নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। ৫ ফেব্ৰুৱাৰীত অসমৰ ১৯ হেজাৰ বিদ্যালয় প্ৰাদেশিকীকৰণ কৰা হ'ব। একেদিনাই প্ৰাথমিকৰ পৰা উচ্চতৰ মাধ্যমিকলৈ ১৫ হেজাৰ শিক্ষকক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। শিৱসাগৰ জিলাতো দ্ৰুত উন্নয়ন হোৱা বুলি দোহাৰি তেওঁ কয় ৭ ফেব্ৰুৱাৰীত চৰাইদেউ জিলাত নতুন মেডিকেল কলেজ নিৰ্মাণৰ কাম আৰম্ভ হ'ব। শিৱসাগৰ জিলাৰ যান-জঁটৰ সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি অসম মালা আঁচনিৰ অধীনত নিৰ্মাণ কৰা শিৱসাগৰ সোণাৰি পথ দেশৰ প্ৰধানমন্ত্ৰীয়ে মুকলি কৰিব। যিটো পথেৰে চাৰিখনকৈ গাড়ী একেলগে অহাযোৱা কৰিব পাৰিব বুলি মন্ত্ৰী গৰাকীয়ে উল্লেখ কৰে। তদুপৰি ঐতিহাসিক জেৰেঙা পথাৰৰ এশ বিঘা মাটিত মহাসতী জয়মতীৰ স্মৃতি ৰক্ষাৰ বাবে এক ক্ষেত্ৰ নিৰ্মাণৰ কাম অচিৰেই আৰম্ভ হ'ব। শিৱসাগৰ নাট্য মন্দিৰলৈ ইতিপূৰ্বে ঘোষণা কৰা এক কোটি টকা কেইটামান দিনৰ ভিতৰতে মুকলি কৰি দিয়া হ'ব। একেদৰে শিৱসাগৰ পুখুৰীৰ পাৰত থকা টাই মিউজিয়াম অত্যাধুনিক প্ৰযুক্তি কৌশলেৰে নিৰ্মাণৰ পৰিকল্পনা প্ৰস্তুত কৰা হৈছে। ধেমাজিতো নতুন মেডিকেল কলেজৰ কাম আৰম্ভ হোৱাৰ পথত বুলি উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে স্বয়ম আঁচনিৰ সৰ্ন্দভত কয় আজি আবেলিৰে পৰা কাইলৈ পুৱাৰ ভিতৰত হিতাধিকাৰীয়ে প্ৰথম পৰ্যায়ৰ ৩০ হেজাৰ টকা একাউণ্টত লাভ কৰিব। এই ধন সঠিক কামত ব্যৱহাৰ কৰা হিতাধিকাৰীয়ে পৰৱৰ্ত্তী সময়ত আৰু ২০ হেজাৰ টকা লাভ কৰিব। স্বয়মৰ গোটসমূহক গড়কাপ্তানী বিভাগৰ ক্ষুদ্ৰ ক্ষুদ্ৰ ঠিকা কাম কৰাৰ বাবে বিনামুলীয়াকৈ পঞ্জীয়ন কৰাই দিয়া হ'ব। এতিয়াৰে পৰা ডাঙৰ ঠিকাদাৰৰ পৰিৱৰ্তে অসমত স্বয়মৰ গোটে এই কাম কৰিব। বিগত বৰ্ষৰ বাজেটত অসমৰ দুই লাখ যুৱকক স্বয়মৰ যোগেদি সাহাৰ্য প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰা হৈছিল যদিও ৪ লাখ যুৱকে আঁচনিখনৰ বাবে আৱেদন জনাই। এইবাৰ ২ লাখ যুৱকক চৰকাৰী সাহাৰ্য প্ৰদান কৰাৰ পিছত বাকী দুই লাখক অহা বৰ্ষত এনে সাহাৰ্য প্ৰদান কৰা হ'ব বুলি তেওঁ ঘোষণা কৰে। মন্ত্ৰী গৰাকীয়ে কয় অসমৰ ২২ লাখ মহিলাক অৰুনোদয় আঁচনিৰ যোগেদি ৮৩০ টকাকৈ দুটা কিস্তিৰ ধন এইবাৰ দ্বিতীয়টো কিস্তিৰ ধন প্ৰদান কৰা হ'ব। ২২ লাখ হিতাধিকাৰীৰ সংখ্যা ৩০ লাখলৈ বৃদ্ধি কৰি তেওঁলোকক প্ৰতিমাহতেই ৩ হেজাৰ টকাকৈ ধন প্ৰদানৰ বাবে চৰকাৰে চিন্তা কৰি আছে। ৮ ফেব্ৰুৱাৰীত কনকলতা আঁচনিৰ যোগেদি মহিলা আত্মসহায়ক গোট সমূহক ৫০ হেজাৰকৈ টকা একাউণ্টত প্ৰদান কৰা হ'ব। ৪ লাখ ছাত্ৰ-ছাত্ৰীক বিনামুলীয়াকৈ শিক্ষানুষ্ঠানত নাম ভৰ্তিকৰণৰ সুযোগ প্ৰদান কৰাৰ সমান্তৰালকৈ এতিয়া বিনামুলীয়া পাঠ্যপুথি একাদশ আৰু দ্বাদশ শ্ৰেণীৰ ছাত্ৰ ছাত্ৰীকো প্ৰদান কৰা হৈছে। বি.এ আৰু বিএছচি নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীসকলৰ একাউণ্টত চৰকাৰে ১৫০০ টকাকৈ ভৰাই দিব। পূৰ্বতে প্ৰথমৰ পৰা অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক বিনামুলীয়া ইউনিফৰ্ম দিয়া হৈছিল যদিও এইবাৰ নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীকো বিনামুলীয়া ইউনিফৰ্ম প্ৰদান কৰা হ'ব। মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় পূৰ্বৰ চৰকাৰৰ দিনত ৰাজ্যখনত বছৰি ৮০০ কিলোমিটাৰ পথ নিৰ্মাণ কৰা হৈছিল যদিও যোৱা ৩ বছৰৰ পৰা অসমত প্ৰতি বছৰে ৮ হেজাৰ কিলোমিটাৰকৈ পথ নিৰ্মাণ কৰা হৈছে। অসমৰ জাতীয়ৱনলৈ পৰিৱৰ্ত্তন আহিছে। কম সময়ৰ ভিতৰতে দেশৰ ৫ খন ৰাজ্যৰ উন্নয়ণ ৰাজ্যৰ তালিকাত অসমৰ নাম অৰ্ন্তভূক্ত হ'ব। আজিৰ সভাত একাংশ সমালোচকক ক্ষুৰধাৰ সমালোচনা কৰি মন্ত্ৰী শৰ্মাই কয় একাংশ সমালোচকে চৰকাৰক প্ৰতিটো সময়তে সমালোচনা কৰে যদিও ক'ভিড মহামাৰীৰ সময়ত এইচাম সমালোচক গাঁতত সোমাই আছিল। কভিডৰ আতংক যোৱাৰ পিছত এতিকয়া গাঁতৰ পৰা ওলাই চৰকাৰক সমালোচনা কৰিছে। কিন্তু ক'ভিড আক্ৰান্ত লোকক এই সকলে এবটল প্লাজমা দিছিল নেকি বুলি তেওঁ প্ৰশ্ন উত্থাপন কৰে। স্বয়ম হিতাধিকাৰীৰ বাবে চৰকাৰৰ সকলো দ্বাৰ খোলা আছে বুলি দোহাৰি মন্ত্ৰী শৰ্মাই তেওঁলোকক এই আঁচনিলৈ আগবঢ়াই অনা মন্ত্ৰী বিধায়ক সকলক সহায় কৰিবলৈ মুকলিমুৰীয়াকৈ আহ্বান জনায়। তদুপৰি প্ৰতিগৰাকী হিতাধিকাৰীক ১৫ গৰাকীকৈ নিবনুৱাক সংস্থাপন দিব পৰাকৈ নিজকে প্ৰতিষ্ঠা কৰিবলৈও আহ্বান জনায়। আজিৰ অনুষ্ঠানত মন্ত্ৰী যোগেন মহন, সাংসদ কামাখ্যা প্ৰসাদ তাচা, জিলা উন্নয়ণ আয়ুক্ত নবাব আল আজহাৰ আলী, বিধায়ক কুশল দুৱৰী, নৱনীতা সন্দিকৈ, বিজেপি নেতা অনুপ সিং ৰাজপুৰুহিত, বিতুপন ৰাইদঙীয়া, বিজিত গগৈ, সত্ৰাধিকাৰ লক্ষ্মীকান্ত মহন্ত, বিশিষ্ট নাগৰিক হৰেন মিলিকে আদি কৰি ভালেসংখ্য বিশিষ্ট ব্যক্তি উপস্থিত থকা সভাখনত ৰুমিন বৰুৱা আৰু ময়ুৰ বৰগোঁহাইয়ে আঁত ধৰে। সভাখনৰ আদৰণি ভাষণ প্ৰদান কৰি বিষ্ণু কমল বৰাই কয়— যুৱ শক্তিৰ উত্তৰণৰ বাবে চৰকাৰে এই আঁচনি হাতত লৈছে। আঁচনিখনে অসমৰ গ্ৰাম্য অৰ্থনীতিক শক্তিশালী কৰিব। প্ৰত্যেকটো সমষ্টিৰ এক হেজাৰ যুৱকক এই আঁচনিত সামৰি লোৱা হৈছে। মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সৃষ্টি আত্মসহায়ক গোটৰ শিৰোমণি বৰা আৰু পূৰেৰুণ আত্মসহায়ক গোটৰ প্ৰাণজিৎ নাথক ৩০ হেজাৰ টকাৰ চেক্ প্ৰদানেৰে আঁচনিখনৰ শুভাৰম্ভ কৰে।

# মাজুলীত ধঁপাত নিয়ন্ত্ৰণ সন্দৰ্ভত কৰ্মশালা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ২৮ জানুৱাৰী ঃ** ৰাষ্ট্ৰীয় ধপাঁত নিয়ন্ত্ৰণ কাৰ্যসূচীৰ অন্তৰ্গত ৰাজ্যিক ধপাঁত নিয়ন্ত্ৰণ কোষৰ অধীনত তথা যোৰহাট আৰু মাজুলী ধপাঁত নিয়ন্ত্ৰণ কোষৰ সৌজন্যত আজি মাজুলী মিলন সংঘ, কমলাবাৰীত এখন ধপাঁত নিয়ন্ত্ৰণ সন্দৰ্ভত কৰ্মশালা আৰু সজাগতা সভা অনুষ্ঠিত হয়। অসম ৰাজ্যিক ধপাঁত নিয়ন্ত্ৰণ কোষৰ ন'ডেল বিষয়া অৰুন্ধতী ডেকাৰ সঞ্চালনাত অনুষ্ঠিত কৰ্মশালাৰ আঁত ধৰে যোৰহাট আৰু মাজুলী জিলাৰ ধপাঁত নিয়ন্ত্ৰণ কোষৰ ন'ডেল বিষয়া ডাঃ ভক্তিময় ভট্টাচাৰ্যই। সঞ্চালিকা ডেকাই ধপাঁতৰ লগতে অন্যান্য মাদক দ্ৰব্য ব্যৱহাৰৰ ফলত মানৱ জীৱনলৈ

**ডাঃ ভক্তিময় ভট্টাচাৰ্যক সম্বৰ্ধনা**

অহা ভাবুকি সন্দৰ্ভত ব্যক্ত কৰি ধপাঁতকে ধৰি অন্যান্য সামগ্ৰী বৰ্জন কৰিবলৈ সমাজত এক আন্দোলন গঢ় দিবলৈ আহবান জনায়। বিশেষকৈ উঠি অহা প্ৰজন্ম ইয়াৰ প্ৰতি আসক্ত নহয় তাৰ প্ৰতি চকু দিবলৈ সকলোকে আহবান জনোৱাৰ লগতে মাজুলী জিলাক সম্পূৰ্ণ ৰূপে ধপাঁত মুক্ত কৰিবলৈ ধপাঁত নিয়ন্ত্ৰণ কোষক সহযোগিতা আগবঢ়াব বুলি আশা ব্যক্ত কৰে। কৰ্মশালাত সমল ব্যক্তি ৰূপে ডাঃ ভক্তিময় ভট্টাচাৰ্য আৰু খাদ্য সুৰক্ষা বিষয়া সমীৰণ বৰদলৈয়ে ধপাঁত ব্যৱহাৰৰ জৰিয়তে হ'ব পৰা ভয়াৱহ ৰোগৰ লগতে খাদ্য সুৰক্ষা আইনৰ জৰিয়তে আৰক্ষী প্ৰশাসনে ল'ব পৰা ব্যৱস্থা সন্দৰ্ভত উপস্থিত সকলোকে বুজাই কয়। কৰ্মশালাত অতিৰিক্ত উপায়ুক্ত অৰিন্দম বৰুৱা, উপ-আৰক্ষী অধীক্ষক পাৰ্থপ্ৰতিম শইকীয়া, স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ নীলকান্ত পেগু উপস্থিত থাকি মাজুলীক এখন ধপাঁত তথা মাদক দ্ৰব্য মুক্ত জিলা গঢ় দিয়াৰ পোষকতা কৰে আৰু এইক্ষেত্ৰত সকলোৰে সহযোগিতা কামনা কৰে। সভাত জিলা সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়াই আঁত ধৰা চমু অনুষ্ঠানত ডাঃ ভক্তিময় ভট্টাচাৰ্যক সম্বৰ্ধনা পত্ৰ আৰু গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

# ওদালবাক্ৰা সাহিত্য সভাৰ বিশেষ বাৰ্ষিক অধিৱেশন সম্পন্ন



**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেল্লা, ২৮ জানুৱাৰী ঃ** ওদালবাক্ৰা সাহিত্য সভাৰ দশম বিশেষ দ্বি বাৰ্ষিক অধিৱেশনখন স্থানীয় বিষ্ণু ৰাভা উদ্যানত অৱস্থিত দিলীপ তালুকদাৰ সোঁৱৰণী মঞ্চত অনুষ্ঠিত হৈ যায়। পুৱা ৯ বজাত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে শাখাৰ সভাপতি চিত্তৰঞ্জন ডেকাই। বিয়লি দুই বজাত চিত্তৰঞ্জন ডেকাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা অধিৱেশনৰ মূল কাৰ্যসূচীত সম্পাদক গুজৰাট দেউৰীয়ে সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে। সভাৰ আৰম্ভণিতে বন্তি প্ৰজলন কৰি সভাৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে কবি মিনু হাজৰিকাই। অধিৱেশনৰ লগত সংগতি ৰাখি এখনি কবি সন্মিলনো অনুষ্ঠিত হয়। কবি সন্মিলনত কবিতা পাঠ কৰে শিপ্ৰা নাগ দেৱদৰ্শনা দেউৰী, ড° অৰ্চনা দেৱী, মিনু হাজৰিকা, ৰুণু দেৱী, শিশুকবি স্বৱনম হাজৰিকা, সুভাষ শৰ্মা, অঞ্জনা বৰুৱা, তিলোত্তমা দত্ত, নৰেন ডেকা, প্ৰসন্ন দত্ত, দীপালী ভৰালী, আৰতি হাজৰিকা, শিল্পী ৰেখা গগৈ, নৰেন ডেকা, প্ৰফুল্ল চন্দ্ৰ দাস, ৰামচন্দ্ৰ শৰ্মা, ভগৱান বৰ্মন, গুজৰাট দেউৰীয়ে। অনুষ্ঠানত প্ৰবন্ধ পাঠো কৰা হয়। পঠিত কবিতা আৰু প্ৰবন্ধৰ ওপৰত পৰ্যালোচনা আগবঢ়ায় অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক বিষ্ণু ডেকাই। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়।

# পদুম পুখুৰী হাইস্কুলৰ সোণালী জয়ন্তী উদ্‌যাপনৰ সামৰণি

## বৰ্ণিল শোভাযাত্ৰা ঃ স্মৃতিগ্ৰন্থ উন্মোচন ঃ সমাজ আৰু স্থান অনুসৰি ছাত্ৰ-ছাত্ৰীয়ে বিচৰা ধৰণে শিক্ষা নীতি প্ৰস্তুতৰ পোষকতা ঃ ড°যোগেন কলিতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, দেওমৰনৈ, ২৮ জানুৱাৰী ঃ** দৰং জিলাৰ দেওমৰনৈৰ পাৰ্শ্বৱৰ্তী পদুম পুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱৰ সামৰণি পৰে। দুদিনীয়া কাৰ্যসূচীৰ বাৰে ৰহণীয়া বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰাই আপ্লুত কৰিলে বৃহত্তৰ মহলীয়াপাৰা কেন্দ্ৰিক ৰামগাঁও, বানেইকুছি, বৈৰাগীপাৰাকে ধৰি পাৰ্শ্বৱৰ্তী গাঁও সমূহৰ ৰাইজক। ২৩ আৰু ২৪ জানুৱাৰীত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰা সোণালী জয়ন্তীৰ বাৰে ৰহণীয়া বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰাত জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ আপুৰুগীয়া কৃষ্টি গায়ন-বায়ন, কৃষ্ণ নৃত্য, দৰঙৰ অন্যতম কলা-কৃষ্টি খুলীয়া ভাওনাৰ দল, সুকন্নানী ওজা শিল্পী, ব্যাস সংগীতৰ ওজা শিল্পীৰ দল, কোচৰাজবংশীৰ জনগোষ্ঠীয় নৃত্য, নাগাৰা নাম, নেপালী নৃত্য,বড়ো জনগোষ্ঠীৰ খেৰাই নৃত্যকে ধৰি একাধিক কৃষ্টি, মাছমৰীয়া মহিলাৰ দল, নাঙল-যুঁৱলীৰে গাঁৱৰ চহা কৃষকৰ দলকে প্ৰমুখ্য কৰি দুকুৰীৰো অধিক কৃষ্টি দলৰ নিজৰ নিজৰ কৃষ্টি প্ৰদৰ্শনে ৰাইজক মুহিত কৰে। বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা দেওমৰনৈ ৰাজ্যিক পশু চিকিৎসালয়ৰ চিকিৎসা বিষয়া ডাঃ জনক শইকীয়াই কৃষ্টি দল সমন্বিতে পাঁচ সহস্ৰাধিক হিতাকাংশীৰ সমদলৰে শুভাৰম্ভ কৰা সাংস্কৃতিক শোভাযাত্ৰা বিদ্যালয়ৰ মূল তোৰণৰ পৰা আৰম্ভ কৰি মহলীয়াপাৰা চক হৈ ৰামগাঁও-বানেইকুছি-বৈৰাগীপাৰা-উঁহৰচক হৈ সমদল কৰি পুনৰ বিদ্যালয়ত সমাপ্ত কৰে। দুপৰীয়া দুই বজাত অনুষ্ঠিত মুকলি আৰু স্মৃতিগ্ৰন্থ উন্মোচন সভাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ অধ্যাপক তথা মানৱ সম্পদ উন্নয়ন বিভাগৰ প্ৰাক্তন সঞ্চালক ডঃ যোগেন কলিতাই অতি সম্প্ৰতি ৰাজ্যত উন্নত শিক্ষা নীতিৰ প্ৰয়োজনীয়তা অনুভৱ কৰে। বিশিষ্ট শিক্ষাবিদগৰাকীয়ে সমাজ আৰু ঠাই অনুসৰি ছাত্ৰ-ছাত্ৰী সকলে বিচৰামতে সহজ শিক্ষা নীতিৰে জাপান, টকিঅ', ইংলেণ্ড আদি বহিৰাষ্ট্ৰৰ লেখিয়াকৈ ৰাষ্ট্ৰীয় শিক্ষা নীতি প্ৰয়োগেৰে ৰাজ্যৰ শিক্ষা ব্যৱস্থা গ্ৰহণ কৰাৰো পোষকতা কৰে। এই ক্ষেত্ৰত শিক্ষক সমাজ, শিক্ষা সচেতন ব্যক্তি বিশেষকৈ স্থানীয় জনপ্ৰতিনিধিৰ জৰিয়তে বিধান পৰিষদত বিষয়টো অৱগত কৰোৱাবলৈ আহ্বান জনায় বিশিষ্ট শিক্ষাবিদ গৰাকীয়ে। সোণালী জয়ন্তী উদ্‌যাপন পৰিচালনা সমিতিৰ সভাপতি তথা স্থানীয় বিধায়ক বিনন্দ কুমাৰ শইকীয়াই সঞ্চালনা কৰা সভাত স্মৃতি গ্ৰন্থ উপ সমিতিৰ সভাপতি নীলমনি শৰ্মা আৰু সম্পাদক ভদ্ৰ কলিতাৰ সম্পাদনাত প্ৰকাশ কৰি উলিওৱা 'কমলজ্যোতি' শীৰ্ষক স্মৃতি গ্ৰন্থ উন্মোচন কৰে দেওমৰনৈ সামূহিক স্বাস্থ্য কেন্দ্ৰৰ উপ অধীক্ষক তথা দৰং জিলা কবি সমাজৰ সভাপতি, ডাঃ কমলাকান্ত শৰ্মাই। বিদ্যালয় পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি, প্ৰাক্তন সাংসদ মাধৱ চন্দ্ৰ ৰাজবংশীয়ে উদ্বোধন কৰা সভাত দৰং জিলা পৰিষদৰ সভাপতি ধীৰেন্দ্ৰ ডেকা, দৰং জিলা অধিবিদ্যা পৰিষদৰ প্ৰাক্তন সম্পাদক ৰামচন্দ্ৰ চহৰীয়া, বুঢ়ীনগৰ গাঁও পঞ্চায়তৰ সভানেত্ৰী মামনি ডেকা, সদৌ অসম ছাত্ৰ সন্থাৰ বিত্তীয় সম্পাদক খনীন্দ্ৰ ৰাজবংশী, দৰং জিলা ছাত্ৰ সন্থাৰ সভাপতি পৰাগ কুমাৰ চহৰীয়া প্ৰমুখ্যে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সভাত বিদ্যালয়ৰ শিক্ষয়িত্ৰী তথা প্ৰাক্তন ছাত্ৰী মনিষা চহৰীয়াৰ গীত পৰিবেশনে দৰ্শকক আপ্লুত কৰে। ইপিনে তেইশ জানুৱাৰীৰ পুৱা স্বচ্ছতা অভিযানৰ পিছতে 'দানসাগৰ' বলী ৰাম ডেকাৰ আৰ্থিক অনুদানেৰে নিৰ্মিত বিদ্যালয় সংযোগী উন্নীতকৰণ পথ উন্মোচন কৰে শিক্ষক শিৱৰাম ডেকাই। আঠ বজাত বন্তি প্ৰজ্বলন কৰে বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি ধীৰেশ্বৰ শৰ্মাই। ইয়াৰ পিছত স্থায়ী পতাকাৰ বেদী উন্মোচন কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক লক্ষেশ্বৰ ডেকাই। চাৰে আঠ বজাত সোণালী জয়ন্তীৰ মূল পতাকা উত্তোলন কৰে পৰিচালনা সমিতিৰ সভাপতি বিনন্দ কুমাৰ শইকীয়াই। সমান্তৰালভাৱে পঞ্চাশ গৰাকী বিশিষ্ট ব্যক্তিৰ দ্বাৰা পঞ্চাশখন আনুষংগিক পতাকা উত্তোলন কৰা হয়। ইয়াৰ পাছতে ক্ৰমে বিদ্যায়লৰ পতাকা বিদ্যালয়ৰ প্ৰধান জানকী ডেকা, সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা দৰং জিলা ছাত্ৰ সন্থাৰ সভাপতি পৰাগ কুমাৰ চহৰীয়া আৰু স্কাউট গাইডৰ পতাকা দৰং জিলা স্কাউট গাইডৰ সম্পাদক ভৈৰৱ চন্দ্ৰ কুমাৰে উত্তোলন কৰে। চাৰে ন বজাত বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষক প্ৰয়াত মহীৰাম চহৰীয়া সোঁৱৰণী স্মৃতি সৌধ উন্মোচন কৰে উদযাপন সমিতিৰ মুখ্য সম্পাদক সিদ্ধিনাথ শৰ্মাই। স্মৃতি তৰ্পণ কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ফটিক চন্দ্ৰ চহৰীয়াই। দহ বজাত বিশিষ্ট সমাজকৰ্মী প্ৰয়াত কৃষ্ণ কান্ত চহৰীয়া সোঁৱৰণী সোণালী জয়ন্তীৰ মূল তোৰণ উন্মোচন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক গংগাৰাম চহৰীয়াই। ইয়াৰ পিছতে স্থায়ী ৰংগমঞ্চ মুকলি কৰে উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি কানুৰাম শইকীয়াই। নৱ নিৰ্মিত স্থায়ী চাইকেল আস্থান মুকলি কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক দেবেন্দ্ৰনাথ নাথ চহৰীয়াই। চাৰে দহ বজাত বিধায়কৰ সমষ্টি উন্নয়ণ পুঁজিৰ আবণ্টিত পাঁচ লাখ টকাৰে নৱ নিৰ্মিত বিদ্যালয় কোঠাৰ দ্বাৰা মুকলি কৰে বিধায়ক বিনন্দ কুমাৰ শইকীয়াই। দিনৰ বাবে বজাৰ সম্বৰ্দ্ধনা অনুষ্ঠান সঞ্চালনা কৰে দেওমৰনৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ কমিৰাম বৰুৱাই। দলগাঁওস্থ 'ডায়েট'ৰ জ্যেষ্ঠ প্ৰবক্তা দেবেন্দ্ৰ কুমাৰ কলিতাই উদ্বোধন কৰা অনুষ্ঠানত বিদ্যালয়। প্ৰতিষ্ঠা কালৰ কেইবাগৰাকীও প্ৰয়াত ব্যক্তি আৰু শিক্ষক-কৰ্মচাৰীক মৰণোত্তৰ ভাবে সম্বৰ্দ্ধনা জনোৱাৰ উপৰিও বিদ্যালয়ৰ গৌৰৱ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমন্বিতে অৰ্ধশতাধিকক সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। দুই বজাৰ ন-পুৰণি ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰীৰ সতীৰ্থ সন্মিলন সঞ্চালনা কৰে মধ্য খণ্ডৰ প্ৰতিষ্ঠাপক অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক সিদ্ধিলাভ ডেকাই। দেওমৰনৈ মহাবিদ্যালয়ৰ প্ৰবক্তা তথা প্ৰাক্তন ছাত্ৰ যামিনী মোহন চৌধুৰীয়ে উদ্বোধন কৰা সন্মিলন পৰিলনা কৰে ডাঁহী মজলীয়া বিদ্যালয়ৰ শিক্ষক, প্ৰাক্তন ছাত্ৰ চন্দ্ৰ প্ৰসাদ শইকীয়া আৰু প্ৰাক্ত ছাত্ৰ মৃত্যুঞ্জয় ডেকাই। সন্ধিয়া পাঁচ বজাত পঞ্চাশ গৰাকী বিশিষ্ট ব্যক্তি, প্ৰাক্তন ছাত্ৰৰ দ্বাৰা বন্তি প্ৰজ্বলন কাৰ্যসূচীৰ মুখ্য প্ৰজ্বলন হিচাপে অংশ গ্ৰহণ কৰে অৱসৰপ্ৰাপ্ত শিক্ষক শনিবৰ বৰুৱাই।

# চাবুৱাৰ গৃহৰক্ষী বাহিনী প্ৰশিক্ষণ কেন্দ্ৰত ২ ফেব্ৰুৱাৰীত শাৰীৰিক সক্ষমতাৰ পৰীক্ষা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ২৮ জানুৱাৰী ঃ** ডিব্ৰুগড় জিলাৰ গৃহৰক্ষী বাহিনীৰ জিলা অধিনায়েক জনোৱা অনুসৰি ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ ম্যাদ উকলি যোৱা যিসকল গৃহৰক্ষী স্বেচ্ছাসেৱকয় সেৱিকাই ২০২০-২০২১ বৰ্ষৰ শাৰীৰিক সক্ষমতাৰ পৰীক্ষাত অৱতীৰ্ণ হবৰ বাবে ডিব্ৰুগড় জিলা গৃহৰক্ষী বাহিনীৰ কাৰ্যালয়ত প্ৰ-পত্ৰ জমা দিছে তেখেতসকলৰ শাৰীৰিক সক্ষমতাৰ পৰীক্ষা চলিত বৰ্ষৰ ২ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব। গৃহৰক্ষী বাহিনী প্ৰশিক্ষণ কেন্দ্ৰ, চাবুৱাত অনুষ্ঠিত হবলগীয়া শাৰীৰিক সক্ষমতাৰ পৰীক্ষাৰ বাবে আবেদনকাৰীসকলক উক্ত দিনা সংশ্লিষ্ট স্থানত পুৱা ৭ (সাত) বজাৰ পৰা আবেলি ৪ (চাৰি) বজাৰ ভিতৰত উপস্থিত থাকি শাৰীৰিক সক্ষমতাৰ পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ জনোৱাৰ লগতে আবেদনকাৰীসকলক গৃহৰক্ষী বাহিনীৰ কাৰ্যালয়ৰ পৰা দিয়া প্ৰৱেশ পত্ৰ আৰু গৃহৰক্ষী বাহিনীৰ প্ৰশিক্ষণৰ প্ৰমাণ পত্ৰ লগত লৈ আহিবলৈ জনোৱা হৈছে।

## প্ৰথম পৃষ্ঠাৰ পৰা—

## ১৩ দিনত ২৮ লাখে ল'লে

গ্ৰহণ কৰা লোকৰ সংখ্যা পুতৌজনক হিচাপে পৰিগণিত হৈছে। মুঠ ২৮,৪৭,৬০৮ গৰাকী হিতাধিকাৰীয়েহে ভেকচিন গ্ৰহণ কৰিছে। এই কাৰ্যই প্ৰথম পৰ্যায়ত লক্ষ্য নিৰ্ধাৰণ কৰা তিনি কোটি ভেকচিন প্ৰদান কাৰ্য কেতিয়া সম্পূৰ্ণ হ'ব, সেয়া অনিশ্চিত হৈ পৰিছে। একেদৰে অসমতো প্ৰথম পৰ্যায়ত ১.১৯ লাখ লোকে কৰ'না ভেকচিন লাভ কৰিব বুলি চৰকাৰে ঘোষণা কৰিছিল। বৰ্তমানলৈ ভেকচিন গ্ৰহণ কৰা অসমৰ লোকৰ সংখ্যা হ'ল ২৭,৬৯৩ গৰাকী। দেশখনৰ সৰ্বাধিক কৰ'নাজনিত ক্ষতিগ্ৰস্ত হোৱা ৰাজ্যখন হ'ল মহাৰাষ্ট্ৰ। এইখন ৰাজ্যত কৰ'না ভাইৰাছৰ ভেকচিন গ্ৰহণ কৰিছে কেৱল ২,১৮,০৩০ গৰাকীয়ে। আনহাতে কৰ্ণাটকত সৰ্বাধিক সংখ্যক লোকে কৰ'না ভেকচিন গ্ৰহণ কৰিছে। ৰাজ্যখনৰ ২,৮৪,৯৭৯ গৰাকীয়ে কৰ'না ভেকচিন গ্ৰহণ কৰা বুলি ভাৰত চৰকাৰৰ তথ্যত প্ৰকাশ পাইছে। এক লাখতকৈও অধিক লোকে কৰ'না ভেকচিন গ্ৰহণ কৰা ৰাজ্যসমূহৰ মাজত আছে অন্ধ্ৰপ্ৰদেশ, বিহাৰ, গুজৰাট, হাৰিয়ানা, কৰ্ণাটক, মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ, ৰাজস্থান, তেলেংগানা, উত্তৰ প্ৰদেশ আৰু পশ্চিমবংগত। আনহাতে প্ৰত্যেকতকৈ কম সংখ্যক লোকে এই ভেকচিন গ্ৰহণ কৰা ৰাজ্য তথা কেন্দ্ৰীয় শাসিত প্ৰদেশৰ তালিকাত আছে দমন আৰু ডিউ, দাদৰা আৰু নগৰ হাভেলি, লাডাখ, লাক্ষাদ্বীপ।

## তথ্য আৰু জনসংযোগৰ

(নিয়মীয়া বাৰ্তা), আগষ্টাইন টেৰণ (দ্য হিলছ টাইমছ), বাপন চন্দ্ৰ শৰ্মা (নিয়মীয়া বাৰ্তা), বিদ্যুৎ কলিতা (অসমীয়া প্ৰতিদিন), বিপুল কুমাৰ বৰ্মন (নিউজ ১৮ অসম এন ই), বিপুল শইকীয়া (দৈনিক অসম), চম্পক বৈশ্য (আমাৰ অসম), ডালিম ফুকন (দ্য আছাম ট্ৰিবিউন), দেবজিৎ হাজৰিকা (অসমীয়া প্ৰতিদিন), দিবাকৰ শইকীয়া (দৈনিক জনমভূমি), দীপক কুমাৰ শৰ্মা (অসমীয়া প্ৰতিদিন), জয়ন্ত কুমাৰ দাস (ডি ৱাই ৩৬৫), জীতেন বৰকাকতী (অসমীয়া খবৰ), নয়ন প্ৰতিম কুমাৰ (প্ৰতিদিন টাইম), পুলেন কুমাৰ দাস (অসমীয়া প্ৰতিদিন), শৈলেন কুমাৰ শইকীয়া (আমাৰ অসম), সঞ্জয় চক্ৰৱৰ্তী (এনডিটিভি) আৰু উৎপল ডেকা (দৈনিক অসম)। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ নিৰ্বাচিত সাংবাদিক সকলক ৬ ফেব্ৰুৱাৰীত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত দিনৰ ১১.৩০ বজাত অসমৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আনুষ্ঠানিকভাৱে এই এককালীন অনুদান প্ৰদান কৰিব।

**তথ্য আৰু জনসংযোগৰ ২০২০-২১ বৰ্ষৰ মিডিয়া ফেল'শ্বিপ ঘোষণা**
ৰাজ্যৰ মুঠ ১৮ গৰাকী সাংবাদিকক তথ্য আৰু জনসংযোগ বিভাগৰ ২০২০-২০২১ বৰ্ষৰ মিডিয়া ফেল'শ্বিপৰ বাবে নিৰ্বাচিত কৰা হৈছে। কৰ্মৰত সাংবাদিকসকল এটা নিৰ্দিষ্ট বিষয়ত গৱেষণা কৰিবৰ বাবে বৰ্তমানৰ চৰকাৰখনে বিগত তিনি বছৰ ধৰি এই ফেল'শ্বিপ প্ৰদান কৰি আহিছে। এই ফেল'শ্বিপ প্ৰাপ্ত সকলক চৰকাৰে ৫০ হাজাৰকৈ টকা আগবঢ়ায়। এই বৰ্ষত মিডিয়া ফেল'শ্বিপ লাভ কৰা সাংবাদিকসকল ক্ৰমে, অমৰেন্দ্ৰ ডেকা (প্ৰতিদিন টাইম), বিভাষ বৰ্ধন (নৱবাৰ্তা প্ৰসংগ), চন্দন জ্যোতি বৰা (দৈনিক অসম), চন্দন শৰ্মা (ফ্ৰিলেঞ্চাৰ), চিন্ময় শৰ্মা (আমাৰ অসম), দিগন্ত চহৰীয়া (প্ৰাগ নিউজ), দ্বীপ কুমাৰ কলিতা (দ্য ছেন্টিনেল), জোনজ্যোতি দত্তবৰা (প্ৰাগ নিউজ), খনিন্দ্ৰ নাথ ডেকা (দৈনিক অসম), কংকণা গোস্বামী (এন.ই.নিউজ), লক্ষজিৎ গোহাঁই (প্ৰতিদিন টাইম), মানস প্ৰতিম দত্ত (দ্য আছাম ট্ৰিবিউন), মিতালী কোঁৱৰ (প্ৰতিদিন টাইম), পঙ্কজ শইকীয়া (প্ৰতিদিন টাইম), প্ৰস্তুতি গগৈ (প্ৰাগ নিউজ), প্ৰীতিৰেখা ভূঞা (ফ্ৰিলেঞ্চাৰ), বিতুল ভাগৱতী (নিউজ ১৮ অসম এন. ই) আৰু ৰূপালী বৰা (এন.ই.নিউজ)। উল্লেখযোগ্য যে অহা ৬ ফেব্ৰুৱাৰীত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰী শ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত দিনৰ ১১.৩০ বজাত অসমৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে নিৰ্বাচিত সাংবাদিকসকলক মিডিয়া ফেল'শ্বিপ প্ৰদান কৰিব।

## চৰকাৰে বহুজাতিক

শেহতীয়াকৈ এই বিষয়টোৱে ৰাষ্ট্ৰীয় পৰ্যায়তো চৰ্চা লাভ কৰা পৰিলক্ষিত হৈছে। আনহাতে, এই বিষয়টো সম্পৰ্কত অনুসন্ধান কৰিবৰ বাবে কেইবাজনো ৰাষ্ট্ৰীয় পৰ্যায়ৰ সমাজকৰ্মী তথা পৰিৱেশ কৰ্মী আহি নগাঁৱত উপস্থিত হৈছিল। এইসকলৰ ভিতৰৰ গ্ৰীন নলেজ বঁটাৰে সন্মানিত বিশিষ্ট পৰিৱেশ কৰ্মী প্ৰফুল্ল চামাৰ্চায়ী আজি নগাঁৱত আয়োজিত এক সংবাদ মেলত চৰকাৰ আৰু প্ৰশাসনক ক্ষুৰধাৰ সমালোচনা কৰি কয়— চৰকাৰ, আইন আৰু সংবিধান সকলো থকাৰ পিছতো এনে ঘটনা সংঘটিত হোৱাটো দুৰ্ভাগ্যজনক। এই ঘটনাটো যি স্থানত সংঘটিত হৈছে, সেই স্থান তথা সমষ্টিটোৰ জনপ্ৰতিনিধিজন পূৰ্বে দুবাৰকৈ মুখ্যমন্ত্ৰী হৈছিল। প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই প্ৰতিনিধিত্ব কৰা বৃহৎপুৰ সমষ্টিৰ অন্তৰ্গত স্থানত কৃষকৰ ওপৰত প্ৰশাসনৰ অত্যাচাৰ ধিক্কাৰজনক। জনপ্ৰতিনিধি প্ৰফুল্ল কুমাৰ মহন্তৰ নীৰৱতাকো আমি সমালোচনা কৰিছোঁ। চৰকাৰে বহুজাতিক কোম্পানীক অসমৰ শস্য ভূমি তথা গ্ৰামাঞ্চল ধ্বংস কৰাৰ বাবে মুকলি অনুজ্ঞা-পত্ৰ দিছে। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নগাঁও জিলা সমিতিৰ কাৰ্যালয়ত আজি অনুষ্ঠিত সংবাদ মেলখনত আন এগৰাকী ৰাষ্ট্ৰীয় পৰ্যায়ৰ পৰিৱেশ কৰ্মী লিঙ্ক' চালডানহাই কয়— ঘটনাটোৰ তথ্য বিচাৰি আমি যেতিয়া অসম শক্তি বিতৰণ বিভাগ, ৰাজহ বিভাগ তথা অসম চৰকাৰৰ অন্য প্ৰশাসনিক বিষয়াৰ কাষ চাপিছিলোঁ, তেতিয়া তেওঁলোকে আমাক কোনো তথ্য দিব পৰা নাছিল। এনে লাগিছে যে গোটেই চৰকাৰী যন্ত্ৰটো নীৰৱে আছে। তেওঁ লগতে কয় যে এই ভূমিত কেইবা দশকজুৰি কৃষকসকল আছে। তদুপৰি ই হাতী অহা-যোৱা কৰাৰো বাট। ইপিনে, অসমৰ জলবায়ু পৰিৱৰ্তনশীল বুলি মন্তব্য কৰি তেওঁ কয় যে সূৰ্যৰ প্ৰত্যক্ষ ৰশ্মি পৰা মৰুভূমি এলেকাত এই সৌৰ প্ৰকল্পটো স্থাপন নকৰি অসমৰ কৃষকৰ শস্য ভূমি ধ্বংস কৰি কিয় ইয়াত সৌৰ প্ৰকল্প স্থাপন কৰিব বিচাৰিছে সেয়া ৰহস্যজনক। বিশিষ্ট পৰিৱেশ কৰ্মীজনে আৰু কয়— অসম চৰকাৰৰ ভূমি আইন আৰু বাস্তৱৰ কাৰ্যকলাপৰ মাজত বৃহৎ পাৰ্থক্য আছে। ভূমি আইনত উল্লেখ আছে যে খিলঞ্জীয়া মানুহে তেতিয়াহে সুৰক্ষিত হ'ব, যেতিয়া ভূমিৰ অধিকাৰ সুৰক্ষিত হয়। কিন্তু বাস্তৱত চৰকাৰে খিলঞ্জীয়াৰ ভূমিৰ অধিকাৰ কাঢ়ি নিব বিচাৰিছে। অসমৰ কৃষকসকল বানপানী, দৰিদ্ৰতা আদি বিভিন্ন সমস্যাৰে ভাৰাক্ৰান্ত হৈ থাকে। তেনে ক্ষেত্ৰত ভূতৰ ওপৰত দানহ পৰাদি আকৌ কৃষকসকলৰ অধিকাৰ কাঢ়ি নিব বিচাৰিছে। সংবাদ মেলত উপস্থিত থকা আন এগৰাকী পৰিৱেশ কৰ্মী ভাগৱী এহ ৰাৱতে কয়, উদ্যোগ প্ৰতিষ্ঠান স্থাপনৰ ক্ষেত্ৰত এনেদৰে কৃষক উচ্ছেদ কৰাৰ নামত মহিলাৰ ওপৰত নিৰ্যাতন চলোৱা কাৰ্যক এহ ৰাৱতে গৰিহণা দি লগতে কয় যে আমেৰিকা আৰু কানাডাৰ যিকেইটা বিত্তীয় প্ৰতিষ্ঠানে আজুৰ কোম্পানীক ঋণৰ যোগান ধৰিছে তেওঁলোকে কৃষকৰ অধিকাৰ আৰু মানৱ অধিকাৰ খৰ্ব কৰা কাৰ্যক উৎসাহিত কৰিছে। আটাইকেইগৰাকী পৰিৱেশ কৰ্মীয়ে বিষয়টো ৰাষ্ট্ৰীয় পৰ্যায়লৈ আন্দোলন গঢ়ি তুলিব বুলি জানিবলৈ দিয়ে। সংবাদ মেলত উপস্থিত থকা দিল্লীৰ আন এগৰাকী সামাজিক কৰ্মী অমিত কুমাৰেও অসম চৰকাৰৰ ভূমি নীতিৰ ব্যাখ্যা দাঙি ধৰি চৰকাৰক বাস্তৱত কাৰ্যক সমালোচনা কৰে। সংবাদ মেলত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নগাঁও জিলা সমিতিৰ সভাপতি দীপমণি বৰা, সম্পাদক প্ৰাঞ্জল্যোতিষ বনিয়া, চি পি আইৰ নগাঁও জিলা সমিতি সম্পাদক বাতুল বৰাৰ লগতে ছাত্ৰ নেতা প্ৰৱাল শৰ্মা, কাশ্যপ ফুকন আদি উপস্থিত থাকে।

## কংগ্ৰেছৰ শাসন আহিলে

কংগ্ৰেছৰ তত্ত্বাৱধায়ক জিতেন্দ্ৰ সিং, সমান্নীয় অতিথি নিখিল ভাৰত সংখ্যালঘু কংগ্ৰেছৰ অধ্যক্ষ নাদিম জাবেদ। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ৰিপুণ বৰা, ৰাজিক সভাপতি চলমান খান, তত্ত্বাৱধায়ক ফাহিম আহমেদ, অসম বিধানসভাৰ বিৰোধী দলৰ দলপতি দেৱব্ৰত শইকীয়া, উপ-দলপতি ৰকিবুল হুছেইন, কলিয়াবৰ লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈ, নগাঁও লোকসভাৰ সাংসদ প্ৰদ্যুৎ বৰদলৈ, লাহৰীঘাট সমষ্টিৰ বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী ডাঃ নজৰুল ইছলাম, ৰূপহী সমষ্টিৰ বিধায়ক নুৰুল হুদা, দক্ষিণ শালমাৰা সমষ্টিৰ বিধায়ক ৱাজেদ আলী, উত্তৰ কৰিমগঞ্জ সমষ্টিৰ বিধায়ক কমলাক্ষ দে, বৰখেত্ৰী সমষ্টিৰ বিধায়িকা নন্দিতা দাস, ছয়গাঁও সমষ্টিৰ বিধায়ক ৰেকিব উদ্দিন আহমেদ, বিহাৰৰ বিধায়ক ছাকিল আহমেদ, নিখিল ভাৰত মহিলা কংগ্ৰেছৰ সভানেত্ৰী সুস্মিতা দেৱ, কংগ্ৰেছ নেত্ৰী তথা নাৰী কণ্ঠ মীনা বৰঠাকুৰৰ লগতে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সম্পাদক তথা সাংস্কৃতিক কৰ্মী আৰু খ্যাতনামা গায়ক বাবু বৰাৰ লগতে অসম প্ৰদেশ কংগ্ৰেছৰ বহুতো নেতা আৰু বিষয়ববীয়াসকল উপস্থিত আছিল। অগণন জনসমুহই লাহৰীঘাট সমষ্টিত কংগ্ৰেছৰ নিৰ্বাচনৰ ৰণ-কৌশলৰ মহড়া বা আখৰা দেখুৱা হৈছে। অৱশ্যে আমন্ত্ৰিত নেতা, বিধায়ক আৰু বিষয়ববীয়াসকলে কংগ্ৰেছ দলক ভোট দিবলৈ আহ্বান জনায়। ভোটৰ বাবে কুটাৰ বিতৰণ কৰা হৈছে বুলি প্ৰাক্তন মন্ত্ৰী ৰকিবুল হুছেইনে বিশাল সভাত কয়।



## শীৰ্ষ শিক্ষানুষ্ঠানত ভিন্ন

গোটে আৰু এই দিশত তদন্ত বিচাৰি আচাৰ্য আৰু পঞ্জীয়কক স্মাৰক-পত্ৰ প্ৰদান কৰি সময় বান্ধি দিছিল ১৫ দিনৰ। কিন্তু এই সময় পাৰ হোৱাৰ পাছতো কোনো ফল নাপাই আজি পুনৰ উপাচাৰ্যৰ কাৰ্যালয়ৰ সন্মুখত এইদৰে প্ৰতিবাদত নামি পৰে বিশ্ববিদ্যালয়ৰ আছু গোটৰ কৰ্মকৰ্তাসকল। আৰু এই প্ৰতিবাদৰ স্থানৰ পৰাই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ বিৰুদ্ধে উত্থাপিত হোৱা বিত্তীয় অনিয়মৰ উচ্চ পৰ্যায়ৰ তদন্ত আৰু দোষীৰ শাস্তি দাবী তোলে। ইফালে ২৫ জানুৱাৰীত বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ বিৰুদ্ধে তদন্তৰ দাবী কৰি বিশ্ববিদ্যালয়ৰ শিক্ষক-কৰ্মকৰ্তাৰসকলেও নামি পৰিছিল প্ৰতিবাদত। এই দিশত বিচাৰিছিল উচিত তদন্ত বিচাৰিছিল তেওঁলোকেও। কিন্তু এই দিশত কোনো ফল নাপাই পুনৰ উত্তাল প্ৰতিবাদ সাব্যস্ত কৰি উচিত তদন্ত বিচাৰে বিশ্ববিদ্যালয়ৰ আছু গোটে।

## ফুলকাকাটাত যুৱকক হত্যা

আলীয়ে দক্ষিণ শালমাৰা আৰক্ষী চকীত দহজনৰ বিৰুদ্ধে এখন এজাহাৰ দাখিল কৰে। উল্লেখ্য যে এতিয়ালৈকে লালচান আলীক আৰক্ষীয়ে উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা নাই। ইতিমধ্যে দক্ষিণ শালমাৰা আৰক্ষীয়ে এই নিৰ্মম হত্যাকাণ্ডত জড়িত থকাৰ সন্দেহত জাহাঙ্গীৰ আলম আৰু নুৰ মহম্মদ নামৰ দুজন ব্যক্তিক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ইফালে অসম চৰকাৰ তথা জিলা প্ৰশাসনৰ ওচৰত লালচান আলীৰ পৰিয়ালবৰ্গই অতি সোনকালে মৃতদেহ উদ্ধাৰৰ লগতে দোষীক কৰায়ত্ত কৰি কঠোৰ শাস্তিৰ বিহাৰ বাবে দাবী উত্থাপন কৰে। পৰৱৰ্তী সময়ত অসম চৰকাৰ তথা জিলা প্ৰশাসনে এই প্ৰসংগত কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া হ'ব লক্ষণীয়।

## সংসদত আজি অৰ্থনৈতিক

অৰ্থনৈতিক বিপৰ্যয় হৈছে। ২০২০-২১ বৰ্ষৰ প্ৰথম ত্ৰৈমাষিক জিডিপিৰ পৰিমাণ নিৰ্ধাৰণ কৰা হৈছিল, বৰ্তমান আৰু পূৰ্বৰ স্থায়ী মূল্যত, ২৬.৯০ লাখ কোটি। বিগত ২০১৯-২০ বৰ্ষত এই পৰিমাণ আছিল ৩৫.৩৫ লাখ কোটি। একেটা বৰ্ষৰ দ্বিতীয় ত্ৰৈমাসিকত জিডিপিৰ নিৰিখ নিৰ্ধাৰণ কৰা হৈছিল ৩৩.১৪ লাখ কোটি, যিটো পূৰ্বৱৰ্তী বৰ্ষত আছিল ৩৫.৮৪ লাখ কোটি। আনহাতে তৃতীয় ত্ৰৈমাসিকৰ জিডিপি নিৰিখ বৰ্তমানলৈকে ৰাজহুৱা কৰা হোৱা নাই। এই নিৰিখ অক্টোবৰ-ডিচেম্বৰ, ২০২০ সময়ত নিৰ্ধাৰণ কৰা হয়। সেয়েহে চলিত দ্বিতীয় বৰ্ষত লক্ষ্য নিৰ্ধাৰণ কৰা জিডিপি স্পৰ্শ কৰিবলৈ চৰকাৰ সক্ষম নোহোৱাতো স্পষ্ট হৈ পৰিছে।

## মাজুলীৰ সৌন্দৰ্য হৈছে প্ৰকৃতি

প্ৰাকৃতিক দৃশ্যৰাজিৰ প্ৰতি যি আকৰ্ষণ তাক অক্ষুণ্ণ ৰাখিব লাগিব বুলি তেওঁ কয়। মাজুলীৰ জৈৱ বৈচিত্ৰ্য যাতে ভৱিষ্যতে বিনষ্ট নহয় তাৰ প্ৰতি সকলোৱে সচেষ্ট হ'ব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে মাজুলীৰ আধ্যাত্মিকতা, মৰ্যাদা, সংস্কৃতি যাতে কোনো কাৰণতে বিনষ্ট নহয় তাৰ বাবে সকলোৱে দায়বদ্ধতাৰে ভৱিষ্যতেও পদক্ষেপ ল'ব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ কৃষকে এতিয়া পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছে। কিছু বছৰ আগলৈকে উচ্চ শিক্ষিত নৱ প্ৰজন্মই কৃষি ক্ষেত্ৰত আত্মনিয়োগ কৰা নাছিল। সেই সময়ত কৃষক সমাজে সামাজিক সন্মান লাভ কৰা নাছিল। এতিয়া উঠি অহা প্ৰজন্মই কৃষিখণ্ডত সফলতা লাভ কৰা বাবে অন্যান্য সকলো অনুপ্ৰাণিত হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে তেওঁ নিজে বিভিন্ন কৃষি ক্ষেত্ৰলৈ গৈছে। উচ্চ শিক্ষিত যুৱক-যুৱতীয়েও এতিয়া কৃষি খণ্ডত জড়িত হোৱাৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছে। আধুনিক কৃষি পদ্ধতি প্ৰয়োগ কৰি উৎপাদন বৃদ্ধিৰ বাবে কৃষক সমাজে এক পৰিৱেশ লাভ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৃষিখণ্ডত যথেষ্ট প্ৰাধান্য দিছে। ২০২২ চনৰ ভিতৰত কৃষকৰ আয় দুগুণলৈ বৃদ্ধিৰ বাবে যিবোৰ আন্তঃগাঁথনিৰ প্ৰয়োজন সেইবোৰ নিশ্চিত কৰাৰ বাবে শক্তিশালী পদক্ষেপ লৈছে। কৃষকক সুৰক্ষিত কৰিবলৈ আৰু উৎসাহ যোগাবলৈ প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা, প্ৰধানমন্ত্ৰী কৃষি সিঁচাই যোজনা, কে চি চি, ছয়েল হেলথ কাৰ্ড, ৱাটাৰ হেলথ্ কাৰ্ড, পি এম কিষাণ সন্মান নিধিৰ লেখীয়া পদক্ষেপ গ্ৰহণ কৰা বাবে কৃষকৰ সৰলীকৰণত সহায়ক হৈ উঠিছে। সমান্তৰালভাৱে ৰাজ্য চৰকাৰেও মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা, মুখ্যমন্ত্ৰীৰ কৃষি সাসঁজুলি যোজনা, কিষাণ ক্ৰেডিট কাৰ্ডৰ ঋণ পৰিশোধ কৰিব নোৱাৰা কৃষকলৈ ১০ হাজাৰ টকাকৈ ৰাজসাহায্য, সুদ বিহীন ২ লাখ টকালৈ ঋণ প্ৰদান ইত্যাদি পদক্ষেপৰ বাবে কৃষি খণ্ডত আত্মবিশ্বাসেৰে আগুৱাই যোৱাৰ বাবে এক পৰিৱেশ গঢ় লৈ উঠিছে। এতিয়া অসমৰ কৃষকৰ ধ্যান-ধাৰণা সলনি হৈছে। ৰাষ্ট্ৰীয়ৰ পৰা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ কৃষি সামগ্ৰী ৰপ্তানি কৰাৰ দিশত অসমৰ কৃষকে যি দৃঢ়তা দেখুৱাইছে ইয়ে ভৱিষ্যতে অসমক আত্মনিৰ্ভৰশীল কৰি তুলিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। আজিৰ এই মত-বিনিময়ৰ অনুষ্ঠানত মাজুলীৰ জ্যেষ্ঠ নাগৰিকসকলে মুখ্যমন্ত্ৰী তথা স্থানীয় বিধায়ক সৰ্বানন্দ সোণোৱালে মাজুলীৰ উন্নয়নৰ দিশত বিগত চাৰে চাৰি বছৰে যি উল্লেখযোগ্য বৰঙনি আগবঢ়ালে তাৰ বাবে তেখেতক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে ভৱিষ্যতেও মাজুলীক যাতে তেওঁ প্ৰতিনিধিত্ব কৰি মাজুলীৰ এই উন্নয়নী যাত্ৰা অব্যাহত ৰাখে তাৰ বাবে আহ্বান জনায়। আজিৰ এই বৈঠকত সাংসদ প্ৰদান বৰুৱা আৰু অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

# শিৱসাগৰত মে-ডাম-মে-ফী উদ্‌যাপনৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২৮ জানুৱাৰী ঃ** ঐতিহাসিক শিৱসাগৰ জিলাৰ বিভিন্ন প্ৰান্তত টাই আহোম সকলৰ পুলিন পুথাও সকলক স্মৰণ তথা সন্মান প্ৰদৰ্শন কৰা পৱিত্ৰ মে-ডাম-মে-ফি অনুষ্ঠানৰ ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। চহৰৰ টাই সাংস্কৃতিক বিকাশ কেন্দ্ৰত যোৱা ২৫ জানুৱাৰীৰ পৰা বিভিন্ন কাৰ্যসূচীৰে এই অনুষ্ঠান উদ্‌যাপন কৰি থকা হৈছে। আনহাতে শিৱসাগৰ চহৰৰ মাজমজিয়াত থকা বৰ্ডিং খেলপথাৰত অতি আড়ম্বৰপূৰ্ণ মে-ডাম-মে-ফি দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে আয়োজনৰ প্ৰস্তুতি চলোৱা হৈছে। শিৱসাগৰ প্ৰেছ ক্লাৱত আজি বৃহত্তৰ মে-ডাম-মে-ফি উদ্‌যাপন সমিতিয়ে এক সংবাদমেল আয়োজন কৰে। উদ্‌যাপন সমিতিৰ সভাপতি ৰঞ্জিত বৰগোহাঁই, কাৰ্যকৰী সভাপতি মণিৰুল ইছলাম বড়া, সম্পাদক বসন্ত গগৈৰ সহিতে উদ্‌যাপন সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থাকি কাৰ্যসূচীৰ সন্দৰ্ভত ব্যাখ্যা আগবঢ়ায়। দুদিনীয়া কাৰ্যসূচীৰ বিশেষ আকৰ্ষণ হিচাবে থাকিব বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান, পৰম্পৰাগত নাওঁখেল, বিভিন্ন খেল-

### ৩১ ডিচেম্বৰত উপস্থিত থাকিব মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ঃ তাই সংস্কৃতি বিকাশ কেন্দ্ৰত পাঁচদিনীয়াকৈ অনুষ্ঠিত হৈছে মে-ডাম-মে-ফী

ধেমালি, আলোচনা চক্ৰ, লাচিত বৰফুকন নামেৰে এক বিশেষ চিত্ৰনাট্য আৰু সংগীত অনুষ্ঠানৰ সমাহাৰ ঘটিব। অনুষ্ঠানত অসমৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ৰাজহ মন্ত্ৰী যোগেন মহন, সাংসদ তপন কুমাৰ গগৈ, কামাখ্যা প্ৰসাদ তাছা, গৌৰৱ গগৈ, প্ৰদ্যুত বৰদলৈ, বিশিষ্ট সাহিত্যিক ডঃ নিৰ্মল চাহেৱালা, বলিউদৰ অভিনেতা ৰবি জাংঘু, অভিনেতা ৰবি শৰ্মা, পূৰ্বাঞ্চল টাই সাহিত্য সভাৰ সভাপতি ড০ দয়ানন্দ বৰগোহাঁই, দক্ষিণপাট সত্ৰৰ সত্ৰাধিকাৰ ননীগোপাল দেৱগোস্বামী, বিশিষ্ট সংগীতশিল্পী সন্ধ্যা মেনন, মহেন্দ্ৰ হাজৰিকা, দীপেন বৰুৱা, ভূপেন উজিৰ, শান্তা উজিৰ, কুইন দাসকে ধৰি সমাজৰ বিভিন্ন স্তৰৰ লগত জড়িত ভালেকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশ গ্ৰহণ কৰিব। ৩০ আৰু ৩১ জানুৱাৰীত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগা মে-ডাম-মে-ফিৰ প্ৰথম দিনা পুৱা ৭ বজাত পতাকা উত্তোলনেৰে আৰম্ভ হোৱাৰ পিছত ৭.৩০ বজাত পৰম্পৰাগত নাওখেল, ১০.৩০ বজাত প্ৰদৰ্শনী উদ্বোধন, ১১ বজাত পৰম্পৰাগত খেল-ধেমালি আৰু চিত্ৰাংকণ প্ৰতিযোগিতা, বিয়লি ৫ বজাত বিশেষ আলোচনা চক্ৰ, সন্ধিয়া ৬ বজাত সাংস্কৃতিক অনুষ্ঠান, ৭ বজাত বিশেষ সম্বৰ্দ্ধনা অনুষ্ঠান আৰু এই অনুষ্ঠানতেই শৰীৰ চৰ্চাবিদ পৰিতোষ ৰয় আৰু অনন্ত ৰাজকোঁৱৰক সম্বৰ্দ্ধনা জনোৱা হ'ব। নিশা 'শীতৰ সেমেকা ৰাতি' শীৰ্ষক সংগীতৰ অনুষ্ঠান অনুষ্ঠিত হ'ব। ৩১ জানুৱাৰীত পুৱা৭ বজাত চাইকেল ৰেলী, ৮ বজাত চাফাই অভিযান, ৯ বজাত মে-ডাম-মে-ফি তৰ্পন অনুষ্ঠান, দিনৰ ১১ বজাত বিশেষ আলোচনা সভা আৰু বিয়লি এক বজাত সদৌ অসম ভিত্তিত ঐতিহ্য সম্পৰ্কীয় কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। বিয়লি ৩ বজাত বঁটা বিতৰণী অনুষ্ঠান, ৪ বজাত বিশেষ আলোচনা সভা, বিয়লি পাঁচ বজাত স্মৃতিগ্ৰন্থ 'খাওখান' আৰু প্ৰয়াত অশ্বিনী চেতিয়া জীৱনৰ ওপৰত প্ৰকাশিত 'আধৰুৱা সপোন' উন্মোচন কৰা হ'ব। এই অনুষ্ঠানত বিশিষ্ট সাহিত্যিক ড° নিৰ্মল চাহেৱালা, ৰবীন বৰদলৈ, অৰ্জুন ভোগেশ্বৰ বৰুৱাক বিশেষভাৱে সম্বৰ্দ্ধনা জনোৱা হ'ব। সন্ধিয়া সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব সাংসদ তপন কুমাৰ গগৈয়ে। এই অনুষ্ঠানতেই অসমৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থাকিব বুলি সংবাদমেলত উদ্যোক্তাই জানিবলৈ দিয়ে। এই সাংস্কৃতিক সন্ধিয়াতেই জনপ্ৰিয় অভিনেতা ৰবি শৰ্মাৰ অভিনয় আৰু মনদ্বীপ গগৈৰ পৰিচালনাত 'লাচিত বৰফুকন' নাটক মঞ্চস্থ কৰা হ'ব। নিশা ৯ বজাত সংগীতৰ অনুষ্ঠান 'চিনাকী সুৰ'ত গীত পৰিৱেশন কৰিব অসমৰ বিশিষ্ট কণ্ঠশিল্পী পৰিণীতা বৰঠাকুৰ, কুসুম কৈলাস, মণ্টুমণি, জ্যোতিমালা, লোহিত গগৈৰ লগতে অসমৰ বহুকেইজন বিশিষ্ট সংগীত শিল্পীয়ে। ইয়াৰ উপৰিও ৩১ ডিচেম্বৰৰ ১১ বজাত কৃষিভিত্তিক এখনি আলোচনা চক্ৰ অনুষ্ঠিত হ'ব। এই আলোচনা চক্ৰত ড° কে.এম. বুজৰবৰুৱা, মনোজ কুমাৰ দাস আদি বিশিষ্ট ব্যক্তিসকলে অংশ গ্ৰহণ কৰিব বুলি সংবাদমেলত জানিবলৈ দিয়ে।

## নৈক নেতিবাচক দৃষ্টিৰে

২০১৬ চনৰ পৰা বৰ্তমানলৈ প্ৰতি বৰ্ষত এই শিতানবোৰৰ ব্যয়ৰ এক সুকীয়া তালিকা প্ৰস্তুত কৰাৰ বাবেও নিৰ্দেশ দিয়ে। আজিৰ এই বৈঠকত ভাৰত চৰকাৰৰ পি এম কেয়াৰ ফাণ্ড তথা ইতিমধ্যে ৰাজ্য চৰকাৰে জাননী কৰা ৰিহেবিলিটেশ্যন পলিচি ফ'ৰ ইৰ'শ্যন এফেকটেড ফেমিলিছ অৱ আসাম-২০২০ৰ বিষয়েও বিস্তৃতভাৱে অৱলোকন কৰা হয়। বৈঠকত বিগত চাৰে চাৰি বছৰত অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে সম্পাদন কৰা বিভিন্ন গুৰুত্বপূৰ্ণ কাম-কাজৰো পৰ্যালোচনা কৰা হয়। উল্লেখ্য, বিভাগে ৰাজ্যখনৰ বিভিন্ন ঠাইত বানপানীৰ সময়ত বানাক্ৰান্তৰ বাবে মাল্টি পাৰপাজ ফ্লাড চেণ্টাৰ, ব্ৰজ্ৰপাতৰ আগ জাননী দিয়া পদ্ধতি, ৰিভাৰ এটলাছ ইত্যাদিৰ দৰে বিভিন্ন কাম কৰিছে। বৈঠকত ১৬টা বিভাগৰ বিভাগীয় দুৰ্যোগ ব্যৱস্থাপনা পৰিকল্পনাৰো অনুমোদন জনোৱা হয়। আজিৰ বৈঠকতে অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ কৰ্মচাৰীৰ সেৱাৰ উন্নীতকৰণৰ প্ৰস্তাৱৰ ওপৰতো আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীয়ে এই দিশত যাৱতীয় ব্যৱস্থা গ্ৰহণৰ বাবে বিত্ত বিভাগৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহাক নিৰ্দেশ দিয়ে। বৈঠকত নেশ্বনেল আৰ্থ কুইক ৰিস্ক মিটিগেশ্যন প্ৰগ্ৰেমৰ অধীনত অসম অভিযান্ত্ৰিক মহাবিদ্যালয় চৌহদত স্থাপন হ'বলগীয়া ৰিজনেল টেকনিকেল ডেমনষ্ট্ৰেশ্যন ইউনিটৰ বিষয়েও বিতংভাৱে আলোচনা কৰা হয়। বৈঠকত আসাম ইনটিগ্ৰেটেড ৰিভাৰ বেচিন মেনেজমেণ্ট প্ৰগ্ৰেমৰ ৰূপায়ণ সন্দৰ্ভতো আলোচনা কৰা হয়। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে নৈপৰীয়া ৰাইজৰ বাবে বাৰিষা কালত সহায়ক হোৱাকৈ পি এম এ ৱাইৰ অধীনত ভাসমান গৃহ নিৰ্মাণ ইত্যাদিৰ পৰিকল্পনা কৰাৰো পোষকতা কৰে। এই সম্পৰ্কত মুখ্যমন্ত্ৰীয়ে কয় যে নদীৰ সৈতে আমি সহাৱস্থান কৰাৰ অভ্যাস এটা গঢ়ি তুলিব লাগিব। নদীসমূহক নেতিবাচক দৃষ্টিৰে চোৱাৰ সলনি ইতিবাচকভাৱে গ্ৰহণ কৰি ইয়াৰ লগত সহাৱস্থানৰ অভ্যাস এটা গঢ় দিব পাৰিলে আমি দুৰ্যোগৰ সময়তো বহুখিনি সকাহ লাভ কৰিব পাৰিম। আজিৰ বৈঠকত ডিজেষ্টাৰ ৰিস্ক ৰিডাকশ্যন ৰোডমেপ, ১৮খন জিলাত কনষ্ট্ৰাকশ্যন অৱ ডিষ্ট্ৰিক্ট ইমাৰ্জেন্সী অপাৰেশ্যন চেণ্টাৰ, চাৰ্কুল ডিজেষ্টাৰ মেনেজমেণ্ট ফৰ্চ গঠন, ৰাষ্ট্ৰীয় বিদ্যালয় সুৰক্ষা নীতিৰ অধীনত মুখ্যমন্ত্ৰীৰ বিদ্যালয় সুৰক্ষা প্ৰগ্ৰেম, দুৰ্যোগ ব্যৱস্থাপনা সম্বন্ধীয় ডিজিটেল ডিছপ্লে ব'ৰ্ডৰ জৰিয়তে তথ্যৰ সৰবৰাহ ইত্যাদিৰ বিষয়েও বিতংভাৱে আলোচনা কৰা হয়। আজিৰ এই বৈঠকত সাংসদ প্ৰদান বৰুৱা, মুখ্য সচিব জিষ্ণু বৰুৱা, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থা বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব ছৈয়দ্দিন আব্বাছী, মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ, বিত্ত বিভাগৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ আয়ুক্ত সচিব এম এছ মণিৱন্নকে ধৰি ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

## বিগত বৰ্ষতকৈ হ্ৰাস পালে ৬

এই সমীক্ষা মূলতঃ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান, ব্যৱসায়ী, উদ্যোগী আদিৰ মতামতৰ ভিত্তিত গ্ৰহণ কৰা হয়। বিগত বৰ্ষৰ দৰে এইবাৰো ভাৰতে লাভ কৰা মূল্যাংকন হ'ল ৪০। অৰ্থাৎ স্থিৰ হৈ আছে মূল্যাংকন। এইবাৰৰ সমীক্ষাত ৮৮ মূল্যাংকন লাভ কৰি সৰ্বাধিক দুৰ্নীতিমুক্ত দেশৰ তালিকাত স্থান পাইছে নিউজিলেণ্ড আৰু ডেনমাৰ্কে। আনহাতে ছোমালিয়া, দক্ষিণ ছুডান আদিয়ে ১২ মূল্যাংকন লাভ কৰি সৰ্বনিম্ন স্থানত আছে।

# ৰাজ্য চৰকাৰ-জলসম্পদ মন্ত্ৰীৰ চূড়ান্ত প্ৰৱঞ্চনাৰ জীৱন্ত সাক্ষী

জাহ যোৱাৰ ফলশ্ৰুতিত ইতিমধ্যে জীয়াই থকাৰ সকলো সম্বল বৰলুইতৰ বুকুত হেৰুৱাই বছৰ বছৰ জুৰি মথাউৰিৰ কাষতে এক অঘৰীৰ দৰে জীৱন নিৰ্বাহ কৰি আহিছে। কিন্তু এক অন্ধকাৰ ভৱিষ্যত বুকুত বান্ধি নৈ'পৰীয়া ৰাইজে প্ৰতিটো নিশা অতিবাহিত কৰি আহিছে যদিও এই লোক সকলৰ লগতে ব্ৰহ্মপুত্ৰ পাৰৰ এই আবাসিক অঞ্চল সমূহক বিজ্ঞানসন্মত সুৰক্ষা প্ৰদান কৰাৰ ক্ষেত্ৰত ৰাজ্যৰ মুখামন্ত্ৰী গৰাকীৰ পৰা আদি কৰি জলসম্পদ মন্ত্ৰী, যোৰহাট লোকসভা সাংসদ আৰু স্বয়ং জলসম্পদ বিভাগটোৱেই আজি পৰ্যন্ত কোনো গুৰুত্ব প্ৰদান নকৰিল। ১১ জানুৱাৰী ২০২১ত অফলা, গড়ভগা, মামল গড়ভগা, চৰাইপৰা, লিগিৰীবাৰী আৰু সৰাগুৰিকে আদি কৰি দিচাংমুখ অঞ্চলত দিচাং আৰু ব্ৰহ্মপুত্ৰ নদীয়ে সৃষ্টি কৰা গৰাখহনীয়াক বিজ্ঞানসন্মতভাৱে ৰোধ কৰিবলৈ অফলা গাঁও উন্নয়ন সমিতিৰ হৈ সভাপতি বিৰেন সিং মিলি, সম্পাদক বিতুল মিলি, চৰাইপৰা গাঁও উন্নয়ন সমিতিৰ হৈ সভাপতি অমিৰঞ্জন পাংগিং, সম্পাদক অৰ্জুন গোৱালা আৰু গড়ভগা গাঁও উন্নয়ন সমিতিৰ হৈ সভাপতি মনোপ্ৰসাদ মিলি আৰু সম্পাদক দেৱকান্ত ডাৰিগে স্বাক্ষৰ কৰি একত্ৰিতভাৱে শিৱসাগৰ জিলা উপায়ুক্ত বিষ্ণু কমল বৰাক এখনি স্মাৰক পত্ৰ প্ৰদান কৰিছে। স্মাৰক পত্ৰখনত তিনিওখন গাও উন্নয়ন সমিতিৰ নেতৃত্বই উল্লেখ কৰিছে যে শিৱসাগৰ জিলাৰ কোঁৱৰপুৰ মৌজাৰ দিচাংমুখ গাঁও পঞ্চায়তৰ অধীনস্থ ব্ৰহ্মপুত্ৰ নদীৰ পাৰত অৱস্থিত অফলা, লিগিৰীবাৰী, চৰাইপৰা, মামল গড়ভগা আৰু স'ৰাগুৰি অঞ্চলত বিগত ১৯৯৮ চনৰ পৰা ধাৰাবাহিকভাৱে অব্যাহত থকা ব্ৰহ্মপুত্ৰ নদীৰ ভয়াৱহ খহনীয়াৰ ফলত সম্প্ৰতি গাঁও সমূহৰ হাজাৰোধিক নগীৰ বুকুত সৰ্বস্ব হেৰুৱাই বৰ্তমানেও ব্ৰহ্মপুত্ৰ নদীৰ মথাউৰিৰ কাষতে এক দুৰ্বিসহ জীৱন অতিবাহিত কৰি আহিছে। অতিকৈ পিছপৰা অঞ্চলটোৰ সাধাৰণ শ্ৰমজীৱি কৃষক ৰাইজে পূৰ্বতেও তেওঁলোকৰ কৃষি ভূমি, ঘৰ-বাৰী আদি সকলো হেৰুৱালে। খহনীয়া প্ৰতিৰোধৰ আঁচনিৰ নামত চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষই যিমান বিলাক আঁচনি ৰূপায়ন কৰা হৈছে এইয়া কেৱল মাত্ৰ সৰ্বস্বান্ত ৰাইজৰ মানসিক সকাহ প্ৰদানৰ বাহিৰে আজি পৰিমিট স্বায়ী সমাধানৰ কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। বিগত ২০০৫-০৬ বৰ্ষত দিচাং-দিখৌ সংযোগী ব্ৰহ্মপুত্ৰ মূল মথাউৰিটো অসম চৰকাৰৰ বিভাগীয় পূঁজিৰে মুঠ পাঁচ কোটি টকাৰ ব্যয় সাপেক্ষে মথাউৰি নিৰ্মাণ আৰু সৰলীকৰণ আঁচনি ৰূপায়ন কৰা হৈছিল যদিও নিৰ্মাণ সম্পূৰ্ণ নোহোৱাৰ ফলত উক্ত মথাউৰিটো বাৰিষাৰ সময়ত এজাক বৰষুণতে যাতায়ত সুচল নোহোৱা হৈ পৰে। যাৰ ফলত এই পথটোৰ দুৰৱস্থাৰ বাবে ৰোগীক তাৎক্ষণিকভাৱে চিকিৎসালয়লৈ নিব নোৱৰাৰ ফলত ৰোগী মৃত্যু মুখত পৰিব লগীয়াত পৰে। আনকি কিছুদিনৰ পৰা ব্ৰহ্মপুত্ৰৰ খহনীয়াই তীব্ৰ ৰূপ ধাৰণ কৰাৰ ফলত অফলা অঞ্চলৰ মুল মথাউৰিৰ পৰা ব্ৰহ্মপুত্ৰলৈ ১২০ মিটাৰতকৈ নুন্যতম দূৰত্ব প্ৰতিদিনে হ্ৰাস পাই আহিছে। খহনীয়াৰ এনে পৰিস্থিতিয়ে অনাগত সময়ত ব্ৰহ্মপুত্ৰ নদীৰ বাঢ়নী পানীক ৰক্ষণাবেক্ষণ দি অহা একমাত্ৰ মথাউৰিটোৰ বাবেও ভাবুকি কঢ়িয়াই আনিব। সেয়ে সময় থাকোতেই প্ৰশাসনে এই গৰাখহনীয়া অঞ্চল সমূহক বিজ্ঞানসন্মত ৰক্ষণাবেক্ষন দিবৰ বাবে স্মাৰক পত্ৰখনত তিনিও গাঁও উন্নয়ণ সমিতিয়ে আহ্বান জনাইছে। উল্লেখ্য যে ইয়াৰ পূৰ্বেও গাঁও উন্নয়ন সমিতি সমূহে যোৱা ২৮/০৮/২০১৮ তাৰিখে খহনীয়াৰ স্থায়ী সমাধান কৰিবৰ বাবে যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৰাকীক স্মাৰক পত্ৰ প্ৰদান কৰাৰ লগতে ০৪/০৯/২০১৯ তাৰিখে জলসম্পদ মন্ত্ৰী কেশৱ মহন্ত, ১৯/১০/২০১৯ তাৰিখে অসম চৰকাৰৰ পঞ্চায়ত গ্ৰামোন্নয়ন আৰু ক্ৰীড়া বিভাগৰ মন্ত্ৰী, ১৮/১০/২০১৯ তাৰিখে শিৱসাগৰ বিধানসভা সমষ্টিৰ বিধায়ক, ০৪/১১/২০১৯ তাৰিখে মুখ্যমন্ত্ৰী আৰু একেটা তাৰিখতে শিৱসাগৰ জিলা উপায়ুক্তক, ৩০/১১/২০১৯ তাৰিখে পুনৰ মুখ্যমন্ত্ৰীলৈ, ১৬/১০/২০২০ তাৰিখে অসম চৰকাৰৰ বিত্ত, লোক নিৰ্মাণ (গড়কাপ্তানী), শিক্ষা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ডপ্তৰৰ মন্ত্ৰী গৰাকীলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰিছিল। কিন্তু দুৰ্ভাগ্যজনক বিষয় যে কোনো এজন মন্ত্ৰী, বিধায়ক, সাংসদ আৰু জলসম্পদ বিভাগেও উল্লেখিত এই অঞ্চল সমূহৰ খহনীয়া ৰোধ কৰাৰ ক্ষেত্ৰত তিলমানো গুৰুত্ব প্ৰদান নকৰিলে।

# অসমৰ শক্তিশালী ভৱিষ্যৎ কৃষিখণ্ডৰ ওপৰত নিৰ্ভৰশীল ঃ মুখ্যমন্ত্ৰী

প্ৰজন্মক কৃষক শ্বহীদসকলৰ আদৰ্শৰে একো একোগৰাকী আদৰ্শ নাগৰিক হিচাপে গঢ়ি তুলিব লাগিব।' আজি ৰাজ্য চৰকাৰৰ কৃষি বিভাগ আৰু দৰং জিলা প্ৰশাসনৰ উদ্যোগত দৰঙী ৰাইজৰ সহযোগত ঐতিহাসিক পথৰুঘাটৰ ৰণত প্ৰাণ আহুতি দিয়া মহান বীৰ কৃষক শ্বহীদসকলৰ পৱিত্ৰ স্মৃতিত আয়োজিত কৃষক শ্বহীদ দিৱসত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়। মুখ্যমন্ত্ৰী সোণোৱালে কয় যে কৃষক শ্বহীদসকলৰ মহান ত্যাগ আৰু দেশ প্ৰেমৰ আদৰ্শক তুলি ধৰাৰ বাবে আৰু দেশী-বিদেশী পৰ্যটকসকলক আকৰ্ষিত কৰিব পৰাকৈ ৰাজ্য চৰকাৰে পথৰুঘাটত এক স্মৃতি ক্ষেত্ৰ নিৰ্মাণ কৰিব। মুখ্যমন্ত্ৰীয়ে এই অঞ্চলৰ কৃষক ৰাইজক আধুনিক কৃষি পদ্ধতিৰ সৈতে পৰিচয় কৰাই দিবলৈ অসম কৃষি বিশ্ববিদ্যালয়ৰ এটা শাখা খোলাৰ দিশত প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈও কৃষিমন্ত্ৰীগৰাকীক কয়। এই পৱিত্ৰ স্থানত মাটিৰ সৈতে জড়িত থকা কৃষকৰ কেচা তেজৰ মূল্যাঙ্কন কৰিব লাগিলে আমি কৃষি খণ্ডত বিশ্বৰ ভিতৰতে জাকত জিলিকা হৈ উঠাৰ লক্ষ্যৰে কাম কৰিব লাগিব। অসমৰ শক্তিশালী আৰু উজ্জ্বল ভৱিষ্যৎ কৃষিখণ্ডতে আছে বুলি উল্লেখ কৰি তেওঁ কয় যে কৃষিৰ জৰিয়তে আমি আত্মনিৰ্ভৰশীল হ'ব লাগিব। বিজ্ঞানসন্মতভাৱে কৃষিকাৰ্যত নিয়োজিত হৈ উৎপাদন বৃদ্ধিৰ জৰিয়তে উপাৰ্জন বৃদ্ধি কৰিব লাগিব। সেই পৰ্যায়লৈ যাব লাগিলে স্মাৰ্ট কৃষক হ'ব লাগিব। কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে কৃষিখণ্ডৰ বিকাশ সাধনৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ ফলত আজিৰ অসমৰ নৱ প্ৰজন্মৰ মানসিকতা সলনি হৈছে। শৃংখলাবদ্ধভাৱে প্ৰতিযোগিতাত নামি পৰিছে। অসমৰ যুৱ কৃষকে উৎপাদন কৰা সামগ্ৰীয়ে আজি বিশ্ব বজাৰলৈ ঢাপলি মেলিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। কৃষকসকলক আত্মনিৰ্ভৰ কৰি গঢ়ি তোলা, আৰ্থিকভাৱে স্বচ্ছল কৰা আৰু কৃষিখণ্ডৰ সম্ভাৱনীয়তাক আৱিষ্কাৰ কৰি আগুৱাই যাব পৰাকৈ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ডেকা শক্তিয়ে এই ক্ষেত্ৰত নেতৃত্ব বহন কৰিলেহে আমি সফল হ'ব পাৰিম। একবিংশ শতিকাৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যুগত পৰম্পৰাগত কৃষি পদ্ধতিৰ পৰিৱৰ্তে আধুনিক কৃষি পদ্ধতিক আকোঁৱালি ল'ব লাগিব। ভাৰতবৰ্ষৰ ৮৫ শতাংশ লোক কৃষিৰ ওপৰত নিৰ্ভৰশীল। এই লোকসকলক আৰ্থিকভাৱে স্বাৱলম্বী কৰিব লাগিব। উচ্চ শিক্ষিত নৱ প্ৰজন্মই কৃষি ক্ষেত্ৰত জড়িত হ'লে অসম দেশৰ শ্ৰেষ্ঠ ৰাজ্য হ'ব বুলিও তেওঁ কয়। ২০২২ চনত কৃষকৰ উৎপাদন দুগুণ কৰাৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ছয়েল হেলথ্ কাৰ্ড, পি এম কিষাণ বীমা যোজনা, কে চি চি, কিষাণ সন্মান নিধিৰ লেখীয়া অভিলাষী আঁচনি গ্ৰহণ কৰিছে। তদুপৰি ৰাজ্য চৰকাৰে মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা, কৃষি সাঁ-সজুলি যোজনা, ২ লাখ টকাকৈ কৃষি ঋণৰ সুদ ৰেহাই, ৰাইচ মিল স্থাপন, ইত্যাদিৰ লেখীয়া বহু পদক্ষেপ গ্ৰহণ কৰিছে। এই পদক্ষেপসমূহৰ সুফল লাভ কৰিবলৈ হ'লে আমাৰ উচ্চ শিক্ষিত যুৱ প্ৰজন্মই কৃষিত আত্মনিয়োগ কৰিব লাগিব। প্ৰধানমন্ত্ৰীয়ে অসম তথা উত্তৰ-পূৰ্বাঞ্চলক জৈৱিক হাব হিচাপে পৰিগণিত কৰাৰ আহ্বান জনাইছে। মুখ্যমন্ত্ৰীয়ে কৃষকসকলক জৈৱিক কৃষি পদ্ধতিত আত্মনিয়োগ কৰিবলৈও আহ্বান জনায়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে আত্মনিৰ্ভৰ ভাৰতবৰ্ষৰ বাবে প্ৰধানমন্ত্ৰীয়ে ২০ লাখ কোটি টকাৰ পেকেজ ঘোষণা কৰি এই ক্ষেত্ৰত কৃষি আৰু ইয়াৰ আনুসংগিক খণ্ডত আগবঢ়োৱা ধনৰাশিৰ কথাও উল্লেখ কৰে। সভাত ভাষণ প্ৰদান কৰি কৃষিমন্ত্ৰী অতুল বৰাই কয় যে বিনিময় প্ৰথাৰে কৃষিভিত্তিক অৰ্থনীতি আৰম্ভ হয়। পৰৱৰ্তী পৰ্যায়ত সামাজিক অৰ্থ-ব্যৱস্থাত কৃষিয়ে লোৱা গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়ে কয়। তেওঁ কয় যে কৃষি ক্ষেত্ৰলৈ যুগান্তকাৰী পৰিৱৰ্তন আনিব লাগিলে অধিক শ্ৰম কৰিব লাগিব। বৰ্তমানৰ ৰাজ্য চৰকাৰে কৃষি আৰু ইয়াৰ আনুসংগিক খণ্ডৰ বিকাশ সাধনৰ বাবে অভিযান হিচাপে কাম কৰি আহিছে। অৰ্থনৈতিকভাৱে স্বাৱলম্বী হ'বলৈ কৰ্ম সংস্কৃতিত গুৰুত্ব দিব লাগিব বুলি উল্লেখ কৰি তেওঁ কয় যে একেডৰা মাটিতে অধিক শস্য উৎপাদনৰ দিশত আত্মনিয়োগ কৰিব লাগিব। ভাষণ প্ৰসংগত তেওঁ কৃষি বিভাগে কৃষকৰ উন্নয়ন সাধন কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহৰ আলোকপাত কৰে। কৃষি বিভাগৰ আয়ুক্ত সচিব আকাশদ্বীপে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত সাংসদ দিলীপ শইকীয়া, বিধায়কদ্বয় বিনন্দ কুমাৰ শইকীয়া আৰু গুৰুজ্যোতি দাসে ভাষণ প্ৰদান কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, বিধায়ক অশোক শৰ্মা, অসম সংখ্যালঘু উন্নয়ন ব'ৰ্ডৰ অধ্যক্ষ মমিনুল আৱাল, উপায়ুক্ত দিলীপ কুমাৰ বৰা প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে। মুখ্যমন্ত্ৰীয়ে পথৰুঘাটত উপস্থিত হৈয়ে কৃষক শ্বহীদ স্মাৰকত পুষ্পাঞ্জলি অৰ্পণেৰে শ্বহীদসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিৱেদন কৰে। আনহাতে মুখ্যমন্ত্ৰীয়ে সংহত প্ৰশিক্ষণ আৰু দক্ষতা বিকাশ কেন্দ্ৰ এটিও উদ্বোধন কৰে। কৃষক শ্বহীদ দিৱস উপলক্ষে আয়োজিত ৰাজহুৱা সভাত মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ কৃষি ক্ষেত্ৰলৈ অনন্য বৰঙনি যোগোৱা কৃষক আৰু কৃষি গোটক সম্বৰ্দ্ধনা জ্ঞাপন কৰে। আজিৰ এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে এখন স্মৃতিগ্ৰন্থও উন্মোচন কৰে।

**ঢকুৱাখনাতো কৃষক শ্বহীদ দিৱস পালন ঃ ২৩গৰাকী আদৰ্শ কৃষকক সম্বৰ্ধনা ঢকুৱাখনা মহকুমা কৃষি বিভাগৰ**

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ঢকুৱাখনা ঃ** সমগ্ৰ ৰাজ্যৰ লগতে আজি ঢকুৱাখনা মহকুমা কৃষি বিষয়াৰ কাৰ্যালয়তো দৰঙৰ পথৰুঘাটৰ ১৮৯৪ চনৰ ঐতিহাসিক কৃষক বিদ্ৰোহৰ স্মৃতিত কৃষক শ্বহীদ দিৱস আয়োজন কৰা হয়। পুৱা ৯ বজাত পথৰুঘাটৰ কৃষক বিদ্ৰোহত শ্বহীদ হোৱা কৃষকসকলৰ স্মৃতিত শ্বহীদ তৰ্পণ কৰে ঢকুৱাখনা মহকুমাৰ কৃষি বিষয়া গৌতম চন্দ্ৰ ডেকাই। ইয়াৰ পিছতে ঢকুৱাখনা মহকুমাৰ বিভিন্ন প্ৰান্তৰ কৃষকসকলৰ সৈতে কৃষি বিভাগৰ বিষয়াৰ মতবিনিময় আৰু আদৰ্শ কৃষকসকলক সম্বৰ্ধনা অনুষ্ঠান আয়োজিত কৰা হয়। কৃষি উন্নয়ন বিষয়া দীপজ্যোতি চুতীয়াই আঁত ধৰা অনুষ্ঠানত নিৰোজ টাৰ, লোহিত চুতীয়া, তুলশী গগৈ, প্ৰাঞ্জল চুতীয়া, নোমল চুতীয়া, শুভ চমুৱাকে ধৰি ২৩গৰাকী কৃষকক আৰু ৮জন সাৰ তথা কৃষি সঁজুলি বিক্ৰেতাক ঢকুৱাখনা মহকুমা কৃষি বিভাগৰ ফালৰ পৰা সম্বৰ্ধনা জনোৱা হয়। ইফালে ঢকুৱাখনা মহকুমাৰ কৃষকৰ আৰু কৃষি ক্ষেত্ৰৰ বিভিন্ন সমস্যা সংবাদ মাধ্যমত প্ৰচাৰ কৰি কৃষি বিভাগৰ লোকসকলক সজাগ কৰি অহাৰ বাবে সাংবাদিক আলোক চমুৱা, অতুল বৰুৱা, উত্তম হাজৰিকা আৰু ৰাজীৱ বৰুৱাকো ঢকুৱাখনা মহকুমা কৃষি বিভাগৰ ফালৰ পৰা সম্বৰ্ধনা জনোৱা হয়। ঢকুৱাখনাত আয়োজিত আজিৰ কৃষক শ্বহীদ দিৱসৰ অনুষ্ঠানত উপস্থিত থাকে কৃষি উন্নয়ন বিষয়া মন্দিৰা বৰবৰা, গীতিমল্লিকা হাজৰিকা, সহকাৰী কৃষি পৰিদৰ্শক উদয় বৰুৱা, কৃষি সম্প্ৰসাৰণ বিষয়া সুশীল বৰুৱা, প্ৰিয়দীপ পেগু, মনেশ্বৰ বৰ্মন, সুনীল সেনাপতি, ৰূপক দত্তকে আদি কৰি কৃষি বিভাগৰ অন্যান্য বিষয়া-কৰ্মচাৰীসকল।

**ধুবুৰীত কৃষক শ্বহীদ দিৱস পালন**

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী ঃ** সমগ্ৰ ৰাজ্যৰ লগতে আজি ধুবুৰী কৃষি বিভাগৰ কাৰ্যালয় প্ৰাংগণত বিভিন্ন কাৰ্যসূচীৰ মাজেৰে দিনৰ ১১ বজাত বন্তি প্ৰজ্বলনৰ মাজেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে জিলা কৃষি বিষয়া হবিবুল হকে। শ্বহীদ বেদীত পুষ্পাৰ্ঘ্য দিয়ে জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া অশোক কুমাৰ শ্ৰীবাস্তৱ, সমাজ সেৱক তথা বিশিষ্ট চিকিৎসক দেৱময় সান্ন্যাল, তিনিজন মহকুমা কৃষি বিষয়া নিৰ্মল ঘোষ, পংকজ তালুকদাৰ, মুনিন বসুমতাৰীয়ে। এই সম্পৰ্কে অনুষ্ঠিত সভাত সভাপতিত্ব কৰে জিলা কৃষি বিষয়া হবিবুল হকে। বিশিষ্ট অতিথিৰ ভাষণত সমাজ সেৱক দেৱময় সান্ন্যালে কয়— কৃষকসকল হৈছে আমাৰ সমাজৰ আৰ্থিক ভেটি শক্তিশালী কৰাৰ প্ৰধান সৈনিক। বহু কষ্টৰ মাজেৰে এওঁলোকে আমাৰ বাবে খাদ্য উৎপাদন কৰে। ৰাজ্য চৰকাৰে কৃষক ভাইসকলৰ বাবে বহু আঁচনি গ্ৰহণ কৰিছে। অনুষ্ঠাত কৃষি বিষয়াই ৬জন কৃষকক কৃষি ক্ষেত্ৰত দেখুওৱা বিশেষ পাৰদৰ্শিতাৰ বাবে সম্বৰ্ধনা জনোৱাৰ লগতে বঁটা প্ৰদান কৰে। লগতে উপস্থিত শতাধিক কৃষকৰ মাজত কৃষক শ্বহীদ দিৱস উপলক্ষে ৫ কেজিকৈ উৰ্বৰা সাৰৰ টোপোলা বিতৰণ কৰে।

**নগাঁৱত কৃষক শ্বহীদ দিৱসত ১৫গৰাকী প্ৰগতিশীল কৃষকক সম্বৰ্ধনা ঃঃ**

**দেশৰ অৰ্থনীতিৰ মূল চালিকাশক্তি হৈছে কৃষক ঃ অশোক বৰঠাকুৰ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰ্হমপুৰ ঃ** কৃষকেই হৈছে দেশৰ অৰ্থনীতিৰ মূল চালিকা শক্তি। 'কৃষকৰ উৎপাদিত শস্য নহ'লে আমি জীয়াই থাকিব নোৱাৰো' —এই মন্তব্য নগাঁও জিলা কৃষি বিষয়া অশোক বৰঠাকুৰৰ। আজি পথৰুঘাটত শ্বহীদ হোৱা কৃষকসকলৰ স্মৃতিত ৰূপায়ণ হোৱা কৃষক শ্বহীদ দিৱসৰ লগত সংগতি ৰাখি নগাঁও জিলা কৃষি বিষয়া কাৰ্যালয়ত অনুষ্ঠিত প্ৰগতিশীল কৃষকক সম্বৰ্ধনা জনোৱা সভাত উপস্থিত থাকি কৃষি বিষয়াগৰাকীয়ে আৰু কয় যে দেশৰ অৰ্থনীতিৰ মূল চালিকা শক্তি হোৱা হেতুকে কৃষকৰ অবিহনে আমি এখন প্ৰগতিশীল দেশৰ সপোন দেখিব নোৱাৰো। উদ্যান শস্য বিভাগৰ মহকুমা কৃষি বিষয়া নিখিল বৰুৱাই আঁত ধৰা কৃষক সম্বৰ্ধনা সভাত কৃষিৰ ক্ষেত্ৰত পাৰদৰ্শিতা দেখুওৱা পুৰণিগুদামকে ধৰি নগাঁও জিলাৰ ১৫গৰাকী প্ৰগতিশীল কৃষকক ফুলাম গামোচা আৰু মানপত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। আজি এই শ্বহীদ দিৱসত নগাঁও জিলা কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰী উপস্থিত থাকি প্ৰগতিশীল কৃষকসকলক উৎসাহিত কৰা দেখা যায়। ইফালে আজি কেন্দ্ৰীয়ভাৱে আয়োজন কৰা কৃষক শ্বহীদ দিৱসৰ বাবে নগাঁৱৰ শেনছোৱাৰ প্ৰগতিশীল কৃষক প্ৰভাত শইকীয়াই আমন্ত্ৰিত হৈ আন কৃষকসকলক উৎসাহিত কৰা দেখা যায়।

# ১৬ বিৰোধী দলে বৰ্জন কৰিব ৰাষ্ট্ৰপতিৰ ভাষণ

## আজিৰে পৰা সংসদৰ শীতকালীন অধিৱেশন

**নতুন দিল্লী, ২৮ জানুৱাৰী ঃ** কাইলৈৰ পৰা সংসদৰ বাজেট অধিৱেশন আৰম্ভ হ'ব। পৰম্পৰাগতভাৱে অধিৱেশনৰ প্ৰথমদিনা যুটীয়া সদন সম্বোধন কৰে দেশৰ ৰাষ্ট্ৰপতিয়ে। কাইলৈও ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দে ৰাজ্যসভা আৰু লোকসভাৰ দুয়োখন সদনৰ যুটীয়া সভা সম্বোধন কৰিব। কিন্তু দেশৰ ১৬টাকৈ বিৰোধী দলে ৰাষ্ট্ৰপতিৰ ভাষণ বৰ্জন কৰিব বুলি ঘোষণা কৰিছে। দেশত কৃষকৰ বিৰুদ্ধে চৰকাৰে চলোৱা ষড়যন্ত্ৰ আৰু নিৰ্যাতনৰ প্ৰতিবাদত এই সিদ্ধান্ত লোৱা হৈছে। কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা ৰাজ্যসভাৰ বিৰোধী দলপতি গোলাম নবী আজাদে আজি সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰিছে। তেওঁ কয় যে গণৰাজ্য দিৱসৰ দিনা দিল্লীত সংঘটিত হোৱা হিংসাত্মক কাৰ্যৰ বাবে মূল দায়ী হ'ল গৃহমন্ত্ৰী অমিত শ্বাহ। কৃষকৰ শান্তিপূৰ্ণ সমদল বিঘ্নিত কৰিবলৈ ষড়যন্ত্ৰ কৰা হৈছিল আৰু তৃতীয় পক্ষৰ ব্যক্তিক নিযুক্তি কৰিছিল। আৰক্ষী, নিৰাপত্তাৰক্ষীয়ে গিজগিজাই থকা সময়ত কেনেকৈ তৃতীয় পক্ষৰ ব্যক্তিয়ে ধৰ্মীয় পতাকা লৈ লালকিল্লাত প্ৰৱেশ কৰিলে সেয়া কেৱল গৃহমন্ত্ৰীয়েহে জানিব। দেশৰ কৃষক-শ্ৰমিকৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰা অমিত শ্বাহৰ পদত্যাগ দাবী কৰিছে বিৰোধী দলটোৱে। সংবাদ মাধ্যমৰ আগত কোৱা হয় যে কৃষকৰ শান্তিপূৰ্ণ প্ৰতিবাদী কাৰ্যসূচী ৬৪ দিন অতিক্ৰম কৰিলে। এই সময়ছোৱাত ১৫৫ জন কৃষকৰ অকাল মৃত্যু ঘটিছে। কিন্তু চৰকাৰে কৃষকৰ কান্দোন আৰু বেদনা উপলব্ধি নকৰিলে। ইয়াৰ বিপৰীতে পানীহিলৈ, কন্দুৱাগেছ আদিৰে প্ৰতিবাদস্থলী আৱৰি ৰাখিছে। নতুন কৃষি আইনে দেশত ৰূপায়ণ হৈ থকা ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন অকামিলা কৰিব। লগতে কৃষক সমাজক অনিশ্চিত ভৱিষ্যতলৈ ঠেলি দিব। এই কথা লুকুৱাই ৰাখি শাসকীয় পক্ষই নিৰীহ কৃষকৰ বিৰুদ্ধে যি ধৰণে ষড়যন্ত্ৰ কৰিছে সেয়া দেশবাসীয়ে চাই থাকিব নোৱাৰে। গতিকে সংসদৰ অধিৱেশনৰ প্ৰথম দিনা ৰাষ্ট্ৰপতিৰ ভাষণ বৰ্জন কৰিব ১৬ টা ৰাজনৈতিক দলৰ প্ৰতিনিধিয়ে। কেৱল ৰাজ্যসভাতে নহয়, লোকসভাতো বিৰোধীয়ে ৰাষ্ট্ৰপতিৰ ভাষণ বৰ্জন কৰিব বুলি কংগ্ৰেছ নেতাজনে সংবাদ মাধ্যমৰ আগত ব্যক্ত কৰিছে।



# ছিংঘু খালী কৰক, এৰি গুচি যাওক

## প্ৰতিবাদী কৃষকৰ বিৰুদ্ধে ছিংঘু সীমান্তত স্থানীয় ৰাইজৰ বিদ্ৰোহ

**নতুন দিল্লী, ২৮ জানুৱাৰী ঃ** দিল্লীৰ সীমান্তৱৰ্তী ছিংঘু অঞ্চলৰ ৰাইজ জাগ্ৰত হ'ল প্ৰতিবাদী কৃষকৰ বিৰুদ্ধে। ইমানদিনে নিজৰ পদূলিমুখতে কৃষকে দলে বলে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি আছিল। এই সময়ছোৱাত স্থানীয় ৰাইজে খোৱাপানী তথা অন্যান্য সামগ্ৰী যোগান ধৰিছিল। কিন্তু দিল্লীৰ লালকিল্লাত জাতীয় পতাকা নমাই আনি ছাহিব নিছান উত্তোলন কৰা কাৰ্যই এতিয়া এই কৃষকসকলৰ বিৰুদ্ধে ক্ষোভিত হৈ পৰিছে স্থানীয় ৰাইজ। যাৰ বাবে প্ৰতিবাদী কৃষকসকলক ছিংঘু পৰিত্যাগ কৰিবলৈ আজি সদলবলে প্ৰতিবাদ কৰা দেখা গ'ল। এই সম্পৰ্কত স্থানীয় ৰাইজে আজি হাতে হাতে বেনাৰ, পোষ্টাৰ লৈ ছিংঘু খালি কৰক, ছিংঘু এৰি গুচি যাওক আদি ধ্বনিৰে মুখৰিত কৰি তোলে পৰিৱেশ। এজন ব্যৱসায়ীয়ে সংবাদ মাধ্যমৰ আগত কয় যে যোৱা দুমাহ ধৰি কৃষকে পথবন্ধ কৰি ৰখাৰ বাবে তেওঁৰ ব্যৱসায় বন্ধ হৈ পৰিছে। ইয়াৰ উপৰি স্থানীয় যাতায়াত আদি কাৰ্যত ভীষণ অসুবিধাৰ সন্মুখীন হৈছে। তথাপি স্থানীয় ৰাইজে সহ্য কৰি আছিল। কিন্তু জাতীয় পতাকা ভূপতিত কৰা কাৰ্য কেতিয়াও সহ্য কৰিব নোৱাৰি। সেয়েহে ছিংঘু এৰি গুচি যাবলৈ কৃষকসকলক আহ্বান জনোৱা হৈছে। এনেকৈ কৃষকসকলৰ প্ৰতিবাদস্থলত এতিয়া স্থানীয় ৰাইজৰ বিৰোধিতাই বিশেষ তাৎপৰ্য বহন কৰিছে।



# দিল্লী আৰক্ষীৰ লুক-আউট জাননী প্ৰকাশ

## ৩৭ কৃষক নেতা, ৬ মুখপাত্ৰৰ বিৰুদ্ধে সাম্যপুৰবাদলি থানাত গোচৰ ৰুজু

**নতুন দিল্লী, ২৮ জানুৱাৰী ঃ** হঠাৎ কঠোৰ হ'ল দিল্লী আৰক্ষী। গণৰাজ্য দিৱসৰ দিনা লালকিল্লাত দেশৰ জাতীয় পতাকা নমাই আনি কৃষকসকলে নিজৰ পতাকা উত্তোলন কৰা আৰু কৰ্তব্যৰত আৰক্ষী, নিৰাপত্তাৰক্ষী তথা উপস্থিত ৰাইজক আক্ৰমণ কৰা ঘটনাৰ বিৰুদ্ধে ২৫ খন এফ আই আৰ পঞ্জীয়ন কৰা হৈছে। এই এফ আই আৰসমূহত প্ৰতিবাদৰত কৃষক সংগঠনসমূহৰ ৩৭ জন নেতাৰ লগতে ৬জন মুখপাত্ৰৰ নাম সন্নিবিষ্ট আছে। ইতিমধ্যে কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ জৰুৰী বৈঠকৰ পিছতে দিল্লী আৰক্ষীয়ে এনেদৰে কঠোৰ হৈছে আন্দোলনকাৰীৰ বিৰুদ্ধে। সেই অনুসৰি আক্ৰমণ তথা হিংসাত্মক কাৰ্যত জড়িত থকাৰ অভিযোগত ৩৭ জন কৃষক নেতা আৰু ৬ জন মুখপাত্ৰৰ বিৰুদ্ধে লুকআউট জাননী জাৰি কৰিছে। এই লোকসকলক য'তেই দেখা পায় তাতেই গ্ৰেপ্তাৰ কৰিবলৈ নিৰ্দেশনা জাৰি কৰা হৈছে। এই এফ আই আৰসমূহত নাম উল্লেখ থকাসমূহৰ অন্যতম হ'ল পাঞ্জাৱী চিনেমাৰ অভিনেতা দ্বীপ সিদ্ধু, গেংষ্টাৰ লাখবিৰ সিং সিধানা ওৰফে লাখা সিধানাসহ সংযুক্ত কিষাণ মৰ্চা, ভাৰতীয় কিষাণ মৰ্চা আদি আছে। আনহাতে যি ছয়জন মুখপাত্ৰৰ নাম সন্নিবিষ্ট আছে তেওঁলোক হ'ল ভাৰতীয় কিষাণ মৰ্চাৰ সিধুপুৰ শাখাৰ সভাপতি জগজিৎ সিং ডালেয়াল, একেটা সন্থাৰে ৰাজেয়াল শাখাৰ সভাপতি বলবীৰ সিং ৰাজেয়াল, ক্ৰান্তিকাৰী কিষাণ মৰ্চাৰ সভাপতি দৰ্শন পাল, ভাৰত কিষাণ মৰ্চাৰ সভাপতি ৰাকেশ টিকায়ত, সাধাৰণ সম্পাদক কুলৱন্ত সিং সান্ধু, স্বৰাজ পাৰ্টীৰ সভাপতি যোগেন্দ্ৰ যাদৱ, ভাৰত কিষাণ মৰ্চাৰ ডাকাউনদা শাখাৰ সভাপতি বুটা সিং, কীৰ্তি কিষাণ ইউনিয়নৰ সভাপতি নিৰ্ভয় সিং, পাঞ্জাৱ কিষাণ ইউনিয়নৰ সভাপতি ৰালডু সিং মানছা, কিষাণ সংঘৰ্ষ কমিটীৰ সভাপতি ইন্দৰজিত সিং আদি উল্লেখনীয়। আনহাতে দিল্লীৰ আৰক্ষী আয়ুক্ত এছ এন শ্ৰীবাস্তৱে কয় যে কৃষক প্ৰতিবাদীসকলে আৰক্ষীয়ে নিৰ্ধাৰণ কৰি দিয়া চৰ্তসমূহ পালন কৰা নাছিল। তেওঁলোকক দিনৰ ১২ বজাৰ পৰা পাঁচ বজালৈকেহে পাঁচ হাজাৰ ট্ৰেক্টৰসহ অনুমতি দিয়া হৈছিল। কিন্তু অনুমতিবিহীনভাৱে পুৱাৰ ভাগতে সমদল আৰম্ভ কৰিছিল আৰু অংশগ্ৰহণকাৰী ট্ৰেক্টৰৰ সংখ্যা নিৰ্ধাৰণ কৰাতকৈ বহুগুণে বেছি আছিল। গতিকে আইন ভংগ কৰাৰ কাৰ্যৰ বিৰুদ্ধে আৰক্ষীয়ে তদন্ত কৰিবই বুলি উল্লেখ কৰে।



# বাজেট দাখিলৰ দিনা সংসদলৈ কৃষকৰ লং মাৰ্চ বাতিল

## দীপ সিদ্ধু আৰ এছ এছ কৰ্মী ঃ দৰ্শন পাল

**নতুন দিল্লী, ২৮ জানুৱাৰী ঃ** দিল্লীৰ অবাঞ্চিত ঘটনাৰ পিছত হতাশ হৈছে প্ৰতিবাদী কৃষক। চৰকাৰে জাপি দিছে কঠোৰ আইন। যাৰ বাবে সংসদৰ বাজেট অধিৱেশনৰ সময়ত গ্ৰহণ কৰা প্ৰতিবাদী সমদল বাতিল কৰিবলৈ বাধ্য হৈছে। বিশেষকৈ অহা ১ ফেব্ৰুৱাৰীত সংসদৰ ২০২১-২২ বৰ্ষৰ বাজেট দাখিল কৰা হ'ব। সেই দিনটোত সংসদলৈ পদযাত্ৰাৰে মৌন সমদল কৰাৰ কাৰ্যসূচী আছিল প্ৰতিবাদী কৃষকৰ। কিন্তু গণৰাজ্য দিৱসত দিল্লীৰ লালকিল্লাত সংঘটিত কৰা আক্ৰমণ, জাতীয় পতাকাৰ প্ৰতি অপমান আদিৰ বাবে কৃষক সংগঠনসমূহে আইনৰ মেৰমেছত সোমাই পৰিছে। অৱশ্যে তেওঁলোকে কৃষি আইনৰ বিৰুদ্ধে প্ৰতিবাদী কাৰ্যসূচী অব্যাহত ৰাখিব বুলি ব্যক্ত কৰে। সমদল আদি বাতিল কৰিলেও অহা ৩০ জানুৱাৰীত মহাত্মা গান্ধীৰ জন্মদিনটোত অনশন কাৰ্যসূচী দেশজুৰি ৰূপায়ণ কৰিব কৃষকসকলে। এই সম্পৰ্কত কৃষক নেতা দৰ্শন পালে উত্থাপন কৰিছে গুৰুত্বপূৰ্ণ অভিযোগ। তেওঁ কয় যে দ্বীপ সিদ্ধু নামৰ যিজন অভিনেতাই লালকিল্লাত ছাহিব নিছান উৰুৱাইছিল, সেই ব্যক্তিজন আৰ এছ এছৰ কাৰ্যকৰ্তা। তেওঁ সঘনে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বিজেপি সাংসদ ছানী দেউলৰ সৈতে দেখা-সাক্ষাৎ হৈ থাকে। ৯৯.৯ শতাংশ প্ৰতিবাদী কাৰ্যসূচী শান্তিপূৰ্ণ আৰু হিংসাবৰ্জিত আছিল বুলি আঙুলিয়াই দি আন এজন কৃষক নেতা বলবীৰ সিং ৰাজেয়ালে কয় যে লক্ষাধিক লোকে অংশগ্ৰহণ কৰিলেও প্ৰতিবাদী কাৰ্যসূচী আছিল শৃংখলিত। ইফালে কৃষকসকলে প্ৰতিবাদস্থল ত্যাগ কৰি সাময়িকভাৱে নিজৰ ঘৰলৈ উভতি যাব বুলিও ব্যক্ত কৰে। এদিনৰ পূৰ্বেই দুটাকৈ কৃষক সংগঠন ক্ৰমে ভাৰত কিষাণ ইউনিয়ন আৰু সদৌ ভাৰত কিষাণ সংঘৰ্ষ কো-অৰ্ডিনেচন কমিটীয়ে প্ৰতিবাদী ধৰ্মঘট কাৰ্যসূচীৰ পৰা নিজকে প্ৰত্যাহাৰ কৰিছে। অৱশ্যে তেওঁলোকে কৃষি আইন বাতিলৰ দাবীত আন্দোলন চলাই যাব বুলি ব্যক্ত কৰে।

# কৃষি আইন বাতিলৰ বাবে পশ্চিমবংগ চৰকাৰৰ প্ৰস্তাৱ গ্ৰহণ

**কলকাতা, ২৮ জানুৱাৰী ঃ** কেন্দ্ৰৰ তিনিখন বিতৰ্কিত কৃষি আইন বাতিলৰ দাবীত আজি পশ্চিমবংগ চৰকাৰে এক প্ৰস্তাৱ গ্ৰহণ কৰে। এই আইন বাতিলৰ দাবীত ইতিপূৰ্বে কেবাখনো ৰাজ্যই এনেধৰণৰ প্ৰস্তাৱ গ্ৰহণ কৰিছিল। পশ্চিমবংগ চৰকাৰৰ সংসদীয় পৰিক্ৰমা মন্ত্ৰী পাৰ্থ ছেটাৰ্জীয়ে বিধানসভাৰ মজিয়াত এই প্ৰস্তাৱ দাখিল কৰে। উক্ত প্ৰস্তাৱত কোৱা হৈছে যে উক্ত কৃষি আইনকেইখন কৃষকৰ স্বাৰ্থৰ পৰিপন্থী। সেয়েহে দেশজুৰি কৃষকসকলে প্ৰতিবাদমুখৰ হৈ আছে। এই কৃষি আইনৰ জৰিয়তে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন অকামিলা কৰিব খোজা হৈছে। ফলত দেশৰ কোটি কোটি জনতা বঞ্চিত হ'ব। বৃহৎ পুঁজিপতি গোষ্ঠীৰ স্বাৰ্থত উক্ত কৃষি আইন বলবৎ কৰা বুলি পশ্চিমবংগ চৰকাৰৰ প্ৰস্তাৱটোত উল্লেখ আছে। বিধানসভাৰ মজিয়াত এই প্ৰস্তাৱ দাখিলৰ লগে লগে বিজেপি বিধায়কসকলে প্ৰতিবাদমুখৰ হৈ পৰে আৰু জয় শ্ৰীৰাম ধ্বনি চিঞৰি বিধানসভাৰ মজিয়াৰ পৰা আঁতৰি যোৱা পৰিলক্ষিত হয়। এই সম্পৰ্কত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে বিধানসভাত কয় যে নিজৰ বাহুবল প্ৰয়োগ কৰি কেন্দ্ৰীয় চৰকাৰে বিতৰ্কিত কৃষি আইন জাপি দিছে। বিজেপিৰ সকলো কাৰ্যকলাপ দমনমূলক আৰু সন্ত্ৰাসবাদীৰ দৰে ৰাইজক ভয় দেখুৱাই কাৰ্যকৰী কৰিব খোজে। দেশৰ প্ৰধানমন্ত্ৰীয়ে কৃষি আইনকেইখনৰ সম্পৰ্কত সৰ্বদলীয় সভাৰ আহ্বান জনোৱা উচিত। যদিহে কৃষি আইনকেইখন বাতিল কৰা নহয় তেনেহ'লে প্ৰধানমন্ত্ৰী মোদীয়ে পদত্যাগ কৰা উচিত বুলি বংগৰ মুখ্যমন্ত্ৰীজনে ব্যক্ত কৰিছে। এই সম্পৰ্কত মমতা বেনাৰ্জীয়ে কংগ্ৰেছ আৰু বাওপন্থী দলসমূহকো কৃষি আইন বিৰোধিতা কৰিবলৈ আহ্বান জনাইছে। দলৰ উৰ্দ্ধত থাকি কৃষকৰ পক্ষত অৱস্থান গ্ৰহণ কৰিবলৈ আহ্বান জনোৱা হৈছে। উল্লেখ্য যে পশ্চিমবংগৰ পূৰ্বে এই কৃষি আইন বাতিলৰ দাবীত নিজ নিজ বিধানসভাত প্ৰস্তাৱ গ্ৰহণ কৰা অন্যান্য ৰাজ্যকেইখনৰ ভিতৰত আছে পাঞ্জাৱ, ছট্টিশগড়, ৰাজস্থান, কেৰালা আৰু দিল্লী। এই ৰাজ্যসমূহে উক্ত কৃষি আইন বলবৎ নকৰে বুলিও স্পষ্ট কৰি দিছে।



# অজিত ডোভালৰ সৈতে জেক ছুলিভানৰ বাৰ্তালাপ

## ভাৰত-মাৰ্কিন সম্পৰ্ক উন্নত কৰাৰ প্ৰতিশ্ৰুতি

**ৱাশ্বিংটন, ২৮ জানুৱাৰী ঃ** আমেৰিকা যুক্তৰাষ্ট্ৰৰ নৱনিযুক্ত ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা জেক ছুলিভানৰ ফোনকল আহিল ভাৰতৰ নিৰাপত্তা উপদেষ্টা অজিত ডোভাললৈ। বুধবাৰে বিয়লি দুয়োখন দেশৰ নিৰাপত্তা উপদেষ্টা দুগৰাকীয়ে সৌহাৰ্দ্যপূৰ্ণ বাৰ্তালাপত মিলিত হয়। প্ৰথমবাৰলৈ শক্তিধৰ ৰাষ্ট্ৰখনৰ নিৰাপত্তা উপদেষ্টাৰ দৰে গুৰু দায়িত্ব লাভ কৰি ৰাষ্ট্ৰপতি জ' বিডেনৰ নিৰ্দেশতে ভাৰতৰ সৈতে উন্নত সম্পৰ্ক বৰ্তাই ৰাখিবলৈ মাৰ্কিন প্ৰশাসন সদায় প্ৰস্তুত আছে বুলি ব্যক্ত কৰা হৈছে। এই সম্পৰ্কত ছুলিভানে তেওঁৰ দেশৰ ৰাষ্ট্ৰপতি বিডেনৰ বক্তব্য দাঙি ধৰি কয় যে ভাৰত আৰু আমেৰিকাৰ দ্বিপাক্ষিক সম্পৰ্কৰ ভেটি হ'ল দুয়োখন দেশৰ শক্তিশালী গণতান্ত্ৰিক পৰম্পৰা আৰু প্ৰতিশ্ৰুতি। গতিকে নিজৰ প্ৰতিশ্ৰুতি ৰূপায়ণ কৰাৰ বাবে মাৰ্কিন প্ৰশাসন সদায় সাজু থাকিব বুলিও ব্যক্ত কৰা হৈছে। উল্লেখ্য যে যোৱা ২০ জানুৱাৰীত আমেৰিকাৰ নৱ নিৰ্বাচিত ৰাষ্ট্ৰপতি জ' বিডেনে দায়িত্বভাৰ গ্ৰহণ কৰে। ইয়াৰ পিছতে ভাৰতৰ সৈতে সকলো পৰ্যায়তে সু-সম্পৰ্ক বৰ্তাই ৰাখিবলৈ বাৰে বাৰে উল্লেখ কৰিছে নতুন ৰাষ্ট্ৰপতিয়ে। তাৰ অংশ হিচাপেই ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টাই দুয়োখন দেশৰ সম্পৰ্ক উন্নীত কৰাৰ বাবে দিয়া প্ৰতিশ্ৰুতিয়ে বিশ্বৰ অন্যান্য ৰাষ্ট্ৰসমূহক সজাগ কৰি তুলিছে।



# আফগানিস্তান-কাশ্মীৰ অশান্ত কৰাৰ পৰিকল্পনা

## তুৰ্কী-পাকিস্তানৰ ছায়া যুদ্ধৰ ষড়যন্ত্ৰক লৈ ব্যাপক প্ৰতিক্ৰিয়া

**নতুন দিল্লী, ২৮ জানুৱাৰী ঃ** ভাৰত আৰু আফগানিস্তানত ছায়া যুদ্ধৰে অশান্ত কৰা, আক্ৰমণ-অস্ত্ৰৰ সৰবৰাহ, সন্ত্ৰাসবাদীক উচটনি দিয়া আদি কাৰ্যৰ বাবে সহমতত উপনীত হৈছে তুৰ্কী আৰু পাকিস্তান চৰকাৰ। যাৰ বাবে তুৰ্কী আৰু পাকিস্তানৰ ৰাজনৈতিক, কূটনৈতিক আৰু সামৰিক নেতৃত্ব সঘনে মিলিত হৈছে। প্ৰাপ্ত তথ্য মতে পাকিস্তান বায়ুসেনাৰ মুৰব্বী জে. মুজাহিদ আনোৱাৰ খানে অলপতে তুৰ্কী ভ্ৰমণ কৰিছিল। যোৱা ১৫ জানুৱাৰীত তুৰ্কীলৈ বুলি ৰাওনা হোৱা পাকিস্তানৰ বায়ুসেনাৰ মুৰব্বীজনে দেশখনৰ ৰাষ্ট্ৰপতি এৰডুগান আৰু তেওঁৰ প্ৰাক্তন সামৰিক পৰামৰ্শদাতাৰ সৈতে দীঘলীয়া আলোচনাত মিলিত হয়। এই আলোচনা কালতে তুৰ্কী আৰু পাকিস্তানে ভাৰত আৰু আফগানিস্তানত ছায়া যুদ্ধ অব্যাহত ৰাখি অঞ্চলটো হত্যা-হিংসাৰে কাবু কৰাৰ পৰিকল্পনা লৈছে। দুয়োখন দেশে ইয়াৰ বাবে নিজৰ নিজৰ চোৰাংচোৰা বাহিনী নিয়োগ কৰিবলৈ সিদ্ধান্ত লৈছে। পাকিস্তানে আই এছ আই আৰু অন্যান্য সন্ত্ৰাসবাদী সংগঠনৰ সৈতে ভাৰত বিৰোধী কাৰ্যকলাপ চলাই যাব বুলি প্ৰতিশ্ৰুতি দিছে। ইয়াৰ বিপৰীতে আদনান তানৰিভাৰ্দি নামৰ চোৰাংচোৰা সংস্থাটোক ব্যৱহাৰ কৰিছে আফগানিস্তানৰ বাবে। এই কথা আনকি তুৰ্কীৰ সংবাদ মাধ্যমতো প্ৰকাশ পাইছে। বিগত ছেপ্টেম্বৰ মাহৰ পৰা আফগানিস্তানত অজ্ঞাত সন্ত্ৰাসবাদীৰ দ্বাৰা আক্ৰমণ, বিস্ফোৰণ আদি সংঘটিত কৰা হৈছে। এই কাৰ্যত কোন শক্তি জড়িত আছে সেই কথাটো কোনো পক্ষই স্বীকাৰ কৰা নাছিল। একেদৰে ভাৰতৰ কাশ্মীৰ উপত্যকাত সঘনে সেনা বাহিনী আৰু অন্যান্য বাসিন্দাসকলৰ ওপৰত আক্ৰমণ চলাই থকা হৈছে। কিন্তু এই আক্ৰমণৰ আঁৰত লুকাই থকা শক্তি চিনাক্ত কৰিব পৰা নাই কোনো পক্ষই। শেহতীয়াকৈ তুৰ্কী আৰু পাকিস্তানৰ ছায়াযুদ্ধৰ সংকল্পই স্পষ্ট কৰিলে ইতিমধ্যে কাশ্মীৰ আৰু আফগানিস্তানত চলাই থকা ছায়া যুদ্ধৰ আঁৰত থকা শক্তি। ইফালে পাকিস্তান বায়ু সেনাৰ মুৰব্বী আৰু তুৰ্কী চোৰাংচোৰা সংস্থাৰ মুৰব্বীৰ গুৰুত্বপূৰ্ণ বৈঠকত ভাৰত সম্পৰ্কে বিশেষ আলোচনা হোৱা বুলি প্ৰকাশ পাইছে। বিশেষকৈ কাশ্মীৰ উপত্যকা যিকোনো মূল্যৰ বিনিময়তে ভাৰতৰ কব্জাৰ পৰা উলিয়াই নিবলৈ দুয়ো দেশে প্ৰচেষ্টা চলোৱাৰ ইংগিত দিছে।



# আমেৰিকাত আভ্যন্তৰীণ সতৰ্কতাৰ জাননী প্ৰকাশ

**ৱাশ্বিংটন ডিচি, ২৮ জানুৱাৰী ঃ** আমেৰিকা যুক্তৰাষ্ট্ৰৰ আভ্যন্তৰীণ আইন-শৃংখলা অৱনতি হোৱাৰ লগতে নিজ দেশৰ ভিতৰতে সন্ত্ৰাসবাদীৰ কাৰ্যকলাপ উত্থানৰ আশংকা প্ৰকাশ কৰা হৈছে। এই বিষয়ত দেশখনৰ হোমলেণ্ড ছিকিউৰিটি শীৰ্ষক আভ্যন্তৰীণ নিৰাপত্তাৰ তদাৰকী কৰা প্ৰতিষ্ঠানে প্ৰকাশ কৰিছে সতৰ্কতামূলক জাননী। সমগ্ৰ দেশখনতে নতুন ৰাষ্ট্ৰপতি জ' বিডেনে কাৰ্যকাল গ্ৰহণৰ প্ৰাকক্ষণত কেপিটেল হিলত যি ধৰণৰ হিংসা আৰু সংঘৰ্ষৰ সূত্ৰপাত হৈছিল, তেনেধৰণৰ ঘটনাৰ পুনৰাবৃত্তি হোৱাৰ আশংকা কৰা হৈছে। এই বিষয়ত ৰাষ্ট্ৰীয় সন্ত্ৰাসবাদ নিৰ্মূল অভিযান উপদেষ্টাৰ নিয়মীয়া বুলেটিনত প্ৰকাশ কৰা হৈছে বিষয়টো। কোৱা হৈছে যে দেশৰ চোৰাংচোৰা সংস্থাসমূহে গোষ্ঠী সংঘৰ্ষ বা তেনে ধৰণৰ ধৰ্মীয় উত্তেজনা, উন্মাদনা আদি সৃষ্টি কৰাৰ আশংকা ব্যক্ত কৰিছে। কোনো বিশেষ নিজৰ হতাশা নিৰ্মূলৰ বাবে দেশখনত সন্ত্ৰাসমূলক কাম-কাজ সংঘটিত কৰাৰ সম্ভাৱনা বৃদ্ধি পাইছে। সেয়েহে সকলো নিৰাপত্তাৰক্ষী তথা চোৰাংচোৰা সংস্থাক সতৰ্ক কৰি দিয়া হৈছে। উল্লেখ্য যে যোৱা ৬ জানুৱাৰী তাৰিখে কেপিটেল হিলত সংঘটিত কৰা আক্ৰমণৰ আঁৰত বিদায়ী ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ উচটনি, অপপ্ৰচাৰ আদি জড়িত থকাৰ অভিযোগ আছে। নিৰ্বাচনী পৰাজয় স্বীকাৰ কৰিবলৈ সন্মত নোহোৱাৰ বাবেই ট্ৰাম্পে নিজৰ সমৰ্থকৰ জৰিয়তে এনেধৰণৰ হিংসাত্মক কাৰ্য সংঘটিত কৰিব খোজা বুলি স্পষ্ট কৰি দিয়া হৈছে। চোৰাংচোৰা সংস্থাসমূহৰ এনে সতৰ্কবানীয়ে এতিয়া বিশ্বৰ সৰ্বশক্তিশালী ৰাষ্ট্ৰখনৰ শান্তিপ্ৰিয় বাসিন্দাসকলৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে।



# অব্যাহত থাকিব দিল্লীৰ শীত প্ৰবাহ

**নতুন দিল্লী, ২৮ জানুৱাৰী ঃ** ৰাজধানী দিল্লীৰ চৌদিশে কুঁৱলী, হিমপ্ৰবাহ তথা প্ৰচণ্ড শীতৰ প্ৰকোপ আগন্তুক কেইবাদিনলৈ অব্যাহত থাকিব। ৰাজ্যখনৰ বতৰবিজ্ঞান কেন্দ্ৰই শেহতীয়াকৈ এই তথ্য প্ৰকাশ কৰিছে। সম্প্ৰতি ৰাজ্যখনত তাপমাত্ৰা হ'ল ৫.৪ ডিগ্ৰী ছেলছিয়াছ। মাজে মাজে উচ্চ তাপমাত্ৰাৰ সলনি হৈছে আৰু এদিনৰ পূৰ্বে ২১.৫ ডিগ্ৰী ছেলছিয়াছলৈ উৰ্দ্ধমুখী হৈছিল। কিন্তু যোৱা বুধবাৰে নিম্নতম তাপমাত্ৰা স্বাভাৱিকতকৈ ১ ডিগ্ৰী নিম্নগামী আছিল। আনহাতে ডাঠ কুঁৱলীৰ বাবে দিল্লীৰ বায়ু মণ্ডলৰ স্বচ্ছতা যথেষ্ট হ্ৰাস পাইছে। আগন্তুক তিনি দিনলৈ এনেধৰণৰ হিমপ্ৰবাহ আৰু ডাঠ কুঁৱলিৰ পৰিৱেশ অব্যাহত থাকিব বুলি কোৱা হৈছে। এনেধৰণৰ পৰিৱেশৰ বাবে আজিৰ দিনটোত দিল্লীৰ সোতৰখন স্থানীয় ৰে'লৰ যাত্ৰা সালসলনি কৰিব লগা হৈছে। মুঠৰ ওপৰত অহা ফেব্ৰুৱাৰী মাহৰ পৰাহে দিল্লীৰ বায়ুমণ্ডল স্বচ্ছ আৰু পৰিষ্কাৰ হোৱাৰ সম্ভাৱনা আছে।



# শ্ৰীলংকা-বাহৰেইনলৈ ভাৰতীয় ক'ভিড ভেকচিন

**নতুন দিল্লী, ২৮ জানুৱাৰী ঃ** সম্প্ৰীতিৰ নিদৰ্শন স্বৰূপে বাহৰেইন, শ্ৰীলংকালৈ প্ৰেৰণ কৰা হৈছে ভাৰতত উৎপন্ন হোৱা কৰ'না ভাইৰাছৰ ভেকচিন। সেই অনুসৰি শ্ৰীলংকালৈ ৫০,৪০০ ড'জ আৰু বাহৰেইনলৈ ১০,৮০০ ড'জ প্ৰেৰণ কৰা হৈছে। ভাৰতত উৎপাদন কৰা কোভিশ্বিল্ড নামৰ ভেকচিন মুম্বাই বিমান বন্দৰৰ পৰা দুয়োখন দেশলৈ প্ৰেৰণ কৰা বুলি প্ৰকাশ। ইয়াৰ পূৰ্বে ভাৰতে এই ভেকচিন প্ৰেৰণ কৰিছিল বাংলাদেশ, নেপাল, ভুটান, মালদ্বীপসহ অন্যান্য কেবাখনো চুবুৰীয়া ৰাষ্ট্ৰলৈ। ভাইৰাছ সংক্ৰমণৰ সময়তো শ্ৰীলংকালৈ ১২.৫টন ঔষধ আৰু চিকিৎসা সামগ্ৰী প্ৰেৰণ কৰা হৈছিল ভাৰতৰ পৰা।

# বিমান ভাৰা হ্ৰাস কৰিবলৈ অদ্ভুত পদক্ষেপ ঃ ৪ ব্যক্তিয়ে ৩০ কিলো কমলা খাই শেষ কৰিলে ৩০ মিনিটত

**য়ুনান, ২৮ জানুৱাৰী ঃ** বিমান যাত্ৰীয়ে লগত লৈ যোৱা বেগ, সামগ্ৰী আদিৰ বিনিময়ত বহন কৰিব লাগে অতিৰিক্ত মাছুল। একোটা নিৰ্দিষ্ট ওজনলৈকেহে মাছুল ৰেহাই দিয়া হয়। সেয়েহে ওজন হ্ৰাস কৰিবলৈ বিমান যাত্ৰীয়ে কেতিয়াবা নিজৰ সামগ্ৰী বিমান বন্দৰতে এপদ এপদকৈ এৰি থৈ অহাৰ দৰে ঘটনাও নতুন নহয়। শেহতীয়াকৈ বিমানৰ পৰিবহণ ব্যয় হ্ৰাস কৰিবলৈ চাৰিজন ব্যক্তিয়ে আধা ঘণ্টাৰ ভিতৰত ৩০ কিলো কমলা খাই শেষ কৰা ঘটনাই হৰ্ষ-বিষাদৰ সৃষ্টি কৰিছে। ঘটনাটোৰ স্থান হ'ল দক্ষিণ-পশ্চিম চীনৰ য়ুনান প্ৰদেশ। এদিনৰ পূৰ্বে এই ঘটনাটো সংঘটিত হোৱা বুলি গ্লোবেল টাইমছ নামৰ সংবাদপত্ৰখনত প্ৰকাশ পাইছে। এই কমলাখিনি কঢ়িয়াই অনা এজন ব্যক্তিৰ নাম হ'ল ৱাং। তেওঁ অন্য তিনি সহকৰ্মীৰ সৈতে ৩০ কেজি কমলা নিজৰ গন্তব্য স্থানলৈ কঢ়িয়াই নিব খুজিছিল বিমানৰ জৰিয়তে। কিন্তু বিমান কৰ্তৃপক্ষই প্ৰতিকেজি কমলাৰ বিপৰীতে দহ য়ুন মূল্য ভৰিব লাগিব বুলি স্পষ্ট কৰি দিয়ে। ফলত আটাইকেইজন ব্যক্তি নিৰুপায় হৈ পৰে। ইফালে বিমান যাত্ৰাৰ বাবে হাতত আছে মাত্ৰ ত্ৰিশ মিনিটতকৈ কম। সেয়েহে আটাইকেইজন ব্যক্তিয়ে লৰালৰিকৈ নিজে কঢ়িয়াই নিয়া প্ৰায় ৩০ কেজি কমলা খাই শেষ কৰে। পিছত উগাৰি উগাৰি বিমানৰ আসন ল'লৈগে। ইমান বৃহৎ পৰিমাণে কমলা ভক্ষণ কৰি এজনেও নোৱাৰিলে হজম কৰিব। অত্যধিক পৰিমাণৰ চি ভিটামিনৰ বাবে মুখত ঘাঁৰ সৃষ্টি হ'ল। লগে লগে তেওঁলোকে চিকিৎসকৰ কাষ চাপে। এই চিকিৎসকেহে উদ্ধাৰ কৰিলে প্ৰকৃত তথ্য। যাৰ বাবে সংবাদ পত্ৰৰ লগতে বিভিন্ন সামাজিক মাধ্যমতো বিষয়টো চৰ্চিত হৈছে।



# ১৭ বছৰে বিনা বেতনে শিক্ষকতা কৰি মৃত্যুক সাবটিলে এজন শিক্ষকে



**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২৮ জানুৱাৰী ঃ** একমাত্ৰ উপাৰ্জন কৰোতা আজি পৰিয়ালৰ মাজত নাই। কণ কণ সন্তানক অসহায় পত্নীৰ হাতত এৰি থৈ চিৰ দিনৰ বাবে গল গৈ তেওঁ। এতিয়া পৰিয়ালটোত ঘোৰ অমানিশা। হয় এনে হৃদয় বিদাৰক ঘটনা সংগঠিত হৈছে দক্ষিণ কামৰূপৰ সোণতলীৰ ২ নং দক্ষিণ ৰাংগাপানীত। যোৱা ১৯ জানুৱাৰীত নিশা ৯ মান বজাত আব্দুল বাৰেক নামৰ লোক জন হাৰ্টষ্টোক হৈ নিজ বাসগৃহত মৃত্যু হয়। উল্লেখ্য বিগত ১৭ বছৰে বিনা বেতনে গাঠিঁয়াপাৰা হাই স্কুলত বি এচ চি পদত কৰ্মৰত আছিল। কিন্তু বিদ্যালয়খন চৰকাৰীকৰণ নোহোৱাত টিউচন কৰি পাচঁজনীয়া পৰিয়ালটোক কোনোমতে পোহপাল দি আহিছিল। নিষ্ঠুৰ নিয়তিয়ে এই বেচৰকাৰী বিদ্যালয়ৰ শিক্ষক তথা দুৰ্ভোগীয়া পৰিয়ালটোৰ একমাত্ৰ উপাৰ্জনকাৰীক প্ৰাণকাঢ়ি নিয়ে। এই পৰিয়ালটোৰে সম্প্ৰতি এমুঠি অন্নৰ বাবে হাহাকাৰ কৰি বাট নেদেখা হৈছে। পিছে এই পৰিয়ালৰ একমাত্ৰ উপাৰ্জন কৰোতা অবিহনে ঘৰ খন চলে কেনেকৈ? এই দুৰ্ভগীয়া পৰিয়াল চলিবলৈ নাই আৰ্থিক সুবিধা। পৰিয়ালৰ ডাঙৰ ছোৱালীক পঢ়াশুনাৰ বাবে দুৰ্ভোগীয়া মাতৃয়ে সদাশয় ৰাইজ, দল-সংগঠন, ফাউণ্ডেচন তথা চৰকাৰৰ শিক্ষা মন্ত্ৰীৰ ওচৰত বি এছ চি নাৰ্ছিঙৰ পঢ়াৰ ক্ষেত্ৰত আৰ্থিক সকাহ দিবলৈ জনাইছে আহ্বান। ইয়াৰ উপৰিও পৰিয়ালটোক চলিবলৈ অসমৰ ব্যক্তিগত বাবে চলি থকা একমাত্ৰ ফাউণ্ডেচন আজমল ফাউণ্ডেচনক কিছু সহায় কৰিবলৈ পৰিয়ালৰ লোকে কাতৰ আহ্বান জনাইছে। যদি দুৰ্ভগীয়া পৰিয়ালটোক কোনোবাই সহায় কৰিব বিচাৰে তেন্তে ৭০০২৮ ০২৩৬৯ যোগাযোগ কৰক অন্যথা চেণ্ট্ৰেল বেংক ইণ্ডিয়া নগৰবেৰা শাখাৰ 4002472858IFSC Code. CBIN0283215 নম্বৰত আৰ্থিক সহায় কৰিব পাৰে।

# সোণাপুৰস্থিত পুৰণি গাড়ীৰ সংগ্ৰহালয় পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৮ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে বুধবাৰে কামৰূপ মহানগৰ জিলাৰ সোণাপুৰৰ টেপেচিয়াস্থিত 'ট্ৰেজাৰড্ হুইলছ্' নামৰ চাৰিচকীয়া, দুচকীয়া বাহন আদিৰ সংগ্ৰহালয় পৰিদৰ্শন কৰে। পিকলু ডেকাৰ তত্ত্বাৱধানত পৰিচালিত হোৱা এই সংগ্ৰহালয়ত ১৯২১ চনৰ চেভ্ৰলেট গাড়ীকে ধৰি অষ্টিন-৭, ফিয়েট টপোলিনো, ভ'ক্সৱেগন, জীপ, মৰিছ, ফৰ্ড আদি গাড়ী সংৰক্ষণ কৰা হৈছে। দুচকীয়া বাহনৰ ক্ষেত্ৰত দ্বিতীয় বিশ্বযুদ্ধৰ সময়ৰ কেই বাখনো মটৰচাইকেলৰ লগতে ১৯৪০ চনৰ ৰ'য়েল এনফিল্ডৰ ছেলফ্ ষ্টাৰ্টাৰ স্কুটাৰকে ধৰি বহু আপুৰুগীয়া দুচকীয়া বাহন ৰখা হৈছে। সংগ্ৰাহলয়ৰ আন উল্লেখযোগ্য সামগ্ৰীসমূহ হৈছে ১৯৪৭ চনৰ ১৫ আগষ্টৰ 'দ্যা ষ্টেটছমেন' কাকতৰ এটা কপি, ১৮০০ চনৰ পৰা ১৯৭০ চনৰ ভিতৰৰ বহু পূৰণি ঘড়ী আদি। সংগ্ৰহালয়টো পৰিদৰ্শন কৰি হেৰাই যাবলৈ ধৰা এই আপুৰুগীয়া বাহনসমূহ সংৰক্ষণৰ বাবে লোৱা উদ্যোগৰ বাবে মুখ্যমন্ত্ৰী সোণোৱালে পিকলু ডেকাৰ শলাগ লয়। 'ট্ৰেজাৰড্ হুইলছ্' নামৰ সংগ্ৰহালয়টোৱে যাতে আৰু অধিক দেশী-বিদেশী পৰ্যটকক আকৰ্ষিত কৰিব পাৰে তাৰ বাবে অসম চৰকাৰৰ তৰফৰ পৰা সকলো ধৰণৰ প্ৰয়োজনীয় সহযোগিতা আগবঢ়োৱা হ'ব বুলি মুখ্যমন্ত্ৰী সোণোৱালে সংগ্ৰহালয়টোৰ গৰাকী পিকলু ডেকাক আশ্বাস প্ৰদান কৰে। মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, আইন উপদেষ্টা শান্তনু ভৰালী, বিধায়ক ঋতুপৰ্ণ বৰুৱা, সংখ্যালঘু উন্নয়ন পৰিষদৰ অধ্যক্ষ মমিনুল আৱালকে ধৰি ৰাজ্যৰ প্ৰতিথযশা শিল্পী ননী বৰপূজাৰী, পুলক গগৈ আৰু চম্পক বৰবৰা মুখ্যমন্ত্ৰীৰ এই পৰিদৰ্শনৰ সময়ত উপস্থিত থাকে।

# দিছপুৰ সচিবালয়ত গণৰাজ্য দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৮ জানুৱাৰী ঃ** সমগ্ৰ দেশৰ লগতে দিছপুৰৰ অসম সচিবালয়ত ৭২তম্ গণৰাজ্য দিৱস পালন কৰা হয়। এই উপলক্ষে দিশপুৰ জনতা ভৱন প্ৰাংগণত জ্যেষ্ঠ প্ৰশাসনিক বিষয়া, আমোলাৰ উপস্থিতিত গুৱাহাটী উন্নয়ন বিভাগৰ অতিৰিক্ত মুখ্য সচিব মনিন্দৰ সিঙে আনুষ্ঠানিকভাৱে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। অতিৰিক্ত মুখ্য সচিব গৰাকীয়ে তেওঁৰ চমু ভাষণত কয় যে সুস্থ গণতন্ত্ৰৰ দ্বাৰাহে দেশত শান্তি আৰু উন্নয়ন সম্ভৱ। গণতন্ত্ৰক সঠিকভাৱে পৰিচালনাৰ দায়িত্ব আমাৰ সকলোৰে বুলিও তেওঁ উল্লেখ কৰে। অতিৰিক্ত মুখ্য সচিবগৰাকীয়ে এই অনুষ্ঠানত আৰক্ষীৰ অভিবাদন গ্ৰহণ কৰে।

# শিৱসাগৰ বিদ্যুৎ চক্ৰৰ উপ-মহাপ্ৰবন্ধকৰ বিৰুদ্ধে কমিছনৰ বজাৰ খোলাৰ অভিযোগ

## কমিছন নাপালে চহী নকৰে বিলত ঃ মুখ্যমন্ত্ৰীক তদন্ত ঘোষণা কৰিবলৈ আহ্বান সচেতন মহলৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২৮ জানুৱাৰী ঃ** কেন্দ্ৰৰ বিজেপি চৰকাৰখনে অতি শেহতীয়াকৈ ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ লগতে অসম শক্তি বিতৰণ কোম্পানী লিমিটেড চমুকৈ (এপিডিচিএল)ক পুঁজিপতি গোষ্ঠীৰ হাতত গতাই দিবলৈ লোৱা কাৰ্যৰ বিৰুদ্ধে সমগ্ৰ ভাৰতৰ লগতে অসমতো এপিডিচিএলে তীব্ৰ আন্দোলন গঢ়ি তুলিছে। ৰাজ্যখনৰ অন্যপ্ৰান্তৰ লগতে শিৱসাগৰ জিলাৰ এপিডিচিএলৰ অধীনত কৰ্মৰত কৰ্মচাৰীসকলে কেন্দ্ৰীয় চৰকাৰৰ এনে নীতিৰ তীব্ৰ বিৰোধীতাৰে শিৱসাগৰত প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰি কেন্দ্ৰীয় চৰকাৰক এই নীতি বাতিল কৰিবলৈ দাবী উত্থাপন কৰি আহিছে। এনে সময়তে এপিডিচিএলৰ শিৱসাগৰৰ বৈদ্যুতিক চক্ৰৰ উপ-মহাপ্ৰৱন্ধকগৰাকীৰ বিৰুদ্ধে উত্থাপন হৈছে ইটোৰ পিছত আন এটা অভিযোগ। বিগত এটা বছৰৰ পূৰ্বে তিনিচুকীয়া জিলাৰ পৰা শিৱসাগৰলৈ বদলি হৈ অহাৰ পিছৰেই পৰা শিৱসাগৰ বৈদ্যুতিক চক্ৰটোত উপ-মহাপ্ৰবন্ধক গৰাকীয়ে পাতি আহিছে এখন কমিছনৰ বজাৰ। স্মৰ্তব্য যে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ পূৰ্বৰ উত্তৰসুৰী হিচাপে এপিডিচিএলে এই দীৰ্ঘ সময়চোৱাত বিভিন্ন প্ৰত্যাহ্বানক অতিক্ৰম কৰি ৰাজ্যখনৰ প্ৰায় ৬০ লাখ বিদ্যুৎ গ্ৰাহকলৈ বিদ্যুৎ সেৱা আগবঢ়াই আহিছে। শিক্ষা, স্বাস্থ্য, আৱাসন, পানীযোগান, পৰিৱহণ, যোগাযোগ, তথ্য সম্প্ৰচাৰ, উদ্যোগ-বাণিজ্য, কৃষি, কৰ্মসংস্থাপনৰ লগতে বিত্তীয় লেনদেনৰ ক্ষেত্ৰতো ৰাজ্যখনৰ এক উন্নয়নৰ বুনিয়াদ প্ৰতিষ্ঠা কৰি আহিছে। আনকি এপিডিচিএলে বৰ্তমান ১৫ হাজাৰ স্থায়ী আৰু প্ৰায় ৭ হেজাৰ অস্থায়ী লোকক নিযুক্তি দি অসমৰ নিবনুৱা সমস্যা আঁতৰ কৰাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভুমিকা পালন কৰি আহিছে। এনে এটা অসমৰ জনসাধাৰণৰ প্ৰতি দায়বদ্ধ থকা প্ৰতিষ্ঠানক পুঁজিপতি গোষ্ঠীৰ হাতত তুলি দি কেন্দ্ৰীয় চৰকাৰখনে অসমৰ নিবনুৱা সমস্যা বৃদ্ধি কৰা, বিদ্যুতৰ মুল্যবৃদ্ধিৰে সাধাৰণ জনতাৰ মূৰত মাধমাৰ দিয়া, আৰু এই বিভাগটোৰ সৈতে জড়িত হেজাৰ হেজাৰ কৰ্মচাৰীক ভাতে মৰাৰ এক ষড়যন্ত্ৰত লিপ্ত হৈছে। অহৰহভাৱে এপিডিচিএলৰ বিষয়া-কৰ্মচাৰীসকলে এপিডিচিএলক পুঁজিপতি গোষ্ঠীৰ হাতত তুলি নিদিবলৈ চৰকাৰক দাবী জনাই আহিছে যদিও শিৱসাগৰ বৈদ্যুতিক চক্ৰটোৰ উপ মহাপ্ৰবন্ধক গৰাকীৰ এই ক্ষেত্ৰত নিমাত। ইয়াৰ বিপৰীতে সৌভাগ্য আঁচনিৰ নামত ঠিকাদাৰৰ পৰা কমিছন সংগ্ৰহ কৰাৰ অভিযোগ আছে উপ-মহাপ্ৰৱন্ধকগৰাকীৰ বিৰুদ্ধে। উল্লেখ্য যে অসম চৰকাৰৰ দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা লোকসকলক বিনামুলীয়াকৈ বিদ্যুৎ সংযোগ প্ৰদান কৰিবৰ বাবে ৰূপায়ণ কৰা সৌভাগ্য নামৰ আঁচনিখনৰ যি সকল ঠিকাদাৰে ঠিকা আৱণ্টন লাভ কৰিছিল উক্ত ঠিকাদাৰ সকলৰ ভিতৰত একাংশ ঠিকাদাৰৰ পৰা সৌভাগ্য আঁচনিৰ বিল মুকলি কৰি দিয়াৰ নামত উপ-মহাপ্ৰবন্ধক গৰাকীয়ে ৪ ৰ পৰা ৫ শতাংশ কমিছন সংগ্ৰহ কৰাৰো গুৰুতৰ অভিযোগ আছে। স্মৰ্তব্য যে শিৱসাগৰ বৈদ্যুতিক চক্ৰটোৰ অধীনত শিৱসাগৰ উপ-সংমণ্ডল ১ আৰু ২, গৌৰীসাগৰ, আমগুৰি, নাজিৰা, চৰাইদেউ, মৰাণ আৰু ডিমৌকে ধৰি মুঠ ৮ টাকৈ উপ-সংমণ্ডল আছে। এই ৮ টা উপ-সংমণ্ডলৰ দায়িত্ব এইগৰাকী শিৱসাগৰ বৈদ্যুতিক চক্ৰৰ উপ মহাপ্ৰবন্ধৰ ওপৰত আছে। ৮ টা উপ-সংমণ্ডলৰ অধীনত থকা হেজাৰ হেজাৰ দৰিদ্ৰ হিতাধিকাৰীয়ে চৰকাৰৰ ফালৰ পৰা বিনামুলীয়াকৈ নিজ গৃহত বিদ্যুৎ সংযোগ লাভ কৰিছিল। হিতাধিকাৰীক বিদ্যুৎ সংযোগ প্ৰদান কৰিবৰ বাবে বিভাগীয়ভাৱে যি সকল ঠিকাদাৰে ঠিকাৰ আৱণ্টন লাভ কৰিছিল এই ঠিকাদাৰসকলে বিভাগীয়ভাৱে বিল পাবৰ বাবে বিলত চহী কৰাবলগীয়া হয়। কোটিৰ ঘৰত প্ৰস্তুত হোৱা বিলত যদি উপ-মহাপ্ৰৱন্ধক গৰাকীয়ে স্বাক্ষৰ নকৰে তেন্তে ঠিকাদাৰে বিল পোৱাটো অসম্ভৱ। ইতিমধ্যে চক্ৰটোৰ অধীনত প্ৰায় ৬০ গৰাকীমান ঠিকাদাৰ আছে। যি সকল ঠিকাদাৰে বিদ্যুৎ যোগানৰ লগত সংলগ্ন থকা বিভাগীয়ভাৱে আৱণ্টন দিয়া বিভিন্ন ঠিকাৰ কাম কৰি আহিছে। উত্থাপিত অভিযোগ অনুসৰি এই গৰাকী উপ-মহাপ্ৰৱন্ধকৰ কমিছন বিচৰা কাৰ্যৰ বাবে বহু ঠিকাদাৰে ইতিমধ্যে এপিডিচিএলৰ শিৱসাগৰ চক্ৰ এৰিবলৈ প্ৰস্তুত হ'বলগীয়াত পৰিছে। স্মৰ্তব্য যে স্বচ্ছ আৰু নিকা প্ৰশাসনৰ কথা কৈ অসমত প্ৰথমবাৰৰ বাবে চৰকাৰ দঠন কৰিবলৈ সক্ষম হোৱা বিজেপি চৰকাৰখনে এনে এগৰাকী কমিছনভুগী উপ-মহাপ্ৰৱন্ধকৰ বিৰুদ্ধে তদন্ত কৰিবনে চক্ৰটোত অনিয়ম কৰিবলৈ মুকলিকৈ এৰি দিব সেয়াহে লক্ষণীয় বিষয়। যিহেতু বৰ্তমান অসমৰ বিদ্যুৎ বিভাগৰ দায়িত্বত আছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল। তেনে ক্ষেত্ৰত মুখ্যমন্ত্ৰীৰ স্থিতিও গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হ'ব। সচেতন মহলে শিৱসাগৰ বৈদ্যুতিক চক্ৰৰ উপ-মহাপ্ৰবন্ধক গৰাকীৰ বিৰুদ্ধে তদন্ত ঘোষণা কৰিবলৈ আহ্বান জনাইছে।

# বামুণীগাঁও বনাঞ্চলিক বিষয়াৰ সফল অভিযানত জব্দ চোৰাং কাঠ



**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২৮ জানুৱাৰী ঃ** এচাম ধূৰন্ধৰ প্ৰকৃতিৰ লোকে অহৰহ চলাই আহিছে অসমৰ মুল্যবান সম্পদ ধ্বংসত। এই চামৰ বাবে ধবংস হৈছে এফালৰ পৰা বনাঞ্চল। কামৰূপ জিলাৰ পশ্চিম কামৰূপ বন সংমণ্ডল প্ৰাধিকাৰী বিষয়াৰ কাৰ্য্যালয় অধিনৰ এলেকাটো সঘনাই সংঘটিত হয় মুল্যৱান কাঠৰ চোৰাং বেহা। অসাধু চক্ৰই চলাই এই দূষ্কাৰ্য। উল্লেখ্য যে যোৱা নিশাও অসাধু চক্ৰই সৰবৰাহৰ বাবে লৈ গৈছিল চোৰাং কাঠ ভৰ্তি এখন ডি আই গাড়ী। এই খবৰ পোৱাৰ লগে লগে জামবাৰীৰ হাতীপাৰাৰ পৰা বামুণী গাঁও বনাঞ্চলিক বিষয়াই নিশা ১০ বজাত জব্দ কৰে গাড়ীখন। জানিব পৰা মতে বনাঞ্চলিক বিষয়া কুশল দাসৰ নেতৃত্বত এটি সজাতি দলে খেদি গৈ পথতে আগচি ধৰে গাড়ীখন। বনাঞ্চলিক বিষয়াৰ এই কাৰ্যৰ বাবে সচেতন সমাজে সলাগ লয় বিষয়াজনক।

# ইমৰান শ্বাহলৈ পদ্মশ্ৰী সন্মানক লৈ শিৱসাগৰৰ বৌদ্ধিক সমাজত আনন্দৰ বন্যা

**দৈনন্দিন বাৰ্তাৰ সেৱা, কালুগাঁও, ২৮ জানুৱাৰী ঃ** গণতন্ত্ৰ দিৱসৰ প্ৰাক-সন্ধ্যা ভাৰত চৰকাৰে ঘোষণা কৰা 'পদ্মশ্ৰী' সন্মান অসমৰ কেবাগৰাকী বৰেণ্য ব্যক্তিৰ লগতে শিৱসাগৰীয়া সু-সন্তান, প্ৰথিতযশা কথাশিল্পী, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ইমৰান শ্বাহলৈ আগবঢ়োৱাৰ খবৰ বিয়পি পৰাৰ পিছতে জিলাখনৰ বৌদ্ধিক মহলত আনন্দৰ ঢৌ বিয়পি পৰে। অজস্ৰজন গুণমুগ্ধৰ শ্ৰদ্ধা, মৰম আৰু শুভকামনাৰ অমৃত শক্তিৰ কৃপাত আজিৰ তাৰিখতো সক্ৰিয়ভাৱে লিখা-মেলা কৰি থকা নিৰলস সাহিত্য সাধকজনলৈ ভাৰত চৰকাৰে এই সন্মান আগবঢ়োৱাত শিৱসাগৰৰ বৌদ্ধিক পৰিমণ্ডলটোৰে জড়িত বিভিন্নজনে আনন্দ প্ৰকাশ কৰাৰ লগতে অভিনন্দন জনাইছে। ১৯৩৩ চনৰ ২৩ নৱেম্বৰ তাৰিখে শিৱসাগৰৰ ধাই আলিত জন্মগ্ৰহণ কৰা কথাশিল্পী ইমৰান শ্বাহৰ পিতৃৰ নাম আছিল মহম্মদ শ্বাহ আৰু মাতৃৰ নাম আছিল মৰিয়ম নিচা। পাঁচ বছৰ বয়সত শিৱসাগৰৰ ধাই আলিৰ ২ নং প্ৰাথমিক বিদ্যালয়ত শিক্ষাজীৱনৰ পাতনি মেলা শ্বাহদেৱে শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা ১৯৫২ চনত প্ৰথম বিভাগত প্ৰবেশিকা, ১৯৫৪ চনত কটন মহাবিদ্যালযৰ পৰা আই.এচ.চি পৰীক্ষাত উত্তীৰ্ণ হৈছিল। সেইসময়তে তেখেতে কোঁৱৰপুৰ উচ্চ মাধ্যমিক বিদ্যালয়ত অংক বিষয়ৰ অস্থায়ী শিক্ষকতা আৰু শিৱসাগৰ হাইমাদ্ৰাছাত শিক্ষকতাৰ লগতো জড়িত হৈছিল। পুনৰ শিৱসাগৰ মহাবিদ্যালয়ত স্নাতক শ্ৰেণীত নামভৰ্ত্তি কৰে আৰু ১৯৫৮ চনত স্নাতক ডিগ্ৰী অৰ্জন কৰে। গড়গাঁও কলেজতো কিছুদিন শিক্ষকতা কৰাৰ পিছত ১৯৫৯ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ স্নাতকোত্তৰ শ্ৰেণীত নাম ভৰ্ত্তি কৰে আৰু ১৯৬৩ চনত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাৰ পিছত শিৱসাগৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগত প্ৰবক্তা হিচাপে স্থায়ী পদত যোগদান আৰু দীৰ্ঘকাল অধ্যাপনাৰ অন্তত ১৯৯৩ চনত বিভাগীয় প্ৰধান হিচাপে অৱসৰ গ্ৰহণ কৰে। অসমীয়া ভাষা-সাহিত্যৰ সোণালী সৌধ নিৰ্মাণৰ এগৰাকী নিপুন খনিকৰ ৰূপে নিজকে সুপ্ৰতিষ্ঠিত কৰা শ্বাহদেৱৰ কলমেৰে নিগৰি ওলাইছিল অসংখ্য সুখপাঠ্য চুটিগল্প, কেবাখনো উপন্যাস, ঈশান দত্ত ছদ্মনামত লিখা বহুসংখ্যক মানসম্পন্ন কবিতা আৰু প্ৰৱন্ধ-পাতিৰ মেটমৰা সম্ভাৰ। তেখেতৰ বিভিন্ন ৰচনা সম্ভাৰ- উপন্যাস- সংগীতৰ সিপাৰে, প্ৰিয়াৰ নাম অনামিকা, ক্ৰান্তিৰেখা, প্ৰিয়াৰ নাম সাগৰিকা, বৰ্ণালী, কবি পুলিচ আৰু এটি কবৰেই যথেষ্ট, জবানবন্দী, বনজ্যোস্না, তথাপি সাগৰ, তানসেন, ৰজনীগন্ধা। কাব্য সংকলন-বনবাসী, ঈশান দত্তৰ নিৰ্বাচিত কবিতা, নিঃসংগ ধূসৰ, ঢৌ ভাঙি ঢৌ। গল্প-সংকলন-বন্দী বিহঙ্গমে কান্দে, পিয়ামুখ ছন্দা, ইত্যাদি, শিখাৰ নাম মিনতি, পথিক, পোৱা মাটিৰ মালিতা, স্পৰ্শৰেখা, ইমান শ্বাহৰ নিৰ্বাচিত গল্প, কুকুহা ইত্যাদি। প্ৰৱন্ধ সংকলন-দৃষ্টি-সৃষ্টি, হিয়াৰ ফুলনিবোৰ, অসমীয়া লোক-সংস্কৃতিলৈ মুছলমানৰ অৱদান, জীৱনী-বিশ্ববন্ধু আৰু অনুবাদ গ্ৰন্থ-জোনাকৰ ছবি, ইনকিলাব, ক্ৰীতদাসৰ হাঁহি আৰু শেহতীয়া অনুবাদ গ্ৰন্থ কৰ্ট ক্লাউন। ভাৰত চৰকাৰৰ পদ্মশ্ৰী ঘোষণাৰ পিছতে তেখেতৰ ধাই আলিস্থিত বাসভৱনত বিভিন্নজন গুণমুগ্ধৰ ভিৰ পৰিলক্ষিত হয়। শিৱসাগৰ জিলা সাহিত্য সভাৰ সভাপতি যোগ গগৈয়ে কয় যে, বহু আগতেই তেখেতে এই সন্মান পাব লাগিছিল। শেহতীয়াকৈ হ'লেও তেখেতৰ কৃতিত্বক চৰকাৰীভাৱে স্বীকৃতি দিয়াত অতিশয় আনন্দ লাভ কৰা বুলি সাংবাদিকক জানিবলৈ দিয়ে। শিৱসাগৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক তথা বিশিষ্ট লেখক ড° জীৱন কলিতা, নিৱন্ধকাৰ তথা জিলা সাহিত্য সভা বাৰ্তাৰ সম্পাদক হৰেন চন্দ্ৰ নাথ, কালুগাঁও প্ৰেছ ক্লাবৰ সভাপতি ৰাজকুমাৰ কনচেঙ, শলগুৰি মুকুল সাহিত্য সভা, কালুগাঁও ৰাইটাৰ্ছ গীল্ড, ৰংপুৰীয়া গল্পকাৰৰ মঞ্চ-শিপা, নাজিৰা কবি সন্মিলনকে ধৰি জিলাখনৰ বিভিন্ন সাহিত্য সংগঠন, সাহিত্যানুৰাগী ব্যক্তিয়ে সাহিত্যিকগৰাকীক অভিনন্দন জনাইছে।

# ধেমাজিত ৫,৪১৪ হিতাধিকাৰীলৈ 'স্বয়ম' আঁচনিৰ ধন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধেমাজি, ২৮ জানুৱাৰী ঃ** আজি বুধবাৰে ৰাজ্য চৰকাৰৰ অভিলাষী 'স্বয়ম' শীৰ্ষক স্বামী বিবেকানন্দ যুৱ কল্যাণ আঁচনিৰ শুভ উদ্বোধন কৰা হয়। ধেমাজি জিলাখনৰ জোনাই তথা ধেমাজি বিধানসভা সমষ্টিৰ অন্তৰ্গত ৭৫৫ টা আত্মসহায়ক গোটৰ মুঠ ৫৬১৪গৰাকী যুৱ হিতাধিকাৰীক ধন বিতৰণৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে অসম চৰকাৰৰ ৰাজ্যিক শিক্ষামন্ত্ৰী ভবেশ কলিতাই। ধেমাজি কাছাৰী ময়দানত আয়োজিত উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথিৰ আসনৰ পৰা ৰাজ্যিক শিক্ষা মন্ত্ৰী ভৱেশ কলিতাই ধেমাজিৰ শিক্ষিত যুৱ ঠ যুৱতীসকলক ঘাইকৈ কৃষি উদ্যোগেৰে স্বাৱলম্বী হ'বলৈ আহ্বান জনাই আৰু আত্মসহায়ক গোট সমূহক কৰ্মক্ষেত্ৰত গুৰুত্ব দিবলৈ বিশেষ পৰামৰ্শ আগবঢ়ায়। অনুষ্ঠানত অংশ লৈ ধেমাজিৰ বিধায়ক ৰনোজ পেগুৱে সকলো মহিলা তথা যুৱক-যুৱতীসকলক কি দৰে বিভিন্ন কৰ্মক্ষেত্ৰত আত্মনিৰ্ভৰশীল হ'ব পাৰি সেই সম্পৰ্কে বক্তব্য ৰাখে। অনুষ্ঠানত ধেমাজিৰ উন্নয়ন আয়ুক্ত দীপাংকৰ দাস, ধেমাজি নগৰ উন্নয়ন প্ৰাধিকৰণৰ সভাপতি তোলন কোঁৱৰ, ধেমাজি জিলাৰ উপায়ুক্ত নৰসিং পাৱাৰ, জিলা বিজেপিৰ শীৰ্ষ নেতা অশ্বিনী পাইটকে ধৰি কেইবাজনো বিশিষ্ট লোকে অংশগ্ৰহণ কৰে। আজি এই অনুষ্ঠানত জোনাই আৰু ধেমাজিৰ ৬জন লোকক ৩০ হাজাৰ টকীয়া চেক প্ৰদান কৰে।

# বোকাখাতত অসামৰিক পৰীক্ষাৰ সজাগতা অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, বোকাখাত, ২৮ জানুৱাৰী ঃ** বোকাখাত পুৰতি সাহিত্য সভা ভৱনত যোৱা ২৭ জানুৱাৰীত অনুষ্ঠিত হৈ যায় অসম অসামৰিক সেৱা পৰীক্ষাৰ প্ৰস্তুতি সম্পৰ্কে এক সজাগতা অনুষ্ঠান। সজাগতা অনুষ্ঠানত বোকাখাতৰ দুই মহাবিদ্যালয় জে দি এছ জি মহাবিদ্যালয়, চি এন বি মহাবিদ্যালয়ৰ লগতে কমাৰগাঁও মহাবিদ্যালয়ৰ মুঠ ১৫০ গৰাকী স্নাতক চূড়ান্ত বৰ্ষৰ মেধাবী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। বোকাখাত প্ৰেছ ক্লাবৰ সভাপতি ভবানন্দ কলিতাৰ সঞ্চালনাত হোৱা কৰ্মশালাত সমল ব্যক্তি হিচাপে ভাগ লয় বোকাখাত মহকুমা প্ৰশাসনৰ সহকাৰী আয়ুক্ত ৰনন্ময় ভৰদ্বাজ আৰু বোকাখাতৰ পৰা সদ্য নিৰ্বাচিত এ চি এছ বেদব্ৰত পেগুৱে।




# প্ৰেম গগৈলৈ 'জোনাকী বৈভৱ বঁটা'

**দৈনন্দিন বাৰ্তাৰ সেৱা, কালুগাঁও, ২৮ জানুৱাৰী ঃ** আৰ্থ সামাজিক, শিক্ষা, সাহিত্য আৰু সাংস্কৃতিক বিকাশ মঞ্চ 'জোনাকী সমাজে' বিগত বৰ্ষৰ দৰে এইবাৰো নিজৰ সৃষ্টিৰাজী আৰু কৰ্মৰ যোগেদি অসমীয়া ভাষা-সাহিত্যলৈ বিশেষ বৰঙণি আগবঢ়োৱা ব্যক্তিক বঁটা প্ৰদানৰ জৰিয়তে শ্ৰদ্ধা-মৰম, সন্মান জনোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। জোনাকী সমাজৰ সম্পাদিকা দেৱযানী দীক্ষিতা গগৈয়ে জনোৱামতে বৰুৱা পুখুৰী আঞ্চলিক টাই আহোম ছাত্ৰ সন্থাৰ উদ্যোগত আয়োজন কৰা ষষ্ঠ বাৰ্ষিক কেন্দ্ৰীয় মে-ডাম-মেফিৰ লগত সংগতি ৰাখি 'কবিতাৰ আবেলি' শীৰ্ষক এক মনোজ্ঞ অনুষ্ঠানৰ আয়োজন কৰিবলৈ লোৱা হৈছে। উক্ত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বিশিষ্ট কবি, সাহিত্যিক পেঞ্চনাৰ, সদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন সভাপতি প্ৰেম গগৈক জোনাকী বৈভৱ বঁটা-২০২১ৰে সন্মানিত কৰা হ'ব। ৩১ জানুৱাৰী দেওবাৰে নামতি চাৰিআলিৰ খেজুৰিতলত দিনৰ ১ বজাৰ পৰা হ'ব লগা 'কবিতাৰ আবেলি' শীৰ্ষক মনোজ্ঞ অনুষ্ঠানটিত গীত-কবিতা আৰু বঁটা প্ৰদান অনুষ্ঠানৰ উপৰি জোনাকী সমাজৰ সৌজন্যত অনুষ্ঠিত অন্‌লাইন পত্ৰলেখা প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহো প্ৰদান কৰা হ'ব। উক্ত অনুষ্ঠানত জোনাকী সমাজে ৰাইজৰ সহায়-সহযোগিতা একান্তই কামনা কৰিছে।

# লাইফ লাইন কেয়াৰ পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৮ জানুৱাৰী ঃ** গণৰাজ্য দিৱসৰ পৱিত্ৰ ক্ষণতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে মহানগৰীৰ সাতগাঁৱস্থিত লাইফ লাইন কেয়াৰ পৰিদৰ্শন কৰে। উল্লেখ্য যে এই লাইফ লাইন কেয়াৰ হোমৰ আলজাইমাৰ আৰু ডিমেনচীয়া ৰোগীসকলক ৰখাৰ উপৰি তেওঁলোকৰ স্বাস্থ্যৰো দিহা কৰা হয়। মুখ্যমন্ত্ৰীয়ে এই পৰিদৰ্শনৰ সময়ত ইয়াত থকা এই ৰোগীসকলৰ সৈতে মত-বিনিময় কৰাৰ উপৰি তেওঁলোকে পাই থকা চিকিৎসাৰ সা-সুবিধাসমূহৰো বুজ লয়। মুখ্যমন্ত্ৰীয়ে ইয়াত থকা ৰোগীসকলৰ মাজত ফল-মূলো বিতৰণ কৰে। লাইফ লাইন কেয়াৰত থকা সা-সুবিধাৰ বুজ লৈ মুখ্যমন্ত্ৰীয়ে এই সংস্থাক সকলো প্ৰকাৰৰ সহায়-সহযোগ আগবঢ়োৱা হ'ব বুলিও আশ্বাস প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে লগতে গ্ৰামোন্নয়ন বিভাগৰ নৰ্থ ভলুন্টাৰী এছ'চিয়েশ্যনৰ অধীনৰ নিৰ্মল ভৱনো পৰিদৰ্শন কৰে। উল্লেখ্য যে লাইফ লাইন কেয়াৰৰ কাষতে অৱস্থিত এই ভৱনত গাৰ্হ্যস্থ হিংসাৰ বলি হোৱা লোকসকলক ৰখা হয়। লাইফ লাইন কেয়াৰ হোমলৈ যোৱা পথছোৱাৰ গুৰুত্বৰ কথা উপলব্ধি কৰি মুখ্যমন্ত্ৰীয়ে এই পথটো নিৰ্মাণৰ বাবে চৰকাৰে পদক্ষেপ ল'ব বুলিও কয়। পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰীৰ সৈতে মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, বিধায়ক ঋতুপৰ্ণ বৰুৱা, কামৰূপ মহানগৰ জিলাৰ উপায়ুক্ত বিশ্বজিৎ পেগু, সমাজ কল্যাণ বিভাগৰ বিষয়াবৰ্গৰ উপৰি বহু সংখ্যক গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

# কালুগাঁৱৰ বিভিন্ন অঞ্চলত গণৰাজ্য দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, কালুগাঁও, ২৮ জানুৱাৰী ঃ** সমগ্ৰ ভাৰতবৰ্ষৰ লগতে শিৱসাগৰ জিলাৰ কালুগাঁৱতো ৭২ সংখ্যক গণৰাজ্য দিৱস পালন কৰা হয়। কালুগাঁও অঞ্চলৰ খঁৰাগড়ৰ বৰেণ্য কিডচ্ ৱৰ্ল্ড, বৰপাত্ৰ দ'ল মজলীয়া বিদ্যালয়স্থিত ভাৰত স্কাউটচ্ এণ্ড গাইডচ্ প্ৰশিক্ষণ কেন্দ্ৰ, শলগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়, কালুগাঁও হাইস্কুল আৰু বৰপাত্ৰ দ'ল উচ্চ বিদ্যালয়কে আদি কৰি সকলোবোৰ শিক্ষানুষ্ঠান, অনুস্থান-প্ৰতিষ্ঠানে গণৰাজ্য দিৱস পালন কৰে। বৰেণ্য কিডচ্ ৱৰ্ল্ডত পালন কৰা গণৰাজ্য দিৱসত পতাকা উত্তোলন কৰে আটাছুৰ শিৱসাগৰ জিলা সমিতিৰ উপ-সভাপতি অখিল আহোমে। চুতীয়া যুৱ সন্মিলন শিৱসাগৰ জিলা সমিতিৰ সাধাৰণ সম্পাদক অৰ্পূব কুমাৰ শইকীয়া আৰু অধ্যক্ষা ৰেখা ভূএঞাই আঁত ধৰা গনৰাজ্য দিৱসৰ লগত সংগতি ৰাখি এক অনুষ্ঠানত অৱসৰ প্ৰাপ্ত শিক্ষক নিত্যানন্দ বৰা, কালুগাঁও প্ৰেছ ক্লাবৰ সভাপতি ৰাজকুমাৰ শ্ৰী কনচেং, বিশিষ্ট ব্যৱসায়ী-সমাজকৰ্মী নৃপেন গগৈ, সংগীত শিল্পী মৌচুমী সন্দিকৈক বৰেণ্য কিডচ্ ৱৰ্ল্ডৰ তৰফৰ পৰা সৰ্ম্বধনা পত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰে। সৰ্ম্বধনা পত্ৰ গ্ৰহণ কৰি নিত্যানন্দ বৰা, ৰাজকুমাৰ শ্ৰী কনচেং, নৃপেন গগৈ আৰু মৌচুমী সন্দিকৈয়ে ছাত্ৰ-ছাত্ৰীসকলক গণৰাজ্য দিৱসৰ তাৎপৰ্য বিষয়ে অৱগত কৰি বিদ্যালয় কৰ্তৃপক্ষৰ এনে পদক্ষেপক আদৰণি জনায়। বৰেণ্য কিডচ্ ৱৰ্ল্ডৰ ছাত্ৰ-ছাত্ৰীসকলে কবিতা আৰু সংগীতৰে জীপাল কৰা উক্ত অনুষ্ঠানত অঞ্চলটোৰ বিশিষ্ট্য সমাজকৰ্মী বিমল ভৰালী, কালুগাঁও প্ৰেছ ক্লাবৰ ভাৰপ্ৰাপ্ত সম্পাদক অচিন্ত্য বৰঠাকুৰ, পলাশ প্ৰতিম বৰদলৈ, অভিভাৱক-অভিভাৱিকা সকলকে আদি কৰি ভালে সংখ্যক ব্যক্তি উপস্থিত থাকে। আনহাতে কালুগাঁওস্থিত স্কাউট এণ্ড গাইড্চৰ শিৱসাগৰ জিলা প্ৰশিক্ষন কেন্দ্ৰত গনৰাজ্য দিৱসৰ লগত সংগতি ৰাখি শলগুৰি গাঁও পঞ্চায়তৰ সভাপতি মিণ্টু দত্ত, পুলক দত্ত, ৰাজকুমাৰ শ্ৰী কনচেং, প্ৰবীন দত্ত, লিলি গগৈক জিলা সংস্থাৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়।

# উদুলি-মুদুলি পৰিৱেশেৰে অসম মৰাণ সভা কাকপথাৰ আঞ্চলিক সমিতিৰ অধিৱেশন সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকপথাৰ, ২৮ জানুৱাৰী ঃ** ২৩ জানুৱাৰীৰ পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৩ নং কাকপথাৰৰ স্বৰ্গীয় লিহিং চন্দ্ৰ মহন্ত সমন্বয় ক্ষেত্ৰত আৰম্ভ হোৱা অসম মৰাণ সভা কাকপথাৰ আঞ্চলিক সমিতিৰ ষষ্ঠ ত্ৰি-বাৰ্ষিক অধিৱেশনখনৰ সফল সামৰণি পৰে। আড়ম্বৰপূৰ্ণভাৱে অনুষ্ঠিত কৰা অধিৱেশনখনৰ উদুলি মুদুলি পৰিৱেশত ২৩ জানুৱাৰীৰ পুৱা অসম মৰাণ সভা কাকপথাৰ আঞ্চলিক সমিতিৰ পতাকা উত্তোলন কৰে কাকপথাৰ আঞ্চলিক সমিতিৰ সভাপতি পদিন হাজৰিকাই আৰু স্মৃতি তৰ্পণ কৰে সম্পাদক প্ৰভাত মৰাণে। ইয়াৰ পিছতে স্বৰ্গীয় লিহিং চন্দ্ৰ মহন্ত সমন্বয় ক্ষেত্ৰ উদ্বোধন কৰে অসম মৰাণ সভা সভাপতি ধৰ্মেন্দ্ৰ নেওগে আৰু স্বৰ্গীয় মোহন শইকীয়া সোঁৱৰণী আদৰণী তোৰণ উদ্বোধন কৰে বিশিষ্ট লেখক তথা বীৰ ৰাঘৱ মৰাণ বঁটাপ্ৰাপক সুখীধৰ দহোটীয়াই। স্বৰ্গীয় ৰবীন মৰাণ সোঁৱৰণী ৰংগ মঞ্চ উদ্বোধন কৰে কাকপথাৰ আঞ্চলিক সমিতিখনৰ প্ৰতিষ্ঠাপক সভাপতি বিনোদ মৰাণে। দিনৰ এক বজাৰ পৰা অনুষ্ঠিত হোৱা মৰাণ জনগোষ্ঠীৰ কৃষ্টি সম্ভাৰৰ ওপৰত চিত্ৰাংকন, খেৰী, স্বৰচিত কবিতা আবৃত্তি, মৰাণ কথিত ভাষাৰ ওপৰত বিহুনাম আদি প্ৰতিযোগিতা উদ্বোধন কৰে বিধায়ক প্ৰতিনিধি সীমান্ত মৰাণে। বিয়লি তিনি বজাৰ পৰা মৃদুল নেওগ, যোগ্য ফুকন আৰু মৃদুল দহোতীয়াই আঁত ধৰা 'অসম মৰাণ সভাৰ অতীত বৰ্তমান আৰু ভৱিষ্যত শীৰ্ষক মুখামুখি অন্তৰংগ আলাপ অনুষ্ঠানত জনগোষ্ঠীটোৰ কেউটা সংগঠনৰ বৰ্তমান আৰু প্ৰাক্তন কৰ্মী, জ্যেষ্ঠ নাগৰিক, শিক্ষা, স্বাস্থ্য, আৰ্থ-সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক, ক্ৰীড়া আদি দিশত জনগোষ্ঠীটোৰ পথ প্ৰদৰ্শকসকল উপস্থিত থাকি বহুমূলীয়া বক্তব্য আগবঢ়ায়। অসম মৰাণ সভাৰ প্ৰাক্তন সভাপতি সোমেশ্বৰ মৰাণে উদ্বোধন কৰা অন্তৰংগ আলাপ অনুষ্ঠানৰ মাজতে মুখপত্ৰ 'হেৰেপী' উন্মোচন কৰে নগাঁও আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ প্ৰবক্তা ড° জলীন প্ৰকাশ চেতিয়াই। গধূলি ৮ বজাৰ পৰা অনুষ্ঠিত হোৱা প্ৰতিনিধি আৰু বিষয়-বাছনি সভাৰ আদৰণী ভাষণ আগবঢ়ায় অভ্যৰ্থনা সমিতিৰ সভাপতি বিৰিঞ্চি শইকীয়াই আৰু উদ্বোধন কৰে অসম মৰাণ সভা সাংগঠনিক সম্পাদক ৰাজিৱ নেওগে। এই প্ৰতিনিধি সভাতে দ্বিতীয়বাৰৰ বাবে পদিন হাজৰিকাক সভাপতি আৰু প্ৰভাত মৰাণক সম্পাদক হিচাপে নিৰ্বাচিত কৰি আঞ্চলিক সমিতিখন গঠন কৰে। ২৪ জানুৱাৰী পুৱা ১০ বজাত বাইক ৰেলী উদ্বোধন কৰে কাকপথাৰ সেনা চাউনিৰ সেনা বিষয়াই। বিয়লিলৈ অনুষ্ঠিত হোৱা মুকলি ও বঁটা বিতৰণী সভাত সভাপতিত্ব কৰে মৰাণ সভা কাকপথাৰ আঞ্চলিক সমিতিৰ সভাপতি পদিন হাজৰিকাই আৰু সভাখন উদ্বোধন কৰে সমিতিখনৰ উপদেষ্টা দিলীপ মৰাণে। এই সভাত অসম মৰাণ সভাৰ সভাপতি ধৰ্মেন্দ্ৰ নেওগ, সাধাৰণ সম্পাদক দুৰ্লভ গোহাঁই, সহকাৰি সম্পাদক বিতুপন মৰাণ, মৰাণ জাতীয় মহিলা পৰিষদৰ সভানেত্ৰী হেমা মৰাণ, সম্পাদিকা দিপামণি শইকীয়া মৰাণ, মৰাণ সাহিত্য সভাৰ সভাপতি অজিত মৰাণ, জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি সুৰজিত মৰাণ, সদৌ মৰাণ ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পদক জ্যোতিমনি মৰাণ, মৰাণ কলা সাংস্কৃতিক বিকাশ মঞ্চৰ সম্পাদক মণ্টু চেতিয়া, সদৌ মৰাণ ছাত্ৰ সন্থা, সদৌ মৰাণ কৰ্মচাৰী শৈক্ষিক বিকাশ মঞ্চৰ বিষয়ববীয়াই অংশগ্ৰহণ কৰে।

# বালিঝাৰ এম ই মাদ্ৰাছাৰ প্ৰতিষ্ঠাপক শিক্ষক নুৰুল আলমক বিদায় সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২৮ জানুৱাৰী ঃ** এগৰাকী শিক্ষক বিদায়ই চকু টুকিলে সকলোৰে। সৎ আৰু নিষ্ঠাৱান শিক্ষক বিদায়ত অন্তৰ চুই গল ছাত্ৰছাত্ৰী শিক্ষকৰ লগতে অভিভাৱকৰ। ছমৰীয়া প্ৰাথমিক শিক্ষাখ'ৰ বালিঝাৰ এম ই মাদ্ৰাছাৰ শিক্ষক নুৰুল আলমে গ্ৰহণ কৰে অৱসৰ। বুধবাৰে মাদ্ৰাছা কক্ষত অনুষ্ঠিত হয় বিদায় সভা। ২০২০ চনৰ ৩১ মাৰ্চত এইজন সৰল আৰু সত শিক্ষক নুৰুল আলমে অৱসৰ গ্ৰহণ কৰে। কিন্তু মহামাৰী কৰ'নাৰ কাৰণে বিদ্যালয় কৰ্তৃপক্ষই দিব পৰা নাই বিদায়। ওৱাজেদ আলীৰ সভাপতিত্বত বিদায় সভাখনত অৱসৰ প্ৰাপ্ত শিক্ষক আলমক ফুলাম গামোচা, শৰাই, জাপি, চেলেং চাদৰ, ছাতি, টুপি, তজবি, কলম, কিতাপৰ টোপোলাৰ উপৰিও বিদায় ক্ষণত ছাত্ৰ-ছাত্ৰীৰ লগতে বিভিন্ন স্তৰৰ ৰাইজে আন আন উপহাৰৰে জনায় বিদায়। আৰবী বিভাগৰ শিক্ষক নুৰুল আলমে ১৯৭৭ চনত শিক্ষক হিচাপে যোগদান কৰে মাদ্ৰাছাখনত। মাদ্ৰাছাখনৰ প্ৰতিষ্ঠাপক শিক্ষক আলমৰ বিদায়ক্ষনত আৱেগিক হৈ পৰে সকলোৱে। শিক্ষকজনে শিক্ষকতাৰ কৰ্ম জীৱনত পোৱা ঘাত প্ৰতিঘাটৰ দুখ-বেদনাৰ কথা কৈ হৈ পৰে আৱেগিক। সঁচাকৈ এইগৰাকী আদৰ্শৱান



শিক্ষকক বিদায় দি বিদ্যালয়ৰ লগতে শিক্ষা সমাজে অনুভৱ কৰিছে সাচি থোৱা সম্পত্তি হেৰুওৱা বুলি। সভাখনত প্ৰধান শিক্ষক চুলতান মামুদ, অৱসৰ প্ৰাপ্ত প্ৰধান শিক্ষক ওমৰ আলী, উফাজুদ্দিন আহমেদ, সমেজ উদ্দিন আহমেদ, মুজ্জামেলৰ লগতে উপস্থিত থাকে মাদ্ৰাছাখনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-অভিভাৱক। মন কৰিবলগীয়া যে গাম্ভীৰ্যপূৰ্ণ বিদায় সভাখনৰ মাজতে ছাত্ৰ-ছাত্ৰীসকলে কোৰান পাঠ. গজল, জিকিৰ আদি পৰিৱেশন কৰি আপ্লুত কৰে সভাত উপস্থিত সকলোক।

## ২৮ টা উইকেট দখলেৰে ডেৰহাছা প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ ক্ৰিকেটাৰ

**গুৱাহাটী, ২৮ জানুৱাৰী ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা চলিত আৰ জি বৰুৱা আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ আজি সফল সামৰণি পৰিছে। উল্লেখ্য যে এইবাৰ ৰাজ্যৰ ছটা স্থানত ছটা মণ্ডলৰ খেল অনুষ্ঠিত হোৱাৰ পাছত বৰপেটাত অনুষ্ঠিত হয় ফাইনেল ৰাউণ্ডৰ মেচ। এইবাৰ প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ বেটছমেন নিৰ্বাচিত হয় ৰেলৰে দলৰ ৰোনিত আখতাৰ। ইফালে, মুঠ ২৮ টা উইকেট লাভ কৰা তেজপুৰৰ ডেৰহাছা বড়ো শ্ৰেষ্ঠ বলাৰ নিৰ্বাচিত হয়।
প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ ক্ৰিকেটাৰৰ সন্মনো লাভ কৰে বড়োই। শ্ৰেষ্ঠ উইকেটৰক্ষক ৰেলৱেৰ শ্ৰীঞ্জয় চক্ৰৱৰ্তী। ইফালে, ফাইনেলৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে ৰেলৱেৰ সুমিত কাশ্যপে। উল্লেখ্য যে প্ৰতিযোগিতাৰ চেম্পিয়ন ট্ৰফী লাভ কৰিছে ৰেলৱে দলে। ফাইনেলত ৰেলৱে প্ৰথম ইনিংছৰ অগ্ৰগতিৰে শিলচৰক পৰাস্ত কৰি খিতাপ লাভ কৰে। ফাইনেলত উপস্থিত থাকি বঁটা প্ৰদান কৰে নৱজিৎ পাঠক, প্ৰাঞ্জল প্ৰতিম দাস, সুজিত কাকতি, সমীৰণ বৈশ্য, শংকৰ দত্ত লহকৰ, নাছিল গুল খান আৰু সনাতন দাসে।

# আঠ বছৰ পূৰ্বৰ ইতিহাস পুনৰাবৃত্তি কৰাৰ লক্ষ্য ইংলেণ্ডৰ



**চেন্নাই, ২৮ জানুৱাৰী ঃ** দুখনীয়া টেষ্ট শৃংখলাত শ্ৰীলংকাক হোৱাইট ৱাশ্ব কৰা ইংলণ্ডৰ লক্ষ্য এতিয়া ভাৰতত টেষ্ট শৃংখলা দখল কৰা। উল্লেখ্য যে ইংলণ্ডে অন্তিমবাৰৰ বাবে ভাৰতত টেষ্ট শৃংখলা লাভ কৰিছিল ২০১২-১৩ বৰ্ষত। শ্ৰীলংকাৰ সফলতাই আত্মবিশ্বাসী কৰা ইংলণ্ডৰ লক্ষ্য আঠ বছৰ পূৰ্বৰ ইতিহাস পুনৰ সোণালী কৰাৰ। উল্লেখ্য যে ভাৰতৰ বিৰুদ্ধে খেলিব লগা চাৰিখনীয়া টেষ্ট শৃংখলাত অংশ লোৱাৰ বাবে ইতিমধ্যে চেন্নাইত উপস্থিত হৈছে ইংলণ্ড ক্ৰিকেট দল। কলম্বোৰ পৰা আহি চেন্নাইত অৱতৰণ কৰে জ' ৰুট বাহিনী। উল্লেখ্য যে শ্ৰীলংকাৰ বিৰুদ্ধে খেলা দুখনীয়া টেষ্ট শৃংখলাটো ২-০ ৰ ব্যৱধানত দখল কৰা ইংলণ্ড ক্ৰিকেট দলে পৰৱৰ্তী শৃংখলা খেলিব ভাৰতত টীম ইণ্ডিয়াৰ বিৰুদ্ধে। অহা পাঁচ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হ'ব ভাৰত আৰু ইংলণ্ডৰ মাজৰ টেষ্ট শৃংখলা। সূচী অনুসৰি প্ৰথম দুখন টেষ্ট অনুষ্ঠিত হ'ব চেন্নাইত। ইংলণ্ড ক্ৰিকেট ব'ৰ্ডে আসন্ন ইংলণ্ড আৰু ভাৰতৰ মাজৰ ক্ৰিকেট শৃংখলাৰ বাবে প্ৰথম দুখন টেষ্টৰ ইংলণ্ড দল ঘোষণা কৰিছে। পাঁচৰ পৰা ন ফেব্ৰুৱাৰীলৈ প্ৰথম টেষ্ট আৰু ১৩-১৭ ফেব্ৰুৱাৰীলৈ দ্বিতীয় টেষ্ট। উল্লেখ্য যে ইংলণ্ডে শ্ৰীলংকাত সুন্দৰ ক্ৰিকেট খেলিছে। ইফালে, অষ্ট্ৰেলিয়াত ভাৰতীয় দলৰ ঐতিহাসিক সাফল্যৰ পাছত এতিয়া স্বাভাৱিকতে ৰোমাঞ্চকৰ হ'ব ইংলণ্ড আৰু ভাৰতৰ টেষ্ট শৃংখলা। ইয়াৰপূৰ্বে ভাৰতৰ বিৰুদ্ধে খেলিব লগা টেষ্ট শৃংখলাৰ বাবে ইংলণ্ড ক্ৰিকেট দলৰ তিনিজন সদস্য যোৱা ২৫ জানুৱাৰীতে আহি চেন্নাইত উপস্থিত হৈছে। চেন্নাইত উপস্থিত হোৱা তিনি ইংলণ্ডৰ ক্ৰিকেটাৰ হ'ল অলৰাউণ্ডৰ বেন ষ্টকছ, পেচ বলাৰ জোফ্ৰা আৰ্চাৰ আৰু ৰণি বাৰ্ণছ। উল্লেখ্য যে এই তিনিজন ক্ৰিকেটাৰে শ্ৰীলংকা ভ্ৰমণলৈ যোৱা নাছিল। সেয়ে লণ্ডনৰ পৰা পোনে পোনে ভাৰতত উপস্থিত হৈছে। উল্লেখ্য যে প্ৰথম টেষ্টৰ পূৰ্বে ইংলণ্ড ক্ৰিকেট দলে মাত্ৰ তিনি দিন অনুশীলন কৰাৰ সুযোগ পাব চেন্নাইত।

### পাকিস্তানৰ বিৰুদ্ধে প্ৰথম টেষ্ট

## দ্বিতীয় ইনিংছত আশাৰ প্ৰত্যাৱৰ্তন দক্ষিণ আফ্ৰিকাৰ

**কৰাচী, ২৮ জানুৱাৰী ঃ** পাকিস্তানে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলা প্ৰথমখন টেষ্টৰ প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰিছে যদিও দ্বিতীয় ইনিংছত আশাৰ প্ৰত্যাৱৰ্তন কৰিছে আলহী দলটোৱে। উল্লেখ্য যে আজি তৃতীয় দিনাৰ খেলৰ অন্তত দক্ষিণ আফ্ৰিকাই দ্বিতীয় ইনিংছ আৰম্ভ কৰি চাৰিটা উইকেট হেৰুৱাই সংগ্ৰহ কৰিছে ১৮৭ ৰাণ। দক্ষিণ আফ্ৰিকাই এতিয়া ২৯ ৰাণৰ অগ্ৰগতি লৈছে। দ্বিতীয় ইনিংছত দলৰ হৈ মাৰ্কৰামে কৰে ৭৪ ৰাণ আৰু ডুছানে ৬৪ ৰাণ কৰে। পাকিস্তানৰ হৈ য়াছিৰ শ্বাহে তিনিটা উইকেট পায়। উল্লেখ্য যে কৰাচীত অনুষ্ঠিত হোৱা দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্টত দক্ষিণ আফ্ৰিকাই পোনতে বেটিং কৰি প্ৰথম ইনিংছত ২২০ ৰাণ কৰিছিল। দলৰ হৈ এলগাৰে সৰ্বাধিক ৫৮ ৰাণ কৰাৰ বিপৰীতে পাকিস্তানৰ হৈ য়াছিৰ শ্বাহে তিনিটা উইকেট পায়। প্ৰত্যুত্তৰত দ্বিতীয় দিনাৰ খেলৰ অন্তত পাকিস্তানে প্ৰথম ইনিংছত আঠ উইকেট হেৰুৱাই ৩০৮ ৰাণ কৰিছিল। আজি পাকিস্তানে ৩৭৮ ৰাণত প্ৰথম ইনিংছ সামৰে। দলে প্ৰথম ইনিংছত ১৫৮ ৰাণৰ অগ্ৰগতি লাভ কৰিছে। উল্লেখ্য যে পাকিস্তানৰ হৈ ফাহাদ আলমে (১০৯ ৰাণ) শতকীয় ইনিংছ খেলাৰ লগতে ফাহিম আশ্ৰফে ৬৪ ৰাণ আৰু আজাহাৰ আলীয়ে ৫১ ৰাণ কৰে।



## ইংলেণ্ডৰ বিৰুদ্ধে ২-০ত শৃংখলা দখল কৰিব ভাৰতে ঃ পানেচাৰ



**চেন্নাই, ২৮ জানুৱাৰী ঃ** অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ঐতিহাসিক টেষ্ট শৃংখলা দখল কৰা ভাৰতীয় ক্ৰিকেট দলে পৰৱৰ্তী শৃংখলা খেলিব দেশত ইংলণ্ডৰ বিৰুদ্ধে। অহা পাঁচ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হ'ব ভাৰত আৰু ইংলণ্ডৰ মাজৰ টেষ্ট শৃংখলা। সূচী অনুসৰি প্ৰথম দুখন টেষ্ট অনুষ্ঠিত হ'ব চেন্নাইত। আনহাতে, তৃতীয় আৰু চতুৰ্থ টেষ্ট টেষ্ট হ'ব আহমেদাবাদত। ভাৰতে ইংলণ্ডৰ বিৰুদ্ধে চাৰিখনীয়া টেষ্ট শৃংখলাটো ২-০ ত দখল কৰিব বুলি ব্যক্ত কৰিছে ইংলণ্ডৰ স্পীনাৰ মণ্টি পানেচাৰে। উল্লেখ্য যে প্ৰথম টেষ্টত অংশ লোৱাৰ বাবে ইতিমধ্যে ভাৰতীয় দলৰ সদস্যসকল পৃথকে পৃথকে উপস্থিত হৈছে চেন্নাইত। প্ৰথমে চেন্নাইত উপস্থিত হয় মুম্বাইৰ তিনি ক্ৰিকেটাৰ ৰোহিত শৰ্মা, ছাৰ্দুল ঠাকুৰ আৰু অজিংক্য ৰাহানে। চেতেশ্বৰ পূজাৰা, যশপ্ৰীত বুমৰাহ আৰু ঋষভ পণ্ট উপস্থিত হয় পৰৱৰ্তী দিনত। একেদিনাই বিয়লি প্ৰশিক্ষক ৰবী শাস্ত্ৰীৰ লগতে অধিনায়ক বিৰাট কোহলিয়ে যোগ দিয়ে দলত। উল্লেখ্য যে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে আসন্ন ইংলণ্ড আৰু ভাৰতৰ মাজৰ ক্ৰিকেট শৃংখলাৰ বাবে দুখন টেষ্টৰ ভাৰতীয় দল ঘোষণা কৰিছে। পাঁচৰ পৰা ন ফেব্ৰুৱাৰীলৈ প্ৰথম টেষ্ট আৰু ১৩-১৭ ফেব্ৰুৱাৰীলৈ দ্বিতীয় টেষ্ট। উল্লেখ্য যে টেষ্ট শৃংখলাত ভাৰতক পুনৰ নেতৃত্ব দিব বিৰাটে। ইফালে, হাৰ্দিক পাণ্ডিয়া আৰু ঈশান্ত শৰ্মা টেষ্ট দললৈ প্ৰত্যাৱৰ্তন কৰিছে। ৰবীন্দ্ৰ জাডেজাৰ আঘাতৰ বাবে অক্ষয় পেটেলকো দলত লোৱা হৈছে। ৱাশ্বিংটন সুন্দৰ, মহম্মদ চিৰাজ, আৰু শ্বাৰ্দুল ঠাকুৰেও দলত স্থান লাভ কৰিছে। কাৰণ আঘাতৰ বাবে বাহিৰ হৈছে ছামি, বিহাৰি আৰু উমেশ।



*প্ৰিমিয়াৰ লীগৰ এখন খেলত মানচেষ্টাৰ ইউনাইটেডৰ খেলুৱৈ এণ্টনী মাৰ্ছিয়েল আৰু মাৰ্কিউজ ৰাজপ'ৰ্টৰ অনুশীলনৰ এটা মুহূৰ্ত*

## গণৰাজ্য দিৱস উপলক্ষে শিৱসাগৰত দ্ৰুত ডবা প্ৰতিযোগিতা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, কালুগাঁও, ২৮ জানুৱাৰী ঃ** দেশৰ ৭২ সংখ্যক গণৰাজ্য দিৱস উপলক্ষত শিৱসাগৰ চেছ একাডেমিৰ মাতৃগোটে শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত শিৱসাগৰ জিলা ভিত্তিত এখনি দ্ৰুত ডবা প্ৰতিযোগিতা সম্পন্ন কৰে। মুঠ ৬২ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনিৰ উন্মোচনী প্ৰাক্‌ক্ষণত মাতৃগোটৰ কাৰ্যকৰী সভানেত্ৰী অশ্ৰুমণি দত্ত ঘোষে ক'বিড দুৰ্যোগৰ পাছত এনেদৰে খেলুৱৈসকল পুনৰ খেলাৰ বাবে ওলাই অহাটো এটা যোগাত্মক দিশ বুলি মন্তব্য কৰে। শিৱসাগৰ জিলা ডবা সন্থাৰ সভাপতি ড° ত্ৰিদিপ মহন্তই উদ্বোধন কৰা প্ৰতিযোগিতাখনিৰ বঁটা বিতৰণী সভাত আদৰণি দুৰাষাৰ আগবঢ়াই মাতৃগোটৰ সম্পাদিকা সুমঞ্জুৰী গগৈয়ে আৰু শলাগৰ শৰাই আগবঢ়াই শিৱসাগৰ চেছ একাডেমিৰ সম্পাদক ভাৰত শৰ্মাই। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে শ্বহীদ পিয়লি ফুকন কলেজৰ অধ্যক্ষ ড° ধ্ৰুৱজ্যোতি নাথ, অধ্যক্ষ বুদ্ধিন মিশ্ৰ, জিলা ডবা সন্থাৰ সম্পাদক স্বৰাজ বুঢ়াগোহাঁই, শিৱসাগৰ চেছ একাডেমিৰ প্ৰতিষ্ঠাপক সভাপতি বীৰেন শইকীয়াকে ধৰি বহুকেইগৰাকী ব্যক্তি। প্ৰতিযোগিতা সমূহ অনুৰ্ধ ৯,১৩,১৭ আৰু মহিলা—এই চাৰিটা শাখাত অনুষ্ঠিত হয়।

### তৃতীয় অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ

## চিটী ক্ৰিকেট ক্লাবৰ বৃহৎ জয়

**গুৱাহাটী, ২৮ জানুৱাৰী ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা তৃতীয় অসম প্ৰীমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ আজি গুৱাহাটীৰ জজ খেলপথাৰত অনুষ্ঠিত হোৱা মেচত জয়লাভ কৰে চিটী ক্ৰিকেট ক্লাবে। দলে (২০০-১০ ৰাণ) ১৩৭ ৰাণত পৰাস্ত কৰে ৰিভাৰ ৰাইন ক্লাবক (৬৩-১০ ৰাণ)। ইয়াৰপূৰ্বে এখন মেচত শান্তিপুৰ ক্লাবে (১৩৫-৩ ৰাণ) সাত উইকেটত পৰাস্ত কৰে ৰয়েলছ ক্লাবক (১৩২-১০ ৰাণ)। ইফালে, মঙলদৈত অনুষ্ঠিত হোৱা মেচত জয়লাভ কৰে ব্লু বাৰ্ড ক্লাবে। ৰোমাঞ্চকৰ মেচত ব্লু বাৰ্ড ক্লাবে (৯৬-৮ ৰাণ) দুই উইকেটত পৰাস্ত কৰে এম এছ এ ক্ৰিকেট একাডেমীক (৯৫-১০ ৰাণ)। উল্লেখ্য যে মুঠ ৮৮.৫০ লাখ প্ৰাইজমানি থকা তৃতীয় অসম প্ৰীমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ তিনিটা পৰ্যায়ত আয়োজন কৰিছে অসম ক্ৰিকেট সন্থাই। ২৩ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হ'ব জিলা, বিশ্ব বিদ্যালয় আৰু ছাব জুনিয়ৰ পৰ্যায়ৰ মেচ। দ্বিতীয় স্তৰত মণ্ডল পৰ্যায়ত অনুষ্ঠিত হ'ব। দুটা স্থানত হ'ব দ্বিতীয় ৰাউণ্ডৰ মেচ। ২৬ ফেব্ৰুৱাৰীৰ পৰা ১২ মাৰ্চলৈ দ্বিতীয় ৰাউণ্ডৰ মেচ অনুষ্ঠিত হ'ব। আনহাতে, ফাইনেল ৰাউণ্ডৰ মেচ অনুষ্ঠিত হ'ব ১৪-৩১ মাৰ্চলৈ। ছটা মণ্ডলৰ পৰা ১২ টা দলে খেলিব ফাইনেল ৰাউণ্ডৰ মেচ। উল্লেখ্য যে তৃতীয় অসম প্ৰীমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ চেম্পিয়ন দলে লাভ কৰিব ১৫ লাখ টকা।

## কৰ'না ভাইৰাছ নাই ইংলেণ্ড ক্ৰিকেট দলৰ সদস্যৰ শৰীৰত



**চেন্নাই, ২৭ জানুৱাৰী ঃ** ভাৰতৰ বিৰুদ্ধে খেলিব লগা টেষ্ট শৃংখলাৰ বাবে ইংলণ্ড ক্ৰিকেট দল ইতিমধ্যে চেন্নাইত উপস্থিত হৈছে। উল্লেখ্য যে ভাৰতৰ ভূমিত খোজ থোৱাৰ লগে লগে ইংলণ্ড ক্ৰিকেট দলৰ সকলো সদস্যৰ কৰ'না পৰীক্ষা কৰা হয়। প্ৰথমে বিমান বন্দৰত আৰু পাছত হোটেলত কৰা হয় কৰ'না পৰীক্ষা। সুখৰ খবৰ এয়ে যে ইংলণ্ড ক্ৰিকেট দলৰ কোনো সদস্যৰ শৰীৰত নাই কৰ'না ভাইৰাছ। অৱশ্যে কৰ'না মুক্ত হলেও আলহী দলটোৱে অনুশীলনত নামিব অহা দুই ফেব্ৰুৱাৰীত। উল্লেখ্য যে প্ৰথম টেষ্টৰ পূৰ্বে ইংলণ্ড ক্ৰিকেট দলে মাত্ৰ তিনি দিন অনুশীলন কৰাৰ সুযোগ পাব চেন্নাইত। ভাৰতত দলে কৰ'নাৰ নিয়ম অনুসৰি ছয়দিন কোৱাৰেণ্টটিনত থাকিব লাগিব। সেয়ে প্ৰথম টেষ্টৰ পূৰ্বে ইংলণ্ড ক্ৰিকেট দলে অনুশীলনত নামিব দুই ফেব্ৰুৱাৰীত। স্মৰ্তব্য যে অহা পাঁচ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হ'ব টেষ্ট শৃংখলা। সূচী অনুসৰি প্ৰথম দুখন টেষ্ট অনুষ্ঠিত হ'ব চেন্নাইত। পাঁচৰ পৰা ন ফেব্ৰুৱাৰীলৈ প্ৰথম টেষ্ট আৰু ১৩-১৭ ফেব্ৰুৱাৰীলৈ দ্বিতীয় টেষ্ট। ইফালে, চাৰিখনীয়া টেষ্ট শৃংখলাত অংশ লোৱাৰ বাবে চেন্নাইত উপস্থিত হোৱা ইংলণ্ড ক্ৰিকেট দলৰ সদস্যসকল পোনে পোনে হোটেললৈ যায়। উল্লেখ্য যে ভাৰতৰ বিৰুদ্ধে খেলিব লগা প্ৰথম দুখন টেষ্টৰ বাবে ঘোষিত ইংলণ্ড দলত স্থান লাভ কৰিছে বেন ষ্টকছ আৰু জোফ্ৰা আৰ্চাৰে। জ'ৰুটৰ নেতৃত্বত ঘোষিত দলৰ সদস্যসকল হ'ল বেন ষ্টকছ, জোফ্ৰা আৰ্চাৰ, মঈন আলি, জেমছ এণ্ডাৰছন, ড'ম বেঠ, ষ্টুৱাৰ্ট ব্ৰড, ৰণি বাৰ্ণছ, জ'ছ বাটলাৰ, জেক ক্ৰাৱলি, বেন ফ'কছ, ডান লৰেন্স, জেক লাচ, অলি ষ্টান আৰু ক্ৰিছ ৱাকছ। উল্লেখ্য যে ভাৰত ভ্ৰমণত টীম ইণ্ডিয়াৰ বিৰুদ্ধে ইংলণ্ড ক্ৰিকেট দলে চাৰিখন টেষ্ট, পাঁচখন টি-২০ আৰু তিনিখন এদিনীয়া মেচত অংশ ল'ব। সদ্য সমাপ্ত শ্ৰীলংকাৰ বিৰুদ্ধে খেলা দুখনীয়া টেষ্ট শৃংখলাটো ২-০ ৰ ব্যৱধানত দখল কৰিছে ইংলণ্ড ক্ৰিকেট দলে।

## ডিব্ৰুগড়ত কৃষক শ্বহীদ দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ২৮ জানুৱাৰী ঃ** অসম চৰকাৰৰ কৃষি বিভাগৰ উদ্যোগত ঐতিহাসিক পথৰুঘাটৰ ৰণত প্ৰাণ আহুতি দিয়া বীৰ কৃষক শ্বহীদ সকলৰ পবিত্ৰ স্মৃতিত ডিব্ৰুগড় জিলাৰ কৃষি বিভাগতো কৃষক শ্বহীদ দিৱস পালন কৰে । নৰনাথ পেগুৱে আঁতধৰা সভাত জিলা কৃষি বিষয়া সুমেন্দ্ৰ গোস্বামীয়ে কৃষক সকলক সন্মান জনাই চৰকাৰী ভাৱে প্ৰস্তুত কৰা আঁচনি সংক্ৰান্তত বহল ভাৱে আলোকপাত কৰাৰ উপৰিও জিলাখনৰ বিভিন্ন প্ৰান্তৰ বচা বচা ১২ জন কৃষকক আনুষ্ঠানিক ভাৱে একোখনকৈ গামোচা পিন্ধাই সম্বৰ্ধনা জনাই অনুপ্ৰাণিত কৰে । সভাত কৃষি উন্নয়ন বিষয়া ক্ৰমে কাবেৰী চলিহা, ৰুনিমা মিলি, মালা বৰুৱা শইকীয়াৰ লগতে বিভাগৰ কৃষি সম্প্ৰসাৰণ সহায়ক সকল উপস্থিত থাকে।

## টেষ্টত ২০০টা উইকেট দক্ষিণ আফ্ৰিকাৰ কাগিছো ৰাবাডাৰ



**কৰাচী, ২৮ জানুৱাৰী ঃ** দক্ষিণ আফ্ৰিকাৰ পেচ বলাৰ কাগিছো ৰাবাডাই টেষ্ট ক্ৰিকেটত ২০০ টা উইকেট লাভ কৰাৰ সফলতা অৰ্জন কৰিছে। উল্লেখ্য যে পাকিস্তানৰ বিৰুদ্ধে খেলা দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথম টেষ্টত এই সফলতা লাভ কৰে ৰাবাডাই। দক্ষিণ আফ্ৰিকাৰ পেচাৰ জনে পাকিস্তানৰ প্ৰথম ইনিংছত হাছান আলীৰ উইকেট লাভ কৰি টেষ্ট ক্ৰিকেটত ২০০ টা উইকেট লাভ কৰাৰ সফলতা অৰ্জন কৰিছে। উল্লেখ্য যে ২৫ বছৰীয়া ৰাবাডাক ২০০ টা উইকেট লাভ কৰাৰ বাবে প্ৰয়োজন হয় ৪৪ খন টেষ্ট মেচ। ইয়াৰপূৰ্বে দক্ষিণ আফ্ৰিকাৰ পেচ বলাৰ ৰূপে টেষ্ট ক্ৰিকেটত ২০০ টা উইকেট লাভ কৰাৰ সফলতা অৰ্জন কৰিছিল ডেল ষ্টেইন আৰু এলান ড'নাল্ডে। উল্লেখ্য যে ষ্টেইনক ২০০ টা উইকেট লাভ কৰাৰ বাবে প্ৰয়োজন হয় ৩৯ খন টেষ্ট মেচ। আনহাতে, ড'নাল্ডে ৪২ খন টেষ্ট মেচ খেলি ২০০ টা উইকেট লাভ কৰে। উল্লেখ্য যে আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ অন্তৰ্গত পাকিস্তান আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্ট কৰাচীত অনুষ্ঠিত হৈছে। উল্লেখ্য যে সুদীৰ্ঘ ১৪ বছৰ পাছত পাকিস্তানত টেষ্ট খেলাৰ বাবে দেশখনত উপস্থিত হৈছে দক্ষিণ আফ্ৰিকা ক্ৰিকেট দল। এই ভ্ৰমণত দক্ষিণ আফ্ৰিকা ক্ৰিকেট দলে পাকিস্তানৰ বিৰুদ্ধে দুখন টেষ্ট খেলাৰ লগতে তিনিখন টি-২০ মেচৰ এক শৃংখলাত অংশ ল'ব। ২০০৯ ত লাহোৰত শ্ৰীলংকা ক্ৰিকেট দলক আক্ৰমণ কৰাৰ পাছত এয়া দক্ষিণ আফ্ৰিকাৰ প্ৰথম পাকিস্তান ভ্ৰমণ। কৰাচীৰ প্ৰথম টেষ্টৰ পাছত অহা চাৰি ফেব্ৰুৱাৰীৰ পৰা ৰাৱালপিণ্ডিত হ'ব দ্বিতীয় টেষ্ট। ইফালে, লাহোৰত হ'ব তিনিখন টি-২০ মেচৰ এক শৃংখলাটো।

### আৰ জি বৰুৱা আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতা

## শিলচৰক পৰাস্ত কৰি ৰে'লৱে চেম্পিয়ন

**গুৱাহাটী, ২৮ জানুৱাৰী ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা চলিত আৰ জি বৰুৱা আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ চেম্পিয়ন ট্ৰফী লাভ কৰিছে ৰেলৱে দলে। উল্লেখ্য যে প্ৰতিযোগিতাৰ ফাইনেলত ৰেলৱে প্ৰথম ইনিংছৰ অগ্ৰগতিৰে শিলচৰক পৰাস্ত কৰি খিতাপ লাভ কৰে। বৰপেটাত অনুষ্ঠিত হোৱা দুদিনীয়া মেচখনৰ প্ৰথমদিনা ৰেলৱে টছত জয়ী হয় যদিও শিলচৰক বেটিং কৰিবলৈ আমন্ত্ৰণ জনায়। শিলচৰে ১৭৮ ৰাণত প্ৰথম ইনিংছ সামৰে। প্ৰত্যুত্তৰত ৰেলৱে দলে প্ৰথম দিনাৰ খেলৰ অন্তত দুটা উইকেট হেৰুৱাই সংগ্ৰহ কৰিছিল ২৬ ৰাণ। আজি দ্বিতীয় দিনা ৰেলৱে ২৩১ ৰাণত প্ৰথম ইনিংছ সামৰে। তেতিয়াই মেচখন ড্ৰ ৰূপে ঘোষণা কৰি সমাপ্ত কৰা হয়। কিন্তু ৰেলৱে প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰাৰ বাবে চেম্পিয়ন ট্ৰফী লাভ কৰে। উল্লেখ্য যে প্ৰতিযোগিতাৰ ছেমিফাইনেলত শিলচৰে প্ৰথম ইনিংছৰ অগ্ৰগতিৰে তেজপুৰক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছিল। আনহাতে, আনখন ছেমিফাইনেলত ৰেলৱে খেলে নগাঁৱৰ বিৰুদ্ধে। দুদিনীয়া মেচখন ড্ৰ হয় যদিও প্ৰথম ইনিংছৰ অগ্ৰগতিৰে ৰেলৱে ফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হয়।



*ইটালীয়ান কাপত জুভেণ্টাছে ৰাজিঅ'ক হৰুওৱাৰ পাছত দলটোৰ খেলুৱৈসকলৰ উল্লাসিত মুহূৰ্ত*



ৰবীন্দ্ৰ ভৱনত গুৱাহাটী নাট্য বিদ্যালয়ৰ দ্বাৰা প্ৰদৰ্শন কৰা বিশিষ্ট নাট্য পৰিচালক মাণিক ৰয়ৰ দ্বাৰা পৰিচালিত 'মেজিক ষ্টিক' নামৰ নাটকখনৰ এটা দৃশ্য

# ডিমৌ আৰক্ষীয়ে পুৱাই জব্দ কৰা অবৈধ কাঠভৰ্তি ট্ৰাক সন্ধিয়াহে চমজালে বন বিভাগক

## ডিমৌত তীব্ৰ প্ৰতিক্ৰিয়া

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ২৯ জানুৱাৰী ঃ** শিৱসাগৰ জিলাৰ ডিমৌত যোৱা সময়চোৱাত বিভিন্ন অবৈধ কাৰ্য্যকলাপ বৃদ্ধি পোৱাৰ গুৰুত্বৰ অভিযোগ উঠিছে। যাক লৈ ২৭ জানুৱাৰী দিনা আদিবাসী ছাত্ৰ সংগঠনে ডিমৌ আৰক্ষী থানা ঘেৰাওৰ দৰে কাৰ্য্যসুচী হাতত লৈ থানা চৌহদ প্ৰতিবাদেৰে উত্তাল কৰি তোলে। কাৰণ আদিবাসী বসতীপ্ৰধান চাহ অধ্যুষিত এলেকাত কুকুৰা যুঁজৰ নামত দীৰ্ঘ দিন সমাজ কলুষিত কৰি মদ, ভাঙ,জোৱাৰ আদ্দা বৃহৎ কাৰবাৰ চলি থকাৰ পিছতো ডিমৌ আৰক্ষী থানাই ৰোধ কৰাত চূড়ান্তভাৱে ব্যৰ্থ হোৱাৰ অভিযোগত । ইয়াৰ মাজতে আন এক গুৰুত্বৰ অভিযোগ উঠিছে ডিমৌ আৰক্ষীৰ বিৰুদ্ধে। অভিযোগ অনুসৰি ডিমৌৰ চাৰিআলিৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথেদি নিতাই আৰু পানীদিহিং মৌজাদুটাৰ পৰা দৈনিক চোৰাংকৈ গৰু,ম'হ গাড়ী ব্যাপক হাৰত সৰবৰাহ হোৱাৰ লগতে অৰুণাচল পৰা এই ৰাষ্ট্ৰীয় পথেদি কাঠভৰ্তি ট্ৰাক পাৰ হৈ যায়। যি কাৰ্য্য দেখিও নেদেখাৰ ভাও দিয়ে ডিমৌ আৰক্ষী আৰু ডিমৌৰ যান-বাহন আৰক্ষী লোক সকলে। আনহাতে কালি পুৱাৰ ভাগত ডিমৌ আৰক্ষীয়ে গোপনে জব্দ কৰে বুজন পৰিমানৰ মুল্যবান কাঠভৰ্তী এ এচ ০১ এল চি ৪৭৬৯ নম্বৰৰ ট্ৰাক । উক্ত ট্ৰাকখনত শাল, চেগুন, খকণ আদি মূল্যবান চোৰাং কাঠ নথিপত্ৰবিহীনভাৱে কঢ়িয়াই অনা ট্ৰাক চালকজনক অতি ৰহস্যজনকভাৱে অজ্ঞাত লোকে পলায়ণ কৰোৱাই দিয়ে । দিনৰ ভাগতে কেইবাটাও স্হান সলনি কৰা বুলি এক সূত্ৰই প্ৰকাশ কৰা তথ্য অনুসৰি পিচত ডিমৌৰ বামুণবাৰীস্থিত এছাৰ পেট্ৰল পাম্পত সংগোপনে ৰাখি ট্ৰাকখন মুকলি কৰি দিয়াৰ যো-জা চলাই ব্যৰ্থ হৈ আৰক্ষীয়ে সন্ধিয়া বন বিভাগক চালক আৰু চাবি অবিহনে গটাই দিবলৈ বাধ্য হয়। অৰুণাচলৰ মেওৰ পৰা শিৱসাগৰ অভিমুখী নথিপত্ৰ বিহীন চোৰাং কাঠভৰ্তি ১২ চকীয়া ট্ৰাকখন শকত ধনৰ বিনিময়ত অসাধু চক্ৰৰ সৈতে গোপন বুজাবুজিৰে মোকলাই দিয়াৰ অভিসন্ধি কৰাৰ সময়তে ফাদিল হৈ পৰা বুলিহে বিভিন্ন মহলত চৰ্চা হৈছে । পুৱাই ডিমৌ আৰক্ষীয়ে জব্দ কৰা ট্ৰাকখন সন্দিয়াহে বন বিভাগক খবৰ দিয়ে যদিও ট্ৰাকৰ চাবিসহ ৰহস্যজনকভাৱে পলায়ণ কৰা চালকজনৰ শুংসূত্ৰ নোহোৱাকৈ বন বিভাগক চমজাই দিয়াত ক্ষুণ্ন হৈ পৰে বন বিভাগৰ দলটো। জানিব পৰা মতে প্ৰায় এটা দশক ধৰি চোৰাং কাঠ সৰবৰাহত জড়িত থকা উজনি অসমৰ জনৈক দিহিঙীয়া উপাধিৰ এজন প্ৰভাৱশালী ৰাজনৈতিক নেতাই একাংশ অসাধু আৰক্ষী বিষয়াক মেনেজ কৰি উক্ত মূল্যবান বনজ সম্পদ চোৰাং কাৰ্য্য অব্যাহত ৰাখিছে বুলি সচেতন মহলে সন্দেহ কৰিছে আৰু ইয়াৰ লগত জড়িত সকলক শীঘ্ৰে চিনাক্ত কৰাৰ দাবী তুলিছে ডিমৌৰ ৰাইজে ।আনহাতে ডিমৌ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ডিমৌ চাৰিআলিয়েদি নিতাই পানীদিহিং মৌজা দুটাৰ দৰিদ্ৰ কৃষকক অসাধু চক্ৰই কম টকাত প্ৰলোভিত কৰি ট্ৰেফিক আৰক্ষী চকুৰ সন্মুখেদি দৈনিক বহিৰাজ্যলৈ ৬-৭ খনকৈ গৰু ম'হৰ গাড়ী কি ৰহস্যজনক কাৰনত পাৰ হৈ যাবলৈ পাইছে ইয়াৰো এক তদন্তৰ দাবী কৰিছে সচেতন মহলে।

# বিধানসভা নিৰ্বাচনত ৰহাত প্ৰাৰ্থিত্ব দিব অসম গণ পৰিষদে

## ৰহাত অগপৰ দলীয় সাংগঠনিক সভা, সাংবাদিকক ক'লে দলে সেউজ সংকেত দিছে

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ২৮ জানুৱাৰী ঃ** আসন্ন অসম বিধান সভাৰ নিৰ্বাচনত ৮২ নং অনুসূচিত জাতিৰ বাবে সংৰক্ষিত ৰহা বিধান সভা সমষ্টিত বিজেপিৰ পৰিবৰ্তে মিত্ৰদলৰ অ গ প দলে প্ৰাৰ্থিত্ব দিব পাৰে বুলি মন্তব্য কৰি অগপৰ নগাঁও জিলাৰ সভাপতি অতুল মেধিয়ে আজি ৰহাৰ সাংবাদিকক কয় দলে সেউজ সংকেত দিছে ।আমি ৰহা সমষ্টিত এইবাৰ প্ৰাৰ্থিত্ব দিব পাৰো ।সেয়ে অগপৰ পুৰণা দলীয় কৰ্মী সকলক লৈ চলিছে ভাগে ভাগে আলোচনা । ৰহা গড়কাপ্তানী বিভাগৰ পৰিদৰ্শন ভৱনত অনুস্থিত হোৱা এখন দলীয় সভাৰ পাছত সাংবাদিকক মাতি আনি এইদৰে মন্তব্য কৰি অপপৰ ভাবী প্ৰাৰ্থী বিষ্ণু দাসক সাংবাদিকক চিনাকি কৰাই দিলে । অনুষ্ঠানত অগপৰ নগাঁও জিলা সভাপতি অতুল মেধি , ৰাজ্যিক কাৰ্যনিবাহক পদ্ম গোস্বামীৰ লগতে অসম গণ পৰিষদৰ ৰহা সমষ্টিৰ নেতা বিষ্ণু দাসো সভাত উপস্থিত থাকে । ৰহা সমষ্টিৰ অন্তৰ্গত ১৭ খন পঞ্চায়তৰ অগপৰ সমিতিৰ সভাপতি সম্পাদকৰ লগতে বিষয়ববীয়া সকলৰ উপস্থিতিত অনুষ্ঠিত সভাখনত আগন্তোক বিধান সভা সমষ্টিটো বিজেপিৰ পৰিবৰ্তে মিত্ৰজোতৰ প্ৰাৰ্থী হিচাপে অগপৰ প্ৰাৰ্থীক প্ৰাৰ্থীত্ব প্ৰদান কৰিবৰ বাবে মিত্ৰজোঁত বিজেপিৰ লগত আলোচনা কৰা হৈছে বুলিও জিলা সভাপতি গৰাকীয়ে মন্তব্য কৰে ।লগতে সভাপতি গৰাকীয়ে আৰু কয় , কেন্দ্ৰীয় নেতৃত্বৰ পৰা সমষ্টিটোৰ সাংগঠনিক ভেটি সুদৃঢ় কৰিবৰ বাবে জিলা সমিতিক অৱগত কৰাৰ পাছতে সমষ্টিটোত অগপৰ ভেটি সুদৃঢ় কৰাৰ বাবে তৎপৰ হৈ পৰিছে ।আগন্তুক সময়ত সমষ্টিটোত অগপৰ কাম কাজ আগবঢ়াই নিবৰ বাবে বিষ্ণু দাসে সমষ্টিৰ ৰাইজৰ লগত যোগাযোগ ৰখা বুলিও মন্তব্য কৰে । কিছু দিনৰ আগতে ৰহা সমষ্টিৰ ২৮ আঞ্চলিকৰ সমূহীয়া পদত্যাগ সম্পৰ্কে সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত অগপৰ নেতা সকলে কয় চাৰি পাছ জন নেতা কৰ্মীহে দল এৰি গৈছে । আমাৰ লগতে দলীয় নেতা কৰ্মী সকল আজিও আছে ।যি কেইজন দল এৰি গৈছে তেওঁ লোকৰ পদত্যাগত দলৰ বিশেষ ক্ষতি নহয়।

# গোলাঘাটৰ শান্তিপুৰত জঘন্য হত্যাকাণ্ড

## চেপা উত্তেজনাই বিৰাজ কৰিছে সমগ্ৰ অঞ্চল

**দৈনন্দিন বাৰ্তা বিশেষ সেৱা গোলাঘাট, ২৮ জানুৱাৰী ঃ** গোলাঘাটত সংঘটিত হৈছে এক ভয়ংকৰ হত্যাকাণ্ড। গোলাঘাটৰ শান্তিপুৰত থকা এখন মাংসকটা দোকানত সংঘটিত হৈছে এটি লোমহৰ্ষক হত্যাকাণ্ড। মইনা নামৰ এজন ব্ৰয়লাৰ মাংস কটা দোকানৰ মালিকে একেঘাপে শিৰচ্ছেদ কৰে আচু খান নামৰ এজন লোকক। জানিব পৰা মতে, কমিটি খেলাক লৈ দুয়োৰে মাজত আৰম্ভ হৈছিল এক সংঘাত আৰু অৱশেষত এই সংঘাতৰ চূড়ান্ত পৰ্যায়ত মইনা নামৰ এই ব্যৱসায়ী জনে ললে চৰম পন্থা। অৱশ্যে হত্যাকাণ্ড সংঘটিত কৰি হত্যাকাৰী মইনাই গোলাঘাট আৰক্ষী থানাত আত্মসমৰ্পণ কৰিছে। যদিও আচু খানৰ পৰিয়ালৰ লোকে হত্যাকাৰীৰ উচিত শাস্তি দাবী তুলি ঘটনা সংঘটিত হোৱা দোকানৰ সন্মুখত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। বৰ্তমান এই ঘটনাক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলটোত এক চেপা উত্তেজনাই বিৰাজ কৰিছে।

# চক্ৰাসনৰে বিশ্ব ৰেকৰ্ড কৰা ৰহাৰ স্তুতি দেৱীক বঁটা প্ৰদান

## ৰাষ্ট্ৰসংঘৰ স্বীকৃতিপ্ৰাপ্ত চলান বুক অৱ ৰেকৰ্ড, উল্লসিত ৰহা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ২৮ জানুৱাৰী ঃ** চক্ৰাসনৰে ২মিনিটত ১০০মিটাৰ অতিক্ৰম কৰি ৰাষ্ট্ৰ সংঘৰ স্বীকৃতি প্ৰাপ্ত চলান বুক অব ৱৰ্ল্ড ৰেকৰ্ডত নিজৰ নাম অন্তৰ্ভুক্ত কৰা নগাঁও জিলাৰ ৰহাৰ শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ ৮মমান শ্ৰেণীৰ ছাত্ৰী স্তুতি দেৱীক আজি আনুষ্ঠানিকভাৱে চলান বুক অৱ ৱৰ্ল্ড ৰেকৰ্ড কৰ্তৃপক্ষৰ তৰফৰ পৰা বঁটা প্ৰদান কৰা হয় ।এই উপলক্ষে ৰহাৰ শংকৰদেৱ শিশু বিদ্যা নিকেতনত আয়োজিত অনুষ্ঠানত ছাত্ৰীগৰাকীক আনুষ্ঠানিকভাৱে মেডেল,ট্ৰফী আৰু প্ৰমাণ পত্ৰ প্ৰদান কৰে চলান বুক অব ৱৰ্ল্ড ৰেকৰ্ডৰ অসমৰ সভাপতি এস্বেচাদৰ হৰেশ্বৰ শইকীয়াই ।নিকেতনখনৰ প্ৰধান আচাৰ্য প্ৰফুল্ল কুমাৰ দাসে আঁত ধৰা বঁটাপ্ৰদান অনুষ্ঠানটোত নিকেতনৰ পৰিচালনা সমিতিৰ সভাপতি জিতেন্দ্ৰ নাথ শৰ্মা, শিশু শিক্ষা সমিতি,অসমৰ নগাঁও বিভাগৰ বিভাগ নিৰীক্ষক পৰাণ বৰা,ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষা বিজয়া গগৈ, চলান বুক অব ৱৰ্ল্ড ৰেকৰ্ডৰ অসমৰ সচিব নিভা কুমাৰী বৰা আদি উপস্থিত থাকি বক্তব্য আগবঢ়ায় ।অনুষ্ঠানত ছাত্ৰ ছাত্ৰীসকলৰ দ্বাৰা নৃত্য গীতো পৰিবেশন কৰা হয় ।উল্লেখযোগ্য যে ৰহাৰ ৰজাগাঁৱৰ নকুল নাথ আৰু স্বৰ্ণলতা দেৱীৰ কন্যা স্তুতিয়ে যোগাসনৰ বিভিন্ন জটিল কৌশলো প্ৰদৰ্শন কৰি ৰাজ্যৰ লগতে ৰাষ্ট্ৰীয় পৰ্যায়তো ইতিমধ্যে সমাদৰ লাভ কৰিছে।

# বিজনীত ১৫নং বিএনএছএছবি জোৱানৰ সজাগতা সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাণিকপুৰ, ২৮ জানুৱাৰী ঃ** চিৰাং জিলাৰ বিজনী মহকুমা পানবাৰী থানাৰ অন্তৰ্গত বিষ্ণুপুৰ হাই স্কুল খেলপথাৰত ১৫ নং বিএন এছ এছ বি কাজলগাওঁ উদ্যোগত সজাগতা সভা অনুষ্ঠিত হয়। এছ এছ বি জোৱান সকলে মুঠ ছয়খন স্কুলৰ ছাত্ৰ - ছাত্ৰী সকলোক সেনিটাইজ, ডেটোল হেন ওৱাছ, ডাছবিন, স্প্ৰে যন্ত্ৰ,মা' বিতৰন, খোৱা পানীৰ বাবে ফিলটাৰ আদি বিভিন্ন ধৰণৰ লাগতিয়াল বস্ত প্ৰদান কৰে লগতে নৃত্য পৰিবেশন কৰে আৰু বিষ্ণুপুৰবাসী ৰাইজক বিভিন্ন ধৰণৰ ঔষদ বিতৰন কৰে। আজিৰ এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ডিআইজি অনটনী তানমী, কামাণ্ডেণ অফিসাৰ ডি.বি.সোনাৰ, আই চি ইনছ্পে''ৰ এছ এছ বি -বীৰেন্দ্ৰ ভাৰতী লগতে ১৫ নং বিএন এছএছবি ৰ জোৱান সকল আৰু বিজনী বিষ্ণুপুৰ অঞ্চলৰ শিক্ষকসকল , প্ৰাক্তন ছাত্ৰ নেতা শয়ন কুমাৰ সিংহ লগতে বিষ্ণুপুৰ অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী সকল উপস্থিত থাকে।

# ২৬-২৭ ফেব্ৰুৱাৰীত আমকোঠাৰ প্ৰথম বাৰ্ষিক অধিৱেশন

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোগামুখ, ২৮ জানুৱাৰী ঃ** মিচিং সমাজৰ আৰ্থসামাজিক, শিক্ষা, ভাষা-সংস্কৃতিৰ উত্তৰণ, সংৰক্ষণ, সংবৰ্ধন আদিৰ বাবে জন্ম লাভ কৰা সদৌ অসম মিচিং মহাবিদ্যালয়ৰ-বিশ্ববিদ্যালয় শিক্ষক সংস্থাৰ প্ৰথম বাৰ্ষিক অধিৱেশনখন ধেমাজি জিলাৰ গোগামুখত অনুষ্ঠিত হ'ব । ২৬ আৰু ২৭ ফেব্ৰুৱাৰীত দুদিনীয়া কাৰ্যসূচীৰে গোগামুখ ৰাজহুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিতব্য অধিৱেশনখন সাফল্য মণ্ডিত কৰি তুলিবলৈ ৩১ জানুৱাৰীত এখনি সভা আহ্বান কৰিছে আৰু উক্ত সভাতে পূৰ্ণ পৰ্যায়ৰ অভ্যৰ্থনা সমিতি গঠন কৰা হ'ব বুলি আহ্বায়ক সুৰেণ চন্দ্ৰ দাং, ৰবিন পেগু, ডঃ তৰুণ টাইদ, অজয় কুমাৰ পাতিৰেঞ্জ জানিবলৈ দিছে । সভাত অসমৰ সকলো মহাবিদ্যালয়-বিশ্ববিদ্যালয়ৰ শিক্ষক সকলক উপস্থিত থাকিবলৈ অনুৰোধ জনাইছে আহ্বায়ক মণ্ডলীয়ে।

# আজিৰ পৰা বটদ্ৰৱা থান আৰু ইয়াৰ দাঁতিকাষৰীয়া সত্ৰসমূহত আৰম্ভ হ'ব মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ মহোৎসৱ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বটদ্ৰৱা, ২৮ জানুৱাৰী ঃ** জগতগুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ আদৰ্শৰাজি, কলা-সংস্কৃতি, সাহিত্য, দৰ্শন বিশ্বব্যাপি প্ৰচাৰ প্ৰসাৰৰ লক্ষ্যৰে মাধৱ সংস্কৃতি ন্যাসৰ উদ্যোগত আৰু শ্ৰীশ্ৰী বটদ্ৰৱা থান পৰিচালনা সমিতিৰ সহযোগত কাইলৈ পৰা ৩১ জানুৱাৰীলৈ পোন প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় পৰ্যায়ত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ মহোৎসৱ অনুষ্ঠিত হ'ব। তিনিদিনীয়াকৈ অনুষ্ঠিত হ'ব লগিয়া এই মহোৎসৱত ৰাজ্যৰ লগতে বহিঃৰাজ্যৰ দুই সহস্ৰাধিক শিল্পী, সাহিত্যিক, গৱেষকে অংশগ্ৰহণ কৰিব। কাইলৈ ২৯ জানুৱাৰী শুক্ৰবাৰে পুৱা ৯. ৩০ বজাৰ পৰা নগাঁও চহৰৰ খগেন মহন্ত প্ৰেক্ষাগৃহত অনুষ্ঠিত হব আন্তৰ্জাতিক প্ৰযুক্তিগত অধিবেশন। পাছত ৩০ আৰু ৩১ জানুৱাৰীত বটদ্ৰৱা থানৰ আকাশী গংগাৰ তীৰৰ আই খেৰসূতী মুকলি মঞ্চ, শলগুৰি নসত্ৰ, ভেটিয়নী নৰোৱা সত্ৰ, নৰোৱা কুজি সত্ৰ, নৰোৱা বালিসত্ৰ, আউনীআটী শাখা সত্ৰ, কৰচুং সত্ৰ আৰু আইলক্ষ্মী থানত একেলগে অনুষ্ঠিত হব ভাওনা, সত্ৰীয়া নৃত্য, বৰগীত, দিহানাম, থিয় নাম, ভোৰতাল নৃত্য আদি বিভিন্ন সাংস্কৃতিক অনুষ্ঠান। ইয়াৰোপৰি এই মহোৎসৱৰ সৈতে সংগতি ৰাখি ৩০ আৰু ৩১ জানুৱাৰীত ২৫০ গৰাকী চিত্ৰশিল্পীয়ে বটদ্ৰৱাৰ আকাশীগংগাৰ পাৰে পাৰে কেনভাছত শংকৰী শৈলীৰ চিত্ৰ অংকন কৰিব। আৰু আকাশী গংগাৰ তীৰত অস্থায়ী মঞ্চত ২৫০ গৰাকী কবিয়ে কবিতা পাঠেৰে মুখৰিত কৰিব। এই সাংস্কৃতিক মহোৎসৱত শিৱসাগৰ, যোৰহাট, নগাঁৱৰ ডিফলু, নমাটি গাঁও, মৰিগাঁও, হোজাই আদি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দহটা সাংস্কৃতিক দলে গুৰুজনাই বিৰচিত অংকীয়া ভাওনা পৰিৱেশন কৰিব। এই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ মহোৎসৱলৈ আগমন ঘটিব লগিয়া ৰাজ্য তথা বিভিন্ন প্ৰান্তৰ সহস্ৰাধিক লোকৰ আৱাস, ভোজন, পানী যোগান, স্বাস্থ্য, বিজুলী সুৰক্ষা আদি বাবে ইতিমধ্যে প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। জাতি বৰ্ণ ধৰ্ম নিৰ্বিশেষে সকলোকে একগোট হৈ গুৰুজনাৰ আদৰ্শ প্ৰচাৰ প্ৰসাৰৰ লক্ষ্যৰ আয়োজিত এই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ মহোৎসৱলৈ ৰাইজৰ উপস্থিতিত কামনা কৰিছে উদযাপন সমিতিৰ সভাপতি তথা বটদ্ৰৱা থান পৰিচালনা সমিতিৰ সভাপতি তথা শ্ৰীশ্ৰী নৰোৱা সত্ৰৰ সত্ৰাধিকাৰ দেৱানন্দ দেৱগোস্বামী, কাৰ্যকৰী সভাপতি ডাঃ আলেখ্য বৰুৱা আৰু সম্পাদক ৰাজীৱ দত্তই।




অনুপ্ৰেৰণাই আয়োজন কৰা এক অনুষ্ঠানত প্ৰখ্যাত চিকিৎসক ডাঃ ৰীণা দত্ত আহমেদক অনুপ্ৰেৰণা জীৱনজোৰা সাধনা বঁটা প্ৰদান কৰাৰ এক মুহূৰ্ত, গুৱাহাটীত

# নগাঁৱত অসম কৌশল বিকাশ মিছনৰ উদ্যোগত কৰ্মশালা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৮ জানুৱাৰী ঃ** অসম কৌশল বিকাশ মিছনৰ উদ্যোগত আৰু জিলা দক্ষতা বিকাশ সমিতিৰ সহযোগত নগাঁও চহৰৰ ফৌজদাৰীপট্টিৰ এলফিনষ্টন বিবাহ ভৱনত আজি এক কৰ্মশালা অনুষ্ঠিত হয়। এই কৰ্মশালাত জিলাখনৰ বিভিন্ন মহাবিদ্যালয়ৰ ছাত্ৰ- ছাত্ৰীসকলৰ লগতে নিৰনুৱা যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰে ।উক্ত কৰ্মশালাখনতে যুৱক-যুৱতীসকলক বিভিন্ন আঁচনি আৰু কেনেকৈ দক্ষতা বিকাশৰ জৰিয়তে নিজকে স্বাৱলম্বী কৰিব পাৰি সেই সম্পৰ্কে আলোচনা কৰা হয়। কৰ্মশালাত আলোচনা আগবঢ়াই ক্ৰমে নগাঁও জিলাৰ উন্নয়ন আয়ুক্ত হেমন্ত ভূঞা আৰু অতিৰিক্ত উপায়ুক্ত দুতিভা বৰা, ৰাজ্যিক প্ৰকল্প বিষয়া ধীৰাজ সিনহা, জ্যেষ্ঠ প্ৰকল্প বিষয়া দীপাংকৰ বৰ্মন, জিলা প্ৰকল্প বিষয়া জ্যোতিময় কলিতাই।

# যান-বাহন আৰক্ষীৰ অমনোযোগিতাৰ বাবে বোকাখাতত সংঘটিত হ'ব পাৰে ভয়াৱহ দুৰ্ঘটনা

**দৈনন্দিন বাৰ্তাৰ প্ৰতিবেদক, কাজিৰঙা, ২৮ জানুৱাৰী ঃ** বোকাখাত আৰক্ষী থানাৰ অন্তৰ্গত মাত্ৰ ডেৰ কিলোমিটাৰ নিলগত থকা এটা ব্যক্তিগত পেট্ৰল ডিপুৰ সন্মুখত ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিতে দিনে নিশাই বৃহৎ বৃহৎ ট্ৰেংকাৰ গাড়ী সমূহ ৰখাই থোৱাৰ ফলত ভয়াবহ দুৰ্ঘটনা সংঘটিত হোৱাৰ সম্ভাৱনাই দেখা দিছে। উল্লেখ্য যে, উজনি-নামনিৰ এটা খুবেই ব্যস্ত পথ বোকাখাতৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ। দিনে নিশাই হাজাৰ হাজাৰ সৰু-বৰ যানবাহন অহাযোৱা কৰি থাকে উক্ত পথটোৰে । অন্যহাতে, পেট্ৰল ডিপুটোত ইন্ধন ভৰাবলৈ অহা অথবা ইন্ধন ক্ৰয় কৰি ওলাই যাওতে যথেষ্ট সমস্যাৰ সন্মুখীন হয় যানবাহন সমূহৰ । কিয়নো পেট্ৰল ডিপুটোৰ আগফালে অৰ্থাৎ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথটোৰ দাঁতিতে বৃহৎ বৃহৎ ট্ৰেংকাৰ সমূহ অবৈধভাৱে ৰখাই থোৱাৰ ফলত বিপৰীত দিশৰ পৰা অহা তীব্ৰবেগী গাড়ীসমূহৰ গতিবিধি প্ৰত্যক্ষ কৰাত যথেষ্ট অসুবিধাৰ সন্মুখীন হয় । ফলত যিকোনো মুহূৰ্ত্বতে ভয়াবহ দুৰ্ঘটনা সংঘটিত হব পাৰে বুলি মত প্ৰকাশ কৰিছে স্থানীয় ৰাইজে । ইফালে উক্ত পেট্ৰল পাম্পটোৰ স্বত্বাধিকাৰীয়ে জানিবলৈ দিয়া মতে, পেট্ৰল ডিপুটোৰ সন্মুখত অৰ্থাৎ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত গাড়ী সমূহ পাৰ্কিং নকৰিবলৈ অনুৰোধ জনাই আহিছে যদিও গাড়ীৰ চালক সকলে কোনো কানসাৰেই নিদিয়ে বুলি অভিযোগ উত্থাপন কৰিছে । ইয়াৰ সমান্তৰালভাৱে বোকাখাত আৰক্ষীকো সেই সন্দৰ্ভত কেইবাবাৰো অভিযোগ দি আহিছে যদিও বোকাখাত যানবাহন আৰক্ষীয়ে এইক্ষেত্ৰত কোনো গুৰুত্ব প্ৰদান কৰা নাই বুলি পেট্ৰল ডিপুটোৰ স্বত্বাধিকাৰী গৰাকীয়ে জানিবলৈ দিয়ে। ইতিমধ্যে ডিপুটোৰ সন্মুখত ৰখাই থোৱা ট্ৰেংকাৰ সমূহৰ কাৰণে সেই অঞ্চলত কেইবাটাও ভয়াবহ দুৰ্ঘটনা সংঘটিত হৈছে । ভৱিষ্যতে অধিক ভয়াবহ দুৰ্ঘটনা সংঘটিত হোৱাৰ সম্ভাৱনাৰ কথা উল্লেখ কৰি সেই পেট্ৰল ডিপুটোৰ সন্মুখৰ পৰা বৃহৎ বৃহৎ ট্ৰেংকাৰ গাড়ী সমূহ আতঁৰাই পঠাবলৈ আৰক্ষীক অনুৰোধ জনায় । সেই সকলোবোৰ দেখিও আজিকোপতি ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত ৰখাই থোৱা গাড়ী সমূহৰ ওপৰত কোনো ব্যৱস্থা গ্ৰহণ কৰা বোকাখাত আৰক্ষীয়ে । এই প্ৰতিবেদন পঢ়ি বোকাখাত আৰক্ষী থানাৰ যানবাহন শাখাৰ আৰক্ষী বিষয়া ৰমা বৰাই এই ক্ষেত্ৰত কি পদক্ষেপ গ্ৰহণ কৰিব সেয়া হব লক্ষণীয়।




শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯

■ মুখ্য সম্পাদক ঃ নৰেন হাজৰিকা

■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া

■ সম্পাদক ঃ শংকৰ গোহাঞি